# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ২০/০৩/২০২৩ সোমবাৰ**

---

**মাননীয় অধ্যক্ষৰ মহোদয়ৰ অধ্যক্ষতাত আজি ইংৰাজী ২০-০৩-২০২৩ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশনৰ কাৰ্য্যসূচী অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১০১। শ্ৰীৰূপেশ গোৱালা। Supplementary.

**শ্ৰীসঞ্জয় কিষান, (মন্ত্ৰী, চাহ জনজাতি কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰসমূহ সদনত ৰখা হৈছে।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন দাঙি ধৰিছিলো, উত্তৰটো সন্তোষজনকভাৱে পাইছো যদিও মোৰ ক'বলগীয়া এটা বিশেষ কথা আছে যোৱা বছৰ ২১ খন বাগিছা বিক্ৰী হোৱাৰ তথ্য আমি পাইছো আৰু এই তথ্য অনুযায়ী ইয়াত কেইবাটাও লিখা আছে যে gratuity ৰ বাদে বাকীখিনি দিব বুলি কৈছে gratuity ৰ দায়িত্বটো কোনে ল'ব আৰু তাৰ ওপৰত কিবা agreement কৰা হৈছে নেকি বা বিভাগৰ তৰফৰ পৰা কিবা চুক্তি কৰা হৈছে নেকি? এইটো ১ নম্বৰ কথা। ২ নম্বৰ কথা, provident fund ৰ বাবদ যিখিনি libicity আছে, সেইখিনি পৰিশোধ কৰাৰ কাৰণে কিস্তি বান্ধি দিয়া হৈছে। আমাৰ প্ৰশ্নটো হ'ল যে, যেতিয়া নতুন কোম্পেনী এটা বাগিচা এখন কিনে, কিনোতে তেওঁ যিজন ব্যক্তিৰ পৰা কিনে সেই ব্যক্তিজনক বা কোম্পেনীটোক  তেওঁ যিটো property ৰ দাম ধাৰ্য্য কৰে, সেইটো সম্পূৰ্ণৰূপে দিয়াই। কিন্তু শ্ৰমিকৰ যিটো libicity সেইটো সম্পূৰ্ণৰূপে নামাৰে তেওঁলোকে কিস্তিত মাৰিব খোজে। গতিকে আমাৰ কথা হ'ল যে শ্ৰমিকৰ যিটো libicity চেইটো সম্পূৰ্ণৰূপে একেলগত দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীসঞ্জয় কিষান, (মন্ত্ৰী, চাহ জনজাতি কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীৰূপেশ গোৱালা ডাঙৰীয়াক জনাব বিচাৰো এইটো এটা আমাৰ বোৰ্ড আছে PF ৰ আৰু সেই বোৰ্ডখনত মই Chairman হিচাপে দায়িত্ব পালন কৰি আছো আৰু তাতে vice-Chairman হিচাপে শ্ৰীতেৰছ গোৱালা ডাঙৰীয়া আছে আৰু trade union হিচাপে ৪ জন সদস্য থাকে তাৰ ভিতৰত মাননীয় শ্ৰীৰূপেশ গোৱালা ডাঙৰীয়া সদস্য হিচাপে আছে। অধ্যক্ষ ডাঙৰীয়া, যিটো উত্তৰ আমি ইতিমধ্যে সম্পূৰ্ণভাৱে দিছো তাৰ ভিতৰত যিটো শ্ৰীৰূপেশ গোৱালা ডাঙৰীয়াই ক'ব বিচাৰিছে সেই সন্দৰ্ভত মই ক'ব বিচাৰিছো যে, যিটো installment ৰ কথাটো তেখেতে প্ৰশ্ন কৰিছে, installment ৰ ক্ষেত্ৰত ইতিমধ্যে High Court ৰ এটা নিৰ্দেশনা আছে আৰু কেইবাটাও চাহ বাগিছাত তেনে ক্ষেত্ৰত High Court য়ে নিজস্বভাৱে তেওঁলোকে order কৰিছে। আমি যেতিয়া এটা কোম্পেনীৰ পৰিস্থিতিলৈ চাই installment দিছো, তেতিয়াহ'লে সেই installment ৰ লগতে 15% with interest আমি তেখেতসকলক interest দিছো। অধ্যক্ষ ডাঙৰীয়া, দেখা গৈছে যেতিয়া Court ৰ পৰা order ওলাইছে, তেতিয়াহ'লে তেওঁলোকে direct কোনো ধৰণৰ interest নোহোৱাকৈ তেওঁলোকে এটা installment court য়ে

order কৰি দিয়ে। আমি যিটো বোৰ্ডে বাধ্য হওঁ, তেওঁলোকক সেই হিচাপত দিবৰ কাৰণে। সেই কাৰণে পৰিস্থিতি সাপেক্ষে সেইটো installment দিয়াৰ ব্যৱস্থা আছে। আমাৰ এখন বোৰ্ড আছে, যদি আমি সেইটো কৰিব পাৰো যে কোনো কাৰণতে installment দিব নালাগে, কিন্তু court ৰ পৰা আমি সেইটো কেনেকৈ নাইকিয়া কৰিব পাৰো সেই ব্যৱস্থাটো আমাৰ বোৰ্ডৰ জৰিয়তে আলোচনা কৰিব পাৰো, তেতিয়াহ'লে নিশ্চিতভাৱে এনেধৰণৰ পৰিস্থিতি নহ'ব। দ্বিতীয়তে যিখিনি চাহ বাগিছা ইতিমধ্যে যথেষ্ট বিক্ৰী হৈছে আৰু বিভিন্ন কাৰণ আমি দেখা পাইছো যে যিবিলাক বৃহৎ বৃহৎ চাহ কোম্পেনী আছিলে আৰু এই কোম্পেনী বিলাকে চাহ বাগিচা সমূহৰ বিপৰীতে বেংক সমূহৰ পৰা তেওঁলোকে বুজন পৰিমাণৰ ঋণ লৈছে আৰু শেহতীয়াকৈ তেওঁলোকে ঋণসমূহ আদায় দিব নোৱাৰাৰ কাৰণত তেওঁলোকে এই বাগিচাসমূহ বিক্ৰী কৰি আতৰি গৈছে। এনেকুৱা এটা পৰিস্থিতি হৈছে লগতে বিভিন্ন চাব বাগিছাৰ পৰিচালনা কৰাৰ ক্ষেত্ৰতো এনেকুৱা হৈছে যে প্ৰথমতে দেউতাকে নিজে চোৱা-চিতা কৰিছিল, পুতেকে আমেৰিকাত পঢ়ি আছিল। পুতেক আহোতে তেওঁ কেতিয়াও বাগান দেখা নাই। আৰু তেওঁ পৰিচালনা কৰিব ল'লে কিন্তু তেওঁৰ বেমেজালিৰ কাৰণে বাগানবিলাক বহুত ক্ষেত্ৰত নষ্ট হোৱা আমি উপলব্ধি কৰিছো লগতে ক'ভিড মহামাৰীৰ সময়ত বাগিচাৰ পৰিস্থিতি যথেষ্ট বেয়াৰৈ ঢাল খালে আৰু তাৰ পাচতে আমি দেখিছো যে, বহু বাগান তেনে ধৰণৰ কোম্পেনীৰ মালিকবিলাকে বাগিচাবিলাক বিক্ৰী ওলাই গৈছে আৰু এটা কথা দেখিছো বহু এনে কোম্পেনী আছে যে তেওঁলোকে বাগিচাৰ এই ব্যৱসায়টোৰ পৰা নিজকে আতৰাই তেওঁলোকে অন্যান্য ধৰণৰ ব্যৱসায় আৰম্ভ কৰিছে আৰু শেহতীয়াকৈ তেওঁলোকে এই বাগিচাবিলাকত যিহেতু হাজাৰ হাজাৰ শ্ৰমিকৰ জড়িতৰ কথা আছে বা এনেধৰণৰ বিভিন্ন ব্যৱসায় বিলাকৰ পৰা আতৰি তেওঁলোকে আন্যান্য ব্যৱসায় বিলাক আৰম্ভ কৰাৰ কাৰণে বহুবিলাক চাহ বাগিছা আমি দেখিছো যে চাহ বাগিছাবিলাক প্ৰায় বিক্ৰী হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আৰু আছে আপোনাৰ।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু এটা গুৰুত্বপূৰ্ণ কথা, মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰাৰ লগতে লগতে সদনকো খুজিছো দৃষ্টিগোচৰ কৰিব খুজিছো বাগিচা বিলাক ঠিকেই বিক্ৰী হয়, কিন্তু যেতিয়া বিক্ৰী হয়, তাত কাম কৰা শ্ৰমিক সকলেও গম নাপায় বিক্ৰী হৈছে বুলি আৰু চৰকাৰেও গম নাপায়। অৱশ্যে তেনে কোনো নিয়মো নাই। কিন্তু যিহেতু যিসকল stakeholder চৰকাৰে হওঁক বা শ্ৰমিকেই হওঁক বা সেই বাগিচাখনৰ সৈতে জড়িত হৈ থকা ব্যক্তি সকলে গম পাব লাগে বাগিচাবিলাক বিক্ৰী হৈছে। কলিকতাত তেওঁলোকে agreement কৰি ৰাতিৰ ভিতৰতে চাইনবোৰ্ডখন সলনি হৈ যায়। যেতিয়া এজন দুখীয়া মানুহে মাটি একঠা কিনিবলগীয়া হয়, তেতিয়া sale permission ৰ দৰকাৰ হয়। তেওঁলোকে ইমান হাজাৰ হাজাৰ বিঘা বাগান বিক্ৰী কৰে, তেওঁলোকে কোনো ধৰণৰ চৰকাৰক অৱগত নকৰে। গতিকে এইক্ষেত্ৰত যদি নীতি- নিয়ম প্ৰণয়ন কৰাৰো প্ৰয়োজন আছে, ভৱিষ্যতে আমি কৰিব লাগে। সেই কথাটো মই সদনৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীসঞ্জয় কিষান,(মন্ত্ৰী, চাহ জনজাতি কল্যাণ ইত্যাদি) ঃ** নিশ্চয়তে মাননীয় অধ্যক্ষ ডাঙৰীয়া, আচলততে এই চাহ বাগিচাসমূহ বেচা-কিনাৰ ক্ষেত্ৰত মই উপলব্ধি কৰো যে ইয়াত উদ্যোগ বিভাগৰো এটা নিজস্বভাৱে Rule থাকিব লাগিব। সেইবিলাক নোহোৱাৰ কাৰণে শ্ৰী ৰূপেশ গোৱালাই কোৱাৰ দৰে ৰাতিৰ ভিতৰতে বহু কোম্পেনী বিলাকে এনে কৈ চাহ বাগিচা বিক্ৰী কৰি

ওলাই গৈছে। মইয়ো এইটো অনুৰোধ জনাম যে আমি Labour Department, উদ্যোগ বিভাগ মিলি যদি এটা ব্যৱস্থা কৰি লওঁ যে ইচ্ছা কৰিলে তেওঁলোকে বাগিচা বিলবিলাক তেনেধৰণৰ বিক্ৰী কৰিব নোৱাৰে। চৰকাৰক তেওঁলোকে অৱগত কৰিব লাগিব। তেনেকুৱা ধৰণৰ যদি এটা নীতি কৰিব পাৰো, তেতিয়াহ'লে নিশ্চয় আগন্তুক দিনত এনেধৰণৰ পৰিস্থিতিবিলাক নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা দৃষ্টি আৰ্কষণ কৰিব বিচাৰো। চৰাইদেউ পৰ্বত চাহ বাগিচাত যোৱা ৪৫ দিনমান পূৰ্বে NCLAT য়ে take over কৰিলে। ৪০ কোটি টকাৰ ধাৰ যি মালিকপক্ষ আছিল, Darjeeling Organic Tea Estate য়ে লৈ যোৱাৰ বাবে। তাৰ পাছত বাগানখন নিয়ম অনুসৰী চলিব লাগিছিল বেংকৰ অধীনত। কিন্তু যিজন মেনেজাৰ, এই মেনেজাৰজনৰ শ্ৰমিকসকলৰ লগত হোৱা সংঘাতৰ বাবে মেনেজাৰজনে অকতৃত্বশীলভাৱে lockout কৰি দিলে আৰু ৪৫ দিনে বন্ধ হৈ আছে। এতিয়া পাতৰ সময়, এই সময়ত শ্ৰমিক সকলৰ যথেষ্ট ক্ষতি হৈছে। গতিকে এই অচলা ব্যৱস্থাৰ কাৰণে শিৱসাগৰৰ উপায়ুক্তই চৰাইদেউৰ কাৰ্য্যলয়ত হোৱা বৈঠকত এই কথাখিনি শ্ৰমিকপক্ষৰ পৰা অৱগত কৰা হৈছিল। ইয়াৰ এটা সমাধান সোনকালে উলিয়াব লাগে। দ্বিতীয়তে, কিছু আইনৰ সংশোধন কৰি হ'লেও যিসমূহ কোম্পেনী, এই কোম্পেনীৰ মালিক সকলক কোন সময়ত বাগানবিলাক কেনেকৈ চলিছে নাজানে আইনৰ সংশোধন কৰি তেখেতসকলে বচৰেকত কমেও প্ৰতিখন বাগানলৈ অহাৰ ব্যৱস্থা, যিহেতু কোম্পেনীৰ বাগানবিলাকত বহুতেই সামগ্ৰী যোগান ধৰে আৰু যিটো হঠাৎ transfer হৈ যায় share তেওঁলোকে নাজানে। তাৰ ফলত স্থানীয় যুৱক সকলৰ অসুবিধা হয় তেওঁলোকৰ যদি পাওনা থাকে, কলৈ যাব এইসমূহ কথা আছে। গতিকে এনেকুৱা ধৰণৰ বাগান হস্তান্তৰ হ'লে সেয়া যাতে ৰাজহুৱাভাৱে ঘোষণা ইয়াৰ আইনী ব্যৱস্তা কৰিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীসঞ্জয় কিষান, (মন্ত্ৰী, চাহ জনজাতি কল্যাণ ইত্যাদি) ঃ** ধন্যবাদ। মাননীয় অধ্যক্ষ ডাঙৰীয়া, সচাঁকৈ এই চৰাইদেউ পৰ্বত চাহ বাগানখনৰ অচলাৱস্থাত আছে। মই নিজে সেইখন চাহবাগিচালৈ গৈছিলো আৰু তাত যিসকল trade union আছে, কৰ্মচাৰী সংঘ আছে, DC, SP সকলোকে লৈ প্ৰায় ৩ ঘণ্টা সময় তেওঁলোকৰ লগত আলোচনা কৰিলো। আলোচনাৰ অন্তত সিদ্ধান্ত হ'ল যে, দ্বিতীয়দিনাখনৰ পৰাই চাহ বাগিচাখন খুল যাব আৰু আলোচনামৰ্মে খুলাৰো ব্যৱস্থা হৈছিল, দ্বিতীয়দিনা কিন্তু দুৰ্ভাগ্যবশত অধ্যক্ষ ডাঙৰীয়া তাতে সৰহ সংখ্যক শ্ৰমিকে বা কৰ্মচাৰী সকলেও যিজন পৰিচালক তাত আছে, সেই পৰিচালকজনত তাত বিচৰা নাই। যি হ'ল হ'ল বৰ্তমান তেওঁলোকে সকলোৱে মিলাই লৈ বাগানখন চলাওক যাতে বাগানখন চলিব পাৰে । কিন্তু কোনো কাৰণতে তাৰে শ্ৰমিক সকলে মানি নলয় মেনেজাৰ জনক আৰু অধ্যক্ষ ডাঙৰীয়া মইয়ো বহুতো তদন্ত কৰি গম পাইছো যে যিজন পৰিচালক তাত আছে সেই পৰিচালকজনে বিভিন্ন সময়ত বিভিন্ন কাৰণত শ্ৰমিক সকলক বিভিন্ন কাৰণত বঞ্চিত কৰি ৰাখিছে আৰু বিভিন্ন সময়ত হাৰাশাস্তি কৰিছে যাৰ কাৰণে শ্ৰমিক সকলে তেওঁক নিবিচাৰে। আমি মালিকগোষ্ঠিক কৈছো যে তেখেতক যদি আঁতৰাই দিলে বাগিছাখন ভাল হয় তেন্তে আতৰাই দিয়ক। কিন্তু অধ্যক্ষ মহোদয় গোটেই বিষয়টো কৰ্টৰ ওপৰত আছে, সেই কাৰণে অলপ অসুবিধা হৈছে । কিন্তু আমি যদি পৰিচালক জনক আতৰাই দিব পাৰো তেতিয়াহ'লে বাগানখন আগৰ দৰে চলিব আৰু মই নিজেও বিধান সভাৰ অধিবেশনৰ পিছত

তাত যাম, বিধায়ক ডাঙৰীয়াৰ লগতো কথা পাতিছো। আমি দুয়োজনে গৈ চেষ্টা কৰিম, কিয়নো তাত শ্ৰমিক সকলে যথেষ্ট অসুবিধাত আছে ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং - ১০২ । শ্ৰী নজৰুল হ'ক ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী নজৰুল হ'ক, (ধুবুৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী সমষ্টিৰ চাৰিখন গাওঁপঞ্চায়ত বাংলাদেশ সীমান্তৰ লগত সংলগ্ন। তাত সদায় বি এছ এফ জোৱানৰ পৰা ৰাইজে হাৰাশাস্তি পায় । এই ক্ষেত্ৰত মই প্ৰশ্ন দিছিলো। যিখিনি উত্তৰ দিছিলে মই প্ৰশ্নৰ উত্তৰলৈ নাযাও । ইয়াত সঠিককৈ দিয়া হোৱা নাই । যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে, মই তেখেতক দৃষ্টিগোচৰ কৰিব বিচাৰিছো বাতামাৰী, ভোগগাঁও, বিন্নাচৰা গাঁও পঞ্চায়তৰ প্ৰায় পাঁচ কিলোমিটাৰ দূৰত বজাৰ । এই বজাৰখন সন্ধিয়া পাচ বজাৰ আগে আগে বি এছ এফ য়ে বন্ধ কৰি দিয়ে। এইটো লৈ মই বি এছ এফ ৰ যি আই জি, চি অ' আৰু আমাৰ উপায়ুক্তৰ লগত কেইবাবাৰো মিটিং কৰি এইখিনি বন্দোবস্ত কৰা হৈছে কিন্তু প্ৰায়ে এনেকুৱা ঘটনা হৈ থাকে । দ্বিতীয়তে বৰ্তমানৰ চৰকাৰখনে ২০২১ চনত শপত লোৱাৰ পিছত কেটেল স্মাগলিং হোৱা নাই। আগতে যদিও হৈছিলে তেতিয়া অসম পুলিচ আৰু বি এছ এফ ৰ জোৱান সকলে জড়িত আছিলে । কিন্তু বৰ্তমান আৰু কোনো ধৰণৰ কেছ হোৱা নাই । মই দ্বায়িত্ব সহকাৰে ক'ব খুজিছো যে সীমান্ত সংলগ্ন মানুহ খিনি যিহেতু আমাৰ ভাৰতীয় নাগৰিক, তেখেত সকলক বজাৰৰ পৰা ধুবুৰী টাউনত বজাৰৰ পৰা বস্ত্ৰাহিনী লৈ যায়, তেতিয়া বি এছ এফ বাহিনীৰ পৰা আগতীয়াকৈ অনুমতি ল'ব লাগে । এইটো এটা ডাঙৰ সমস্যা হৈছে। দৰিদ্ৰ জনসাধাৰণ বজাৰৰ পৰা বস্তু লৈ যোৱাৰ কাৰণে বি এছ এফ ৰ পৰা আগতীয়াকৈ যাতে অনুমতি ল'ব নালাগে আৰু সীমান্তত তেওঁলোকে কঠোৰ কৰি দিয়ক, ইয়াত আমাৰ কোনো ক'ব লগীয়া নাই, আমি ভাৰত চৰকাৰৰ আইন সদায় মানি চলিম আৰু আমাৰ ৰাইজেও মানি চলিব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰত-বাংলাদেশ সীমান্তৰ ৫০০ মিটাৰ দূৰলৈকে সন্ধিয়া ৬ বজাৰ পৰা ৰাতিপুৱা ৫ বজালৈ ১৪৪ ধাৰা বলৱৎ থাকে। ৫০০ মিটাৰ পৰা যিখিনি অঞ্চল তাত ব্যৱসায়-বাণিজ্য কৰিব পাৰে কিন্তু বি এছ এফ ৰ লগত জিলা উপায়ুক্তই আলাপ আলোচনা কৰি এই বিষয়টো মীমাংসা কৰিব লাগে আৰু এই ক্ষেত্ৰত মই জিলা উপায়ুক্তক, আমাৰ অফিচাৰ সকল আছে তেওঁলোকে ধুবুৰীৰ উপায়ুক্তক জনাব । সন্মানীয় বিধায়ক, বি এছ এফ আৰু জিলা উপায়ুক্ত সকলোৰে মিলি ৰাইজক সকাহ দিয়াৰ কাৰণে চেষ্টা কৰিব । বি এছ এফ কি কাৰণে বাধা দিছে সেই বিষয় নজনাকৈ মই এটা প্ৰতিশ্ৰুতি দিয়া উচিত নহয়, কিন্তু জিলা উপায়ুক্তক এই বিষয়ত আগ ভাগ ল'বলৈ পৰামৰ্শ দিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যাবদ।

**শ্ৰী নজৰুল হ'ক, (ধুবুৰী)** ঃ ধন্যবাদ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া। এটা জটিল সমম্যা হৈছে চাৰ, বাংলাদেশৰ পাৰমানেন্ট ফেন্সিংটো আছে আৰু চাৰি-পাচ কিলোমিটাৰত অস্থায়ী ফেন্সিং লগোৱা হৈছে । এই মাটিখিনিত অকল এটা চিজ্‌নট মৰাপাট খেতি হয় । বি এছ এফ ৰ ডি আই জি ৰ লগত এদিন মিটিং কৰিছিলো, তেখেতে কৈছে যে মৰাপাট বিলাক ওখ হয় যিহেতু এইটো আন্তঃৰাষ্ট্ৰীয় সীমান্ত তাত মৰাপাট খেতি কৰিব নালাগে । এইটো তাৰ ৰাইজে মানি লৈছে মৰাপাট খেতি আজি চাৰি বছৰ ধৰি নহয়, কিন্তু স্থায়ী ফেন্সিংটোৰ পিছত চাৰি কিলোমিটাৰ দূৰত অস্থায়ী ফেন্সিং লগাইছে আৰু এই মানুহখিনিক সোমাব নিদিয়ে । এইটো এটা জটিল সমস্যা চাৰ । এইক্ষেত্ৰত যদি আপুনি অকনমান উপায়ুক্তক কৈ দিয়ে আমি মিটিং কৰি ৰাইজক যাতে সকাহ দিব পাৰো তাৰ কাৰণে

আপুনি চেষ্টা কৰিব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰত-বাংলাদেশৰ মাজত যি সীমা নিৰ্ধাৰণ কৰা হৈছে সেই সীমান্তৱৰ্তী অঞ্চলখিনি অতি স্পৰ্শকাতৰ । যিহেতুকে তাত বিভিন্ন ধৰণৰ চোৰাং কাৰবাৰ যেনে- গো সৰবৰাহ আদিৰ লগতে অন্যান্য আনুসংগিক চোৰাং ব্যৱসায় চলি থাকে। সেইবাবে বি এছ এফ য়ে কিছু সাবধানতা অৱলম্বন কৰে । মই বি এছ এফৰ তথ্যখিনি নজনাকৈ বিষয়টোত মোৰ উত্তৰ দিয়াটো কঠিন । তথাপি মই জিলা উপায়ুক্তক বিধায়ক আৰু বি এছ এফ ৰ বিষয়া সকলৰ লগত বহি স্থানীয় মানুহ খিনিৰ অসুবিধা বা কষ্ট লাঘৱ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ বাকম।

আপোনালোক সকলোৱে জানে যে- আমাৰ ভাৰত-বাংলা সীমান্তৱৰ্তী অঞ্চলত যথেষ্ট অপৰাধ মূলক কাম-কাজ সংঘটিত হৈ থাকে । ২০২২ চনত ১১৮১ টা অপৰাধমূলক গোচৰ পঞ্জীয়ণ কৰা হৈছে । ৬১২ খন বাহন জব্দ কৰা হৈছে আৰু ১৩২৬ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে। এই সময়চোৰাত ১৩০০ গৰু উদ্ধাৰ আৰু জব্দ কৰা হৈছে । এইখিনি সময়তে ধুবুৰীত থকা পশুধন ৰখা স্থানৰ পৰিমাণ ৬১৭ লৈকে বৃদ্ধি কৰা হৈছে । অপৰাধমূলক ঘটনা সমূহ যিহেতুকে এই অঞ্চল সমূহত অতি বেছি পৰিমাণে সংঘটিত হৈ থাকে সেয়েহে তাত সাবধানতা অৱলম্বন কাৰটো স্বাভাৱিক। মই এই বিষটোৰ ওপৰত বিশেষ মন্তব্য নিদি জিলা উপায়ুক্ত, স্থানীয় বিধায়ক আৰু বি এছ এফৰ লগত আলোচনাৰ জৰিয়তে এই সমস্যা সমাধান কৰাৰ বাবে আহ্বান কৰিম। এই কথাটো সদনেও জানি লোৱাটো ভাল যে- This is a hot zone of crime. সেইবাবে তাত আৰক্ষী আৰু বি এছ এফ এ সাবধানতা অৱলম্বন কৰে ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য আব্দুছ চোৱাহান আলী সৰকাৰ।

**শ্ৰী আব্দুছ চোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পৰিপুৰক প্ৰশ্নৰ দ্বাৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰো যে- মোৰ সমষ্টিৰ পাচখন গাওঁ পঞ্চায়ত ৰণপাগলী, ভামনডাঙা, চত্ৰচাল, বিষখোৱা আৰু লক্ষীমাৰী বাংলাদেশৰ সীমান্তৱৰ্তী অঞ্চল আৰু এই অঞ্চলৰ মানুহখিনিয়ে প্ৰায়ে মোৰ ওচৰলৈ অভিযোগ আনি থাকে যে সন্ধিয়া পাচ বজাৰ পিছত যাতায়তৰ ক্ষেত্ৰত তেখেতসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰে । বিশেষকৈ মহিলা বা আই-মাতৃ সকলৰ অসুখ হ'লে চিকিৎসা আদিৰ বাবেও যাব নোৱাৰে । গ'লেও নানা ধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় । সেয়েহে তেখেত সকলে মোক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই সমস্যাৰ বিষয়ে জনাবলৈ কৈছে, তেখেতে যাতে নাতিদূৰৈতে এটা বিকল্প পথৰ ব্যৱস্থা কৰি দিয়ে । আমাৰ যিবিলাক চুবুৰীয়া পথ আছে, সেইবিলাকো উন্নক কৰি গাড়ী চলাচল কৰিব পৰা কৰি দিলে তাত বসবাস কৰা লোক সকল যথেষ্ট উপকৃত হ'ব । মই এইখিনিতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব বিচাৰিছো যিহেতুকে তেখেতে এইবাৰ আগমনিৰ পৰা চত্ৰশাল পৰ্য্যন্ত প্ৰায় আঠ কিলোমিটাৰ পথ উন্নত পকীপথ কৰাৰ বাবে মঞ্জুৰ কৰিছে । মই উল্লেখ কৰা পথটো যদি এই উন্নত পকীপথ আঁচনিৰ দ্বাৰা ব্যৱস্থা কৰি দিয়ে, তেতিয়া তাৰ মানুহখিনি যথেষ্ট উপকৃত হ'ব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ, লোকনিৰ্মাণ বিভাগে এইবাৰো অসমত তিনি হাজাৰ কিলোমিটাৰ নতুন পকীপথ নিৰ্মাণ কৰিব । সেয়েহে গোলকগঞ্জ সমষ্টিৰ পথ সমূহ চিনাক্ত কৰোতে তাৰ স্থানীয় বিধায়কে অভিযন্তা সকলৰ লগত আলোচনা কৰি সীমান্তৱৰ্তী পথ সমূহৰ ওপৰত গুৰুত্ব দিলে ভাল হ'ব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লোক নিৰ্মাণ বিভাগে এইবাৰো অসমত তিনি হাজাৰ কিলোমিটাৰ ৰাস্তা নতুনকৈ ৰাস্তা নিৰ্মাণ কৰিব। বিধায়ক মহোদয়ে গোলকগঞ্জ সমষ্টিৰ ৰাস্তাসমূহ চিনাক্ত কৰোঁতে অভিযন্তাসকলৰ লগত আলোচনা কৰি সীমান্তৰ পথসমূহৰ ওপৰত গুৰুত্ব দিলে ভাল হ'ব। এইবাৰো আমি উন্নত পকীপথ যোজনাত ৫ কিলোমিটাৰৰ পৰা ১০ কিলোমিটাৰ পৰ্যন্ত ৰাস্তা প্ৰতি সমষ্টিতে কৰিম। গতিকে বিধায়ক মহোদয়ে সীমান্তত এই ক্ষেত্ৰত গুৰুত্ব দিলে নিশ্চয় সমাধান হ'ব বুলি আশা কৰো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং-১০৩। ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই কওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ** ঃ পৰিপূৰক প্ৰশ্ন।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক জনাব বিচাৰিব যে মই যিখিনি প্ৰশ্ন কৰিছিলো তাৰ বেছিভাগ প্ৰশ্নৰ উত্তৰত অৱগত নহয়, অৱগত নহয় বুলি সংলগ্ন কৰি দিয়া হৈছে আৰু এতিয়ালৈকে আপলোডো হোৱা নাই। এইটো কেৱল মোৰ স্পষ্টীকৰণৰ বাবেই নহয়, প্ৰায় সকলোৰে বাবে। যিহেতু Delimitation ৰ বিষয়টো নিৰ্বাচন আয়োগৰ ফালৰ পৰা আহি আছে। Delimitation হ'ব নে নহয় আৰু যদি হয়, তেন্তে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ধৰক কামৰূপ জিলাৰ ছয়গাঁও আৰু বকো সমষ্টি। ছয়গাঁওখন যেনেকৈ আলোচনাত আহি আছে যে এচ টি সমষ্টি হ'ব আৰু গৰৈমাৰী আৰু আগৰখিনি লগলাগি চমৰীয়া সমষ্টি হ'ব। যিহেতু নিৰ্বাচনৰ কাৰণে আমাৰ হাতত সময় বাকী আছে, যদি Delimitation হয়, তেন্তে বিধায়কজনৰ সেই অঞ্চলটোৰ ডেভলপমেণ্টৰ মেটাৰটো কেনেকৈ হ'ব? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো নিশ্চয় জানিব আৰু তেখেতৰ পৰা এই প্ৰশ্নটোৰ উত্তৰ জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ নিৰ্বাচনী আয়োগে ২৭-১২-২০২২ তাৰিখে আমাৰ অসমৰ মুখ্যনিৰ্বাচনী আয়ুক্তক অৱগত কৰে যে অসমত বন্ধ হৈ থকা Delimitation ৰ প্ৰক্ৰিয়াটো ১ জানুৱাৰীৰ পৰা আৰম্ভ কৰিছে আৰু তাৰ পৰিপ্ৰেক্ষিতত অসমত নতুনকৈ জিলা, মহকুমা বা আন কোনো প্ৰশাসনিক গোট নিৰ্মাণ কৰিব নোৱাৰিব বুলি Chief Electoral Officer এ লিখিতভাৱে অসম চৰকাৰক জনাইছে। পৰৱৰ্তী পৰ্য্যায়ত Chief Electoral Officer অসমে অসমৰ বিভিন্ন জিলাৰ উপায়ুক্তৰ পৰা জিলাসমূহৰ জনগাঁথনি আৰু মুখ্যসচিবৰ পৰা অসমৰ প্ৰশাসনিক গাঁথনি আদিৰ বিভিন্ন তথ্য আহৰণ কৰিছে। অসম চৰকাৰলৈ অহা খবৰ অনুসৰি ভাৰতৰ নিৰ্বাচনী আয়োগে এই মাহত অসমৰ ৰাজনৈতিক দলসমূহৰ লগত আৰু এই প্ৰক্ৰিয়াটোৰ লগত জড়িত ব্যক্তিসকলৰ লগত আলোচনা কৰিবলৈ গুৱাহাটীত আহি উপস্থিত হ'ব। এই গোটেই ঘটনা প্ৰবাহৰ পৰা আমি নিশ্চিতভাৱে বুজি পাঁও যে অসমত Delimitation ৰ প্ৰক্ৰিয়াটো ১ জানুৱাৰীৰ পৰা আৰম্ভ হৈছে। কিন্তু কেতিয়া শেষ হ'ব ক'ব নোৱাৰিম। কাৰণ Delimitation ৰ প্ৰক্ৰিয়াটোৰ লগত ৰাজ্য চৰকাৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত নহয়। ভাৰতৰ নিৰ্বাচনী আয়োগ এটা সাংবিধানিক সংস্থা আৰু সাংবিধানিক সংস্থাই কৰা কাম-কাজৰ লগত ৰাজ্য চৰকাৰ সাধাৰণতে জড়িত হৈ নাথাকে। ৰাজ্য চৰকাৰৰ কাম এটাই হ'ব যে আমাক যিধৰণে পৰিসংখ্যা বিচাৰে, সেইখিনি আমি তেওঁলোকক যি ধৰণে চেনচাচত প্ৰতিফলিত কৰা হৈছে দিব লাগে। দ্বিতীয়তে, অসমত Delimitation ৰ এখন কথা-কথিত

খচৰা বাতৰি কাকতসমূহত প্ৰচাৰ হৈ থাকে। মই বিধান সভাৰ মজিয়াৰ পৰাই আনুষ্ঠানিকভাৱে সেই খচৰাখন কোনো বিধান সন্মত নহয় বা সেই খচৰাখনৰ লগত নিৰ্বাচনী আয়োগৰ কোনো অথ'ৰিটী সেই খচৰাখনৰ লগত জড়িত নহয় বুলি ক'ব খোজো। এই বাতৰি কাকতত ওলাই থকা যি প্ৰস্তাৱিত বিধান সভা বা লোকসভাৰ সমষ্টি সেইটো চৰকাৰী স্বীকৃতি নহয় বা নিৰ্বাচনী আয়োগৰ ড্ৰাফ্‌ট নহয় বুলি মই নিশ্চিতভাৱে ক'ব পাৰো। নিৰ্বাচনী আয়োগে জিৰোৰ পৰা নতুনকৈ গোটেই নিৰ্বাচনী সমষ্টি পুনৰ গঠনৰ ব্যৱস্থাটো আৰম্ভ কৰিছে আৰু তাৰ পৰিপ্ৰেক্ষিততে নিৰ্বাচনী আয়োগে প্ৰথমবাৰৰ বাবে অসমলৈ আহিব। সেই বাবে সন্দেহৰ মাজত থাকি যে এইটো সমষ্টি এনেকৈ বা সেইটো সমষ্টি তেনেকৈ হ'ব, এইধৰণৰ চিন্তা-চৰ্চ্চাৰে সমষ্টিৰ মানুহক ন্যায় সংগত অধিকাৰৰ পৰা বঞ্চিত কৰা উচিত নহয়। ২০০৬ চনত জালুকবাৰী সমষ্টিখনকেই তিনি ভাগত ভাগ কৰা হৈছিল। সেই খচৰাখন বাতৰি কাকতত দেখিলে মানুহৰ মনত সন্দেহ হ'ব। কিন্তু তেনে কোনো খচৰা বৰ্তমানৰ নিৰ্বাচনী আয়োগে মানি লোৱা নাই আৰু পুৰণা খচৰা এখন বা বাতৰি কাকতৰ মুখৰোচক তথ্য তাৰ ওপৰত ভিত্তি কৰি আমি যদি ধৰি লওঁ যে মোৰ সমষ্টিটো তিনিটা ভাগ হ'ব, মই ইয়াত কাম নকৰো, বা মই তাত কাম নকৰো মই ভাৱো এইটো নৈতিক আৰু আইনগত দুয়োটা ভাৱেই অশুদ্ধ হ'ব। সেই বাবেই আমাৰ বিধায়কসকলে যি সমষ্টিৰ পৰা ৰাইজে আমাক মৰমেৰে নিৰ্বাচিত কৰি পঠিয়াইছে, সেই সমষ্টিৰ ৰাইজৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি ২০২৬ চনলৈ আমি নিৰন্তৰভাৱে কাম কৰিব লাগে। Delimitation ৰ চূড়ান্ত ফলাফল কেতিয়া ওলাব আৰু কেনেকৈ ওলাব তাৰ বিষয়ে ৰাজ্য চৰকাৰৰ ওচৰত কোনো তথ্য নাই। It is entirely on the Election Commission of India.

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ,(ছয়গাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা কথাখিনি বুজি পালো। কেৱল এটা অনুৰোধ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কৰিব বিচাৰিছো যে বকোক এচ টি আৰু চমৰীয়াৰ যিটো কথা আহিছে, ইয়াৰ কিবা সত্য-সত্যতা আছে নেকি? এই কথাখিনি স্পষ্ট কৰিব নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰখিনি অসমীয়াতেই দিছো আৰু সকলোৰে বুজি পোৱাকৈ সহজ-সৰল ভাষাত দিছো। কেৱল তিনিটামান ইংৰাজী শব্দ ব্যৱহাৰ কৰিছো। ইয়াৰ পিছতো যদি আমাৰ বুজি পোৱাত অসুবিধা হয় তেতিয়াহ'লে মই কি ভাষাত বুজাব লাগিব, মই বুজি ল'ব লাগিব। মূল কথাটো হ'ল যে এইটোৰেই মুখৰোচক বাতৰিৰ ওপৰত বিধায়ক প্ৰভাবিত হ'ব নালাগে। বিধায়কসকলে আইন আৰু নথিৰ ওপৰতহে আগবাঢ়িব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ , (উঃ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Election Commission of India ই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱা মতে ২৭ তাৰিখে Press Note দিছে। কথাটো এনেকুৱা যে Section 8(A) Representation of Peoples Act ১৯৫০ মতে হ'ব। এইটো ঠিক আছে, ইয়াত সাংবিধানিক অধিকাৰ আছে আৰু আমাৰ ইয়াত ক'বলীয়া একো নাই। কথাটো হৈছে যে প্ৰথম জানুৱাৰীৰ পৰা ২০২৩ চনলৈ যিখিনিৰ প্ৰশাসনীয় সীমাসমূহ জিলাভিত্তিত সলনি নহ'ব। মই মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা সুধিবলৈ বিচাৰিছো যে আপোনালোকে ৩০ তাৰিখে দিল্লীত কেবিনেটৰ মিটিং পাতিলে ইমান কি ইমাৰজেঞ্চি আছিল? এইখিনি কাম

আগতে কৰা নাই? আমাৰ ১৯৭১ চনৰ লোক পিয়ল অনুসৰি আমাৰ জনসংখ্যা ১.৪৬ কোটি আৰু ২০০০ চনৰ লোক পিয়ল অনুসৰি ২.৬৬। এতিয়া কি ভিত্তিত হ'ব? কাৰণ এতিয়া আমাৰ জনসংখ্যা তিনি কোটি পয়ত্ৰিশ লাখ। সেইকাৰণে গোটেইখিনি খেলি-মেলি হৈছে। আজি এন আৰ চিৰ প্ৰক্ৰিয়াটো বন্ধ হৈ আছে। এইক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ স্পষ্টীকৰণ দিয়াৰ বাবে অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Delimitation ৰ প্ৰচেচটো এন আৰ চি ৰ বাবে বন্ধ হোৱা নাছিল। অসম চৰকাৰে ভাৰত চৰকাৰক জনাইছিল যে আইন-শৃঙ্খলাৰ অৱনতি হ'ব পাৰে, তাৰ বাবেহে Delimitation হ'ব নালাগে। সাধাৰণ ৰাইজৰ মাজত যিটো কথা ওলাই থাকে যে এন আৰ চি ৰ বাবে Delimitation ৰ প্ৰচেচ বন্ধ আছিল, সেইটো তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। সেই সময়ত কংগ্ৰেছ চৰকাৰে Delimitation আয়োগক লিখিছিল যে অসমৰ আইন-শৃঙ্খলা পৰিস্থিতি ভাল নহয়, তাৰ বাবে Delimitation কৰিব নালাগে। কিন্তু সেই সময়ত ভাৰতবৰ্ষৰ সকলো ৰাজ্যত Delimitation প্ৰচেচ সম্পূৰ্ণ হয়। ভাৰত চৰকাৰে অসম চৰকাৰক সুধিছিল যে এতিয়া অসমত আইন-শৃঙ্খলা পৰিস্থিতি কেনেকুৱা। আমি জনাইছিলো যে এতিয়া অসমত আইন-শৃঙ্খলা পৰিস্থিতি ভাল। গতিকে পশ্চিমবংগ, কৰ্ণাটক আৰু তামিলনাডুত যি প্ৰক্ৰিয়াৰে সমষ্টি পুনৰ গঠন হৈছে বা যি ভোটাৰ লিষ্ট জনসংখ্যাৰ ওপৰত হৈছে, সেই একে জনসংখ্যাৰ ওপৰত সাংবিধানিকভাৱে নিৰ্বাচন আয়োগে সমষ্টি পুনৰ নিৰ্মাণ কৰিব লাগিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** পশ্চিমবংগ, কৰ্ণাটক, তামিলনাডুত যি প্ৰক্ৰিয়াৰে বা যি ভোটাৰ তালিকাৰে বা যি জনসংখ্যাৰ ভিত্তিত সমষ্টিৰ পুনৰ গঠন হৈছে, একেই জনসংখ্যাৰ ওপৰত সাংবিধানিকভাৱে নিৰ্বাচনী আয়োগে সমষ্টি পুনৰ নিৰ্মাণ কৰিব লাগিব। কাৰণ, পশ্চিম বংগ, কৰ্ণাটকত যদি ২০০১ ভিত্তি বৰ্ষ হিচাপে লয়, তেন্তে অসমতো ২০০১ চন ল'ব লাগিব। বিশেষকৈ, ২০০৬ বা ২০১০ত, সৌ সিদিনা জন্মু-কাশ্মীৰত De-limitation হৈ গৈছে। সেই De-limitationও একে ধৰণৰ জনসংখ্যাৰ ওপৰত ভিত্তি কৰি কৰা হৈছে। ২০২৭ চনৰ পিছত, সাধাৰণতে বুজা যায়, হয়তো আসনৰ সংখ্যা বাঢ়িবও পাৰে বা নাবাঢ়িবও পাৰে। De-limitation ৰ দ্বিতীয় লানি এটা কেতিয়াবা হ'বগৈ কাৰণ প্ৰথম লানি De-limitation হওঁতে কোৱা হৈছিল যে ২০২১ চনৰ জনগণনা নহালৈকে ২০০১ চনৰ জনগণনাৰ ভিত্তিত নিৰ্বাচন হ'ব। আজিও আমি ১৯৭১ চনৰ ভিত্তিত নিৰ্বাচন কৰি আছো। ক'বলৈ গ'লে ১৯৭১ চনৰ জনগাঁথনিৰ আজিৰ দিনত কোনো মূল্য নাই। কিন্তু, আইনে সেই সময়ত ১৯৭১ চনক ন্যায্যতা দিছিল, সেইকাৰণে ১৯৭১ চনৰ ভিত্তিত হৈছে। আজি ২০০১ চনক ন্যায্যতা দিছে। গতিকে, ২০০১ চনৰ ভিত্তিত হ'ব। অহাকালি ২০২১ বা ২০৩১ চনক ন্যায্যতা দিলে ২০২১ বা ২০৩১ চনৰ ওপৰত হ'ব। মাত্ৰ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক জনাই দিছিল যে এতিয়াৰে পৰা অসমত আইন-শৃংখলাৰ পৰিৱেশ নাই। তাৰ পৰিপ্ৰেক্ষিতত, ৰাজ্য চৰকাৰ এই সিদ্ধান্তৰ সৈতে জড়িত নহয়। কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচনী আয়োগে এই ক্ষেত্ৰত এটা সুস্থিৰ সিদ্ধান্তলৈ আহি ২৭ তাৰিখে Press Note দি De-limitation হ'ব বুলি ঘোষণা কৰে। নিৰ্বাচনী আয়োগৰ প্ৰতিনিধি দল আহিব। প্ৰতিটো ৰাজনৈতিক দলক লগ পাব আৰু আমাৰ মনৰ খুদৰনি খিনি আমি নিৰ্বাচনী আয়োগৰ লগত প্ৰত্যক্ষ ভাৱে কথা পাতি সমস্যাসমূহ সমাধান কৰিব পাৰিম। আনহাতে, নিৰ্বাচনী আয়োগে আমাক কৈছিল যে ১ তাৰিখৰ পৰা আপোনালোকে প্ৰশাসনিক সলনি নকৰিব। ২৭ তাৰিখে Press Note দিয়া আৰু ১ তাৰিখলৈকে সময় দিয়াৰ অৰ্থ এইটোৱেই যে আপোনালোকে যি কৰিব বুলি ভাৱিছে, তিনি দিনৰ

ভিতৰত কৰি লওঁক। সাধাৰণতে কোৱা হয় যে The notification is issued, it has come into effect immediately.যেতিয়া নিৰ্বাচনী আয়োগে নিৰ্বাচন ঘোষণা কৰে, তেতিয়া তেওঁলোকে কয় যে Model Code of Conduct come into effect immediately, তাৰ মানে Press Conference শেষ হ'ব আৰু তাৰ লগে লগে Model Code of Conduct আৰম্ভ হ'ব। এইবাৰ আমাক দিয়া চিঠিত তেওঁলোকে স্পষ্টভাৱে লিখিলে যে ১ তাৰিখৰ পৰাহে আপোনালোকে নকৰিব। তাৰ মানে আমাক তিনি দিন সময় দিছে। তেওঁলোকে তিনি দিন সময় দিয়াৰ কাৰণ হ'ল যে ইয়াৰ পিছত হয়তো এবছৰো জিলা পৰিৱৰ্তন নহ'ব বা কোৰ্ট কাছাৰী হ'লে হয়তো দুই-তিনি বছৰো নহ'ব পাৰে। গতিকে, ৰাজ্য চৰকাৰৰ প্ৰশাসন চলোৱাত যাতে অসুবিধা নহয় সেই কাৰণে আমাক তিনি দিনৰ সময় দিয়ে। সেই সময়ৰ উচিত ব্যৱহাৰ কৰি আমাৰ প্ৰশাসনিক দৃষ্টিৰে যিখিনি পৰিৱৰ্তন কৰিবলগীয়া আছিল, আমি কৰি লৈছিলো। ই এক ন্যায়সংগত প্ৰক্ৰিয়া। Cabinet and the Government has the full right to alter and de-alter boundaries of any district, any sub-division. মহামান্য উচ্চতম ন্যায়ালয়ে বহুত গোচৰত এইটো সিদ্ধান্ত দি থৈছে যে ইয়াত আনকি Judiciary ও জড়িত নহয়। This is completely discretion of the Government of the day. গতিকে, আমি আইন, নিৰ্বাচনী আয়োগৰ নিৰ্দেশনা আৰু বিভিন্ন আদালতৰ গোচৰ বা ৰায়দানৰ ভিত্তিত আমি অসমৰ ভৱিষ্যতৰ দিন কেইটাৰ প্ৰতি লক্ষ্য ৰাখি ৩০ তাৰিখে জিলা সমূহ পুনৰ গঠন কৰাৰ সিদ্ধান্ত লৈছিলো আৰু এই সিদ্ধান্ত ন্যায় আৰু প্ৰশাসনিক সুবিধাৰ ওপৰত প্ৰতিষ্ঠিত।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, মোক এটা supplementary কৰিব দিয়ক..... interruptions..

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে উত্তৰ দি দিলে। সকলো ক্লিয়াৰ হৈ গৈছে ... interruptions..

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** এক মিনিট সময় দিয়ক। মোৰ সমষ্টিৰ এটা সমস্যা আছে .. interruptions..

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, ( উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, ........interruptions.......

**মাননীয় অধ্যক্ষঃ** নালাগে। ইতিমধ্যে মই additional supplementary সুধিব দিলোৱেই, আৰু নালাগে। এতিয়া প্ৰশ্ন নং-১০৪। শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী বিমল বড়া, (মন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাচিহ্নিত প্ৰশ্ন নং ১০৪ত অসম বিধান সভাৰ প্ৰধান সচিবৰ পত্ৰ নং LAQ.99/2022/139 dated 21-02-2023 ৰ আধাৰত ৰূপান্তৰ আৰু উন্নয়ন বিভাগলৈ পঠিওৱা হৈছে যিহেতু এই প্ৰশ্নটো সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত নহয়। সেয়েহে, ৰূপান্তৰ আৰু উন্নয়ন বিভাগে উত্তৰটো দিব।

**মাননীয় অধ্যক্ষঃ** Hon'ble concerned Minister.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষঃ** Supplementary.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, নালাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। প্ৰশ্ন নং-১০৫। শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুছ ছোৱাহন আলী সৰকাৰ, (গোলকগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছিলো। কিন্তু, যিখিনি উত্তৰ দিছে, ইয়াত তেনেকুৱা একো ক'বলগীয়া নাই। লগতে, মই এটা কথা ক'ব বিচাৰিছো যে মোৰ সমষ্টিটো অসমৰ একেবাৰে পশ্চিম প্ৰান্তৰ এনে এটা সমষ্টি য'ত বিশেষকৈ সনাতন ধৰ্ম আৰু বৈষ্ণৱ ধৰ্মৰ মানুহ বহুত আছে। তাত বহুতো নামঘৰ, সত্ৰ আছে কিন্তু, এইবেলি আমি 'অসম দৰ্শন' আঁচনিৰ পৰা কোনো আঁচনি এতিয়ালৈকে পোৱা নাই। কিন্তু, যোৱা পাঁচটা বছৰত, বিগত কাৰ্য্যকালত যেতিয়া আমাৰ এই চৰকাৰখন চলি আছিল, তেতিয়া যিবোৰ আঁচনি ধৰিছিল তাত মই দেখিছিলো যে বহুতো গুৰুত্বপূৰ্ণ নামঘৰ, সত্ৰত অনুদান দিয়া হোৱা নাই। ৫০-৬০ বছৰীয়া বহুত পুৰণি সত্ৰ বা নামঘৰত আঁচনি দিয়া হোৱা নাই। অথবা এনেকুৱা কৰা হৈছে যে ১০-১৫ বছৰীয়া কেতবোৰ সত্ৰত দিয়া হৈছে। মই অনুৰোধ কৰো যে পুৰণি নামঘৰ, সত্ৰবিলাকতো অনুদান দিব লাগে। বিশেষকৈ, ইয়াত যি ২.৫০ লাখ টকা কোৱা হৈছে, তাতকৈ এইটো বঢ়াব লাগে। লগতে, এইবেলি যিহেতু বিধান সভাত বাজেটত বিশেষকৈ ১০০ বছৰৰ ওপৰৰ মন্দিৰ-মছজিদত অনুদান দিয়াৰ কথা প্ৰস্তাৱত ৰাখিছে, মোৰ সমষ্টিত ১০০ বছৰৰ ওপৰৰ বহুতো মন্দিৰ -মছজিদ আছে, গতিকে, সেইবিলাকতো যাতে কৃপা দৃষ্টি ৰাখে, এইখিনিয়েই মই উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ২০১৯-২০ চনত 'অসম দৰ্শন' আঁচনিটো আৰম্ভ কৰিছিলো। জিলা উপায়ুক্তৰ প্ৰতিবেদনৰ ভিত্তিত, ১০০ বছৰ পুৰণি, প্ৰথম বৰ্ষত আমি ৪৫৯ টা মন্দিৰ, ৭৪খন দেৱালয়, ১৮৬ খন সত্ৰ, ৪৭ টা মছজিদ আৰু ২৬ টা গীৰ্জাক ১০ লাখকৈ টকা আগবঢ়াওঁ। ২০২০-২১ চনত, বাদ পৰি যোৱা তালিকাৰ পৰা ১৯৬ টা মন্দিৰ, ৫৯ টা নামঘৰ, ১১খন দেৱালয়, ৬৬ খন সত্ৰ, ১৭ টা মছজিদ, ২৫ টা গীৰ্জা আৰু ৩ টা বৌদ্ধ বিহাৰ, ১০০ বছৰ পুৰণি এইখিনি অনুষ্ঠান আমাৰ অসমত আছে। দুই-এটা অনুষ্ঠান হয়তো বাদ পৰি তাৰ লগত যাব পাৰে। এই অনুষ্ঠানখিনিক আমি ২০১৯-২০ চনত আৰু ২০২০-২১ চনত ১০ লাখকৈ টকা আগবঢ়াওঁ। এইবাৰ এই অনুষ্ঠানখিনিক আমি আৰু ১৫ লাখকৈ টকা দিম যদিহে সেই ১০ লাখ টকাৰ Utilization Certificate খন আমাক তেওঁলোকে দিব পাৰে। দ্বিতীয়তে, আমি ২০২১-২২ চনত ৮৫৮ টা নামঘৰ, ২২-২৩ চনত ৭৫৪ টা নামঘৰলৈ আমি ২.৫ লাখকৈ টকা আগবঢ়াওঁ। বৰ্তমানলৈকে অসমত আমি ১২,৮০৪ টা নামঘৰলৈ ২.৫ লাখকৈ টকা আগবঢ়াইছো। এইবাৰ আমি ৮০০০ নামঘৰক 'অসম দৰ্শন' আঁচনিত অন্তৰ্ভুক্ত কৰিব খুজিছো। কিন্তু, এইবাৰ আঁচনিটোৰ সংশোধন ঘটাই নামঘৰৰ সমান্তৰালভাৱে কোনো মন্দিৰ, কোনো দৰ্গাহ বা বাথৌ মন্দিৰ বা আন যিবিলাক অনুষ্ঠান আছে এই সকলোবিলাককে আমি এই পুঁজিটো আগবঢ়াম যদি তাত পৰ্যাপ্ত পৰ্যটক যায়। অৰ্থাৎ আমি এইটো কথা বুজি পাওঁ যে এটা নামঘৰ বা দৰ্গাহ বা গীৰ্জাত যদি পৰ্যটক যায়, সন্মুখত অন্ততঃ ১০ খন নতুনকৈ দোকান বহে। এটা ব্যৱসায়ৰ সৰু কেন্দ্ৰ এটা হ'লেও প্ৰতিষ্ঠা হয়। সেইকাৰণে ইমানদিনে আমি যদিও নামঘৰত এই অনুদান দি আছিলো, এইবাৰ এই অনুদানৰ scope টো আমি পৰ্যটক যোৱা যিকোনো ধৰ্মীয় অনুষ্ঠানলৈ আগবঢ়াব খুজিছো। বিশেষকৈ আমাৰ ইছলাম ধৰ্মীয় লোক সকলৰ দৰগাহত যথেষ্ট ৰাইজ যায়, মন্দিৰ, নামঘৰত যায় বা বিভিন্ন ধৰণৰ খিলঞ্জীয়া লোকসকলৰ বিশ্বাস থাকে কিছুমান পৰিৱেশৰ লগত যেনে- সূৰ্য্য, চন্দ্ৰ এই ধৰণৰ অনুষ্ঠানবিলাকত আমি এইবাৰ scope টো বঢ়াব খুজিছো। বিত্ত

মন্ত্ৰী ডাঙৰীয়ানীয়ে এইবাৰ ৮০০০ এনে অনুষ্ঠানলৈ পুঁজি আগবঢ়োৱাৰ কথা কৈছে। মই গোলকগঞ্জৰ বিধায়ক ডাঙৰীয়াক অনুৰোধ কৰিম যাতে এই আঁচনিটোত গোলকগঞ্জ সমষ্টিৰ যিবিলাক এনেকুৱা ধৰণৰ পুৰণা অনুষ্ঠান আছে, যিসমূহৰ ১০০ বছৰ পুৰণা হৈছে বা আজিৰ দিনত যদি এনেকুৱা কিবা অনুষ্ঠান ৰৈ গৈছে, আমি সকলোকে এই আঁচনিত সামৰি ল'ব পাৰিম। আঁচনিখনত এটা নতুন guideline ওলাব কাৰণ আগৰ guideline মতে অকল নামঘৰ লিখা আছিল। এইবাৰ scope টো বহল কৰি guideline খন ওলাব। গতিকে guideline খন ওলোৱাৰ পিছত গোলকগঞ্জ সমষ্টিৰ যিসমূহ এনেকুৱা ধৰণৰ পুৰণা অনুষ্ঠান সমূহ আমি সামঞ্জস্য ৰাখি আপুনি নাম দিলে আমি জিলা উপায়ুক্তৰ পৰা প্ৰতিবেদন সংগ্ৰহ কৰি অনুদান দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১০৬, শ্ৰী সুৰেণ ফুকন।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই এটাই কথা অনুৰোধ কৰিম যে আমি ডিগবৈত অগ্নিনিৰ্বাপক আৰু আপদকালীন সেৱা যিটো ২০১৫ চনতে স্থাপনৰ ব্যৱস্থা কৰা হৈছিল আৰু জিলা উপায়ুক্তৰ পৰা ভূমি ২০১৯ চনত আমি পাইছো, কামটো definitely ২০১৯ চনতে কৰিব লাগিছিল। চৰকাৰৰ এই ক্ষেত্ৰত নিশ্চয় ক'ৰবাত নহয় কৰবাত lapse আছে কাৰণ ২০১৯ চনতে মাটি পোৱাৰ পিছতো আজিলৈকে কামটো নোহোৱাটো ৰাতিপুৱা উত্তৰটো পঢ়ি মোৰো মনটো ভাল লগা নাই। মই গৃহ বিভাগক নিৰ্দেশ দিম যে তৎকালীনভাৱে যাতে fire brigade টো বনোৱাৰ কাম আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১০৭, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, আমি প্ৰত্যেকেই বিচাৰো যে বাল্য বিবাহ বন্ধ হ'ব লাগে। Accordingly, Prohibition of Child Marriage Act, 2006 ৰ মতেই ধৰপাকৰ গোটেই প্ৰক্ৰিয়াটো চলি আছে। মোৰ তিনিটা প্ৰশ্ন আছে মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ। এই যে ধৰপাকৰ টো চলি আছে, Section 16 ত লিখা আছে যে Child Marriage Prohibition অফিচাৰৰ কথাটো। আপোনালোকে ৬০ শতাংশ ধৰিলে কিন্তু তাৰ পিছতে Child Marriage Prohibition অফিচাৰ নিয়োগ কৰিলে। এই যে আমি আইন বনাই থাকো, এই আইন যিসকলে ভঙ্গ কৰিলে তেখেতসকলৰ ওপৰত আপোনালোকে কি ব্যৱস্থা ল'ব?

দ্বিতীয়তে, আপোনালোকে এইবাৰ বাল্যবিবাহ বন্ধ কৰাৰ বাবে তৎপৰ হৈছে। বাল্যবিবাহ বন্ধ কৰাটো আমি প্ৰত্যেকেই বিচাৰো আৰু এই ক্ষেত্ৰত আমি আপোনালোকৰ লগত আছো। আপুনি ভাল পদক্ষেপ লৈছে। কিন্তু এই বাজেটত গুণোৎসৱৰ নিচিনা প্ৰতিটো স্কুলত স্বাস্থ্যমেলা কৰিব এইটো ভাল হৈছে। কিন্তু এই বাল্য বিবাহৰ কাৰণে প্ৰতিখন জি পি ত কিয় মিটিং পতা নাই? তাত অফিচাৰ সকলওে যাব আমিও যাম। লাগিলে তাৰবাবে ১ লাখ কৈ পইচাও ধৰিব লাগিছিল । এই awarness টোত আমাকো সংযোগ কৰিব লাগিছিল।

তৃতীয়তে, POSCO আইনটো আপুনি লগাইছে আৰু কোৰ্টলৈ পঠাইছে। এতিয়া কোনজন মা-দেউতাই বা পত্নীয়ে কোৰ্টত গৈ ক'ব যে মোৰ স্বামীয়ে মোৰ ওপৰত নিৰ্যাতন কৰিছে বা কোন মা-দেউতাই ক'ব। গতিকে আপুনি পঠাইছে ঠিকেই কিন্তু শেষত গৈ কোৰ্টত গৈ এইটো কোনো stand নহ'ব। গতিকে এই ক্ষেত্ৰত যিখিনি খেলিমেলি আছে, সেইখিনি clear কৰি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক মহোদয়ৰ যিটো ধাৰণা যে প্ৰথমবাৰৰ বাবে Child Marriage Prohibition অফিচাৰ নিয়োগ কৰা হৈছে সেইটো তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। অসমতো CDPO সকলক এটা সময়ত Child Marriage Prohibition অফিচাৰ নিয়োগ কৰা হৈছিল। কেবিনেটত আমি মাত্ৰ CDPO ৰ স্থানত পঞ্চায়তৰ secretary সকলক Child Marriage Prohibition অফিচাৰ নিযুক্তি দিবলৈ সিদ্ধান্ত লৈছিলো আৰু তাৰ notification issue হৈছে।

দ্বিতীয়তে, POSCO Act লগোৱা বা নলগোৱাটো পুলিচ বা চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰে। POSCO Act ৰ অধীনত লিখা আছে যে ১৬ বছৰৰ তলৰ ছোৱালীজনীৰ প্ৰতি কোনোবাই যদি sexually advance হয়, তেতিয়াহ'লে তাত POSCO Act বলবৎ হ'ব আৰু এই আইনখনত wife সকলকো exempt কৰা হোৱা নাই যে you can sexully advance to anyone which will be crime but 'excluding wife' এই শব্দটো তাত নাই। তাৰ পৰিপ্ৰেক্ষিতত Police is duty bound. যদি কোনোবা ১৪ বা ১৬ বছৰৰ তলৰ ছোৱালী হয় তাত category of offences আছে আৰু POSCO Act ত এইখিনিও আছে যে যদি বিধায়ক এজনেও গম পায় যে এই ছোৱালীজনীৰ ওপৰত কোনোবাই হাত দিছে তেওঁ গম পোৱাৰ লগে লগে, ইয়াত clearly কোৱা আছে যে Section 5(1) of the POSCO Act whoever commit prohibitive sexual assault including husband .বিয়া কৰোৱাৰ পিছত ১৮ বছৰ লৈকে যদি আপুনি sexually advance নহয়, তেতিয়াহ'লে POSCO Act নালাগে। এতিয়া আপুনি কৈছে যে কোনে ক'ব? কোনেও ক'ব নালগে। কেচুঁৱাটোৱে ক'ব। কাৰণ sexual intercourse নোহেৱাকৈতো কেচুঁৱা হ'ব নোৱাৰে আৰু সেই ছোৱালী জনীয়ে যে সন্তান জন্ম দিছে, সেই evidence টো আমাৰ লগত আছে। এতিয়া ১৪ বছৰ জেইল confirm হ'ব। যিসকলে ছোৱালী বিয়া কৰালে কিন্তু সন্তান জন্ম নিদিয়াকৈ আছে তেওঁলোকৰ ওপৰত হয়তো POSCO Act প্ৰমান কৰাটো আমাৰ কাৰণে দিগদাৰ হ'ব। ছোৰলীজনীয়ে হয়তো কোৰ্টত নকবও পাৰে কিন্তু সন্তান থাকিলে তেওঁ ক'ব নোৱাৰে যে without intercourse সন্তান জন্ম হৈছে বুলি। গতিকে that is suffient evidence for police to book any person under the POSCO Act. ইয়াত যদি আপোনালোকে language চায়, তাত লিখা আছে যে as per Section 5(1) of the POSCO Act whoever commit penetrative sexual assault on a child is liable, even husband is liable. No protection is given to the husband.Section 5(N) ত লিখা আছে যে any relative of a child তাকো include কৰি থোৱা হৈছে আৰু POSCO Act য়ে কয় যে যিকোনো ক্ষেত্ৰতে ছোৱালী এজনীৰ গাত কোনো এজনে যদি হাত দিয়ে on sexual point of view, it should be considered as a rape.Husband ৰ ইয়াত কোনো ৰেহাই নাই। সেইকাৰণে সৰু ছোৱালী এজনীক বিয়া কৰোৱা আৰু বিয়া কৰোৱাই যৌন সম্পৰ্ক স্থাপন কৰা, it is a crime under POSCO Act. বিধায়ক সকলে যেতিয়া আইনৰ বিৰুদ্ধে ক'ব যে আপোনালোকে লগাব বা আপোনালোকে নলগাব, কোনো ঠাইতে discretion লগোৱা নাই যে পুলিচে লগাবও পাৰে নলগাবও পাৰে বুলি। তাত clearly লিখা আছে যে পুলিচে লগাবই লাগিব। ইয়াৰ পিছত এটা নতুনকৈ there was a rumour spread by someone that High Court has

criticised the Government.I have asked the Advocate General repeatedly that any structure has been made by the High Court, he said no. I'm saying with authority.

**There was rumour spread by someone that High Court has criticised the Government. I have asked advocate General repeatedly- any stricture has been made by High Court , He said no , Iam saying Authority- Some News Paper has deliberately leak that news that High Court is not happy with the government of Assam for invoking POCSO act. But It is not a question of happy or unhappy , till High Court strike down the POCSO act, We have to claim POSCO act on anyone .** হাইকোৰ্টে যদি বেয়া পাইছে - **They can strike down the act but as long as the act is institute the police has to act according to the provision of the act.** তাততো কোনো অপশ্যন দিয়া নাই গতিকে এই কাৰণে আজিও আমি এৰেষ্ট কৰা ব্যক্তিসকলে বহুতে জামিন পোৱা নাই । বেইল বহু লিমিটেড হৈ আছে । মই বিশ্বাস কৰো নবৈব শতাংশ কেচত কনভিকশ্যন হ'ব য'ত বাচ্ছা হৈছে । য'ত বাচ্ছা হোৱা নাই তাতে- টিল দ্য ফেমিলি মেম্বাৰ অৰ দ্য চাইল্ড এডমিট - তেতিয়ালৈকে দিগদাৰ হ'ব । কিন্তু বাচ্ছা হোৱা কেচবিলাকত ৰেহাই নাপাব বুলিয়েই মই ধাৰণা কৰো ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, ( উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক হিচাপে আমাৰ ৰেচপনচিব্লিটি হৈছে আইনখন বনোৱা। আইনখন যাতে ভালকৈ ইমপ্লিমেন্ট হয় সেইখিনি বস্তুও আমি চাব লাগিব আৰু সেই কাৰণে আমি কোৱেশ্বন কৰিব লাগিব, প্ৰয়োজন হ'লে আমি এশবাৰ কোৱেশ্বন কৰিম ছাৰ । এতিয়া কথা হ'ল - ২০১৬ চনতে হৈছে কিন্তু আজিলৈকে ৰুলটো ফ্ৰেম হোৱা নাই । এইটোতো চেন্ট্ৰেল গৰ্ভমেন্টৰ এক্ট হয়। ফৰ্টিনৰ পৰা আপোনালোকৰ গৰ্ভমেন্ট আছিল , কিয় ৰুল ফ্ৰেম কৰা নাই ? দ্বিতীয়তে , আমি এইটো বিচাৰিছো অধ্যক্ষ মহোদয়, চমক সৃষ্টিৰ কাৰণে হ'ব নালাগে, বাস্তৱ ক্ষেত্ৰত ইমপ্লিমেন্ট হ'ব লাগে যাতে চাইল্ড মেৰিজটো বন্ধ হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, 'পকচো' এক্টত ৰুল বনোৱাৰ কোনো প্ৰভিজন নাই । আমি কনভিকশ্যন লৈ আছো প্ৰত্যেক বছৰে দুশ- তিনিশ । প্ৰতি বছৰে কনিভিকশ্যন হৈ আছে । মই মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ প্ৰশ্ন উত্তৰত দিছো যে 'পকচো ' এক্টত আমি কনভিকশ্যন পাইছো । এতিয়ালৈকে আমি চাৰ্জশ্বিট কৰিছো, কনভিকশ্যন হৈছে - ইট ইজ এ অনগোয়িং প্ৰচেচ । চাইল্ড মেৰিজ প্ৰহিবিশ্যন এক্টতো ৰুল বনোৱাৰ কোনো প্ৰয়োজনীয়তা নাই । এতিয়ালৈকে আমি ইয়াত নশ কেচ চাৰ্জশ্বিট কৰিছো। কোৰ্টেতো এতিয়ালৈকে আমাক কোৱা নাই যে ৰুল বনাব লাগিব। ৰুল নোহোৱা বাবেতো কোৰ্টে সকলোকে বেইল দিলেহেঁতেন । আজিলৈকেতো কোৰ্টে বেইল দিয়া নাই ।- চো উই হেভ একচেপ্ট - এচ পাৰ ল' - দ্বিতীয় কথা যে, চমক সৃষ্টি কৰাই হওঁক চমক সৃষ্টি নকৰাই হওঁক - ২০২৬ চনৰ ভিতৰত অসমত চাইল্ড মেৰিজ বন্ধ হৈ যাব। অত্যন্ত কঠোৰৰ পৰা কঠোৰ ব্যৱস্থা এই গৰ্ভমেন্টে গ্ৰহণ কৰিব। প্ৰতি দুই - তিনি মাহত আমি মানুহ এৰেষ্ট কৰিছো আৰু আমি ২০০ কোটি টকা বাজেটত দিছো যাতে স্পিচিয়েল এডভোকেট লগাব পাৰি । এণ্ড উই ৱান্ট টু চি- দেট এভ্ৰিবডি ইছ কেন কনভিক্টেড।

আমি দুশ কোটি টকা অকল উকিলৰ খৰচৰ বাবেই ৰাখিছো । আমাৰ এৰাৰনেচো থাকিব- এটা কন্টিনোৰাছ হেল্প লাইনো থাকিব । গোটেই গাঁও পঞ্চায়তৰ চেক্ৰেটেৰীসকলক এৰাৰনেচ কৰিবৰ বাবে কোৰা হ'ব। ইতিমধ্যে কোৰা হৈছে - কাছাৰৰ উপায়ুক্তই 'বাল সংসদে' ই পাতি আছে । চো চিৰিজ অৰ লেজাৰ উইল বি নাও টেকেন । আমি এই কাৰণে বাজেটত দুশ কোটি টকা ৰাখিছো । প্ৰত্যেকটো কেচৰ এগেইনষ্টত আমি স্পিচিয়েল এডভোকেট দিম যাতে কনভিকশ্যন হয় । আমি কনভিকশ্যনৰ বাবে কাম কৰিম। দ্বিতীয়তে, আমি এটা হেল্প লাইন দিম - যেতিয়া স্কুলত ছোৱালীজনী আহি থাকে - দুইদিন পিচত ছোৱালীজনী নহা হয় - লগত বহা একে বেঞ্চৰ ছোৱালীজনী গম পায় - যে এই ছোৱালীজনীক মাক -বাপেকে জোৰ কৰি বিয়া দিলে। তাইৰ মনতো ভয় আৰম্ভ হৈ যায় । তাই এটেলিষ্ট এটা অপশ্যন পাব যে মনে মনে ফোন কৰি আমাক জনাব পাৰিব। এৰাৰনেচ থাকিব । যিসকল ছোৱালী ভিক্টিম হয় তেওঁলোকৰ ৰিহাব্লিটেশ্যনৰ বাবে আমি কাম কৰিম । স্ক'লাৰশ্বিপ দিয়া, পঢ়ুওৱা, তেওঁলোকক ফ্ৰি এডুকেশ্যনৰ ব্যৱস্থা কৰা, দেউতা-মাৰ ঘৰলৈ যেতিয়া আমি তেওঁলোকক ঘূৰাই পঠাম -তেতিয়া আমি অৰুণোদয়, ফ্ৰি ৰাইচ - গোটেইখিনি গৰ্ভমেন্টৰ স্কীম দি পঠিয়াই দিম। আমি এটা দীঘলীয়া ব্যৱস্থা হাতত লৈছো , ২০২৬ চনৰ ভিতৰত এইটো বন্ধ হ'ব । মই বিধায়কসকলোকো পূৰ্ণ সহযোগ কৰিবলৈ আহ্বান জনাম। এইবাৰ বহুকেইখন সংবাদ মাধ্যমৰ ভূমিকাত মই অত্যন্ত দুঃখিত। কাৰণ সংবাদ মাধ্যমৰ জৰিয়তে ওলাইছে যে এঘাৰ বছৰত সন্তান হৈছে । কোনেওতো ১১ বছৰ বয়সত ছোৱালী বিয়া নিদিয়ে। আমাৰ অসমত এটা প্ৰবণতা যে বেলেগৰ ছোৱালীয়ে কষ্ট পালে তাক আমি ৰাজনৈতিকভাৱে কাৰোবাক বিপদত পেলাব পাৰো নেকি তাক আমি চেষ্টা কৰো এইটো দুখঃজনক । পেপাৰৰ এডিটৰিয়েলত আৰ্টিকোল ওলাইছে যে চৰকাৰে কিয় 'পক্চো' লগালে ? মুখ্যমন্ত্ৰীয়ে পক্চো এক্ট লগাব পাৰে নেকি ? কওঁক 'পক্চো' এক্টখন উঠাই দিব লাগে বুলি । কালি যদি তেখেতৰ ছোৱালীক কোনোবাই ধৰ্ষণ কৰে তেতিয়া এই পক্চো এক্টখন লাগিব নে নাই, তেওঁ নিজৰ বিবেকক সোধক। এইটোত কিন্তু আমাৰ বহুতো ইন্টেলেক্টুৱেলে লজ্জিত ভূমিকা ল'লে । টাইমছ্ অৱ ইণ্ডিয়াৰ গুৱাহাটীৰ কৰেচপণ্ডেন্টয়ে হাইকোৰ্টক ভুলকৈ কোট কৰি দিল্লীত নিউজ পঠিয়াই দিলে ইনক্লুডিঙ হিন্দু । তেওঁলোকৰ ঘৰত কন্যা সন্তান আছেনে নাই , মই নাজানো । এইটোত অৰধাৰিতভাবে হাউছে একেমুখে ক'বহে লাগিছিল যে চৰকাৰে ভাল কাম কৰিছে। কিন্তু তাৰ সলনি কৈছে- অমুকক কিয় এৰেষ্ট কৰিছে, তমুকক মানৱীয়তাৰে ল'ব লাগিছিল। তেনেহ'লে আপোনালোকে কওক যে দহ বছৰ আগতে মাৰ্ডাৰ কৰিছিল, দহ বছৰ পিচত অপৰাধী ধৰা পৰিলে কিন্তু এৰেষ্ট কৰিব নালাগে । আমিতো ইমানখিনিলৈকে চাই আছো যে দহ বছৰ আগতে যদি কোনোবাই অপৰাধ কৰিছিল তেন্তে আজিও অপৰাধীক বিচাৰি আনি জেলত ভৰোৱা হৈছে । কাৰণ ক্ৰাইম এগেইনষ্ট উইমেন- ক্ৰাইম এগেইনষ্ট চাইল্ড- এইটোততো বিতৰ্ক কৰিবলগীয়া একো কথা নাই । ইয়াততো আদানী নাই । কাৰোবাৰ সন্তানতকৈ আদানী ডাঙৰ নেকি ? কি কি ফমূৰ্লাৰে যে অদ্ভুদ কিছুমান মানসিকতা আনিছে - মইতো সংখ্যালঘু ছাত্ৰ সন্থাক ধন্যবাদ জনাম । প্ৰথম যেতিয়া আমছুয়ে মোক লগ কৰিব আহিছিল - তেওঁলোকে মোক আবেদন দিলে যে ছাৰ আপুনি চাইল্ড মেৰিজ লৈ অতি কঠোৰ হওঁক যাতে আমাৰ সমাজত বাল্য বিবাহ বন্ধ হয় । এতিয়া আমি যদি আমছুতকৈও বেছি মুছলমান দৰদী হ'ব যাঁও- এইটোতো উচিত কথা নহয় । তেওঁলোকে মোক কোৰাৰ লগতে লিখিতভাবেও দিছে- তাৰ পিচত মোক হোৱাটচএপ যোগে ধন্যবাদ জনাই কৈছো - ছাৰ আমি এইটো কৈছিলো- আজি আপুনি কামটো কৰিলে। গতিকে বাল্য বিৱাহৰ ক্ষেত্ৰত কোনেও এইটোত

কম্প্ৰ'মাইজ কৰিব নালাগে । দেখিলে দুখ লাগে এঘাৰ বছৰ বয়সত সন্তান কোলাত ল'বলগীয়া হৈছে । আজি আপোনালোকে চাব সন্দিকৈ কলেজত- ২২ - ২৩ বছৰ বয়সত ছোৱালীয়ে সন্দিকৈ কলেজত পিজি কৰি আছে । চেঙা- বাঘবৰত মিটিঙত মই গ'লে দেখি ছো ২২ - ২৩ বছৰ বয়সৰ ছোৱালীৰ কোলাত দুটা সন্তান থাকে হাতত দুটা সন্তান থাকে । মই জেনেৰেলাইজড কৰা নাই বাট ইট ইছ এ কমন পিকচাৰ। আমাৰ মনত দুখ নালাগে নেকি । এজন বিধায়কেতো ইমান সন্তান জন্ম দিব নেকি ? আজি মুছলমান সমাজত ডাঙৰ কথা হৈছে - চো কলড ফৰ ফিউডিয়েল দেয়াৰ ইছ এ এনাদাৰ ল' এণ্ড ফৰ এ কমন পিপুল দেয়াৰ ইছ এ এনাদাৰ ল' - ডক্টৰ - ইঞ্জিনিয়াৰ , অফিচাৰ বিধায়কসকলে - নিজে এঘাৰটা - বাৰটাকৈ বাচ্ছা জন্ম নিদিয়ে - কিন্তু সহজ সৰল দুখীয়া মানুহে যেতিয়া অধিক বাচ্ছা জন্ম দিয়াত আমি বাধা দিও তেতিয়া ক'ব - নাই , নাই - আমাৰ ওপৰত ইন্টাৰফেয়াৰ নকৰিব । চো দিচ ফিউড্যিয়ে ল মেন্টেলিটি - সামন্ত প্ৰথা - বিজেপি আহিব দেই - এই যে ভয় খোৱাই খোৱাই সংখ্যালঘুক লৈ ৰাজনীতি কৰাটো - সেই কাৰণে আজি সংখ্যালঘু মানুহ ফৰেষ্টত যাব লগীয়া হৈছে , পাহাৰত যাবলীয়া হৈছে ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, ( উত্তৰ কৰিমগঞ্জ) ঃ** বাল্য বিবাহ বন্ধ হোৱাটো আমিও বিচাৰিছো। কিন্তু আপুনি এনেকৈ কৈ আছে যে আমি বিচৰা নাই ।

**মাননীয় অধ্যক্ষ ঃ** প্লিছ-- প্লিছ । বহক । লীডাৰ অৱ দি হাউচে কৈ আছে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় মহোদয়, মাননীয় সদস্যগৰাকীয়ে কৈ থাকোতে মই এক মিনিটৰ কাৰণে মতা নাই । কথাটো হ'ল যে আমি কি কৈ আছো - এই যিটো নিয়ম - আপুনি একশ্যন লওক কিন্তু - প্ৰব্লেমটোয়ে হৈছে এই 'কিন্তুটো ' । পাৰ্লিয়ামেন্টে যি আইন পাছ কৰিছে, আমি পাৰ্লিয়ামেন্টৰ আইনক ফলো কৰি আছো । মই বিনাদ্বিধাই এই সদনত কৈছো - কোনোৱাই মই ইন্টেলেকচুৱেলী অপোছড কৰক, কোনোৱা মাননীয় বিধায়কে অপোছড কৰক, কোনোবা জাৰ্ণালিষ্টে অপোছড কৰক - ২০২৬ চনৰ ভিতৰত বাল্য বিবাহ বন্ধ কৰিবৰ কাৰণে আমি সৰ্বস্ব কৰিম । মইতো ৰিচাৰ্চ কৰি আছো যে পক্চোতকৈও এইক্ষেত্ৰত কিবা কঠোৰ আইন আনিব পাৰি নেকি, ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূন্যকালীন-- শ্ৰীমতী শিবামণি বৰা ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে ।

**মাননীয় অধ্যক্ষ ঃ** পইন্ট অৱ অৰ্ডাক কোনটো ৰুলত আনিব খুজিছে?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** পইন্ট অৱ অৰ্ডাৰি আছে , ৰুল- ৩০০

**মাননীয় অধ্যক্ষ ঃ** পইন্ট অৱ অৰ্ডাৰি আপুনি চাবমিশ্যন কৰিব পাৰে কিন্তু পইন্ট অৱ অৰ্ডাৰ কেতিয়া আহে - যেতিয়া হাউচ প্ৰক্ৰিয়ামতে চলি থাকোতে যদি বিসংগতি আহে ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, মই এতিয়াই কব খুজিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** সেইটো কোনটো ৰুলত ?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ ৩০০ ত।

**মাননীয় অধ্যক্ষ ঃ** ৩০০ টো পইন্ট অৱ অৰ্ডাৰ উঠাব পাৰে, আপুনি কোনটো ৰুলৰ ওপৰত আনিছে সেই ৰুলটো কওঁক।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মোৰ কথাটো হ'ল যে এইবাৰ বাজেট দাখিল কৰাৰ আগতে।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই , সেইটোৰ আজিৰ লগত কোনো সম্পৰ্ক নাই। সেইটো পইন্ট

অৰ্ডাৰ নহয়। আপুনি কোৱাৰ লগে লগে গম পালো। বৰ্তমান চলি থকা কাৰ্যসূচীত যদি কিবা তেনেকুৱা ধৰণৰ নিয়মৰ বাহিৰত গৈছে সেইটোৰ ওপৰতহে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, বাজেট ওলালে।

**মাননীয় অধ্যক্ষ ঃ** বাজেট কেতিয়াবাই চাবমিছন কৰিছে। আপুনি বহক।

**শ্ৰীশিবামনি বৰা, (বটদ্ৰবা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬ মাৰ্চ তাৰিখে নিয়মীয়া বাৰ্তা কাকতত প্ৰকাশ পোৱা মুখ্যমন্ত্ৰীক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী বঞ্চিত প্ৰাৰ্থীয়ে অনিয়মৰ পাহাৰ গঢ়ি নগাঁৱত গাওঁ প্ৰধান নিযুক্তি, শীৰ্ষক বাতৰিটোৱে এটি মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। বাতৰিটোত ১৪০ জন গাওঁ প্ৰধানৰ নিযুক্তিৰ বাবদ ব্যাপক অনিয়ম আৰু দুৰ্নীতি হোৱা কথা প্ৰকাশ পাইছে। বাতৰিটোত ব্যাপক ধনৰ লেনদেনৰ অভিযোগৰ কথা উল্লেখ আছে। বাতৰিটোত ধিং আদি ৰাজহ চক্ৰৰ গাওঁ প্ৰধান নিযুক্তিৰ বাবে প্ৰকাশ পোৱা তালিকাত অনিয়মৰ কথা কোৱা হৈছে। নিযুক্তিৰ বাবে তালিকা প্ৰকাশ পোৱাৰ আগতে নগাঁও জিলাৰ গাঁও প্ৰধানৰ নিযুক্তিত ৰাইজে অনিয়ম হ'ব বুলি সন্দেহ প্ৰকাশ কৰিছিল। মন্ত্ৰী মহোদয়ক জনাও যে মোৰ বিধান সভা সমষ্টিত তিনিটা ৰাজহ চক্ৰৰ অংশ পৰে, কিন্তু এটা ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁও প্ৰধানৰ নিযুক্তিৰ তালিকা লৈ হে অভিযোগ উঠিছে। ৰাইজে সন্দেহ প্ৰকাশ কৰিছে যে ধৰমাৰকৈ যেতিয়া জুই লাগিছে, অধ্যক্ষ মহোদয়, সকলোৱে জানে যে দক্ষিণ শালমাৰা জিলাতো বিগত বছৰত গাঁও প্ৰধানৰ নিযুক্তি অনিয়মৰ বাবে অভিযোগ কৰিছিল, কিন্তু চৰকাৰে সেই সময়ত গুৰুত্ব দিয়া নাছিল। পিছত বেলেগ এটা গোচৰৰ তদন্তত গাঁও প্ৰধান নিযুক্তিৰ ব্যপক দূৰ্নীতি হোৱাতো প্ৰতিপন্ন হৈছিল। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে তৃতীয় পক্ষৰ দ্বাৰা এটা নিৰপেক্ষ তদন্ত হওঁক কাৰণ আপোনাৰ চৰকাৰে সকলো ধৰণৰ নিযুক্তি নিকা আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে হ'ব বুলি ৰাইজক প্ৰতিশ্ৰুতি দিয়া আছিল। লগতে আৰু এটা কথা কওঁ, যে গাওঁ প্ৰধান সকলক চৰকাৰে বিভিন্ন সা-সুবিধা দিয়াৰ কথা ঘোষণা কৰিছিল কিন্তু বৰ্তমানলৈকে তেওঁলোকক সেই ঘোষণাটো ঘোষণায়ে হৈ আছে, তেওঁলোকক তেনেকুৱা কোনো সা-সুবিধা দিয়া হোৱা নাই। মই কওঁ যে তেওঁলোকৰ পুঁজি খিনি চৰকাৰে ঘোষণা কৰিছিল সা-সুবিধা দিব বুলি, সেইখিনি দিয়া হওঁক আৰু এই কথাটো যি আমাৰ বটদ্ৰবা সমষ্টিৰ ধিং ৰাজহ চক্ৰত অনিয়ম হৈছে, এইটোৰ এটা নিৰপেক্ষ তদন্ত হোৱাটো মই বিচাৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ঃ

**শ্ৰীযোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়িকা গৰাকীয়ে যি দূৰ্নীতিৰ পাহাৰ গঢ়ি নগাঁৱত গাঁও প্ৰধানৰ নিযুক্তি শীৰ্ষক বাতৰি দৃষ্টিগোচৰ কৰিছে, মই এইটো দৃঢ়তাৰে কব বিচাৰিছো যে নগাঁও জিলাত সদ্যহতে হৈ যোৱা গাঁও প্ৰধানৰ নিযুক্তিত কোনো ধৰণৰ অনিয়ম হোৱা নাই। সম্পূৰ্ণ নিয়মৰ ভিত্তিত হৈছে। জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য অনুযায়ী আমি জনাব বিচাৰিছোঁ যে তাত প্ৰায় যিসকল গাওঁ প্ৰধানৰ নিযুক্তিৰ আবেদন কৰিছে মই দেখুৱাব বিচাৰিছো যে গাওঁপ্ৰধান নিযুক্তিৰ ক্ষেত্ৰত অসম চৰকাৰৰ তিনিখন অধিনিয়ম আছে। এই ৰুলৰ ভিত্তিতে গাওঁ প্ৰধানৰ নিযুক্তি হয়। প্ৰথম ১০ এপ্ৰিল, ২০১৮, আৰু এখন আছে ১৯-০৭-২০১৯, আৰু এখন ২৬-০৮-২০২১। এই গাওঁ প্ৰধানৰ যি খন ৰুল আছে এই ৰুলৰ ভিত্তিতে নিযুক্তি হয়। প্ৰথমটো যিখন নটিফিকেচন আছিল ২০১৮ ত ৩৫ বছৰৰ, তাত উল্লেখ আছিল আৰু তাত ১৯-০৭-২০১৯ ত এমেণ্ডমেণ্ট কৰি ২৫ লৈ দিয়া আছিল আৰু বৰ্তমান যেতিয়া আকৌ ২৬ আগষ্ট, ২০২১ত যিটো এমেণ্ডমেণ্ট আছিল তাত ৩০ বছৰ। এতিয়া বৰ্তমান ৩০ বছৰৰ বয়সৰ লোকে গাওঁ প্ৰধানৰ

বাবে আবেদন কৰিব পাৰে আৰু তেওঁলোকক ৬৫ বছৰ হোৱাৰ লগে লগে অৱসৰ হ'ব লাগে। এনেকুৱা ধৰণৰ দুই তিনিটা পইন্ট আপোনালোকে দাখিল কৰিছিল তথ্য ভিত্তিতে, সেই তথ্যকেইটা আমি এতিয়া জিলা উপায়ুক্তৰ পৰা বিচাৰিলোঁ, আমি ইয়াত কোনো ধৰণৰ অনিয়ম হোৱা দেখিবলৈ পোৱা নাই। আপোনালোকৰৰ তাতে এজনৰ নাম আছিল শংকৰ বৰুৱা, পিতা স্বৰ্গীয় বুদ্ধেশ্বৰ বৰুৱা। তেখেতৰ এটা allegation আহিছিল, তেওঁ হাতীগাঁৱৰ বাবে বাচনি কৰা হৈছিল, বাতৰিত প্ৰকাশ পোৱা মতে তেওঁ এক নিৰ্দিষ্ট ৰাজনৈতিক দলৰ সদস্য বুলি তাত উল্লেখ কৰিছে। কিন্তু তেখেতৰ পৰিবাৰ কোনোবা ৰাজনৈতিক সদস্যৰ লগত জড়িত আছে। কিন্তু তেওঁ জড়িত নাই। ৰাজনৈতিক দলৰ লগত জড়িত ক'ৰাবাত ভোট দিয়া বা দলক সমৰ্থন কৰাতো কোনো অপৰাধ নহয়। কিন্তু দায়িত্ব লৈ ৰাজনৈতিক দলৰ বিষয়বাব লৈ যদি তেনেধৰণে প্ৰাৰ্থীত আবেদন কৰিছে তেনেকুৱা আবেদন নাকচ হয়। কিন্তু আমি তেনেকুৱা কোনো ধৰণৰ প্ৰতিবেদনত উল্লেখ কৰা মতে ৰাজনৈতিক দলৰ সদস্য নহয়। জিলা উপায়ুক্ত আৰু তাৰ চাৰ্কোল অফিচৰ পৰা আমালৈ ৰিপোৰ্ট আহিছে। দ্বিতীয়তে, অভিযোগ আছিল সঞ্জয় কুমাৰ দাস, পিতা সুবোধ চন্দ্ৰ দাস। তেওঁ চামুগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত লাট নম্বৰ ২। বাতৰিত প্ৰকাশ পোৱা মতে এজন তেওঁ ডি-ভোটাৰ বুলি কোৱা হৈছে। কিন্তু আমালৈ অহা ৰিপোৰ্ট মতে ৰাজহ চক্ৰ বিষয়া আৰু উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা, চন্দ্ৰকুমাৰ দাস ডি-ভোটাৰ নহয় আৰু ডি-ভোটাৰৰ তালিকাত নাই। তেওঁ ভাৰতীয় নাগৰিক। মঃ আনাৰুল ইছলাম, ধিং ৰাজহ চক্ৰৰ, তেখেতৰ অনিয়ম হোৱা বুলি আহিছিল কিন্তু, আনাৰুল ইছলাম নামৰ কোনো প্ৰাৰ্থী এতিয়ালৈকে চিলেক্ট হোৱা নাই। মঃ আখতাৰুল ইছলাম নামৰ এজন প্ৰাৰ্থীহে চিলেক্ট হৈছে। গতিকে এনেধৰণৰ ৪ জনৰ ওপৰত যি অভিযোগ আহিছিল আৰু মঃ মফিদুল ইছলাম, তেখেতৰ তিনিটা সন্তানৰ কথা আছিল। আমাৰ যিহেতু আইনৰ মতে দুটা সন্তান থকা হ'ব লাগে। কিন্তু প্ৰথম সন্তানটো তেখেতৰ হোৱাৰ পিছত দ্বিতীয় সন্তানটো জমজ আছিল। গতিকে এইটো আইনৰ মতে হ'ব পাৰে। কিন্তু প্ৰথমটো যদি জমজ হয়, দ্বিতীয়তে আকৌ সন্তান হ'লে তিনিটা ধৰা হয়। গতিক প্ৰথম চিংগোল আৰু দ্বিতীয়তে যমজ আছিল। কিন্তু সেইটোত আইনমতে কোনো ধৰণৰ আমাৰ ৰুলত নাই। আৰু তেওঁ প্ৰাৰ্থীত্বৰ বাবে গ্ৰহণযোগ্য। গতিকে এই ৪ জনৰ ওপৰত specially আহিছিল। গতিকে এই চাৰি জনৰ তথ্য আমি আপোনালোকক জনাব বিচাৰিলোঁ। গাওঁ প্ৰধান বিলাকক চৰকাৰে বৰ্তমান প্ৰতিমাহে ৯০০০ টকালৈকে প্ৰদান কৰি আছে। তেওঁলোকে ৰাইজক সেৱা কৰা, দুৰ্যোগৰ সময়ত বা অন্যান্য চৰকাৰী আঁচনি বিলাকৰ বিষয়ে awareness বঢ়োৱা বা চৰকাৰক সহায়, voluntary কৰাৰ নিৰ্দেশ আগত উল্লেখ কৰা ৰুলত লিখা আছে। মই ভাৱো ইয়াতে volunteer সদায় advertise of the Government, Politics and Programme and rendered assistant in natural calamities. এইখিনিয়ে তেওঁলোকৰ দায়িত্ব আছিল।

মাননীয় অধ্যক্ষ মহোদয়, মই বিধায়ক বাইদেওঁক ক'ব বিচাৰিছো যে, নগাওঁত সম্পূৰ্ণ নিকা আৰু স্বচ্ছভাবে নিযুক্তি হৈছে। গোটেই তথ্য সহকাৰে জিলা উপায়ুক্তৰ পৰা মই সদনত দাখিল কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "বছৰেকীয়া পৰীক্ষাৰ বঞ্চিত ৭ খন বিদ্যালয়ৰ ১৬২৯ গৰাকী ছাত্ৰ-ছাত্ৰী" এই বিষয়টো সদনত উত্থাপন কৰিব দিয়াৰ বাবে মই অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাইছো। এই ৭ খন বিদ্যালয় শোণিতপুৰ জিলাৰ অন্তৰ্গত আছিল। আমাৰ

য'ত উচ্ছেদ হৈছিল লাটিমাৰী স্কুল, পূব লাটিমাৰী স্কুল, নবোদয় স্কুলকে ধৰি এই ৭ খন স্কুলত ১৬২৯ গৰাকী ছাত্ৰ-ছাত্ৰী উচ্ছেদিত এলেকাত পৰিছে। এই ছাত্ৰ-ছাত্ৰী বিলাকে শিৰিৰত দিন কটাইছে। ইয়াৰ বাহিৰেও ৩ খন বিদ্যালয় আমাৰ নগাওঁ জিলাৰ জুৰীয়া উন্নয়ন খণ্ডৰ। আগৰ যি ৭ খন বিদ্যালয়ৰ কথা কোৱা হৈছে, এই ৭ খন বিদ্যালয় শোণিতপুৰ জিলাৰ গাভৰু শিক্ষা খণ্ড উন্নয়ন বিভাগৰ এলেকাত আছিল। নগাওঁ জিলা জুৰীয়া খণ্ড এলেকাৰ চিতলমাৰী পথাৰ, চিতলমাৰী বিল এল পি, চিতলমাৰী বিল এল চি ৭০০ ওপৰত ছাত্ৰ-ছাত্ৰী আছে। চিতলমাৰী বিল এল পি টো উচ্ছেদত পৰি গৈছে। কিন্তু গাঁৱৰ প্ৰায় ২০০ ঘৰ মানুহ তাত আছে, সেই ২০০ ঘৰ মানুহৰ ছাত্ৰ-ছাত্ৰী সেই বিদ্যালয়খনত পঢ়িছিল। এই ছাত্ৰ-ছাত্ৰীখিনিৰ ওচৰত মই শনিবাৰে গৈছিলো। তাত ১৪৮ গৰাকী ছাত্ৰ-ছাত্ৰীক একগোট হ'ব ক'লো আৰু মই গণনা কৰোতে সেই ১৪৮ জনকে পালো। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম এই ৩ খন বিদ্যালয়ৰ গৃহ নিৰ্মাণ কৰি দিব লাগে, ছাত্ৰ-ছাত্ৰী আছে শিক্ষকো আছে, চকী, টেবুল, ডেক্স-বেঞ্চ সকলো আছে কিন্তু গৃহ নাই। গৃহ নিৰ্মাণৰ কাক তাত বন্ধ কৰি দিয়া হৈছে। এইটো উচ্ছেদিত এলেকাৰ ভিতৰত পৰিছিল। বিদ্যালয়খন বন্ধ কৰি দিয়া হৈছে, গাওঁখিনি আছে। তাত ৩ খন গাওঁত বিদ্যালয় গৃহ নিৰ্মাণ কৰি দিয়াৰ বাবে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। উচ্ছেদিত এলেকাত যি ৭খন বিদ্যালয় বঞ্চিত হৈছে তাৰ ছাত্ৰ-ছাত্ৰী সকলৰ হিচাব অফিচাৰসকলে। বেলেগ স্থানলৈ স্থানান্তৰিত কৰা হৈছে। যি সকলৰ বেলেগ ঠাই আছে তেওঁলোক গুচি গৈছে বাকী ছাত্ৰ-ছাত্ৰীখিনি যিখিনি ভূমিহীন তেওঁলোক ৩ টা শিৰিৰত আছে। শিৰিৰত বসবাস কৰি থকা ছাত্ৰ-ছাত্ৰী সকল বিদ্যালয়লৈ যাব পৰা নাই। মই শনিবাৰে গৈ ট্ৰিপাল দি দিছো। শিক্ষক সকলক মাতি আনক যিহেতু শিক্ষক সকলে ঘৰত বহিয়ে দৰমহা লৈ আছে, তেওঁলোকে ইয়াতে পঢ়াই থাকক। চৰকাৰে যাতে সোনকালে ব্যৱস্থা গ্ৰহণ কৰে। মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত হৈছে। গতিকে ছাত্ৰ-ছাত্ৰী সকল য'ত আছে তাতে মধ্যান্য ভোজনৰ ব্যৱস্থা কৰিব লাগে, আৰু মানৱ সম্পদ গঢ়াৰ যি অনুষ্ঠান সেইটো যাতে আকৌ পুনৰুজ্জীৱিত কৰে। তাৰ বাবে মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে শোণিতপুৰ জিলাৰ গাভৰু খণ্ডৰ যি কেইখন বিদ্যালয়ৰ কথা উল্লেখ কৰিলে, সেই বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলক তেখেতে নিজেই উল্লেখ কৰিছে তেওঁলোকৰ যি চতুৰ্থ মূল্যায়ন আছিল, কাষৰীয়া বিদ্যালয় কেইখনলৈ স্থানান্তৰ কৰাৰ বাবে ইতিমধ্যে বিভাগে প্ৰস্তাৱ লৈছে। ইয়াৰ উপৰিও মই ব্যক্তিগত ভাবে খা-খবৰ লৈছো। আমাৰ যিহেতু Non-Residential special traning centre ব্যৱস্থা থাকে। যিবিলাক বিদ্যালয়ত শিক্ষাৰ্থীয়ে শিক্ষা বাদ দিয়ে। গতিকে প্ৰয়োজন সাপেক্ষে জৰুৰীকালীন ভাবে আমি তাত এটা Non-Residential special traning centre য'ত তেওঁলোকৰ বিদ্যালয় শিক্ষা চলি থাকিব পাৰে অস্থায়ী ভাবে আৰু তাত traning সম্পূৰ্ণ কৰি স্থায়ী যিখন বিদ্যালয়লৈ যাব, তেওঁলোকক স্থানান্তৰিত কৰাৰ ব্যৱস্থা কৰিব পৰা যায়। তাৰ কাৰণে ইতিমধ্যে আমাৰ সমগ্ৰ শিক্ষাৰ পৰা নিৰ্দেশনা জাৰি কৰা হৈছে। দ্বিতীয়তে, তেখেতে যিকেইখন কাষৰীয়া বিদ্যালয়ৰ নাম উল্লেখ কৰিছে আৰু য'ত ছাত্ৰ-ছাত্ৰী সকলক প্ৰৱজন কৰিব সেই বিদ্যালয় কেইখনত আন্তঃগাঠনিৰ অভাৱত মাননীয় বিধায়ক গৰাকীয়ে উল্লেখ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আমি অফিচৰ পৰা ৰিপোৰ্ট লৈ বাবে অতিৰিক্ত আন্তঃগাঠনি প্ৰদান কৰাৰ বাবে যি প্ৰস্তাৱ দাঙি ধৰিছে, আমি তাত ইতিমধ্যে চৰ্চা আৰম্ভ কৰিছো। আমি এইটো ব্যৱস্থা গ্ৰহণ কৰিছো।

আমি জৰুৰীকালীন ভাবে এই আন্তঃগাঠনি প্ৰদান কৰাৰ বাবে ব্যৱস্থা কৰিম যাতে অতিৰিক্ত ছাত্ৰ-ছাত্ৰী সেই ৭ খন বিদ্যালয়ৰ পৰা আহিব। তেওঁলোকক যাতে শিক্ষা লোৱাৰ ব্যৱস্থা কৰিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া ৰুল ৫৪। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৫৪ নং নিয়মৰ অধীনত মই টিউটৰ শিক্ষক সকলৰ কিছু সমস্যাৰ কথা আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। যিটো বাতৰিৰ পৰিপ্ৰেক্ষিতত এই জাননীখন জাৰী কৰা হৈছে। তাতো এই কথাটো স্পষ্টকৈ উল্লেখ কৰা হৈছিল। টিউটৰ শিক্ষক সকলক চৰকাৰে তেওঁলোকক প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰিছে। যাৰ কাৰণে বহু টিউটৰ শিক্ষকে খালী হাতেৰে অৱসৰ গ্ৰহণ কৰিবলগীয়া হৈছে। তেওঁলোকে অৱসৰৰ সময়ত খালী হাতে যাবলগীয়া হৈছে। এই টিউটৰ শিক্ষক সকলে যিহেতু বিগত দিনত নিজে মাটিদান কৰি নিজৰ টকাৰে গৃহ নিৰ্মাণ কৰি ভেন্সাৰ স্কুল স্থাপন কৰি তাতে ২০ পৰা ২৫ বছৰ ধৰি বিনা বেটনেৰে শিক্ষকতা কৰাৰ পিছতো এই কিছুদিন আগতে তেওঁলোকৰ পদ প্ৰাদেশিকীকৰণ নকৰি টিউটৰ হিচাবে তেওঁলোকক নিযুক্তি দিয়া হ'ল । যি বিলাক বিদ্যালয় ২০১৩ চনত প্ৰাদেশিকীকৰণ কৰা হৈছিল তেওঁলোকক কিন্তু পূৰ্ণ শিক্ষকৰ মৰ্য্যদা দিয়া হৈছিল। কিন্তু তাৰ মাজতে কিছু শিক্ষক টিউটৰ শিক্ষক হিচাবে থাকি গ'ল। যি সকলৰ দৰমহা ন্যূনতম। যিখন আইন হৈছে ২০১৭-১৮ চনত, তাত কিন্তু এটা কথা কোৱা হৈছিল যে, টিউটৰ শিক্ষক হিচাপে যি সকলক নিযুক্তি দিয়া হ'ব, তেওঁলোক অৰ্হতা সম্পন্ন হ'ব লাগিব। অৰ্হতা যি সকলৰ আছে ২ বছৰ বৃত্তিমূলক শিক্ষা হওক, তেখেত সকলৰ নম্বৰৰ নিয়মৰ ভিত্তিত তেওঁলোকক নিয়মীয়া শিক্ষক হিচাবে নিযুক্তি দিব লাগে। অৰ্হতা থকা শিক্ষক হিচাবে নিযুক্তি দিয়া হোৱা নাই। ঠিক সেই দৰে হেডমাষ্টৰ সকলকো এনেকৈ ৰখা হ'ল। গতিকে এই বিষয়টোৰ ওপৰত তেওঁলোকে কৈছে যে আমাৰ মাজত যি সকলৰ সম্পূৰ্ণ অৰ্হতা আছে শিক্ষক হোৱাৰ, আইন অনুসৰি তেওঁলোকক টিউটৰৰ পৰা শিক্ষক কৰিব লাগিছিল। তেওঁলোকক শিক্ষকৰ মৰ্য্যদা দিব লাগিছিল। গতিকে এই কামটো নোহোৱাৰ কাৰণে তেওঁলোক যথেষ্ট হতাশ হৈছে তাৰ উপৰিও দুদিন পূৰ্বে শিক্ষা মন্ত্ৰী মহোদয়ে সদনত কৈছিল যে আচলতে আইনৰ সংশোধন কৰাৰ প্ৰয়োজনীয়তা আছে। তেখেতে নিজে সংশোধনীৰ কথাটো সদনৰ মজিয়াত কৈছে। আমি বহুদিন আগৰ পৰাই কৈছিলো যে সংশোধনী কৰি হলেও আৰু তাতে দেখা গ'ল যে ৰাষ্ট্ৰভাষা হিন্দীৰ শিক্ষক সকলেও এই আইনৰ আওতাত নপৰিল, বাদ পৰি থাকিল। ঠিক তেনেদৰে আৰবী শিক্ষক সকলো বাদ পৰি থাকিল। এনেকৈ বিভিন্ন বিষয় শিক্ষক বিভিন্ন টেকনিকেল কাৰণত বাদ পৰাৰ কাৰণে সেই বিদ্যালয় সমূহত সেই বিষয়সমূহৰ পাঠদান হৈ থকা নাই। গতিকে এই সকলোবিলাক কথা আমি ভাবো যে এই আইনখন যদি সংশোধন কৰে, যিটো শিক্ষা মন্ত্ৰী মহোদয়ে দুদিন পূৰ্বে সদনৰ মজিয়াত কৈছিল, আমি ভাবো সেই আইনখন সংশোধন কৰিলে, আৰু কিছুমান সামান্য সংখ্যক বিদ্যালয়, আৰু কিছু শিক্ষক যি টেকনিকেল কাৰণত বাদ পৰি আছে, তেওঁলোক হতাশ হৈ পৰিছে আৰু আনকি বহুতে এনেকৈ কৈছে যে তেওঁলোকে চিকিৎসা কৰিব নোৱাৰাৰ কাৰণে বহুত টিউটৰৰ মৃত্যু ঘটিছে। এই বিষয়টো বাতৰিত আহিছে। কাৰণ তেওঁলোকে সামান্য পাৰিতোষিক পায় আৰু সেই পাৰিতোষিকৰে তেওঁলোকে পৰিয়াল চলায়। তেওঁলোকৰ নিজৰ খৰচো চলাব নোৱাৰে। তাৰ পাছত তেওঁলোকে চিকিৎসা কেনেকৈ কৰিব? সেয়েহে বহুতৰ মৃত্যুও ঘটিছে। গতিকে এই কথাবিলাক শিক্ষা মন্ত্ৰী মহোদয়ে

কেইদিন মান আগতে সদনত যিটো মত ব্যক্ত কৰিছিল, যে এই প্ৰাদেশিকীকৰণ আইনৰ এটা সংশোধনৰ প্ৰয়োজন আছে। আমি আশা কৰি আছো প্ৰত্যেকবাৰ সদনত যে এই সংশোধিত বিলখন চৰকাৰৰ ফালৰ পৰা আহিব কিন্তু আমি দেখিলো যে সেইখিনি নাহিল। গতিকে অনাগত দিনত শিক্ষামন্ত্ৰী মহোদয়ে এই বিলৰ সংশোধন বিলাক কৰি হলেও এই টিউটৰ সকলক শিক্ষকৰ মৰ্য্যদা দিয়া, বিশেষকৈ যিসকল ইতিমধ্যে অৰ্হতাসম্পন্ন হৈ আছে আৰু বাকী যিবিলাক সামান্য কাৰণত বাদ পৰি আছে, তেওঁলোকৰো যাতে সহায় হয় এই ব্যৱস্থাটো কৰিব আৰু তাৰ লগে লগে আমি দেখিছো যে কিছুমান amalgamation কৰাৰ পাছতো বহু ক্ষেত্ৰত Right to Education Act ভায়লেট হৈ গৈছে। বিদ্যালয়ৰ যিটো সংখ্যা থাকিব লাগিছিল এই বিষয়টোত চৰকাৰে যাতে নজৰ দিয়ে এই বিষয়টো মই আপোনাৰ জৰিয়তে শিক্ষাম ন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰি এইটো মই অনুৰোধ জনাই মোৰ বক্তব্য ইমানতে সমৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰম্ভনিতে এটা কথা মই স্পষ্ট কৰি দিব বিচাৰো যে মাননীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ ২০১৭ চনৰ provincialization আইন সংশোধনীৰ কোনো কথা মই এই সদনৰ মজিয়াত কোৱা নাই। সকলো বিলাক ৰেকৰ্ডত আছে। provincialization বা প্ৰাদেশিকীকৰণ আইনৰ সংশোধনীৰ কথা কোৱা নাই, বদলীকৰণ আইনৰ কথাহে কৈছো। বদলীকৰণ আইনৰ সংশোধনীৰ বিল এখন এই সদনত আজিয়েই আহিছে। গতিকে প্ৰাদেশিকীকৰণক লৈ কোনো সংশোধনীৰ কথা চৰকাৰে বিবেচনা কৰা নাই, ভবা নাই আৰু ময়ো তেনে কোনো বক্তব্য ইয়াত ৰখা নাই এই কথখিনি মই স্পষ্ট কৰি দিছো। ২০১৭ চনৰ যি প্ৰাদেশিকীকৰণ আইন আছিল তাৰ অধীনত ৯৮৯৫ টা পদ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত আৰু ৩৫৩১ টা পদ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত আৰু উচ্চ শিক্ষাৰ অধীনত ৪৫৩ গৰাকীক টিউটৰ হিচাপে প্ৰাদেশিকীকৰণ কৰা হৈছিল, আৰু এই কথাটো আমি সকলোৰে জানো যে professional qualification অবিহনে আমি কাকো শিক্ষক বুলি নামাকৰন কৰি শিক্ষক হিচাপে প্ৰাদেশিকীকৰণ কৰিব নোৱাৰো, আৰু সেই কাৰণে তেওঁলোকক টিউটৰ হিচাপে প্ৰাদেশিকীকৰণ কৰা হৈছিল। যদি কাৰোবাৰ professional qualification আছে, বা পৰৱৰ্তী ৫ টা বছৰত ভিতৰত এই professional qualification, secondary ৰ ক্ষেত্ৰত বি এড, প্ৰাথমিকৰ ক্ষেত্ৰত ডি এল এড আৰু টেট, তেওঁলোকে যদি অৰ্জন কৰে, তেনেহলে তেওঁলোকক আইন অনুযায়ী শিক্ষকৰ পদলৈ তেওঁলোকক উন্নীত কৰা হ'ব। আমাৰ তাত বহুত আবেদন আহিছে, কিন্তু এইখিনি সময়তে কিছু ভুৱা বি এড চাৰ্টিফিকেট ধৰা পৰিল। আৰু যেতিয়া ভুৱা বি এড চাটিফিকেট ধৰা পৰিল লগে লগে আমি গোটেই পুনৰীক্ষণ প্ৰক্ৰিয়াটো খুব কটকটীয়াকৈ কৰিব লগা হ'ল কাৰণ বিষয়টো খৰ খেদাকৈ কৰা বিষয় নহয়। আৰু সেই মতে ইয়াৰ ভেৰিফিকেশ্যন কৰি বৰ্তমান secondary ৰ ক্ষেত্ৰৰ অধীনত ১৯৭ গৰাকীৰ প্ৰস্তাৱ আহিছে আৰু প্ৰাথমিকৰ ক্ষেত্ৰত ১৯১ গৰাকীৰ প্ৰস্তাৱ আহিছে, চৰকাৰে অতি সোনকালে সিদ্ধান্ত লৈ তেওঁলোকৰ পদবী টিউটৰৰ পৰা শিক্ষকলৈ উন্নীত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব। অধ্যক্ষ মহোদয়, মই পুনৰ বাৰ সদনত জনাব বিচাৰো যে ভাৰত চৰকাৰৰ যি শিক্ষাৰ অধিকাৰ আইন আছে national council of teacher education ৰ গাইড লাইন আছে, সেই গাইড লাইনৰ অধীনত যদি professional qualification নাথাকে মাধ্যমিকৰ ক্ষেত্ৰত বি এড ডিগ্ৰী আৰু প্ৰাথমিকৰ ক্ষেত্ৰত ডি এল এড লগতে টেট এই দুটা professional

qualification নাথাকিলে, আমি তেওঁলোকক শিক্ষকলৈ উন্নীত কৰিব নোৱাৰো। যি সকল টিউটৰ হৈ আছে, তেওঁলোকৰ যি সকলে আবেদন কৰিছে, সেই আবেদন সমূহৰ ভেৰিফিকেশ্যনৰ কাম চলি আছে। ১৯৭ গৰাকী মাধ্যমিকত আৰু ১৯১ গৰাকী প্ৰাথমিকৰ ইতিমধ্যে ভেৰিফিকেশ্যন সম্পুৰ্ণ হৈছে। চৰকাৰে দুই এদিনতে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। বাকীখিনি ভেৰিফিকেশ্যন সম্পুৰ্ণ হলে, সেই অনুযায়ী চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ এতিয়া ৰুল ৩০১ শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়া।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয় প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ অধীনত ৩০১ ৰ এটা গুৰুত্বপুৰ্ণ বিষয় উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয় ১৪ আৰু ১৫ শতিকাত বৈষ্ণৱ আন্দোলনত গোটেই ভাৰতবৰ্ষত এটা আন্দোলন আৰম্ভ হৈছিল। আৰু সেইটো সময়তে অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই এই আন্দোলনৰ গুৰি ধৰিছিল। বেংগলত চৈত্যন্যদেৱ আছিল, পাঞ্জাৱত গুৰুনানক আছিল, এনেধৰণে ৰামানুজনকে আদি কৰি বিভিন্ন ঠাইত ভাৰতবৰ্ষৰ এই আন্দোলন এটা সংস্কাৰৰ আন্দোলন হৈ আছিল। অধ্যক্ষ মহোদয় মহা পুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ যি পাটবাউসী সত্ৰ, মহাপুৰুষ দামোদৰদেৱ স্থাপিত যি পাটবাউসী সত্ৰ, ঐতিহাসিক ভাৱে , আমাৰ মহাপুৰুষ মাধৱদেৱৰ যি সত্ৰ বা হৰিদেৱৰ যি সত্ৰ বা ভট্ট দেৱৰ যি সত্ৰ, আমাৰ এই ৪ , ৫ জন গুৰুৱে যি ইয়াত আমাক এটা মহান আদৰ্শ দি গৈছে সেই সকলৰ কিন্তু স্থাপিত এই অনুষ্ঠান বিলাক আজি সাংঘাটিক বিপদৰ সন্মুখীন হৈছে। গুৰুজনাই বহা ঠাইত, মাধবদেৱে প্ৰতিষ্ঠা কৰা সত্ৰ, হৰি দেৱে প্ৰতিষ্ঠা কৰা সত্ৰ, দামোদৰ দেৱে প্ৰতিষ্ঠা কৰা সত্ৰ, ভট্টদেৱে প্ৰতিষ্ঠা কৰা সত্ৰৰ সাংঘাটিক ধৰণৰ বিপদৰ সন্মুখীন হ'ব লগা হৈছে। ইয়াত সত্ৰৰ যি ভূমি আৰু সত্ৰ চাৰিওফালে বেৰি থকা যিটো পৰিবেশ আছিল সেই পৰিবেশে এটা বিষাক্ত ৰূপ লৈছে। সত্ৰৰ জলাশয় বিল এই সকলো বিলাক এনেধৰণৰ অৱস্থা লৈ যোৱাৰ কাৰণে ভাৰসাম্য বজাই ৰখাটো এটা বিপদ ঘন্টা বাজিছে। শিমুৱা বিল ৰাজ্যচৰকাৰৰ দখলত যদিও এখন বিল আছে তথাপিও তাত সাংঘাটিক ধৰণৰ বেদখল হৈছে। ব্যাসকুছিৰ সত্ৰ, পালাহ সত্ৰ, কালজাৰ সত্ৰ, ভৱানীপুৰ সত্ৰ, বহৰি সত্ৰ, জনিয়া সত্ৰ, ঢোপগুৰি সত্ৰ, পাটবাউসী সত্ৰ, পিয়লা সত্ৰ, গো মৰা সত্ৰ, কনড়া সত্ৰ, বাঘবৰ সত্ৰ, বৈতাপোটা সত্ৰ এই যিবিলাক সত্ৰ বিল, জান, জুৰি, নৈ ইত্যাদি এই অনুষ্ঠান এটাৰ পিছত এটাকৈ সাংঘাটিক বিপদৰ সন্মুখীন হৈছে। অধ্যক্ষ মহোদয় মই জনাব বিচাৰিছো, যে এই সত্ৰবিলাকৰ ক্ষেত্ৰত কেইটামান কথা মই ভাবো আমি সকলোৱে, হয়তো আমি আজি ভালধৰণে গম পোৱা নাই প্ৰত্যেকখন সত্ৰক মাটি দিছিল স্বৰ্গদেউ সকলে। এইফালে দিছিল আমাৰ আহোম স্বৰ্গদেউ সকলে আৰু এইটো চাইডে দিছিল নৰ নাৰায়ণ চিলাৰায় স্বৰ্গদেউৱে। এতিয়া মই 'প্ৰাচ্য শাসনাৱলী' এই কিতাপখনত সত্ৰবিলাকত মাটি দিয়া তাম্ৰফলি বিলাক আছে। মই এখন তাম্ৰফলিৰ মাত্ৰ দুটামান লাইন দাঙি ধৰিব বিচাৰিছো। 'এই সত্ৰৰ মাটি সীমা পূবে বৰপেটা বিল, পশ্চিমে গলয়া বিল, দক্ষিণে হাৰিজান, উত্তৰে শ্ৰীমন্ত শংকৰদেৱ নিৱাস কৰা চুণপোড়াৰ বড়ি ৰদ। এই চতুৰ সীমা কৰি দুজনা দেৱতা এ পৰমেশ্বৰ দেৱতা সুপ্ৰাতিৰ নিমিত্তে মহাপ্ৰভুলৈ দি গ'ল। পুত্ৰ-পৌত্ৰাদি ক্ৰমে ভোগ কৰি শ্ৰৱণ-কীৰ্ত্তন কৰি ধৰ্ম্মত থাকি দুজনা দেৱতাক আশীৰ্বাদ কৰি ঈশ্বৰসেৱা কৰি থাকিব। ইয়াৰ কৰ-কাটল পদ পঞ্চক বেঠ বেগাৰ জলকৰ চোৰ চিনালা ধুমচি মাৰেচা দান খুত দণ্ড বন্ধ ৰাজদণ্ডাৰ্হ ব্যতিৰেকে সৰ্ব্ব বাব পৰিত্যাগ হইল। ইহাত কোনজনে দেৱোত্তৰ ব্ৰহ্মোত্তৰ কৰি নাপাই। যদি অন্যথা কৰে দণ্ডাৰ্হ হবেক'। এইখিনি মাটি কেৱল সেই কৰ্মৰ কাৰণেহে স্বৰ্গদেউৱে দিছিল। ইয়াৰ ব্যৱহাৰ যদি ঠিক মতে নহয়

তেতিয়াহ'লে দণ্ড বিহিব বুলি স্বৰ্গদেউ সকলে কৈ গৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই যে বেদখল আপোনাৰ পি জি আৰ, ভি জি আৰ, আমাৰ সত্ৰৰ চৰণীয়া যিবিলাক পথাৰ, এই পথাৰ বিলাক বেদখল হোৱাৰ কাৰণে হোৱা এটা অপকাৰৰ বিষয়ে মই দাঙি ধৰিব বিচাৰিছো। ১৯৪৭ চনৰ সেই সময়ত গোবিন্দপুৰ ব্যৱসায়িক চৰণীয়া পথাৰত থকা শ শ মহৰ খুটি আৰু গাখীৰে সমগ্ৰ কামৰূপ জিলা উপচাই ৰাখিছিল। গোবিন্দপুৰ নিৰলাৰ দৈ সেৰে এক অনা বুলি সেই দিনত গোবিন্দপুৰৰ বাথানৰ পৰা কঢ়িয়াই আনি ঘগে ঘৰে গৈ দৈ গাখীৰ বেচি ফুৰা গাখীৰভাৰী (দৈহৰীয়া)ৰ চিঞৰ আজিও কাণত বাজে। আজি গোবিন্দপুৰত এখনো বাথান নাই। বৰপেটাবাসী ৰাইজে লিটাৰত ৩০ টকা দিও ভাল দৈ গাখীৰ খাবলৈ নাপায়। আগৰ দিনত দৈ খোৱাত অভ্যস্ত বয়সীয়াল সকলে এক অনা দামৰ এক সেৰ নিৰলাৰ নাপায়। আজি কিন্তু তাত কোনো মহ বাথান আৰু গো বাথান নাই। তাত সম্পূৰ্ণ বেদখল হ'ল। এইবিলাক কিন্তু সম্ভৱ নহ'ল। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই ভাবিছো যে আমাৰ বিশেষভাৱে আমাৰ ৰেভিনিউ বিভাগৰ এই গোটেই অঞ্চল বিলাকত তেওঁলোকৰ চকু ভালধৰণে পৰা নাই। এই গোটেই সত্ৰৰ মাটি যদি এইধৰণে গুছি যায় তেতিয়াহ'লে বেছিদিন নালাগিব যে এই অনুষ্ঠান বিলাক নোহোৱা হৈ যাব। মই এটা কথা কৈ শেষ কৰিব খুজিছো যে আমি পৰহি দিনাখন দামোদৰ থান বালিসত্ৰ নগাওঁলৈ গৈছিলো। তাত সত্ৰৰ মণিকুটৰ গাত লগাই গোমধানৰ খেতি কৰি আছে। সেইকাৰণে মই ভাবো যে ৰেভিনিউ বিভাগে মাটি বিলাক চাওক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক এটা স্পষ্টীকৰণ দিবলৈ দিয়াৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া নালাগে। মাননীয় মন্ত্ৰী মহোদয়ে ৰিপ্লাই দিব। এনেকৈ হ'লে ওলাই থাকিব। আপোনাৰ নিজৰেই ৩০১ আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিজেই অনশন কৰিছো আৰু বাঘবৰৰ বৈঠাকুটা সত্ৰৰ কাৰণে অনশন কৰি আন্দোলন কৰি এতিয়া টকা চেংচন হৈছে। তাত কোনো বেয়া পৰিবেশ থকা বুলি যিটো কৈছে সেইটো নহয়, মানুহখিনিয়ে মিলাপ্ৰীতিৰে বসবাস কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ মাননীয় বিধায়ক তথা অসম চৰকাৰৰ দ্বাৰা যিখন আমি সত্ৰ কমিশ্যন 'ৰিভিউ এণ্ড এচেচমেণ্ট অব প্ৰব্লেম সত্ৰ লেণ্ড ইন আসাম' নামেৰে যিখন সত্ৰ কমিশ্যন আমি বনাই দিছিলো সেইখনৰ সন্মানীয় সভাপতি শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন আনিছে। আমি এই প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ ক'ব বিচাৰিছো যে জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে সমাজখন শক্তিশালী কৰিবৰ বাবে বৈষ্ণৱ ধৰ্ম্মৰ যি অমৃতময় বাণী প্ৰচাৰ কৰি সমাজখনৰ সকলো জাতি-জনজাতিক একত্ৰিত কৰি এখন শৃখলাবদ্ধ সমাজ গঢ়িবৰ কাৰণে যি সত্ৰ সমূহ প্ৰতিষ্ঠা কৰা হৈছিল সেই কথাটো আমি সকলোৱে জানো। এই সত্ৰ সমূহৰ কাৰণে যিমান বিলাক মাটি ইয়াত দিয়া হৈছিল আহোম স্বৰ্গদেউ সকলে যেতিয়া জয়ধ্বজ সিংহৰ দিনতেই তেওঁ একেদিনাই বিশেষকৈ দক্ষিণপাট সত্ৰত ৫৫ হাজাৰ বিঘা মাটি দিছিল। তেওঁ এই ৫৫ হাজাৰ বিঘা মাটি দিয়াই নহয় তেওঁ ১০০০ জনী মাইকী ম'হো দিছিল যাতে সত্ৰাধিকাৰ সকলে, ভকত বৈষ্ণৱ সকলে বিশুদ্ধ গাখীৰ খাবলৈ পায় বা ব্যৱসায়ো কৰিব পাৰে। ইয়াৰ উপৰিও চাৰিটা বৰটোপ তেওঁলোকৰ প্ৰতিৰক্ষাৰ কাৰণে দিয়া হৈছিল। সোনৰ, ৰূপৰ শৰাই মাহ প্ৰসাদৰ

কাৰণে দিয়া হৈছিল। এইদৰে প্ৰতিখন সত্ৰত মাটি দি, এই সমাজ-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। এই সত্ৰ সমূহৰ মাটি এখন চেৰিটেৰল এক্ট ৰ যোগেদি যাতে কোনো ধৰণৰ বেদখল কৰিব নোৱাৰে তাৰবাবে ১৯৫৯ চনত এখন আইন অনা হ'ল আৰু এই এক্টখন ১৯৬৩ চনৰ জানুৱাৰীৰ পৰা কাৰ্য্যকৰী কৰা হৈছে। তেতিয়া সেই আইনৰ অধীনত প্ৰায় ২৩ খন সত্ৰৰ বাবে ৬০ হাজাৰ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছিল। বৰ্তমান অসমত তথ্য অনুসৰি ৬৩৯ খন সত্ৰ আছে। এই ৬৩৯ খন সত্ৰত প্ৰায় ৪৯,৫২১ বিঘা মাটি আছে। বৰ্তমানৰ তথ্য অনুসৰি ৭২ বিঘা মাটি বেদখল কৰা বুলি তথ্য আহিছে আৰু ইয়াৰে বৰ্তমান ৮০২১ বিঘা মাটি বেদখল মুক্ত কৰা হৈছে। এই মাটিখিনি যেতিয়া আমি সত্ৰৰ সত্ৰাধিকাৰ সকলৰ পৰা চেৰিটেবল এক্টৰ অধীনত অধিগ্ৰহণ কৰা হ'ল তেতিয়া তেওঁলোকক এন.ইউ.টি দিয়াৰ কথা চৰকাৰে ঘোষণা কৰিছিল। সেই অনুসৰি এন.ইউ.টি দি থকা হৈছে। বৰ্তমান এই এন.ইউ.টি ১৮ খন সত্ৰত দিয়া হৈছে। এই এন.ইউ.টি ২০১৯-২০ আৰু ২০২০-২১ চনত তেওঁলোকে যিটো এন.ইউ.টি পাই আছিল তাৰ উপৰিও অতিৰিক্ত ২ লাখ টকাকৈ দুটা বছৰত দিয়া হ'ল। আমাৰ বিভাগৰ ফালৰ পৰা এইটো স্পষ্ট কৰি দিব বিচাৰিছো যে যদি কোনোবা সত্ৰই এন.ইউ.টি পাবলৈ বৈ গৈছে তেতিয়াহ'লে তেওঁলোকে আমাৰ ৰাজহ বিভাগক জনাব লাগে। এই বিষয়ত আমি জিলা উপায়ুক্ত সকলকো পৰামৰ্শ দিছো। আমাৰ যিখন সত্ৰ আয়োগ আছে সেই সত্ৰ আয়োগখনে বিশেষকৈ সত্ৰৰ মাটি কি অৱস্থাত আছে, তেওঁলোকক ভৱিষ্যতে কেনেধৰণে সহায় কৰিব লাগিব আৰু সত্ৰ সমূহ কেনেকৈ উজ্বলাই তুলিব পাৰি, ভকত-বৈষ্ণৱ সকলৰ কোনো অসুবিধা নোহোৱাকৈ এইবোৰ বিষয়ত সত্ৰ আয়োগৰ পৰা যেনে ধৰণৰ প্ৰতিবেদন আহিব তেনেধৰণে চৰকাৰে কাম কৰিব। তেওঁলাকৰ ইতিমধ্যে এখন ইণ্টাৰিয়াম প্ৰতিবেদন আহিছে আৰু আমাৰ কেবিনেটৰ অনুমোদন সাপেক্ষে এই সত্ৰ আয়োগখনৰ কাৰ্য্যকাল পুনৰ এবছৰৰ কাৰণে বঢ়াই দিয়া হৈছে। এই সত্ৰ আয়োগখনত আমাৰ দুজন সন্মানীয় ষ্টেট মিনিষ্টাৰ ৰেংকৰ সদস্যও অন্তৰ্ভুক্ত আছে। এই সত্ৰ আয়োগখনৰ অধ্যক্ষ জনক কেবিনেট ৰেংক দিয়া হৈছে আৰু আমাৰ মাননীয় বিধায়ক শ্ৰীমৃনাল শইকীয়া আৰু শ্ৰীৰূপক শৰ্মা দুইগৰাকী আছে। তিনিজন আমাৰ বিভাগৰ সচিবো দিয়া আছে। তেখেত সকলে সত্ৰ সমূহ পৰিভ্ৰমণ কৰি তাৰ এক্সুৰেল ৰিপোৰ্টটো আমাক নিশ্চয় জনালে আমি সত্ৰ সমূহৰ ক্ষেত্ৰত ভৱিষ্যতে যাতে সত্ৰ সমূহৰ কোনো অসুবিধা নহয়। ভকত বৈষ্ণৱসকলে ধৰ্ম সংস্কৃতি আৰু আসমীয় সমাজৰ যি প্ৰাণ, এই সত্ৰসমূহৰ যোগেদি আধ্যাত্মিক শিক্ষাৰ প্ৰসাৰ আৰু বিস্তাৰ হৈ এখন সুন্দৰ সমাজ গঢ়িব পাৰে, তাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও এই সন্দৰ্ভত পুৰনি কৃতিচিহ্ন যি এ শ বছৰ হৈ গৈছে, সেই ক্ষেত্ৰত অতিৰিক্ত কৈ আৰ্থিক অনুদান দিয়াৰ কথাটো ঘোষণা কৰিছে। আমাৰ সত্ৰ হওঁক, মন্দিৰ হওঁক, মহজিদ হওঁক, বা যিমানবিলাক ঐতিহ্য আছে। এইসকলোবোৰ বজাই ৰাখিবৰ কাৰণে চৰকাৰী অনুদান বিভিন্ন হেডৰ পৰা দিয়া আছে। মই ভাৱো বিধায়কসকলে গৈ যিখিনি মাটি স্বৰ্গদেউ সকলে দি থৈ গৈছিল, তাত দেৱত্তৰ মাটি, ধৰ্মত্তৰ মাটি, ব্ৰহ্মত্তৰ মাটি। দেৱত্তৰ মাটিত চৰকাৰে কোনো খাজনা লোৱা নাছিল, বাকীখিনিত আধা খাজনা দি, যাতে ভকত বৈষ্ণৱ সকলে ধুনিয়াকৈ চলিব পাৰে, তেনেধৰণৰ চৰকাৰৰ ফালৰ পৰা এইখিনি অনুদান আগবঢ়োৱা আছিল। মই সত্ৰ কমিচনৰ সভাপতি আদি কৰি মাননীয় সদস্যসকলক গোটেইখিনি সত্ৰ ভ্ৰমণ কৰি খূৱ সোনকালে তেখেতসকলে সেই সমস্যা সমূহ আমালৈ প্ৰতিবেদন দাখিল কৰে আৰু আমি নিশ্চয় তেওঁলোকৰ প্ৰতিবেদন অনুসৰি চৰকাৰে সম্পূৰ্ণ ব্যৱস্থা লোৱা হ'ব বুলি সদনত প্ৰতিশ্ৰুতি দিয়া হ'ল।

(সদনত সদন পৰিচালনাৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়)

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীভুৱন গাম।

**শ্ৰীভুৱন গাম,(মাজুলী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰী মহোদয়ক অৱগত কৰাৰ লগতে জানিব বিচাৰিছো যে অসম সত্ৰীয়া তথা শংকৰী সংস্কৃতিৰ বাহক হ'ল সত্ৰসমূহ। যিসকল ভকতে আজীৱন ত্যাগ কৰি সংস্কৃতি তথা অসমৰ বাবে কাম কৰি আছে, তেখেতসকলৰ বাবে কিবা আঁচনি চৰকাৰৰ হাতত লৈছে নেকি?

দ্বিতীয়তে, উদাসীন সত্ৰসমূহত ভকত সকলে পৰম্পৰা জীয়াই ৰাখি আহিছে। এই উদাসীন ভকতসকলৰ বাবে চৰকাৰে মাননি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে নেকি?

তৃতীয়তে, উদাসীন ভকতসকলে চাৰি সত্ৰ ব্যৱহাৰ কৰাৰ বহাসমূহ বৰ্তমান জৰাজীৰ্ণ হৈ আছে। এই বহাসমূহ নিৰ্মাণ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত ল'ব পাৰে নেকি?

গৃহস্থী সত্ৰসমূহ নামঘৰত বিশেষভাৱে দায়িত্ব পালন কৰি আমাৰ সংস্কৃতি ৰক্ষা কৰি থকা দুখীয়া ভকত সকলৰ বাবে মাননি দিয়াৰ ব্যৱস্থা কৰিব পাৰে নেকি?

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী স্বাস্থ্য বিভাগ ইত্যাদি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো স্বাস্থ্য বিভাগৰ যিদিনা আলোচনা হৈছিল আৰু দ্ৰপ হ'ল, সেই যিখিনি আছিল, আজি সেইমতে কাৰ্য্যসূচীত দিয়া আছিল। গতিকে সন্মানীয় সদস্য ভূৱন গাম ডাঙৰীয়াই কোৱা খিনি কোনজন মন্ত্ৰীৰ পৰা উত্তৰ বিচাৰিছে।

**শ্ৰীভুৱন গাম, (মাজুলী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Revenue Minister ৰ পৰা বিচাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ কিন্তু আজিৰ কাৰ্য্যসূচীত এইটো নাই। মাননীয় মন্ত্ৰী ডাঙৰীয়া উত্তৰটো নাই যদিও কিবা এটা communication দি দিয়ক।

**শ্ৰী যোগেন মহন, (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে সত্ৰসমূহৰ বিষয়ত মই কৈ গৈছো। উত্তৰটো সন্মানীয় সদস্য ভূৱন গম ডাঙৰীয়াই পাইছে। আমাৰ সত্ৰ কমিচন আছে। তেখেতসকলে verification কৰিব।

**মাননীয় উপাধ্যক্ষ** ঃ ঠিক আছে। communication gap হৈছিল, মাননীয় মন্ত্ৰী মহোদয়ে বুজি পাইছে। গতিকে তৰ্ক হ'ব নালাগে।

এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ ডাঙৰীয়া।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, 'বৰপেটা জিলাৰ বামুন দঙৰা আৰু কামৰূপ জিলাৰ নগৰবেৰা সংযোগী ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখন পকী দলং নিৰ্মাণ' এই গুৰুত্বপূৰ্ণ বিষয়টো ৩০১ নিয়মৰ অনুসৰি এই সদনত উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ কাৰণে মই প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ বৰপেটা সদৰৰ পৰা নগৰবেৰা, বকো আদি অঞ্চলত যাবলৈ প্ৰায় ২ শ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলগীয়া হয়, প্ৰত্যেকজন যাত্ৰীয়ে। হয়, বৰপেটা জিলাৰ পৰা গুৱাহাটী হৈ যাব লাগিব আৰু নহ'লে, বৰপেটা জিলাৰ পৰা গোৱালপাৰা হৈ যাব লাগিব। কিন্তু বৰপেটা জিলাত বামুন দঙৰা আৰু কামৰূপ জিলাৰ নগৰবেৰাৰ মাজত এখন পকী দলং ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হয়, তেতিয়া হলে এই ২ শ কিলোমিটাৰ দূৰত্ব হ্ৰাস হৈ মাত্ৰ ২০ কিলোমিটাৰ হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে চৰকাৰে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত বহুকেইখন দলং

নিৰ্মাণ কৰিছে। গুৱাহাটীৰ আশে পাশে তিনিখন দলং নিৰ্মাণ হৈ আছে। বৰ্তমান গুৱাহাটীৰ শৰাইঘাট আৰু পঞ্চৰত্ন দলঙৰ মাজত দূৰত্ব ১ শ কিলোমিটাৰকৈও অধিক, মাজত কোনো দলং নাই। গতিকে এই দলং যদি নিৰ্মাণ হয়, তেতিয়া হলে অকল অসমৰ বৰপেটা, গোৱালপাৰা, নলবাৰী, বজালী আদি জিলাৰ অৰ্থনীতিৰ উন্নয়নে নহয়, এই দলঙখন নিৰ্মাণ হোৱাৰ লগে লগে আমাৰ ভূটান আৰু মেঘালয়ৰ মাজত ব্যৱসায়িক এটা ব্যৱস্থা সুচল হ'ব। তাৰ ফলত অসমৰ কেইবাখন জিলাৰ প্ৰায় ২০ লক্ষাধিক মানুহ উপকৃত হ'ব। তাৰোপৰি এই দলঙখন নিৰ্মাণ হ'লে, বৰপেটা আৰু গোৱালপাৰাৰ যি কৃষিভিত্তিক উন্নয়নৰ সম্ভৱনা আছে, সেই সম্ভৱনাৰ বিকাশ হ'ব আৰু ইয়াৰ ফলত ৰাজ্যখনৰ গোটেই অৰ্থনীতিয়ে সলাই পেলোৱাৰ সম্ভৱনা আছে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এটা সপোন যে অসম ৰাজ্যখনক ভাৰতৰ পাচঁ খন ৰাজ্যৰ ভিতৰলৈ উন্নিত কৰিব। এই দলং নিৰ্মাণে তেখেতৰ সপোনৰ দিশতো যথেষ্ট অৰিহণা আগবঢ়াব। কাৰণ বৃহত্তৰ এই অঞ্চলটোৰ IMR কমি যাব, MMR কমি যাব, আজি বাল্য বিবাহৰ কাৰণে যি উদিগ্নতা, এই উদিগ্নতা কমি যাব, শিক্ষিত হাৰ বাঢ়ি যাব। গতিকে এই দলং নিৰ্মাণ হোৱাতো নামনি অসমত অতি গুৰুত্বপূৰ্ণ বৰপেটা জিলাত বামুন দঙৰা আৰু কামৰূপ জিলাৰ নগৰবেৰা সংযোগী।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া নতুন technology আহিছে বুলি শুনিছো। মাজুলীত মাত্ৰ ৬ শ কোটি টকা দিছে। যিহেতু নতুন technology আহিছে, এটা কিয় দুই তিনিখন দলং নিৰ্মাণ নামনি অসমত কৰিব লাগে। আগতে আছিলে হাজাৰ হাজাৰ কোটি টকা, নতুন technology ৰে যদি এই দলং নিৰ্মাণ হয়, অকল নামনি অসম নহয় গোটেই ৰাজ্যখনত অৰ্থনীতিৰ ক্ষেত্ৰত সাংঘাটিক প্ৰভাৱ পৰিব। বিশেষকৈ ভূটান আৰু মেঘালয় আন্তঃৰাজ্যিক ব্যৱহায় বাণিজ্য গঢ় লৈ উঠিব আৰু ভৱিষ্যতে অসমৰ অৰ্থনীতিৰ ওপৰত সুদুৰ প্ৰসাৰে প্ৰভাৱ পেলাব। গতিকে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো অতি সোনকালে বৰপেটা জিলাত বামুন দঙৰা আৰু কামৰূপ জিলাৰ নগৰবেৰা সংযোগী ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং এখন নিৰ্মাণ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লয়।

স্ববকা সাথ, স্ববকা বিকাশ, স্বকাশ বিশ্বাস, গোটেই অসমৰ উন্নয়ন হোৱাতে বিচাৰিছো। গতিকে এই দলঙৰ গুৰুত্বটো উপলদ্ধি কৰি মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাৱো চৰকাৰৰ তৰফৰ পৰা positive উত্তৰ দিব বুলি মই আশা কৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া PWD Minister আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উপস্থাপন কৰিছে, নিয়ম ৩০১ ৰ যোগেদি। বৰপেটা জিলাৰ বামুন দংৰা আৰু কামৰূপ জিলাৰ নগৰবাৰীত সংযোগী অঞ্চলত এখন দলং নিৰ্মাণ হোৱাতো অতি প্ৰয়োজনীয় বুলি আমি অনুভৱ কৰো আৰু এই দলংখন নিৰ্মাণ হ'লে বৰপেটা আৰু কামৰূপ জিলা সংযোগ হ'ব আৰু যাতায়তৰ ব্যৱস্থা অতি উন্নত হ'ব। এই দলংখন ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্ধাৰিত অঞ্চল সংযোগ কৰি যদি বনোৱা হয় তেতিয়া দুইখন জিলাৰ মাজৰ দূৰত্ব উল্লেখনীয়ভাৱে চমু হ'ব ইতিমধ্যে আপুনি কৈছে। উল্লেখযোগ্য যে এই পথচোৱাৰ বামুন দংৰাৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত খোলাবন্ধালৈ ৮ কিলোমিটাৰ দৈঘ্যৰ এখন দলংৰ প্ৰয়োজন হ'ব আৰু এখন দলং লাগিব কলাবন্ধাৰ পৰা আলুপতিলৈ, সেইখন প্ৰায় ১ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংৰ প্ৰয়োজন হ'ব, আলুপতি চৰৰ পৰা নগৰবেৰালৈ জলজলী নদীৰ ওপৰত আৰু এখন ১ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং প্ৰয়োজন হ'ব। মুঠতে আমাৰ বিভাগীয় তথ্যমতে তিনিখন। কথাটো আপুনি গুৰুত্বপূৰ্ণ কথাই

কৈছে যে communication যদি develop হয় আমাৰ economy totaly change হয় আৰু অনান্য কিছুমান কথাও ক'লে আপুনি MMR, IMR, বাল্যবিবাহ হয় অত্যন্ত গুৰুত্বপূৰ্ণ। আমাৰ কেন্দ্ৰীয় চৰকাৰে ধুবুৰী ফুলবাৰীৰ ওপৰত প্ৰায় ২০ কিলোমিটাৰ দৈঘ্যৰ দলং এখন নিৰ্মাণ কৰি আছে আৰু এই দলংখন 'সব কা সাথ, সব কা বিকাশ, সব কা বিশ্বাস' নীতিৰে উল্লেখযোগ্য উদাহৰণ যদি মোৰ ভুল হোৱা নাই। কাৰণ মূলত তাত সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ থাকে। গতিকে আমি তেনেকুৰা কোনো ধৰণৰ classification বা discrmination আমি কৰাই নাই। কিন্তু পুঁজিৰ সমস্যা কিছু নথকা নহয়। এই দলংখন নিৰ্মাণ কৰিবলৈ হ'লে যথেষ্ট পুঁজিৰ প্ৰয়োজন হ'ব। আৰু এই দলংখন নিমাৰ্ণৰ লগে লগে এই পথচোৰা বামুন দংৰাৰ পৰা নগৰবেৰালৈ মুঠ স্থলপথ ১০ কিলোমিটাৰ আৰু ১০ কিলোমিটাৰ দলং আৰু স্থলপথ মিলি মুঠ ২০ কিলোমিটাৰ হ'ব। গতিকে যথেষ্ট পুঁজিৰ প্ৰয়োজন হ'ব। এই মূৰ্হতত যিহেতু পুঁজিৰ অভাৱ গতিকে তৎক্ষণাত কৰিব পৰা অৱস্থাত নাই। কিন্তু ভৰিষ্যতে কৰিবলৈ যত্ন কৰা হ'ব। আপোনাৰ চামাৰী ৰোডটোত দেখিছো যে বৰপেটা বাঘবৰৰ পৰা দুশ কিলোমিটাৰ হয় নগৰবেৰালৈকে আহিবলৈ, এতিয়া সেই দুশটো হয়তো কমি ৭০ কিলোমিটাৰমান কমি যাব লাগে। অতি সোনকালে শুৱালকুচি আৰু পলাশবাৰী দলংখন আৰম্ভ হ'ব বা সম্পূৰ্ণ হ'ব। এইদৰে কামখিনি কৰি থকা হৈছে। ভৰিষ্যতে fisibility study কৰিবলৈ আৰু যিহেতু দলং বনাবলৈ যথেষ্ট টকাৰ প্ৰয়োজন, এই মূৰ্হতত সিদ্ধান্ত ল'ব পৰা হোৱা নাই, কিন্তু আপুনি এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। ভৰিষ্যতে কৰিবলৈ যত্ন কৰা হ'ব।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৪। "The Assam Elementary and Secondary School Teachers" (Regulation of Posting and Transfer) (Amendment) Bill, 2023". মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, ( শিক্ষামন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Elementary and Secondary School Teachers" (Regulation of Posting and Transfer) (Amendment) Bill, 2023". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** প্ৰস্তাৱটো হ'ল, বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছনে? যিসকল সদস্য/ সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে নহয়। মই ভাৱো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে' বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৫। "The Assam College Employees (Provincialisation) (Amendment) Bill, 2023" ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল,—

Under the provision of article 207 (1) of the Consitution of India I Shri Gulab Chand Kataria, Governor of Assam recommend the introduction of "The Assam College Employees (Provincialisation) (Amendment) Bill, 2023" in the Assam Legislative Assembly.

মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে, "The Assam College Employees (Provincialisation) (Amendment) Bill, 2023" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** প্ৰস্তাৱটো হ'ল, বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছনে? যিসকল সদস্য/ সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৬। বাজেটৰ ওপৰত সাধাৰণ আলোচনা। মাননীয় সদস্যা শ্ৰীমতী শিৰামণি বৰা ডাঙৰীয়ানিক তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো। আপোনাক দলে ৫ মিনিট সময় দিছে।

**শ্ৰীমতী শিৰামনি বৰা, (বটদ্ৰৱা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই দাখিল কৰা ২০২৩-২৪ ৰ বাজেটখন হিতাধিকাৰীৰ সৃষ্টিত মুল লক্ষ্য কৰি ভূৱা প্ৰতিশ্ৰুতিৰ ফুলজাৰি মৰা এখন নিৰ্বাচন কেন্দ্ৰীক বাজেট। মাননীয় অধ্যক্ষ মহোদয়, যে অসমৰ ৰাজ্যখনত প্ৰধান সমস্যাটো হ'ল নিয়ন্ত্ৰনহীন অভূতপূৰ্ব মুল্যবৃদ্ধি। জনতাই অধীক আগ্ৰহেৰে বাট চাই আছিল, কিন্তু ৰাজ্যখনৰ জনসাধাৰণক মুল্যবৃদ্ধিৰ পৰা সঁকাহ দিয়াৰ কোনো ব্যৱস্থাৰ কথা বাজেটখনত উল্লেখ নাই। ৰাজ্যিক কৰ্মচাৰী সক লে নতুন পেঞ্চন আঁচনিৰ পৰিৰ্বতে পুৰণা পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰাৰ দাবী জনাই হৈছে। দেশৰ কিছু ৰাজ্যই ইতিমধ্যে এপ্ৰিল মাহৰ পৰা পুৰণা পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰিব বুলি ঘোষণা কৰিছে। আমাৰ ৰাজ্যখনৰ সকলো কৰ্মচাৰীকে পুৰণা পেঞ্চন আঁচনিৰ আওঁতাত আনিব লাগে। ২০২১ ৰ নিৰ্বাচনত আগতে বছৰি ১ লাখ চৰকাৰী চাকৰি দিম বুলি প্ৰতিশ্ৰুতি দিছিলে আৰু ২০২১-২২ চনৰ বাজেটতো সেই ১ লাখ চাকৰি দিয়াৰ কথা উল্লেখ আছিল। ২০২২-২৩, ২০২৩-২৪ বৰ্ষত বাজেটতো সেই ১ লাখ চাকৰিৰ কথা কোৱা হৈছে। অহা ২০২৪-২৫ বৰ্ষতো বিত্তমন্ত্ৰী মহোদয়াই আকৌ সেই ১ লাখ চৰকাৰী চাকৰিৰ কথাকেই ক'বনে তাতকৈ অলপ আগুৱাব? অসম বিধান সভাত আপোনাৰ inititive ত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ওপৰত লোৱা আলোচনা চক্ৰ সমূহত মাননীয় সদস্য সকলৰ লগতে ৰাজ্যখনৰ বহুতো শিক্ষাৰ লগত জড়িত বিশিষ্ট ব্যক্তি উপস্থিত আছিল। আলোচনা চক্ৰত সকলোৱে শিক্ষাৰ উন্নতিৰ বাবে budget ৰ allocation বৃদ্ধি কৰাৰ কথা কৈছিল। কিন্তু ২০২৩-২৪ বৰ্ষৰ বাজেটত total budget allocation বৃদ্ধি হোৱা সত্বেও শিক্ষা খণ্ডত budget allocation হ্ৰাস পাইছে। বিত্তমন্ত্ৰী মহোদয়াই ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষৰ দুয়োখন বাজেটতে ৯ খন মডেল মহিলা কলেজ নিৰ্মাণৰ কথা আছিল। আগৰ বিত্তমন্ত্ৰী গৰাকীয়ে বাজেটতো সেই ৯ খন মডেল মহিলা কলেজ নিৰ্মাণৰ কথা উল্লেখ আছিল। কিন্তু আজি পৰ্য্যন্ত সেই ৯ খনৰ সকলোতে নিৰ্মাণ কাৰ্য্য আৰম্ভ হোৱা নাই। আমাৰ বিত্তমন্ত্ৰী গৰাকী মহিলা আৰু শিশু উন্নয়ন বিভাগৰো মন্ত্ৰী। তেখেতে বাজেট ভাষণত এক হাজাৰটা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা বুলি উল্লেখ কৰিছে। কিন্তু এক হাজাৰটাৰ ভিতৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰ ৱা নামেৰে নামাকৰণ কৰা বটদ্ৰৱা সমষ্টিত মাত্ৰ দুটাহে আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ আছে। ৰাজ্যখনৰ মহিলা আৰু শিশুৰ সমবিকাশ হ'বলৈ হ'লে উন্নয়নমূলক আঁচনিসমূহৰ সমবিতৰণ নিশ্চয় হ'ব লাগিব। মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই এবাৰ ২০২৩-২৪ বৰ্ষতো ৩ হাজাৰ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ হ'ব বুলি বাজেটত উল্লেখ কৰিছে। এই মুঠ ৪ হাজাৰ টা আদৰ্শ অঙ্গনাবাদী কেন্দ্ৰ ৰাজ্যখনত সমবিতৰণ হোৱাতো বিচাৰিছো। স্বাস্থ্য আৰু পৰিয়াল কল্যাণতো

২০২২-২৩ বৰ্ষৰ revised estimate তকৈ ২০২৩-২৪ বৰ্ষত বাজেটত estimate ৯ শতাংশতকৈ কম।

বটদ্ৰৱাত **১০** খন বিছনাযুক্ত এটা চিকিৎসালয় ভৱন **২০১৪-১৫** তে সম্পূৰ্ণ নিৰ্মাণ কৰা হৈ উঠিছে। যোৱা **১৭** মাৰ্চ তাৰিখে মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে মোৰ এটা প্ৰশ্নৰ উত্তৰত জনাইছিল যে নিয়মীয়া কৰ্মচাৰীৰ পদ সৃষ্টি কৰিব নোৱাৰাৰ বাবে চিকিৎসালয়খন মুকলি কৰিব পৰা নাই। যোৱা **৮** বছৰে পদ সৃষ্টি কৰিব নোৱাৰাৰ বাবে কোটি টকা খৰচ কৰি নিৰ্মাণ সম্পূৰ্ণ হোৱা চিকিৎসালয়খন সম্পূৰ্ণৰূপে নষ্ট হৈ গৈছে। ৰাজ্যখনৰ বহু চিকিৎসালয় নিৰ্মাণ বহুবছৰ আগতে সম্পূৰ্ণ হোৱাৰ পিছতো চিকিৎসাৰ বাবে মুকলি কৰা হোৱা নাই। এইটো এটা অতি চিন্তনীয় বিষয়। মডেল হস্পিতাল আৰু এফ আৰ ইউ সমূহতো চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ উপৰিও আন্তঃগাঁথনিৰ অভাৱ। মুঠ Plan Charge বাঢ়িছে যেতিয়া শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আবণ্টন বঢ়িব লাগিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ লগত জড়িত গৱেষণা আৰু ডকুমেণ্টেশ্যনক উদগণি জনাবলৈ জৱাহৰলাল নেহেৰু বিশ্ব বিদ্যালয়ত এখন আসন প্ৰতিষ্ঠা কৰিবৰ বাবে বাজেটত প্ৰতিশ্ৰুতি দিছে। ইয়াৰ লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বটদ্ৰৱাৰ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠান ভ্ৰমণ কৰি উক্ত প্ৰতিষ্ঠানটোক উন্নত আৰু আধুনিকীকৰণ কৰাৰ যি প্ৰতিশ্ৰুতি আমাৰ উপস্থিত বটদ্ৰৱা ৰাইজক দিছিল, সেইটো বাজেটত সন্নিবিষ্ট কৰিব লাগিছিল। বিত্তমন্ত্ৰী মহোদয়াই বাজেটত জনাইছে যে PMAY ৰ আঁচনিৰ অধীনত ৭ লাখ ১৫ হাজাৰ **৬ শ ১৮ টা গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে** আৰু উক্ত গৃহ সমূহত পানী সংযোগ, খোৱা পানী সংযোগ আৰু উজ্জ্বালা আঁচনিৰ অধীনত গেচৰ সংযোগ আছে। বিধান সভাত মাননীয় সদস্য সকলে নিৰ্মাণ সম্পূৰ্ণ হোৱা কিমান PMAY ৰ আঁচনিৰ অধীনত গৃহ সমূহত পানী সংযোগ, খোৱা পানী সংযোগ আৰু উজ্জ্বালা আঁচনিৰ অধীনত গেচৰ সংযোগ আছে, সেই বিষয়ে ভালদৰে জানিব। মাননীয় বিত্তমন্ত্ৰী মহোদয়ক প্ৰকৃত তথ্যৰে শুধৰণি কৰিবলৈ অনুৰোধ জনালো। দিব্যাংগ পেঞ্চন আঁচনিৰ অধীনত অন্তৰ্ভূক্ত হিতাধিকাৰী সকলক অৰুণোদয় আঁচনিত অন্তৰ্ভূক্ত কৰাটো কিমান মানৱীয়তা আছে, সেইটো মানৱীয় দৃষ্টি ভঙ্গীৰে বিবেচনা কৰি বাতিল কৰিবৰ বাবে আহ্বান জনালো। শেষত মাননীয় বিত্তমন্ত্ৰী মহোদয়ক ২০২৩-২৪ ৰ বাজেটখনে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাত ব্যৰ্থ হৈছে আৰু বাজেট খন পুনৰীক্ষণ কৰিবলৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া ভৱেশ কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী ভৱেশ কলিতা, (ৰঙিয়া)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই সন্মানীয় সদনত যোৱা ১৬ মাৰ্চ তাৰিখে আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে আমাৰ চৰকাৰৰ যি বাজেট উত্থাপন কৰিছে, সেই বাজেটৰ ওপৰত কিছু বক্তব্য ৰাখিবলৈ আপুনি যি সুবিধা দিলে তাৰ বাবে মই ধন্যবাদ জনালো। ১ লাখ ৪৫ হাজাৰ ৪ **শ** ৪৩ কোটি টকাৰ ব্যয় সাপেক্ষে এই বাজেটখন প্ৰস্তুত কৰা হৈছে। একেষাৰে ক'বলৈ হ'লে এই বাজেটখনে অসমৰ সকলো শ্ৰেণীৰ, সকলো জাতি-জনগোষ্ঠীক চুই যোৱা এখন সৰ্বাংগ সুন্দৰ বাজেট। তাৰ বাবে মই বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আপোনালোক সকলো আৰু এই সদনৰ অৱগত যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বলিষ্ঠ নেতৃত্বত বিকাশৰ এপষেক নামেৰে যোৱা নৱেম্বৰ মাহত এটা অনুষ্ঠান আহিছিল আৰু প্ৰায় ১৭ হাজাৰ কোটি টকাৰ ৰাজ্যখনৰ বিভিন্ন জিলাত কাম-কাজ আৰম্ভ হৈছিল। আমাৰ বিৰোধী পক্ষৰ সন্মানীয় সদস্যসকলেও কৈছে যে বাজেটখন ভাল হোৱা নাই, কোনোধৰণৰ পৰিৱৰ্তন দেখা নাই। ৫.৫ G.S.D.P. বৃদ্ধি কৰাৰ নিমিত্তে ১০

টাকৈ বিন্দু ইয়াত সন্নিবিষ্ট কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি কথা কৈছিল, কথামতেই কাম। আমি প্ৰথমতেই যাওঁ যে ১ লাখ নিবনুৱাৰ বাবে খুব transparently চাকৰি সৃষ্টি কৰিম। আগতে নিয়ম আছিল Buy-2 Get-1 আৰু এতিয়া হৈছে transparently শুই থাকোতে অন লাইনে যোগে result পাবলৈ সক্ষম হৈছে। এয়াই আমাৰ পৰিৱৰ্তন। ইতিমধ্যে ৪২ হাজাৰ নিবনুৱাক নিযুক্তি দিয়া হ'ল। অন্যহাতে আৰু ৪০ হাজাৰ নিবনুৱাক অহা মে' মাহত নিযুক্তি প্ৰদান কৰিব আৰু ১৮ হাজাৰ নিবনুৱাক ১৫ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰিব। মুঠতে এক লাখ নিৰনুৱাক যি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছিল তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু মাননীয় বিত্তমন্ত্ৰী মহোদয়াই খুব সুন্দৰভাৱে উপস্থাপন কৰিছে। কেৱল এক লাখ White Collar চাকৰি দিলে আমাৰ নিবনুৱা সমস্যা সমাধান নহয় বুলি আমাৰ প্ৰতিজন সন্মানীয় সদস্যই জানে। ইয়াৰ উপৰিও এক লাখ Small Paddy Business, Horticulture, Piggery, Gotary, Duckery আদি অন্যান্য শিতানতো কিছু মূলধন বা ওৱান টাইম এছগেছিয়া দিয়াৰ বাবে প্ৰয়াস চলাইছে। ইয়াৰ উপৰিও অন্য এক লাখ যুৱক-যুৱতীক চাবচিডি দি কি দৰে তেওঁলোকে Small Paddy Business থিয় কৰিব পাৰে, তাৰ কাৰণেও এই বাজেটত ব্যৱস্থা কৰা হৈছে। দ্বিতীয়তে, আটাইতকৈ যিটো ভাল কথা যাৰ বিষয়ে আজিও বিধান সভাত আলোচনা হৈছে, বাল্য বিবাহ। এটা সময়ত এইখন ভাৰতবৰ্ষত সতী দাহ প্ৰথা আৰু বাল্য বিবাহ প্ৰচলন আছিল। আমাৰ বিৰোধী পক্ষৰ সন্মানীয় সদস্য সকলে কৈছে যে ততাতৈয়াকৈ সিদ্ধান্ত ল'লে। সিদ্ধান্ত কৰ'বাত লবই লাগিব, সিদ্ধান্ত নল'লে এইখন ৰাজ্য এখন পৰম বৈভৱশীল ৰাজ্য হ'ব নোৱাৰিব। মই তাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু সকলোৰে সহযোগিতা বিচাৰিছো। বাল্য বিবাহ কিমান বেদনা দায়ক আমি তাৰ কল্পনাও কৰিব নোৱাৰো। মই সিদিনাখনৰ এটা বাস্তৱ কথা আজি সদনত কৈছো-১৩ বছৰীয়া ছোৱালী এজনীয়ে প্ৰসৱ বেদনাত হস্পিতালৰ বিছনাত ছটফটাই আছে আৰু লগৰ ছোৱালীজনীয়ে সুন্দৰকৈ চাইকেল চলাই কান্ধত বেগ লৈ স্কুললৈ গৈছে। এই ছবি খন আমি আমাৰ অসমৰ পৰা আঁতৰাব লাগিব। POSCO আইন হ'ব লাগিব আৰু ইয়াৰ বিষয়ে আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সুন্দৰভাৱে কৈছে আৰু মই ইয়াৰ বিষয়ে বহলাই ক'বলৈ নাযাওঁ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বলিষ্ঠ নেতৃত্বত এইখন অসমত কোনো এজন ভগ্নীয়ে ১৮ বছৰৰ তলত এইখন ৰাজ্যত আৰু বিবাহ পাশত আবদ্ধ হ'ব নোৱাৰিব আৰু মাননীয় বিত্তমন্ত্ৰী মহোদয়াই ইয়াৰ বাবে ৰি-হেব চেণ্টাৰৰ ব্যৱস্থা কৰিছে। তাৰ বাবে এক অন লাইন ব্যৱস্থা, ফোন নম্বৰৰ ব্যৱস্থা কৰিছে। তাৰোপৰিও তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থাও কৰিছে। কেতিয়াবা কোনোবা বাজেটত এনেকুৱা ধৰণৰ আছিল নেকি? মই এইখন সদনত যোৱা সাত বছৰৰ পৰা আছো। বহুতে কৈছে যে তেওঁলোকে একো পৰিৱৰ্তন নেদেখিলে। পৰিৱৰ্তনৰ যদি কিবা বোলেগ ভাষা আছে মই বুজি নাপাওঁ। এইয়া কি পৰিৱৰ্তন নহয় নেকি? কৰ'বাত সিদ্ধান্ত ল'ব লাগিব। আজি ভাৰত মালা, অসম মালা আৰু সাগৰ মালাৰ অধীনত ৰাস্তা বনোৱা হৈছে। ৰাস্তা বনালে দুই-এজোপা গছ কটা হয় আৰু তাৰ পিছত পুনৰ গছ পুলি ৰোৱা হয়। সিদ্ধান্ত লোৱাৰ কাৰণে গোটেই অসমত সজাগতা আহিছে যে বাল্য বিবাহৰ নিচিনা ব্যাধি সমাজৰ পৰা আঁতৰিব আৰু উঠি অহা প্ৰজন্মই এটা শিকনি পাইছে যে এনেকুৱা গৰ্হিত কামত তেওঁলোক আৰু কেতিয়াও জড়িত নহয়। আইন খন ভালদৰে চাব লাগে আৰু চাইহে মতামত দিব লাগে। আইন খন হৈছে মহিলা সকলক সন্মান দিয়াৰ বাবে। মহিলা ভগ্নীসকলক আমি সন্মান দিব লাগিব। আজি মহিলা সৱলী কৰণৰ ক্ষেত্ৰত চাৰিটাকৈ বিন্দু অনা হৈছে। প্ৰথমে এইখন ৰাজ্যত মই দেখিছিলো দহ গৰাকী

মহিলাক লৈ এটা আত্ম সহায়ক গোট গঠন কৰা হ'ল। ২০১৬ চনৰ আগলৈকে পৰম শ্ৰদ্ধাৰ এই মাতৃসকলে মাত্ৰ পাঁচ হাজাৰ টকা পাইছিল। ব্লক অফিচত এখন চেক দিয়া হৈছিল আৰু সেই চেকখন আনিবলৈ যাওঁতেও পইচা দিবলগীয়া হৈছিল। মই নিজে এই কথাবোৰ জানো। যেতিয়া ২০১৬ চনত বি জে পি নেতৃত্বৰ চৰকাৰ অসমত হ'ল, প্ৰতিটো গোটক  দহ হাজাৰ আৰু পোন্ধৰ হাজাৰ মুঠতে পঁচিশ হাজাৰ টকা State Rural Livilihood Mission ৰ অধীনত অন লাইন যোগে চেক নোহোৱাকৈ সেই মাতৃসকলক পইচা দিয়াৰ ব্যৱস্থা কৰা হৈছে। ১০ জনী বাইদেউয়ে যেতিয়া প্ৰজেক্ট বনাব, যদি কোনোবাৰ Weaving আছে, তেওঁ diversified weaving কৰিব, কোনোবাই গামোচা উৎপাদন কৰিব পাৰিব, তাত তেতিয়া অতিৰিক্ত ১০ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰ মানে, এটা গোটত ১ লাখ ১০ হাজাৰ টকা পাবলৈ সক্ষম  হ'ব। আগতে, ১ হাজাৰ টকা পাইছিল। উপাধ্যক্ষ মহোদয়, ক'ত ৫ হাজাৰ আৰু ক'ত ১ লাখ ১০ হাজাৰ! ২০১৬ চনলৈকে মাত্ৰ ৫ হাজাৰ টকা  ১০ গৰাকী বাইদেউৰ মাজত পাই আছিল আৰু এতিয়া  ১ লাখ ১০ হাজাৰ পাইছে। এইয়া কি পৰিৱৰ্তন নহয় নেকি? মাতৃ শক্তিক মান-মৰ্যাদাৰে, মহিলাসকলক স্বাভিমানী হিচাপে আগবঢ়াই নিয়াৰ বাবে যদি কোনোবাই চেষ্টা চলাইছে সেইয়া হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে চলাইছে। এই কথা এই বাজেটৰ জৰিয়তে বাস্তৱত পৰিণত হৈছে। বহুতে কৈছে, চৰকাৰে হিতাধিকাৰী সৃষ্টি কৰিবলৈ মৰ্য্যাদা তথা  সন্মান সহকাৰে যদি জীয়াই থকাৰ প্ৰেৰণা দিছে সেইয়া এইখন চৰকাৰে দিছে। তাৰ বাবে অৰুণোদয় আঁচনি লোৱা হৈছে। যেতিয়া আমাৰ চৰকাৰ আহিছিল, তেতিয়া প্ৰতিগৰাকী বাইদেউক  ৮৩০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছিল। পৰৱৰ্তী সময়ত ইয়াক ১০০০ টকা, তাৰ  পিছত ১২৫০ কৈ দিয়াৰ ব্যৱস্থা কৰি, এইবেলি অতিৰিক্ত  ১৫০ টকা দি মুঠ ১৪০০ টকালৈকে দিয়া হ'ল। এইয়া কি পৰিৱৰ্তন নহয় নেকি? সেই গাঁৱত থকা দুখীয়া-নিছলা বাইদেউসকলে ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বৰ এই চৰকাৰখনক আশীৰ্বাদ দিছে। আজি দেশৰ সন্মানীয়  প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বৰ বাবে আজিৰ ভাৰতবৰ্ষ  স্বাভিমানী ভাৰতবৰ্ষ, ভাৰত আজি  বিশ্বগুৰু আসনৰ পিনে ধাৱিত হৈছে যাৰ বাবে G-20 ৰ নিচিনা event ৰ অধ্যক্ষতা ভাৰতবৰ্ষইও ল'বলৈ সক্ষম হৈছে। নৰেন্দ্ৰ মোডী  ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বৰ বাবে আমি কোভিডৰ ভেক্‌চিন পাইছো। তেওঁৰ নেতৃত্বৰ বাবে ৮০ কোটি ভাৰতবৰ্ষৰ জনগণে 'প্ৰধান মন্ত্ৰীৰ গৰীৱ কল্যাণ অন্ন যোজনা'ৰ অধীনত বিনামূলীয়া ৰেচন পাবলৈ সক্ষম হৈছে। সেইজনা প্ৰধান মন্ত্ৰীয়ে আয়ুষ্মান ভাৰত আঁচনি ভাৰতবৰ্ষত launch কৰিছে। ঠিক সেই আধাৰত মাননীয় মুখ্যমন্ত্ৰীয়ে অসমত 'আয়ুষ্মান অসম'ৰ ব্যৱস্থা কৰিছে। এইবোৰ কি পৰিৱৰ্তন নহয় নেকি? আজি মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা'ৰ দৰে 'মুখ্যমন্ত্ৰী আৱাস যোজনা' এই বাজেটত দেখিবলৈ সক্ষম হৈছো। যিসকল দুখীয়া-নিছলা আছে, তেওঁলোকে ঘৰ পাব লাগে। ২০১১ চনত আমাৰ চৰকাৰ নাছিল, কাৰ চৰকাৰ আছিল মই নাজানো। সেই সময়ৰ লোকপিয়ল মতে ধনী মানুহ, যাৰ ইতিমধ্যে বিল্ডিং আছে, তেওঁলোকৰ নামত ঘৰ আৱণ্টন কৰা আছিল আৰু দুখীয়া মানুহ সেই ঘৰ পোৱাৰ পৰা  বঞ্চিত হৈছিল। এই লোকসকলৰ  ঘৰত বৰষুণ দিলে বৰষুণ পৰে, ৰ'দ দিলে ৰ'দ পৰে। এই ব্যক্তিসকলক সন্মানীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই DBT ৰ যোগেৰে  ১ লাখ ৩২ হাজাৰ টকা, ২০ হাজাৰ টকা MGNREGAৰ জৰিয়তে আৰু Low Cost Sanitation ৰ বাবে ১২ হাজাৰ টকা, মুঠ ১ লাখ ৬২ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰিছে। সেই আধাৰত  মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে ২০১১ ৰ  লোকপিয়লত যিসকলে ঘৰ পোৱা নাই, তাৰে ১ লাখ মানুহক আৱাস যোজনাত অন্তৰ্ভুক্ত কৰা

হ'ব। এইয়া কি পৰিৱৰ্তন নহয় নেকি? উপাধ্যক্ষ মহোদয়, আজি হাজাৰ হাজাৰ কিঃমিঃ ৰাস্তা বনোৱা হৈছে। 'প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক যোজনা' অটল বিহাৰী বাজপেয়ীজীয়ে লৈছিল। কিন্তু, পৰৱৰ্তী সময়ত, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে 'মুখ্যমন্ত্ৰী উন্নত পকীপথ যোজনা' লৈছিল। ৩ হাজাৰ কিঃমিঃ নতুনকৈ সজোৱা হ'ব। ইয়াৰ দ্বাৰা ১২৬ টা সমষ্টিৰ উন্নয়ন হ'ব। আজি বহুকেইজনে কৈছে যে তেওঁলোকক ৰাস্তা লাগে আৰু আনফালে কৈছে চৰকাৰখন ধাৰত পোত গৈ আছে। কিন্তু, উপাধ্যক্ষ মহোদয়, আমি লোন ল'ব লাগিব। মোক যদি বেংকে লোন দিয়ে মোৰ cibil টো চাই দিব। এইখন চৰকাৰৰ cibil ভাল কাৰণে লোন দিয়াৰ বাবে Funding Agency বোৰ প্ৰস্তুত আছে। মই সিমান শিক্ষিত মানুহ নহয়, I am an illiterate person. কিন্তু, মই জানো যে আগৰ চৰকাৰৰ cibil বেয়া আছিল কাৰণে লোন ল'ব পৰা নাছিল। আমি লোন লৈ দেউলীয়া হোৱা নাই। কাৰো ব্যক্তিগত উপাৰ্জনৰ বাবে লোন লোৱা নাই, বৰঞ্চ সামগ্ৰিক উন্নয়নৰ বাবে, অসমৰ আন্তঃগাঁথনিৰ বাবে, ১২৬ টা সমষ্টিৰ উন্নয়নৰ বাবে লোন লোৱা হৈছে। বাইদেউৱে কৈছে তেওঁক অংগনবাদী কেন্দ্ৰ লাগে আৰু মই হোৱাটোৱেই বিচাৰিছো। আমাৰ বিত্ত মন্ত্ৰী মহোদয়া, Social Justice বিভাগতো আছে। এই বিভাগটো re-organize কৰি Women & Child Development কৰা হৈছে। ১০০০ অংগনবাদী কেন্দ্ৰক মডেল অংগনবাদী কেন্দ্ৰলৈ ৰূপান্তৰ কৰা হ'ব। এইয়া কি পৰিৱৰ্তন নহয় নেকি? আমি গাঁৱত থাকো। গাঁৱৰ যিবোৰ অংগনবাদী কেন্দ্ৰ আছে, সেইবোৰৰ অৱস্থা দেখিলে মোৰ খুব দুখ লাগে। কিন্তু, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ২৫ লাখ টকাৰ ব্যয় সাপেক্ষে ইমান ধুনীয়াকৈ মডেল অংগনবাদী কেন্দ্ৰ বনাই দিছে তাৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰিব লাগিব। প্ৰতিটো সমষ্টিতে দিছে। কোনো এটা সমষ্টিক deprive কৰা নাই। মোডীজীয়ে যিদৰে impressive development কৰিছে, ......interruptions ...মই আপোনালোকক কোৱা নাই.....interruptions .... please কৈছো.........interruptions ....

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য আপুনি কৈ থাকক।

**শ্ৰী ভবেশ কলিতা, (ৰঙিয়া):** বিধান সভাত অভদ্ৰামি কৰিবলৈ নাহিব। আপোনালোকে যেতিয়া কথা কৈ থাকে মই হাল্লা নকৰো, আপোনালোকেও নকৰিব। ..........interruptions ...

**মাননীয় উপাধ্যক্ষঃ** আপোনালোকৰ সময়ত আপোনালোকে ক'ব।

**শ্ৰী ভবেশ কলিতা, (ৰঙিয়া):** It is my sincere request, please. উপাধ্যক্ষ মহোদয়, আমি এইখন সদনত আছো। আমাক পৃথিৱীয়ে দেখি আছে। ইয়াত মোক live telecast কৰি আছে। আনে যেতিয়া কথা কয়, মই পৱিত্ৰ সদনত কেতিয়াও হাল্লা নকৰো। কাৰণ আমি শিকিবলৈ আহিছো। এইখন অসমক আগবঢ়াই নিয়াৰ বাবে বহুত শিকিব লাগিব। সেই commitment লৈ বিধান সভালৈ আহিছো। এইখন হাল্লা কৰাৰ ঠাই নহয়। অসমৰ উন্নয়ন কৰিবলৈ জনগণে আমাক ভোট দি পঠাইছে। আগৰ চৰকাৰবোৰে এইবোৰ কাম কৰিব পৰা নাছিল, কিন্তু বিজেপি চৰকাৰে কৰি দেখাই দিছে। অসমৰ ৰাইজে আমাক আজি আশ্বাসত লৈছে, বিশ্বাসত লৈছে যে বিজেপি নেতৃত্ব চৰকাৰখনে আমাৰ কিবা কৰিব। আজি ২৭ লাখ মহিলাক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। ১৫ বছৰ ধৰি ক্ৰমান্বয়ে শাসন কৰা কংগ্ৰেছ চৰকাৰে কি কৰিছিল? তেওঁলোকে সূতা কম্বলৰ ৰাজনীতি কৰিছিল। মোৰ ঘৰত কাম কৰা বাইদেউ এগৰাকীয়ে সূতা-কম্বল আনিবলৈ যাওঁতে কি অৱস্থা হৈছিল সেই বিষয়ে মই ক'বলৈ গ'লে দীঘলীয়া হ'ব, কিন্তু চমুৱাই কৈ দিওঁ। তেওঁ খুব দুখীয়া। এদিন ব্লকত তেওঁ সূতা আনিবলৈ যাওঁতে ঘৰত পোহা

ছাগলীটোক শিয়ালে খালে, দ্বিতীয় দিনা আকৌ যাওঁতে তেওঁৰ এযোৰ পাৰ আছিল, সেই যোৰো চোৰে নিলে আৰু তৃতীয় দিনাও গৈ তেওঁ সূতা নাপালে। তেওঁ মোক আহি কান্দি কান্দি ক'লে মই সূতা আনিবলৈ গৈ সূতা নাপালো বৰঞ্চ মোৰ ছাগলীজনীও গ'ল, পাৰযোৰাও গ'ল। মোৰ জীৱনটো হেৰাই গ'ল। মই পিছত, তেওঁক পইচা দিলো। এইয়া আছিল কংগ্ৰেছৰ দিন। কিন্তু, এইজনী বাইদেউয়ে DBTৰ যোগেৰে আৱাস যোজনাৰ ঘৰটো পাইছে। কোনো ঠিকাদাৰে যোগান দিয়া নাই। তেওঁ অৰুণোদয় আঁচনি পাইছে, তেওঁৰ ছোৱালীয়ে অৰুন্ধতী আঁচনি পাইছে আৰু বিনামূলীয়াকৈ চাউলো পাইছে। One Nation, One Ration. মাননীয় মুখ্যমন্ত্ৰীৰ বলিষ্ঠ নেতৃত্বাধীনত ৪ লাখ মানুহক ৰেচন কাৰ্ডো দিয়া হ'ব। এইখিনি কথাকে আজি বাজেটত reflect কৰা হৈছে। আমি শিকিবলৈ, জানিবলৈ আহিছো। ইয়াত হাল্লা কৰিবলৈ নাহো। মই খুব লাজ পাইছো। এই পৱিত্ৰ বিধান সভাত কুকুৰৰ মাংসৰ কথা উত্থাপন কৰে। মডেল অংগনবাদী কেন্দ্ৰ, মডেল হাইস্কুল, মডেল কলেজ, পি.জি. কলেজ লাগে, আই.চি.ইউ.যুক্ত হস্পিতল লাগে, এইবোৰ কথা উত্থাপন কৰিব লাগে। সেইবোৰ নকৰি কোনোবাই কুকুৰৰ মাংস, গো মাংস ভক্ষণ কৰা কথা উল্লেখ কৰিছে। এইবোৰ উন্নয়নৰ issue নেকি? উপাধ্যক্ষ মহোদয়, অসমত ২০০০ কিঃমিঃ মথাউৰিৰ কাম হৈ আছে। মোৰ সমষ্টিটো বিধ্বংসী বানত থান-বান হৈ গৈছিল, কিন্তু জলসিঞ্চন বিভাগৰ বলিষ্ঠ নেতৃত্বৰ বাবে আমি ৬ মাহৰ ভিতৰত মেৰামতি কৰিবলৈ সক্ষম হৈছো। মই মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো। প্ৰতিটো ক্ষেত্ৰত ফাইল খুলিলেই পইচা। প্ৰতিটো বিভাগত পইচা আছে। কাম-কাজ চলি আছে। সেইবিলাক কথা ইয়াত চৰ্চা হ'ব লাগিব। তাৰকাৰণে বাজেট প্ৰস্তুত কৰা হৈছে। এই বাজেটখন হৈছে এখন vision document.ইয়াত vision, mission আৰু goal থাকিব লাগিব আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ vision, mission আৰু goal আছে। এই goal বছৰৰ ভিতৰত achive হ'ব। তাৰবাবে এই সুন্দৰ বাজেটখন প্ৰস্তুত কৰিছে। কোনোবাই কৈছে এইখন বাজেট বেয়া, কি কি বেয়া হৈছে দেখুৱাই দিয়ক। ১০ টা স্তম্ভ লৈছে, ভালদৰে study কৰিব। আমি গাঁৱত থাকো, এই গাৱঁৰ প্ৰতিষ্ঠা দিৱস যদি কোনোবা চৰকাৰে ল'ব পাৰিছে, সেয়া হৈছে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ল'ব পাৰিছে। আমি গাঁও পাহৰি গলো। কিন্তু ভাল ভাল খেলুৱৈ গাঁৱৰ পৰাই ওলাইছে।

গাঁৱৰ সৰ্বাধিক উন্নয়ন, তাৰকাৰণে কি কৰিছে, নটসূৰ্য্য ফণী শৰ্মা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা তেখেতৰ ল'ৰা আজি এই পবিত্ৰ সদনৰ সদস্য, সঙ্গীত সূৰ্য্য ড° ভূপেন হাজৰিকা, আই অসমৰ বাপতি সাহোন ৰঙালী বিহু আৰু আমাৰ যিবিলাক কলা কৃষ্টি আছে, এই কলা কৃষ্টি গাঁৱত জীয়াই ৰখাৰ কাৰণে ২৬০০০ গাঁৱত প্ৰতিযোগীতা পতাৰ কাৰণে এইবাৰ ব্যৱস্থা লৈছে। প্ৰথমতে, ২৬০০০ গাঁৱত পতাৰ পাছত মণ্ডল লেবেলৰ পৰা ব্লক পৰ্য্যায়ত, তাৰ পিছত জিলা পৰ্য্যায়ত আৰু তাৰ পিছত ৰাজ্যিক পৰ্য্যায়ত হ'ব। এয়া পৰিৱৰ্তন নহয় জানো?

ঠিক তেনেদৰে, খেল মহাৰণ। বিভিন্ন ধৰণৰ খেল ৰখা হৈছে। ইয়াত মই এটা কথা ক'ব বিচাৰিছো, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানী আছে যে যিদৰে জ্যোতি ককাইদেউৰ গীতৰ প্ৰতিযোগীতা হ'ব, যিদৰে ৰাভা সংগীতৰ প্ৰতিযোগীতা হ'ব ঠিক তেনেদৰে মহাপুৰুষ গুৰুজনাৰ বৰগীত আৰু ভাওনাৰ কাৰ্য্যসূচীটো ৰাখিলে মই ভাল পাঁও। আজিৰ পৰা ৫০০ বছৰ আগতে মহাপুৰুষ গুৰুজনাই অসমীয়া সমাজখনক একত্ৰিত কৰিছিল নামঘৰ সত্ৰ স্থাপন কৰি। আজি ৮০০০ নামঘৰৰ জীৱন্ত ৰূপ নতুনকৈ সজোৱাৰ নিমিত্তে এই বাজেটত ২.৫ লাখ টকাকৈ provision ৰখা হৈছে। তাৰবাবে মই ধন্যবাদ জ্ঞাপন কৰিছো।

আজি অসম দৰ্শন আঁচনি, আমি অসমখনক পাহৰি গৈছিলো। ১৫ বছৰ শাসনত থাকি কোনো এটা মঠ-মন্দিৰ, চাৰ্চ বা মছজিদত পইছা দিয়া নাছিলে। আমাৰ চৰকাৰখনে ২০১৬ চনৰ পাছত ১০ লাখকৈ দিছিলে। এইবাৰ ১৬ লাখলৈ এই ব্যৱধান বঢ়াই দিছে। তাৰবাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। এয়া উন্নয়ণমুখী বাজেট।

অসমৰ গৰিমা, সভ্যতা- সংস্কৃতিৰ কথা আগৰ চৰকাৰবিলাকে পাহৰি গৈছিল। আজি বি জে পি নেতৃত্বাধীন চৰকাৰখনে নতুন ৰূপ দিয়াৰ কাৰণে অসম দৰ্শন আঁচনি হাতত লৈছে। অসমখনক উভতি চাব লাগিব যিসমূহ মঠ-মন্দিৰ, গীৰ্জা বা দৰগাহৰ ১০০ বছৰ হৈছে। আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও প্ৰশ্নোত্তৰ কালত কৈছে যে আজি অসম দৰ্শন আৰু নিব লাগে। তাৰকাৰণে যদি নাবাৰ্ডৰ পৰা লোণ ল'ব লাগে, মহাভাৰতখন কিবা উলটি যাব নেকি?

মই ভাৱো সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ এইখন বাজেট। আমি ১০০ শতাংশই সহযোগ কৰিছো, বাউদেউ আপুনি আগবাঢ়ি যাওক। নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সবকা সাথ্ সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস, এক inclusive development ৰ কাম কৰি আছে। তেওঁ কোৱা নাই যে হিন্দু কে সাথ হিন্দুকা বিশ্বাস বা মুছলমান কে সাথ মুছলমান কা বিকাশ। তেওঁ কৈছে সবকা সাথ সবকা বিকাশ। সমগ্ৰ ৰাষ্ট্ৰক সমাহিত কৰি বসুন্ধৰম কুটুম্বকম, যিদৰে G20 ত কৈছে one earth, সেই আধাৰত আজি দেশ পৰিচালিত হৈ আছে। অসমতো আজি সেই আধাৰত চৰকাৰখনে কাম কৰি আছে। ধৰ্ম সম্প্ৰদায়ৰ ৰাজনীতি ইয়াত চলা নাই। কিন্তু বহুতে ইয়াক communal colour দিব বিচাৰে। আকৌ কৈছো বাল্য বিবাহৰ বাবে যেতিয়া বহুতকে arrest কৰা হ'ল তেতিয়া কৈছে যে এইটো একপক্ষীয়ভাৱে কৰিছে। মোৰ সমষ্টিতো মোক ভোট দিয়া মানুহ, দাস উপাধি লিখে, তেখেতক arrest কৰিছিল, তেখেতে মোক ফোন কৰি ক'লে যে তেল-সেন্দুৰ লগাই দিয়া বাউদেউ গৰাকীকো arrest কৰিছে। মই কৈছো কৰিবই আৰু কৈছো যে পুজাৰীজনকো কৰিম আৰু কাজীজনকো কৰিম। ইয়াত কোনো ধৰ্ম বা সম্প্ৰদায়ৰ কথা নাই। সেইকাৰণে কৈছো এইখন সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বাজেট প্ৰস্তুত হৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আৰু তাৰবাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো।

আজি মহিলাক, কৃষকক, ৫০০ খনকৈ হাইস্কুলত নতুন জ্ঞান দিয়া হ'ব, ১০০ খন মডেল হাইস্কুল বনোৱাৰ কাৰণে ইতিমধ্যে ১২-১৫ কোটি টকা দিয়াৰ ব্যৱস্থা কৰিছে। এইবিলাক যদি বেয়া কাম কৰিছে আপোনালোকে মিডিয়াক দি থাকক যে চৰকাৰখনে লোণ লৈ বেয়া কাম কৰিছে। কৰবাত সিদ্ধান্ত ল'ব লাগিব, ক'ৰবাত sacrifice কৰিব লাগিব, তেতিয়াহে অসমখন মহান অসম হ'ব। ফুলে-ফলে জাতিস্কাৰ হ'ব আৰু এইখিনি কথাই এই বাজেটত reflect কৰা হৈছে। মই আৰু বেছি দীঘলীয়াকৈ নকওঁ, পুনৰ সকলোকে ধন্যবাদ দি মোৰ বাজেট বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** কুকুৰৰ মাংসৰ কথাটো মই উত্থাপন কৰিছিলো আৰু লাগিলে ১০০ বাৰ উত্থাপন কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, আপুনি Rule টো অলপ পঢ়িব। প্ৰতিটো বিষয়তে থিয় হৈ কথা কোৱাটো নিয়ম নহয়। You can't speak in between. এতিয়া মাননীয় সদস্য শ্ৰী দুৰ্গাদাস বড়ো।

**শ্ৰী দুৰ্গাদাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় আৰু সদন, ইতিমধ্যে বাজেটৰ

সৰ্বিত-সৰ্বন দীঘলীয়কৈ দুটা দিন হৈছে। মই এক কথাত এই বাজেটখন need base budget বুলি কৈছো। প্ৰয়োজন সাপেক্ষ এখন বাজেট হৈছে আৰু এই বাজেটখন গ্ৰহণ কৰাৰ আগত অসমৰ প্ৰতিখন গাঁৱলৈ গৈ যেন প্ৰয়োজনসমূহ কোনোবাই সংগ্ৰহ কৰি আনিছে, তেনেকুৱাকৈ দিবলৈ চেষ্টা কৰা হৈছে। সেইকাৰণে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাইছো। কিন্তু তাৰ পিছতো আমি লক্ষ্য কৰিছো, এই বাজেটখনত কেইটামান বস্তু খুব সুন্দৰকৈ জনাবলৈ চেষ্টা কৰিছে। আমাৰ source বিলাক বা ক'ৰ পৰা আমাৰ অতিৰিক্ত Tax collection হ'ব, এই কথাবিলাকৰ ওপৰত ইতিমধ্যে কেইবাগৰাকী সদস্যই ইয়াত উত্থাপন কৰিছে ৰাজ্যখনৰ মঙ্গলৰ বাবে। কিন্তু মই এটা কথা ক'ব বিচাৰিছো যে আমি কামবিলাক কৰিবৰ কাৰণে আমাৰ income source ক'ৰ পৰা আহিব। মই ইয়াত দেখিছো যে কিছুমান বস্তু ভাগ ভাগ কৈ দেখুওৱা হৈছে। Commissioner of Taxes ৰ পৰা আহিব ২৪,১১৭ কোটি টকা, Excise ৰ পৰা ৩০০০কোটি, Transport ৰ পৰা আহিব ১৪৫৬ কোটি টকা, Land Registration & Revenue ৰ পৰা আহিব ১৪৩৭ কোটি টকা, Geology & Mining ৰ পৰা আহিব ৫১১৭কোটি টকা আৰু Forest ৰ পৰা দেখুওৱা হৈছে ১০১০ কোটি টকা। মুঠ ৩৬,১৩৭ কোটি টকা ইয়াত দেখুওৱা হৈছে। ইয়াৰ পৰা বুজা গৈছে যে Resource Mobilization ৰ কাৰণেও ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে সুন্দৰ প্ৰচেষ্টা চলাইছে। এইখন বাজেটত কিছুমান বস্তু আমাক ভাগ ভাগ কৰি দেখুওৱা হৈছে । আমাৰ কমিশ্যনাৰ অব টেক্সৰ পৰা আহিব ২৪,১১৭ কোটি টকা , এক্সচাইজৰ পৰা আহিব ৩ হাজাৰ কোটি টকা , ট্ৰেন্সপোৰ্টৰ পৰা ১,৪৫৬ কোটি । লেণ্ড ৰেভিনিউ আৰু ৰেজিষ্টেশ্যনৰ পৰা ১,৪৩৭ কোটি , জিওলোজি আৰু মাইনিঙৰ পাৰ আহিব ৫,১১১ কোটি ট্কা আৰু ফৰেষ্টৰ পৰা দেখুওৱা হৈছে ৩৬, ১৩৭ কোটি টকা ইয়াৰ পৰা এইটো বুজা গৈছে যে ৰিচোৰ্চ মবিলাইঝেশ্যনৰ কাৰণেও ৰাজ্য চৰকাৰে এটা সুন্দৰ প্ৰচেষ্টা হাতত লৈছে । মই ভাবো ৰাজ্য চৰকাৰে এনেধৰনে ৰিচোৰ্চ মবিলাইজেশ্যনৰ কাৰণে আৰু অধিক চেষ্টা চলায় তেন্তে আমাৰ ৰাজ্য চৰকাৰখনেও চেল্‌ফ ডিপেণ্ডেন্ট হোৱাত আৰু এখোজ আগবাঢ়ি যাব কিন্তু তাৰ লগতে আমি লক্ষ্য কৰিছো বাজেটৰ শেষৰ ফালে দুটামান বিষয় আছে । সেই বিষয় কেইটাৰ এটা হ'ল- এটা নতুন বিভাগ খুলিছে । সেইটো হৈছে খিলঞ্জীয়া জনজাতিয় বিশ্বাস আৰু সংস্কৃতি বিভাগ । এই বিভাগটো খোলাৰ ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয় আৰু কেইবাগৰাকী বিধায়কে আপ্ৰান পৰিশ্ৰম কৰি সমগ্ৰ অসমতে খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু জনজাতিটো আনিবলৈ চেষ্টা কৰিছে কিন্তু মই দেখিছো তাতে সেই বিভাগটো মাত্ৰ ন কোটি টকাহে ধাৰ্য্য কৰা হৈছে । মই বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীক অনুৰোধ জনাইছো যে এই বিভাগটোত আপোনালোকে অতিৰিক্ত হিচাপে কিছু পুঁজি ভৰিব লাগে । আপোনালোকে খুব ভালকৈ জানে যে নিউ এডুকেশ্যন পলিচি লোৱা হৈছে । এই পলিচিটো চৰকাৰৰ বাবে এটা চেলেঞ্জ । এই চেলেঞ্জটোৰ কাৰনে আপোনালোকে দেখিছে বাজেটত হাজাৰ হাজাৰ কোটি টকা নিৰ্দ্ধাৰণ কৰিছে । আজি হাই স্কুল বিলাক ৫ কোটি ৮ কোটি টকাৰে নতুনকৈ নিৰ্মান কৰিছে । আজিৰ দিনত গোটেই ভাৰতবৰ্ষত এডুকেশ্যন পলিচি লোৱাৰ সময়ত অসমতো নতুন শিক্ষক নিযুক্তি দিব লাগিব। কলেজৰ পৰা এলেভেন - টুৱেলভ ক্লাচ তলৰ ক্লাচত আনিব আৰু হায়াৰ চেকেণ্ডৰী প্ৰতিখন হাইস্কুলত কম্পালচৰি হ'ব । গতিকে এই শিক্ষা বিভাগটোক বিত্ত বিভাগে যথেষ্ঠ পুজি দিব লাগিব। এইখিনিতে কেইগৰাকীমান মাননীয় সদস্যই স্বাস্থ্য জনিত কথাত বায়োপচিৰ কথাটো ক'ব খুছিছে যে ইয়াত যথেষ্ট কৰ্কট ৰোগ হয় । যোৱাবাৰৰ বাজেটৰ দৰে এই বাৰৰ বাজেটত এই কথাটো ৰিফ্লেকশ্যন হৈছে । অসমৰ সাতখন বিভিন্ন ঠাইত কৰ্কট ৰোগৰ

প্ৰতিষ্ঠান - টাটাৰ লগত টাই আপ কৰি স্থাপন কৰিবলৈ ব্যৱস্থা কৰা হৈছে । আমাৰ দৰঙ জিলাতো এখন হৈছে । ইতিমধ্যে হস্পিটেলৰ কাম কাজসমূহ আৰম্ভ হৈছে । আৰু এটা কথা ক'ব বিচাৰিছো যে, আমি মেডিকেল কলেজসমূহত চিকিৎসকৰ যথেষ্ঠ অভাব অনুভৱ কৰিছো । এই বিষয়ে কেইবাগৰাকী শাসক আৰু বিৰোধী পক্ষৰ বিধায়কেও প্ৰয়োজনীয়তা ব্যক্ত কৰিছে । কাৰণ আমাৰ লিমিটেড তিনিশ ছীটৰ ওপৰত ডিপেণ্ড কৰি বছৰ বছৰ ধৰি তিনিখন মেডিকেল কলেজত ছাত্ৰ-ছাত্ৰীয়ে এম বিবিএছ কৰি আছিল কিন্তু আমি দেখিছো যে এইবাৰ পোন্ধৰশলৈকে মেডিকল পঢ়াৰ আসম বৃদ্ধি পাব । এইটোৱে হয়তো আমাৰ চিকিৎসকৰ অভাব পূৰণ কৰিবলৈ সক্ষম হ'ব । শিক্ষা, কৃষি আৰু স্বাস্থ্য বিভাগত যোৱাবাৰতকৈ এইবাৰৰ বাজেটত ক'ম পুজি ধৰিছে । আমি জানো যে আমাৰ জনসংখ্যাৰ সত্তুৰ- আশী শতাংশ কৃষি কাৰ্য্যৰ লগত জৰিত। যিসকল আমাৰ এডুকেটেচ লৰা ছোৱালী কৃষিলৈ ওলাই আহিছে তেওলোকক সহায় কৰিবলৈ চৰকাৰে কেইবাটাও আঁচনি দিছে । আজি মিনিমাম চাপোৰ্ট প্ৰাইচটো মাহ জাতীয় শস্যলৈকেও লৈ যাব লাগে । এইটো মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক অনুৰোধ জনাইছো । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৈছে যে এইবাৰ সৰিয়হৰ খেতি আমাৰ খেতিয়কসকলে যথেষ্ট পৰিমানে কৰিছে । এই সৰিয়হ খেতি কৰা সকলক আগন্তক দিনত এম এচ পি দিবলৈ চেষ্টা কৰেযেন তেন্তে সৰিয়হ খেতি কৰা কৃষকসকলো যথেষ্ট উপকৃত হ'ব । আৰু এটা কথা হ'ল- কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ চেন্টাৰ বা কেম্পাচ এটা আমাৰ ওদালগুৰিত কৰাৰ কথা আপোনালোকে কৈছে । কমেও ১৫ টা বিষয়েৰে কেম্পাচটো যাতে আৰম্ভ কৰে মই এইটো অনুৰোধ জনাইছো । আমি সকলোৱে আন্ত গাঁথনিৰ কথা কওঁ - মই নিজেই ছল্লিশ বছৰ স্পৰ্টছ অৰ্গেনাইজাৰ হিচাপে পাৰ কৰিছো - আজিও আছো । এই কাৰণে মই কও- তৰুন গগৈ ডাঙৰীয়াই মুখ্যমন্ত্ৰী হৈ থাকোতে স্পৰ্টছৰ যিটো ইনফ্ৰাচষ্ট্ৰাকচাৰ নিৰ্মাণ কৰি থৈ গৈছে বৰ্ত্তমান এইখন চৰকাৰে তাক উজ্জিবিত কৰিছে । দহ খনতকৈও অধিক - মাল্টি পাৰ্পোছ আউটড'ৰ ষ্টেডিয়াম ৰাজ্যিক ভিত্তিত কৰিবলৈ ওলাইছে - তেত্ৰিশখনতকৈও মিনি ষ্টেটেডিয়াম প্ৰতিটো সমষ্টিত কৰিবলৈ ওলাইছে য'ত দহ - বাৰ কোটিকৈ টকা ধাৰ্য্য কৰিছে । আজিৰ দিনত লৰা ছোৱালীবিলাক ড্ৰাগ এডিক্টেড হৈ বিপথে পৰিচালিত হৈছে তেওলোকক আমি ঘুৰাই আনিবলৈ আমি স্পৰ্টছৰ সহায় ল'ব লাগিব । তেতিয়া লৰা ছোৱালীখিনি বিপথে যাবলৈ সময় নাপাব। এতিয়া মই ৱাটাৰ ৰিচোৰ্চৰ বিষয়ে মন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো যে, যোৱা বছৰ মাত্ৰ ১৪ কোটি টকা বিটিছিৰ নিজা বাজেট আছিল । কিন্তু ৱাটাৰ ৰিচোৰ্চ ডিপাৰ্টমেন্টৰ জৰিয়তে বিচিছিত এশ কোটিতকৈও অধিক টকাৰ কাম কৰিছে । বিচিছিক অসমৰ বাহিৰত নধৰাৰ বাবে বিভাগক ধন্যবাদ দিব লাগিব। শেষত মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে কলাইগাওঁত এখন মডেল কলেজৰ বহু দিনৰ পৰা দাবী আছিল । এই মজেল কলেজখন স্থাপন কৰাৰ বাবে মাননীয় শিক্ষা মন্ত্ৰীয়ে প্ৰেছ কনফাৰেন্স পাতি ব্যক্ত কৰিছে । গতিকে কলাই গাওঁৰ বিধায়ক হিচাপে মই পুনৰবাৰ ধন্যবাদ জনাই বক্তব্য সামৰিছো । ধন্যবাদ

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ--- এতিয়া ৰাম কৃষ্ণ ঘোষ ।

**শ্ৰীৰামকৃষ্ণ ঘোষ, (হোজাই)ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, কোনো এখন ৰাষ্ট্ৰ বা ৰাজ্যৰ আমি যদি চিনাকী দিবলৈ যাওঁ - তাৰ যিটো ইনফ্ৰাচষ্ট্ৰাকচাৰ , এডুকেশ্যন, ৰোডচ , স্বাস্থ্য আমি চাব লাগিব। আমি যদি লক্ষ্য কৰো দেখিম প্ৰতিটো ক্ষেত্ৰতে ইনফ্ৰাষ্ট্ৰাকচাৰ থাকে । সাধাৰণতে ৰোডৰ কানেক্টিভিটি বুলি ভাবো কিন্তু আমি চোচিয়েল চিকিউৰিটিৰ কথাটোও বুজি পাব লাগিব। এই চোচিয়েল চিকিউৰিটিৰ ইনফ্ৰাষ্ট্ৰকচাৰটো আমি দেখা পোৱা নাছিলো । সেইটো আমাৰ চৰকাৰে

আহি যিখিনি কৰিলে সেইটো অভাৱনীয় ।

এই বাজেটখন এটা সৰ্বাংগীন বাজেট, উন্নয়নমূখী বাজেট। সেই কাৰণে মই বিত্তমন্ত্ৰী মহোদয়াক ধন্যবাদ জনাইছোঁ। এই ক্ষেত্ৰত সাধৰণতে বিৰোধী পক্ষক দেখিছো আমি জনকল্যাণমূখী আঁচনিত কিয় খৰচ কৰিছোঁ, কিয় তাত ইমান খৰচ কৰিব লাগে, কিয় আমি হিতাধীকাৰীৰ সৃষ্টি কৰিব খুজিছো, এই ক্ষেত্ৰত মই এটা কথা ক'ব খোজো, হিতাধীকাৰী মানে কি? আজি যদি অৰ্থনীতিৰ ছাত্ৰ হওঁ বা অৰ্থছাত্ৰৰ তেখেত সকলে যিটো Statement দিয়ে বা আমি যি পঢ়াশুনা কৰিছোঁ তাত দেখিছো যে জনকল্যাণমূখী বাজেট এটা থাকে। জনকল্যামূখী আঁচনি এটা থাকে। তাৰ ওপৰত chapter থাকে। কাৰণ তেখেত সকলে নতুনকৈ অৰ্থনীতি লিখিব খুজিছে নেকি? তাৰ মানে এইটো দিব নালাগে নেকি? এইবোৰ যদি দিয়া নহয় তেতিয়াহলে infrastructure কেনেকৈ গঠন হ'ব? এইবোৰ infrastructure যদি গঠন নহয়, ৰাইজৰ হাতত, দূখীয়াৰ হাতত পইচা নাযায়, তেতিয়াহলে আমাৰ খৰচ কেনেকৈ হ'ব? খৰচ যদি নহয়, তেতিয়াহলে আমাৰ উন্নয়ন কেনেকৈ হ'ব? আৰু উন্নয়ন যদি নহয় তেতিয়াহলে আমি ইয়াতে এটা কথা কম, বয়বস্তুৰ দাম কিয় বাঢ়িলে? আজি বাজেট খালী এইটোৱে নেকি যে আমাৰ উন্নয়ন, আন্তগাঁঠনিৰ উন্নয়নৰ যিটো সেই উন্নয়নখিনি নহ'ব, কিন্তু এই ক্ষেত্ৰত আমি কিয় পইচা খৰচ কৰিব নোৱাৰো? আৰু আমি কওঁ যে growth খিনি হ'ব নালাগে, আগৰ ফালৰ পৰা যে growth হ'ব লাগে, আগৰ চৰকাৰৰ ক্ষেত্ৰত আমি দেখিছো Capital Expenditure তেখেত সকলে একেবাৰে কৰা নাছিল। কিন্তু আমি কৰি আছোঁ। এই ক্ষেত্ৰত আমাৰ ভাগ কৰি দিয়া হৈছে। কোন ক্ষেত্ৰত কিমান পইচা আহিছে। আমি গৰীবৰ ক্ষেত্ৰত দেখিছোঁ, যি ইমান পইচা কিন্তু অহা নাই, কিন্তু আমি যিমান লোণ ল'ব পাৰো তাৰ পৰা আমি ১০ শতাংশ তলতে আছো। যিখিনি লোণ লৈছো সেই লোণৰ জৰিয়তে আমি Capital Expenditure খিনি কৰি আছোঁ। সেইটো education ৰ ক্ষেত্ৰত দেখো আমাৰ infrastructure development এই চৰকাৰে আমাৰ ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই, তেখেতে যিটো infrastructure developmentৰ কথা কৈছে আৰু সেই হিচাপে তেখেতে New Education Policy আনিছে আৰু এই পলিচিত আমাৰ অসমৰ ক্ষেত্ৰতে প্ৰযোজ্য হৈছে। অসমৰ ক্ষেত্ৰত আমি দেখিছো যে অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে যেনেধৰেণ আমাৰ infrastructure change টো আনিব খুজিছে তাৰ জৰিয়তে কিন্তু চেবাৰ নিচিনা, তাত যিটো ঘটনা ঘটিছিল সেই ঘটনাটো কিন্তু নঘটে, আজি New Education Policy ত কোৱা হৈছে, তাত যিটো observation কৰা হৈছে সেই observationত দেখুওৱা হৈছে এটা কথা যে generally governing body যদি strong নাথাকে, আমাৰ যদি management system টো strong নাথাকে, তেতিয়াহলে কিন্তু এনেধৰণৰ ঘটনা ঘটিব। যাৰ কাৰণে আমাৰ governing body, management system আৰু তাৰ পিছত নতুন যিটো আনিছে Skill India কথাটো আমি জানো। এইটোৰ ক্ষেত্ৰতো আমাৰ অসমৰ ক্ষেত্ৰত ভাৰততে হোৱা নাছিল, আজি গোটেই ভাৰতৰ skill labour ৰ বহুত প্ৰয়োজন হৈছে। আজি আমাৰ G20 ৰ ক্ষেত্ৰত দেখিছো এই বোৰ countriesৰ যদি skill labour দিব লাগে, সেইটোত আমাৰ Skill India University ৰ পৰা যাব, Skill managementৰ দ্বাৰা যাব, সেইটো যাতে আমাৰ চৰকাৰে ব্যৱস্থা কৰিছে। আগতে কংগ্ৰেছ চৰকাৰে এইখিনি কাম নকৰিলে। মঙলদৈৰ নিচিনা ঠাইত আমি দেখিছো Skill University তাত establish কৰিছে। তাত প্ৰায় ১০০০ কোটি টকা খৰচ হৈছে। এইটো কিহৰ কাৰণে কৰা হৈছে? কাৰণ আজি যদি skill India ৰ নিচিনা institute বিলাক থাকে তেতিয়াহলে বিভিন্ন ক্ষেত্ৰত আমাৰ অসমতে নহয়,

ভাৰতৰ বিভিন্ন ক্ষেত্ৰত য'ত skill labour দিব পাৰো নে নোৱাৰো, বিশ্বৰ বিভিন্ন দেশত আমি দিব পাৰোনে নোৱাৰো, তাৰ মাধ্যমেৰে আমি foreign exchange earn কৰিব পাৰিম। এই বোৰ ক্ষেত্ৰত আমাৰ যথেষ্ট গুৰুত্ব দিয়া হৈছে। আজি New Education Policy হওঁক সেইটো infrastructure development ৰ কাৰণে কৰা হৈছে। আজি connectivityৰ কথা কোৱা হৈছে। আজি connectivity মানে কি?

**মাননীয় উপাধ্যক্ষ ঃ** Please conclude.

**শ্ৰীৰামকৃষ্ণ ঘোষ, (হোজাই) ঃ** আজি Education Policy ৰ মাধ্যমৰে যিখিনি social connectivityৰ এটা ৰাস্তাৰ ক্ৰিয়েট কৰিছোঁ, তাৰ মাধ্যমেৰে এটা আমি নতুন শিক্ষা দিব খুজিছোঁ, আৰু এই শিক্ষাৰ মাধ্যমেৰে আমাৰ যথেষ্ঠখিনি infrastructure উন্নয়ন হ'ব, এই বাজেটত ধুনীয়াকৈ অনা হৈছে। আমাৰ বিত্তমন্ত্ৰীক অনুৰোধ কৰিম, ইমান ধুনীয়া বাজেট অনাৰ পিছতো মোৰ হোজাইৰ ক্ষেত্ৰত মই দেখিছোঁ বিত্তমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু পিয়ুষ হাজৰিকা ডাঙৰীয়াক ধন্যবাদ দিম, যে তাত বৃটিছৰ পিৰিয়ডৰ পিছত আজিলৈকে কোনো ধৰণৰ মথাউৰী নিৰ্মাণ কৰা হোৱা নাছিল। তাত প্ৰায় ৩০ কি.মিটাৰ ৰাস্তা মথাউৰী নিৰ্মাণ কৰাৰ কাৰণে দিয়া হৈছে। আৰু তাৰ কাৰণে বানৰ যিটো অসুবিধা সেইটো বন্ধ হ'ব জুৰিযান অঞ্চলত।

**মাননীয় উপাধ্যক্ষ ঃ** Please conclude.

**শ্ৰীৰামকৃষ্ণ ঘোষ, (হোজাই) ঃ** বিত্তমন্ত্ৰী ডাঙৰীয়ানীক এটা কথা কব খোজো যে আমাৰ দিংবন নদী এটা সৰু নদী আছে, ইমান কাম কৰাৰ পিছতো যদি এটা সৰু কাম থাকি যাই অলপ খেলিমেলি হ'ব। মই কব খোজো যে দিংবন নদী এটা আছে ২ কি.মিটাৰ নিৰ্মাণ কৰিব লাগে, তাত এইটো অলপ চাব লাগে আৰু জুৰিযান অঞ্চলৰ ফ্লাইঅভাৰ ৰোড টো আৰু লংকাৰ এক নম্বৰ যিটো ফ্লাইঅভাৰ হৈছিল তাত এটা ৰাস্তা আছে, সেইটোত লংকা-লামডিংৰ ৰাস্তাটো হ'ব লাগে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াকো কৈছো, তেখেতে আশ্বাস দিছে কৰি দিব বুলি, এইখিনি মোৰ অনুৰোধ থাকি গ'ল, এইখিনিয়ে কলোঁ, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়া। বক্তব্য আৰম্ভ কৰাৰ আগতে এটা কথা কৈছো, আপোনালোকৰ দলৰ ২৪ মিনিট ৩০ চেকেণ্ড বাকী আছে। গতিকে আপোনালোকে তিনি গৰাকী সদস্যৰ নাম দিছে কথা কোৱাৰ কাৰণে। মই ৱাৰ্নিং নিদিও আপোনালোকে চাইমিলি নিজে কৰিব, ২৪ মিনিট ৩০ চেকেণ্ড হলে মই ৱাৰ্নিং দি দিম।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে ১৬ মাৰ্চ, ২০২৩ তাৰিখে যি বাজেট দাখিল কৰিছে, সেই সন্দৰ্ভত দুআষাৰ কোৱাৰ প্ৰয়াস কৰিছোঁ। যিহেতুকে সময় নিৰ্দ্ধাৰিত আছে, অলপ খৰধৰকৈ কব লাগিব। এই বাজেটখন অধ্যয়ন কৰাৰ সময়ত মই তৰুন গগৈ ডাঙৰীয়াৰ চৰকাৰ যোৱাৰ পিছত যিখন চৰকাৰৰ বাজেট, সেই বাজেটৰ পৰা আজিৰ বাজেটলৈকে অলপ অধ্যয়ন কৰিবলৈ চেষ্টা কৰিছিলোঁ। অধ্যয়ন কৰোতে মই দেখিলো যে আজি যেনেকৈ ১৬ মাৰ্চ, ২০২৩ তাৰিখে বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে বাজেট দিছিল, আজিৰ মুখ্যমন্ত্ৰী সেই সময়ৰ বিত্তমন্ত্ৰীয়ে ২৬ জুলাই, ২০১৬ তাৰিখে এখন বাজেট দিছিল। সেই বাজেটত বৰ্তমান এই চৰকাৰ খনে Continuous যি হৈ আছে, কেনেদৰে কাম কৰিব তাৰ এটা আভাস দিছিল আৰু মূল এটা চিন্তা দিছিল। আজি দেখা গৈছে যে ২০১৬ চনৰ যিখন বাজেট আৰু ২০২৩ বৰ্ষৰ যিটো বাজেট, সেই সময়ৰ বিত্ত মন্ত্ৰী আজিৰ মুখ্যমন্ত্ৰীৰ যি বাজেট আৰু আজিৰ বিত্তমন্ত্ৰীৰ বাজেটত আমোল এক পৰিবৰ্তনেই নহয়, বিৰাট বিভ্ৰান্তি দেখা গৈছে। সেয়েহে

মই কৈছো যে, এই বাজেট খন confuse, বিভ্ৰান্তিকৰ আৰু ঘৰুৱা ভাষাত একেবাৰে দোধোৰমোধোৰ। কেনেকৈ কেৰল মই সমালোচনাই কৰিছো নেকি? এই বাজেট যেতিয়া দিছিল আজিৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২৬ জুলাই, ২০১৬ তাৰিখে সেই সময়ত তেওঁ তৰুন গগৈ চৰকাৰক সমালোচনা কৰি কৈছিল যে, এই চৰকাৰ খনে, যোৱা ১৫ বছৰৰ চৰকাৰখনে গোটেই অসমখন যি পাৰে শেষ কৰি গ'ল, সেই গোটেই কথাখিনিৰ মই এখন white paper দিম। মাননীয় উপাধ্যক্ষ মহোদয়, এইখন white paper, Government of Assam, white paper on Assam Finance as on 24th March, 2016 placed on the table of the House on 3rd June, 2016. সেই বাজেটত সেই যিখন white paper দিছিল, সেই white পেপাৰত বাকীখিনিটো আছেই মই দি দিম আপোনালোকক ইয়াত 9.1 ত লিখিছিল from the above it is clear that the new government has to began the journey with an "extremely negative" financial position of about Rupees of 10 thousand Crores ৰ এটা বোজা লৈ নতুন চৰকাৰে ২০১৬ চনত চলোৱা বুলি সেই সময়ত শ্বেত-পত্ৰ দিছিল । এই শ্বেত-পত্ৰ দি ক্ষান্ত থকা নাছিল, তেখেতে সংবাদ মেলো দিছিল। সেইদিনা কওঁতে মাননীয় মুখ্যমন্ত্ৰীয়ে অস্বীকাৰ কৰা নাই, মই পাহৰি গ'লো বুলিহে কৈছিল। সেই সময়ত বিভিন্ন কাকতত আৰু সংবাদ মেলত ওলাইছিল, প্ৰতিদিন কাকতত দিছিল ভয়াৱহ আৰ্থিক সংকটত বিত্ত মন্ত্ৰী। ১০ হাজাৰ কোটি টকাৰ ঋণৰ গৰাহত ৰাজ্য। জনপ্ৰিয় "নিয়মীয়া বাৰ্তা ৪ জুন, ২০১৬ ভয়াৱহ আৰ্থিক সংকটত নতুন চৰকাৰ ১০ হাজাৰ ১৮.৯৩ কোটি টকাৰ তাৎক্ষণিক ঋণৰ বোজাক প্ৰত্যাহ্বান জনাই ৰাইজৰ উন্নয়ন তৰান্বিত কৰাৰ অংগীকাৰ বিত্তমন্ত্ৰীৰ"। "আমাৰ অসম ৪ জুন ২০১৬, ১০ হাজাৰ কোটি টকাৰ ধাৰৰ বোজা লৈ আগবাঢ়িছে নতুন চৰকাৰ। ৰাজ্যৰ বিত্তীয় অৱস্থাৰ শ্বেত-পত্ৰ প্ৰকাশ কৰিলে বিত্ত মন্ত্ৰী ডাঙৰীয়াই"। "অসমীয়া খবৰত ১৫ বছৰীয়া বিশ্বাসৰ পৰিণতি, আমাক মানুহে বিশ্বাস কৰিছিল, সেই কাৰণে তাৰ পৰিণতি হ'ল ১০ হাজাৰ ১৮.৯৩ কোটি টকাৰ ঘাটি। শ্বেত-পত্ৰই উদঙালে বিত্তীয় অৱস্থাৰ ফোপোলা স্বৰূপ। গগৈ চৰকাৰে এৰি থৈ গ'ল উদং ৰাজকোষ। নতুন চৰকাৰে দি গ'ল ১০ হাজাৰ কোটি টকাৰ বোজা"। শ্বেত-পত্ৰ দাখিল কৰিলে বিধান সভাত। কংগ্ৰেছৰ শাসনত উদং হ'ল ৰাজকোষ। শ্বেত-পত্ৰ দাখিল কৰি সেই সময়ৰ মন্ত্ৰীৰ নামটো কব খোজা নাই স্পষ্টকৈ জনাই ১০ হাজাৰ কোটি টকাৰ বোজা লৈ চৰকাৰখনে দায়িত্ব ল'বলগীয়া হৈছে। সেই সময়ৰ গড়কাপ্তানী বিভাগটো আছে ১ হাজাৰ ৩৯ কোটি টকাৰ বোজা। সেই সময়ত গড়কাপ্তানী মন্ত্ৰী কোন আছিল সকলোৰে জানে। তাত লিখিছে, কেন্দ্ৰীয় চৰকাৰে অসমক বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰা বুলি। তৰুণ গগৈ, অজন্তা নেওঁগে অনা অভিযোগ খণ্ডন কৰি সেই সময়ৰ বিত্ত মন্ত্ৰী বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে কয় যে বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰা নাই। বিত্ত অৱস্থা মাননীয় বিত্ত মন্ত্ৰীৰ ডাঙৰীয়ানীৰ বাজেট। আমিটো ১৯৯৬ ৰ পৰা থকা চৰকাৰৰ ধাৰ মাৰিবলগীয়া হৈছিল, অজন্তা নেওঁগ, সেই সময়ত কৈছিল এতিয়া নহয়। আমি Over Draft আৰম্ভ কৰি ৩৫০০ কোটি টকা এৰি থৈ গৈছিল। সেই কাৰণে মই কৈছো যে, এই বাজেটখন নাজানো তেতিয়াৰ মুখ্যমন্ত্ৰী আজিৰ বিত্তমন্ত্ৰীৰ চিন্তাধাৰাৰ লগত কিহৰ কাৰণে মিলা নাই। এই কথাখিনি অধ্যয়ন কৰোতে হে মই এই কথাখিনি ধৰিব পাৰিলো। তেতিয়া বিত্ত মন্ত্ৰীয়ে কৈছিল ১০ হাজাৰ কোটি টকা ধাৰেই যে দিছিল সেইটো নহয়, গোটেই খিনি হিতাধিকাৰী কৰি শেষ কৰি থৈ গ'ল অসমখন। মই কোৱা নাই, মই হিতাধিকাৰী বিচাৰো। মই কংগ্ৰেছত থাকি কৈ আছো। পেজ নম্বৰ ৭, ২৬ জুলাই, ২০১৬ চনৰ বাজেট। ৰাষ্ট্ৰ আৰু কোষাগাৰৰ বিষয়ে চাণক্যই কোৱা কথা এটাৰ উক্তি মই স্মৰণ কৰিব

খুজিছো। “যদিহে কোষাগাৰ সম্পদেৰে ওপচি থাকে, তেতিয়াহে সামাজিক হিতৰ বাবে গ্ৰহণ কৰা আঁচনিবোৰ সহজে ৰূপায়ণ কৰিব পাৰি, কেৰল কঠোৰ শ্ৰমেৰে ইপ্সিত ফল লাভ কৰিব নোৱাৰি”। পৰিকল্পনা বহিঃভূত শিতানৰ ব্যয় যোৱা কিছু বছৰ ধৰি বৃদ্ধি হ’বলৈ ধৰিছে, তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰৰ কথা কৈছে। পৰিকল্পনা বহিঃভূত শিতানৰ ব্যয় যোৱা কিছু বছৰ ধৰি বৃদ্ধি পাবলৈ ধৰিছে। বিগত কেইটামান বছৰৰ বাজেট পৰিপূৰ্ণ হৈ আছে। ব্যক্তিগত হিতাধিকাৰীৰ লাভালাভৰ বাবে প্ৰস্তুত কৰা আঁচনি। আমাৰ কংগ্ৰেছ বাজেট নহয়, এই চৰকাৰৰ বাজেট। কিবা যদি Conflict হৈছে মই নাজানো। আজি যে এই আঁচনি বিলাক দিছে, সেই সময়ৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই লিখিছে তেখেতৰ বাজেটত, এনে ধৰণৰ আঁচনি বিলাকে ৰাইজৰ বিকাশ তৰান্বিত কৰিব নোৱাৰে। বিগত সময়ত দেখা গৈছে যে, ঘোষিত এনে আঁচনি ৰূপায়ণ নোহোৱাকৈ ৰৈ আছিল। কোনো ক্ষেত্ৰত ৰূপায়ণ নোহোৱা আঁচনি বিলাকে সম্পূৰ্ণ নোহোৱাকৈ থাকে। এই সমগ্ৰ ব্যৱস্থাটোয়ে বাজেটৰ পবিত্ৰতা বহু পৰিমাণে ম্লান কৰি পেলাইছে। আমাৰ হিতাধিকাৰীক দিছিল আমি চাউল, সূতা, কম্বল, টিং লগতে ২৫ হাজাৰকৈ টকা দিছিলো। সেই বিলাক আঁচনি আমি দিয়াৰ ফলত সমগ্ৰ ব্যৱস্থাটোয়ে বাজেটৰ পবিত্ৰতাক বহু পৰিমাণে ম্লান কৰিছে বুলি তেতিয়াৰ বিত্তমন্ত্ৰী আজিৰ মুখ্যমন্ত্ৰীয়ে কৈছিল। ২৬ জুলাই ২০১৬ তাৰিখে বিত্ত মন্ত্ৰীৰ ভাষণত তেখেতে কৈছে যে বহু আঁচনিৰ নামত ৰাইজৰ ৰাজহ অপচয় কৰা আত্মঘাতী ব্যৱস্থাৰ বিলুপ্তি ঘটাব খুজিছো। কল্যাণকামী বহু আঁচনিৰ নামত ৰাইজৰ ৰাজহ অপচয় কৰা আত্মঘাতী ব্যৱস্থাৰ বিলুপ্তি ঘটাব খুজিছো। ৰাইজৰ অপচয় আমাৰ বিকাশ, উন্নয়ন, নিয়োজন আৰু ন্যায্যতাৰ বহু দূৰ আঁতৰাই লৈ গৈছে। ২০১৬ আৰু আজিৰ বাজেটৰ যিটো চিন্তা ধাৰা আমুল পৰিৰৰ্তনেই নহয় বিভ্ৰান্তিও। যিকোনো লোকক ধাৰ দিয়াৰ পিছত তেখেত সকলক যদি কয় যে, ঘৰখন চলোৱা। সেইটো চলাব পাৰিব উপাধ্যক্ষ মহোদয়। এজন বাপেকে নিজৰ পুত্ৰক বেংকৰ পৰা ধাৰ লৈ যদি কয় তুমি পত্নীক লৈ দিল্লী ঘূৰি আহা, যদি কয় তোমালোকে বোম্বে ঘূৰি আহা তেতিয়াটো ল’ৰা-ছোৱালী কেইটাই ভালে পাব। উভতি আহি যেতিয়া বেংকৰ কাগজ পাব তেতিয়া দেউতাকক সুধিব, ঘৰ আৰু মাটি বন্ধকত দি তোমালোককে ফুৰাবলৈ কিয় দিছিল। তেতিয়া ল’ৰা-ছোৱালীয়ে সুধিবদেউতা তুমিটো ধাৰ লৈ কিয় আমাক ফুৰিবলৈ পঠিয়াইছিলা। মাটি যাব, ঘৰ যাব কিয় তুমি এনেকুৱা কৰিলা। You are not deserve to be a good Father. এতিয়া উপাধ্যক্ষ মহোদয়, সময়ো কম, গতিকে বাজেটৰ মুল কথাখিনি মই উনুকিয়াব খুজিছো। মাননীয় উপাধ্যক্ষ মহোদয়, ধাৰ লৈ যিকোনো মানুহক যদি ঘৰ চলাবলৈ দিয়া যায় সেই কথাবিলাক ঠিক হৈ থকা নাই। উপাৰ্জন বঢ়াব লাগে। উপাধ্যক্ষ মহোদয় আমাৰ জাতিটোক ড্ৰাগছটোৰ পৰা আঁতৰাই মদ খুৱাব নালাগে। চুবুৰীয়ে চুবুৰীয়ে মদৰ দোকান খোলা আৰম্ভ কৰিছে, সেইটো অকনমান চিন্তা কৰিব লাগে। বন্ধটো নকৰে বাৰু তথাপি আমাৰ অনুৰোধ চিন্তাটো কৰিব লাগে। কাৰণ এতিয়া ৰেভিনিউ যিটো দেখুৱাইছে,তাত আবকাৰী বিভাগৰ পৰা বহুত অহা দেখুৱাইছে। মাননীয় উপাধ্যক্ষ মহোদয় মই ইয়ালৈ আহি থাকোতে আমাৰ কিছু শিক্ষকে লগ ধৰি কলে, চৰকাৰৰ খুব ভাল আঁচনি আছিল, কলেজ বিলাকত দুখীয়া ল’ৰা-ছোৱালী বিলাকক ফ্ৰি এডমিশ্যন দিবলৈ কৈছিল। যোৱা কলেজ বিলাকে এডমিশ্যনৰ নামত যিটো পাবলগীয়া পইচা সেই পইচাটো পোৱা নাই। এতিয়া এডমিচনৰ সেই ফ্ৰি ফিজ কলেজ সমূহে চৰকাৰৰ পৰা পোৱাৰ আশাত নিজৰ পুঁজিৰ পৰা ফ্ৰি এডমিচন দিলে। ৩৫০ খন মহাবিদ্যালয়ৰ সম্পুৰ্ণ নামভৰ্ত্তিৰ মাচুল পাবলৈ বাকী আছে ৰাজ্য চৰকাৰৰ। যাৰ বাবে বিদ্যুৎ বিল দিব পৰা নাই বহুত কলেজে। এই অভিযোগ আমাৰ নহয়, Assam college principal council য়ে কৰি অহা অভিযোগ, তথ্য সমূহ আনিছো ২০২২ চনৰ

২৭ অক্টোবৰৰ The Times of India কাকতত প্ৰকাশিত এটা বাতৰিৰ পৰা। উপাধ্যক্ষ মহোদয় ৰহা মোৰ জিলা, ৰহাত এখন এইমচ হোৱাৰ কথা আছিল। সেই এইমচৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে সেই সময়ত কৈছিল, আমাৰ চৰকাৰে মাটিও দিছিল, এই বিষয়টো চাবচোন, আজিলৈ হৈ নুঠিল। মধ্য অসমত এইমচখন বিচাৰিছিল, পিছত দিম বুলি কলে কিন্তু দিয়া নাই। এইখিনি অকণমান চাবৰ কাৰণে মই অনুৰোধ জনাইছো। বাল্য বিবাহৰ ক্ষেত্ৰত মোৰ কবলৈ সময় নহ'ল উপাধ্যক্ষ ডাঙৰীয়া, মই ক'ব খুজিছিলো, যে ঠিক আছে, চৰকাৰে যিটো কৈছে যে, ২০২৬ চনলৈকে বাল্য বিবাহ বন্ধ কৰিব, সেইক্ষেত্ৰত মই ব্যক্তিগত ভাবে এই কথাত একমত হয় যে বাল্য বিবাহটো বন্ধ কৰিব লাগে। কিন্তু এই বাল্যবিবাহ বন্ধ কৰাৰ যি এটা মেচেজ গ'ল, গ'ল। মই যোৱা কালি দেওবাৰে চাহবাগিচাত গৈছিলো, মই নামেই কৈ দিছো, লক্ষীনাথ কালান্দি নামৰ একেলগে কাম কৰা দিপা হৰ বুলি এগৰাকী মহিলাই কলে, আমাৰ ইয়াত এই বাল্য বিবাহৰ বিষয়টো অহাৰ পৰা অমুক, অমুকে ঘৰত থাকিব নোৱাৰা অৱস্থা হৈছে, বেলেগে বেলেগে থাকে। ঘৈণীয়েক গিৰিয়েকৰ লগত নাথাকে। বাকীবিলাকৰ কথা বাদ দিয়ক উপাধ্যক্ষ মহোদয় বাগিচা অঞ্চলটো চাওঁকচোন। অলপ তেনেকুৱা অশান্তি হৈছে নেকি। যদি হৈছে, মেচেজটো গ'ল আমাৰ সকলোকে accountability fix কৰক। আমাকো অলপ দায়িত্ব দিয়ক। যিটো ২০২৬ চনলৈকে লক্ষ্য ৰাখিছে, ১০০ শতাংশ আমি বাল্য বিবাহ নোহোৱাটো কৰিম, কিন্তু বাকী যিখিনি হৈ গ'ল, এই বিলাক বিচাৰিলে খোচৰিলে বহুত ওলাব। অকল বাল্য বিবাহেই নহয়, মই ক'ব খোজা নাই বহুত পুৰণি ক্ৰাইম আছে আৰু নকওঁ সেই পৰ্য্যায়লৈ গৈ ৰাজনীতি নকৰো । এইবিলাক চাব পাৰে নেকি চাবচোন। সামাজিক ব্যাধিটো ৰোধ কৰিব লাগিব। সকলোৰে ভাল পাব। আপোনালোককো বহুতে বেয়া পাইছে। এইখিনি ক্ষেত্ৰত ভাল পাব আৰু এই পঞ্চায়ত নিৰ্বাচন সদায় দলীয় ভিত্তিত হৈআছে। কিবা কাৰণে চৰকাৰৰ ভয় হৈছে নেকি যে পঞ্চায়তত গলে, এইবাৰ আমি বাল্য বিবাহে হওঁক, ঘৰ ভঙায়ে হওঁক, ধাৰ লোৱায়ে হওঁক, বস্তুৰ দামৰ বাবেই হওঁক মানুহে আমাক গ্ৰহণ নকৰিব। সেই কাৰণে এই চৰকাৰে এটা সিদ্ধান্ত ল'ব খুজিছে যে party basis ত পঞ্চায়ত নিৰ্বাচন নকৰে। আমিহে, opposilion য়ে ভয় খাব লাগিছিল, যে হাতৰ চিম্বল বা অন্য চিম্বল দি খেলিব নালাগে, তেওঁলোকে কিয় ভয় খাইছে, কাৰণ ক'ৰবাত চৰকাৰখন অলপ ৰাইজৰ পক্ষত থকা নাই নেকি ? এই কথাখিনি কলো। আমাৰ NPS যিটো New Pension System সেইদিনা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কলে, সেইটো বোলে চিদাম্বৰমে দিছে। সেইটো চিদাম্বৰমে দিয়া নাই, সেইটো ইয়াত নিদ্দিষ্টকৈ লিখা আছে, যে বি জে পি চৰকাৰ থাকোতে NPS টো আহিছে। মই পঢ়িব খোজা নাই। The old pension was done away with in december, 2003 by the BJP lead Central Govt. when.. মই Prime Ministerৰ নামটো উল্লেখ কৰিব খোজা নাই। was Prime Minister is substitute the National Pension Scheme NPS took effect from April 1, 2004, 6th March, 2022 ত গতিকে উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে সেইদিনা ভাষণত কলে যে আমাৰ ইয়াত ১২ লাখ শিক্ষিত নিবনুৱা আছে, কিন্তু ইয়াত লিখিছে ২২ লাখ বুলি। ১০ লাখ ক'ত গ'ল বা ১০ লাখ এওঁলোকে বেছিকৈ লিখিলে নেকি ? নিবনুৱাৰ সংখ্যা যিটো লিখিছে ২০১৪ ত কিমান আছিল ? ২০১৫ ত কিমান আছিল ২০১৬ ত কিমান আছিল ২০১৭ ত কিমান আছিল, ২০১৮ ত কিমান আছিল, ২০১৯ ত কিমান আছিল সেই সকলোবোৰ কলে মোৰ সময়বোৰ যাবগৈ। মই আপোনালোকক দি দিছো, এইটো আমি ইকনমিক ছাৰ্ভেৰ পৰা আনিছিলো, ইয়াত ২২ লাখ দেখুৱাইছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিবা কথাত

১২ লাখ কলে, ক'ৰবাত অলপ ভুলো হ'ব পাৰে, অকণমান এই কথাখিনি চাই ল'ব। উপাধ্যক্ষ মহোদয় ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শিবু মিশ্ৰ, আপুনি তিনি মিনিটত শেষ কৰিব.

**শ্ৰী শিবু মিশ্ৰ, (লামডিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় যোৱা ১৬ মাৰ্চ তাৰিখে আমাৰ বিত্ত মন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যি বাজেট উপস্থাপন কৰিছিল, সেই বাজেট সম্পৰ্কে দুষাৰ কোৱাৰ সুযোগ দিয়াৰ কাৰণে আপোনাক আন্তৰিক ভাবে ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয় ইতিমধ্যে শাসকীয় দলৰ বিধায়ক তথ্য সহকাৰে বহু ধৰণৰ বিতংকৈ মন্তব্য ৰাখিছে, লগে লগে আমাৰ বিৰোধী বিধায়ক সকলেও সদনৰ ভিতৰত আৰু সদনৰ বাহিৰটো তেওঁলোকে মত প্ৰকাশ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয় সদনৰ ভিতৰত বা সদনৰ বাহিৰত আমাৰ শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে দিয়া বাজেট কোনোবাই কোনোবাই হিতাধিকাৰী বাজেট বুলি আখ্যা দিছে আৰু কোনোবাই কোনোবাই নিৰ্বাচন মুখী বাজেট বুলি আখ্যা দিছে। আমাৰ এগৰাকী জ্যেষ্ঠ বিধায়ক ২০১৬ ৰ পৰা আজিলৈকে তেওঁ বিতংকৈ আমাৰ দিয়া বাজেট খিনি উত্থাপন কৰিছে উপাধ্যক্ষ মহোদয় ২০১৪ ৰ আগত আমাৰ ভাৰতবৰ্ষ আৰু ২০১৬ ৰ পিছত আমাৰ অসম ৰাজ্যৰ যি স্থিতি আছিল, সেইটো এটা বেলেগ পৰিবেশ আছিল মাননীয় উপাধ্যক্ষ মহোদয় মই ভবা মতে আমাৰ শ্ৰদ্ধাৰ প্ৰধান মন্ত্ৰীয়ে সমগ্ৰ ভাৰতবৰ্ষৰ ৰাইজক কৈছে যে আমি আত্ম নিৰ্ভৰ ৰাষ্ট্ৰ গঠন কৰিব লাগে। আত্মনিৰ্ভৰ ৰাষ্ট্ৰ গঠন কৰাৰ ক্ষেত্ৰত মই ভবা মতে উপাধ্যক্ষ মহোদয়, আত্মনিৰ্ভৰ ব্যক্তি নিৰ্মাণ কৰিব লাগে। যদি আমি আত্মনিৰ্ভৰ ব্যক্তি নিৰ্মাণ কৰিব পাৰো, তেনেহলে গাঁৱে, ভুঞে হওক আমাৰ অঞ্চল বিলাক হওক বা সমষ্টি বিলাক হওঁক, জিলা হওক, ৰাজ্য হওঁক আমাৰ যদি গাওঁ, সমষ্টি, জিলা, ৰাজ্য যদি আত্মনিৰ্ভৰ কৰিব পাৰো, তেতিয়া হ'লে আমি আত্মনিৰ্ভৰ ৰাষ্ট্ৰ গঠন কৰিব পাৰিম। তাৰ কাৰণে উপাধ্যক্ষ মহোদয় এইযে নামকৰণ কৰা হ'ল, হিতাধিকাৰী বাজেট বুলি বা নিৰ্বাচনমুখী বাজেট বুলি, মই ভাবো আজি আমি যদি স্বভিমান আৰু ব্যক্তিত্ব যুক্ত যদি ব্যক্তি নিৰ্মাণ কৰিব পাৰো আমাৰ আই সকল হওঁক, জ্যেষ্ঠ সকল হওঁক, বা যুৱক-যুৱতী সকল হওঁক বা পুৰুষ মহিলা সকল হওঁক, তেতিয়া হলে আমি আত্ম নিৰ্ভৰ ৰাষ্ট্ৰ নিৰ্মাণ কৰিব পাৰিম। তাৰ কাৰণে মই ভাবো, উপাধ্যক্ষ মহোদয় বহু ধৰণৰ বক্তব্য ইয়াত উপস্থাপন কৰা হ'ল, আমি ডাটা ভিত্তিক নকওঁ, কিয়নো সময়ৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। আমাৰ শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী তেওঁক আমি dynamic বুলি কওঁ, dynamic মুখ্যমন্ত্ৰী আৰু সন্মানীয় expert বিত্ত মন্ত্ৰী তেওঁলোকে যিটো বাজেট উত্থাপন কৰিছে, মোৰ পুৰ্ণাংগ সমৰ্থন আছে যে মোৰ যিটো অভিজ্ঞতা মই ২০১৬ চনৰ পৰা বিধায়ক হৈ আছো, আমাৰ শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী মহোদয়ে দিয়া যি সমূহ প্ৰতিশ্ৰুতি আজিলৈকে তেওঁ যিমান প্ৰতিশ্ৰুতি দিছিল আৰু বিগত ৭ বছৰত আমি যিমানখিনি বাজেট পাইছিলো পূৰ্ণাঙ্গৰূপে এইখিনিৰ আমি সাৰ্থকতা পাইছো। তেখেতৰ মনৰ আশা আৰু অনুভৱ সমগ্ৰ অসমৰ ৰাইজৰ সপোন ইয়াত অৰ্ন্তভুক্ত কৰা হৈছে। বহুত ধৰণৰ ব্যক্তিগত হিতাধিকাৰী লোৱাৰ মুল কাৰণ যদি আমি ব্যক্তি নিৰ্মাণ কৰিব নোৱাৰো তেনেহলে আমি ৰাষ্ট্ৰ নিৰ্মাণ কেনেকৈ কৰিম ? ইতিমধ্যে বাজেটত বহু ধৰণৰ indivisual scheme আছে, আন্তঃগাঁথনিৰ কথা আছে, Sustainable Development ৰ কথা আছে, মই ইয়াত বিতংকৈ নকওঁ। specific যিসকল আমাৰ আৰ্থিক দুৰ্বল মই দুখীয়া বুলি নকওঁ, শিপিনী সকল আছে। তেওঁলোকৰ কাৰণে আমাৰ ইতিমধ্যে স্বনিৰ্ভৰ নাৰী এটা আঁচনি ঘোষণা কৰা হ'ল। য'ত মঞ্চ দিয়া আছে, সেই মতে এম এচ পি লেভেল, এই শিপিনী সকল, তেওঁলোকে যিটো প্ৰকৃত মুল্য পাব লাগে, এম এচ পি এটা মঞ্চ লেভেল দিয়া হ'ল।

আৰু বজাৰ খুলি দিয়া হ'ল, সেই আঁচনিৰ যোগেদি ইতিমধ্যে অসমত ৪ লাখ ৮০ হাজাৰ ৮০ গৰাকীৰ মহিলাৰ নাম অৰ্ন্তভুক্ত কৰা হৈছে, যাৰ বাবে ইয়াত ১ লাখৰো অধিক মহিলাই চৰকাৰক এই হস্ত সামগ্ৰী সমূহ বিক্ৰি কৰাৰ ক্ষেত্ৰত তেওঁলোকে সফলতা পাইছে। ইয়াৰ উপৰিও বাজেটত অৰ্ন্তভুক্ত কৰা আছে, এই আৰ্থিক দুৰ্বল মহিলাৰ কাৰণে আমাৰ চৰকাৰে ৫০০ কোটি টকা ব্যয়েৰে এটা হস্তশিল্পৰ উদ্যোগ লোৱা হৈছে। ইতিমধ্যে আমাৰ কাজিৰঙাৰ ২৫ বিঘা ভূমি আবণ্টন দিয়া হৈছে। ইতিমধ্যে আমাৰ দলৰ বহুকেইগৰাকী বিধায়কে কৈ গৈছে এই স্কীমৰ ওপৰত। এই যে ইনডিভিজুৰেল স্কীম তাৰ মানে আমাৰ আৰ্থিকভাৱে দুৰ্বল পুৰুষ, মহিলা, যুৱক-যুৱতী হওক তেওঁলোকক যদি আমি আৰ্থিকভাৱে স্বাৱলম্বী কৰিব নোৱাৰো, তেনেহ'লে আমি আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ কেনেকৈ গঠন কৰিম ? তাৰ কাৰণে মই ভাৱো আমাৰ বিৰোধীয়ে বিভিন্ন ধৰণৰ কটাক্ষ কৰিছে। মই ভাবো মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে দিয়া যিবিলাক কমিটমেণ্ট এই পূৰ্ণাঙ্গ ভাৱধাৰাৰ বাজেট। এই বাজেটত যিমানখিনি লিপিবদ্ধ কৰা হৈছে আগন্তুক দিনত আমি পূৰ্ণাংঙ্গ ৰূপত সাৰ্থকতা পাম বুলি মই ভাবো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ড° ৰফিকুল ইছলাম। আপোনালোকৰ তিনি গৰাকী সদস্য আছে আৰু সময় ২০ মিনিট আছে।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যি ২০২৩-২৪ বৰ্ষৰ বাজেট দাখিল কৰিছে, ইয়াত প্ৰায় সকলোৱে এই কথাটো কৈ আছে যে ইয়াত হিতাধিকাৰী সৃষ্টি কৰা হৈছে। এই কথাটোৰ লগত ময়ো একমত। কিন্তু যিহেতু এই কথাটো ক'লে শাসক দলৰ বিধায়ক বন্ধু সকলে বেয়া পায় গতিকে আৰু কিছু হিতাধিকীৰ সৃষ্টি কৰাৰ বাবে মই কিছু পৰামৰ্শ ৰাখিব বিচাৰিছো। ইয়াত মন্ত্ৰী সকল আছে নিশ্চয় এই বিষয়ে শুনিব। আজি শিক্ষা ক্ষেত্ৰত আমাৰ বহুত শিক্ষক যিখিনি ২০১৩ আৰু ২০২১ চনত আমি স্কুল বা পোষ্ট প্ৰভিঞ্চিয়েলাইজ কৰিলো। বহুত শিক্ষকে অৱসৰ লৈছে পিছদিনাখন হয়তো এপইণ্টমেণ্ট লেটাৰখন পাইছে। এনেকুৱাও হৈছে। বহুতে এক মাহ কাম কৰি অৱসৰ লৈছে। বহুতে এদিনো কাম কৰিব পৰা নাই। এপইণ্টমেণ্ট হোৱাৰ আগতেই তেখেত সকলে বিদায় লৈছে বা এতিয়া যিখিনি টিউটৰ হিচাপে হওক বা মাননী হিচাপে ললো ইয়াৰো ৬ মাহ-১-২ বছৰ ভিতৰত প্ৰায়খিনিয়ে যাব। এই যিসকল ব্যক্তি ৩০-৩২ বছৰে আমাক চাৰ্ভিচ দিলে সেইসকল লোককো হিতাধিকাৰীৰ এই লিষ্টত সন্নিবিষ্ট কৰাৰ বাবে কোনো পৰিকল্পনা নাই। গতিকে চৰকাৰক পৰামৰ্শ দিব বিচাৰিছো আপোনালোকে যিহেতু হিতাধিকাৰী সৃষ্টি কৰি ভালেই পায় কামৰ হিতাধিকাৰী সৃষ্টি কৰক যাতে সেই শিক্ষক সকলে যিসকলে whole life for the society for education তেখেত সকলে দি গ'ল। হয়তো কেতিয়াবা কয় যে তেখেত সকলৰ কোৱালিটি নাই সেইকাৰণে আমি লোৱা নাই। আমাৰ দুখ লাগে। আমাৰ মাজত বহুত বিধায়ক আছে সেই ভেঞ্চাৰ স্কুলৰ শিক্ষক সকলে পঢ়াইছে। আমাৰ বহুতৰ ল'ৰা-ছোৱালীকো তেখেত সকলে পঢ়াইছে। এতিয়াও তেখেতসকলে পঢ়াই আছে। এই চীষ্টেম লৈয়ে আমি চলি আছো। চৰকাৰে সেই বিদ্যালয়বিলাক তেখেত সকলৰ কোৱালিটি ঠিক নাই বুলি বন্ধ কৰি নতুন বিদ্যালয় কিন্তু পাতি দিয়া নাই। যিহেতু সেইসকলক লৈ আমি চলিছো। তেখেত সকলৰ লগত মই ভাবো এইটো কোনো অনুকম্পা নহয়, তেখেত সকলৰ এইটো নাৰ্য্য দাবী বা প্ৰাপ্য। মই চৰকাৰক এইটো আহ্বান জনাইছো আৰু অলপ হিতাধিকাৰী সৃষ্টি কৰি এককালীনভাৱে ১০ লাখকৈ টকা যিসকলে অৱসৰ ললে তেওঁলোকক দিব লাগে। এইখিনি টকা বাজেটত আনক। আমি তাৰকাৰণে প্ৰস্তাৱ আগবঢ়াম। চৰকাৰৰ প্ৰতি আমি অনুৰোধ জনাম আৰু

যিসলক শিক্ষক এতিয়াও আছে যিসকলক ৮-১০ হাজাৰ টকাত ৰাখিছে। শিক্ষামন্ত্ৰী ডাঙৰীয়াই কিছুমান নমৰ্চ ৰ কথা কৈছে। আমি জানো যে কেবিনেটে কিছুমান সিদ্ধান্ত ল'ব পাৰে। আজি ১০ হাজাৰক ২৫ হাজাৰ কৰিব পাৰে। তেখেত সকলে একে স্কুলত কিছুমানে ৬০-৭০ হাজাৰ টকা পাইছে আৰু এজনে ১০-১২ হাজাৰ টকা পাব। এইটো জাষ্টিচ নহয়। কেবিনেটে বিশেষভাৱে সিদ্ধান্ত লৈ তেখেত সকলক হিতাধিকাৰী বনাওঁক। অলপ বঢ়াই দি সেই শিক্ষক সকলক ২০-২৫ হাজাৰ দিব পাৰি নেকি তেনেকুৱা ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰক। আজি বাল্য বিবাহৰ কথা আনিছে। বাল্য বিবাহ বন্ধ হ'ব লাগে আমিও বিচাৰো। কিন্তু এইটো নহয় যে ২০ বছৰ আগত কোনোবাই কৰিলে সেই সংসাৰখন লৈ আমি খেল কৰি থাকিম আৰু অনাগত দিনত মানুহে সেইটো নকৰিব এইটো নহয়। আজিৰ পৰা কোনো এজন ব্যক্তিয়ে যাতে বাল্য বিবাহৰ কৰাৰ কাৰণে নিজৰ ছোৱালী, ভনী আদিৰ বাল্য বিবাহৰ কাৰণে কোনো সাহস নাপায় তেনেকুৱা পদক্ষেপ চৰকাৰে লৈ এক্টিভ থাকিব লাগে, সজাগ থাকিব লাগে। এইটো নহয় যে পিছৰ ফালে আমি যাম। পিছৰ ফালে গ'লে মাননীয় উপাধ্যক্ষ মহোদয়, শুনাত কেনে লাগে মই নাজানো আমাৰ ১২৬ জন বিধায়ক আছো। আমাৰ যদি ঘৰত চাও আমাৰ মা-দেউতা, পেহী, মাহীৰ বিয়া যদি আমি চাও ১৮ বছৰ আগতে কেইজন আছিল। প্ৰায় ৮০ শতাংশ মানুহ এনেকুৱা হ'ব যিসকলে ১৪-১৫ বছৰ বয়সত আমাৰো মা-দেউতা, পেহী, মাহী সকলৰ বিয়া হৈছিল। আমি যাম নেকি ৫০ বছৰ, ৪০ বছৰ আগলৈ। যদি সাধাৰণ ৰাইজৰ ওচৰত হাতোৰা চলাইছো আমাৰো ঘৰৰ পৰা আগতে এইটো আৰম্ভ কৰিব লাগে যে আমাৰো ঘৰত এইবিলাক হৈছে। তেখেত সকল আমাৰ ওচৰত নাই। তেখেত সকলৰ হৈ আমিয়েই ক্ষমা খুজিব লাগে যে তেখেত সকলে ভুল কৰি গ'ল। এইটো আমি নকৰিম। হয় আজিৰ পৰা যাতে এজনেও কৰিব নোৱাৰে, কোনোবাই যদি তেনেকুৱা দুঃসাহস কৰে বিয়াথলীৰ পৰা উঠাই আনক আৰু দৃষ্টান্তমূলক শাস্তি দিয়ক। হাত-ভৰি ভাঙি দিলেও তাত কোনেও আপত্তি নকৰিব। এতিয়া যদি কোনোবাই এনে দুঘটনা কৰে এইটো নকৰি পিছত যিসকলে ১০-১৫ বছৰ আগত কৰিলে, কষ্ট-মষ্ট কিবা কিবি লগাই এইবিলাক এটা পৰিবেশ বেয়া কৰাৰ আমি পক্ষপাতি নহয়। তেনেকুৱা ভয়ত কিছুমানে চুইচাইড কৰিলে। আকৌ ১৪ বছৰৰ জেল হ'ব বুলি ভয় দেখালে কালিৰ পৰা দুৰ্ঘটনা আৰম্ভ হ'ব। এইসকল লোকৰ যিহেতু শিক্ষা-দীক্ষা নাই, ভুল কৰিলে সেই ভুলৰ যদি কোনো প্ৰায়চিত্ত নাই তেখেত সকলে ভাবিব যে জেলত গৈ ১৪ বছৰ পচাতকৈ মই মোৰ সিদ্ধান্ত লও সেই সকলে তেনেকুৱা কোনো ভুল সিদ্ধান্ত ল'ব নালাগে। মই ৰিকুৱেষ্ট কৰিম হয় কিন্তু তেখেত সকলে যিটো ভুল কৰিলে এতিয়া নিজৰ ল'ৰা-ছোৱালীৰ কাৰণে যাতে এই ভুলটো নকৰে। আজি মই বাল্য বিবাহৰ ওপৰত কৈ আছো ইয়াত আশা কৰ্মীসকল বহুত জড়িত। এই আশা কৰ্মীসকলৰ দ্বাৰা আমি ইনফ'ৰমেশ্যন ল'ব পাৰো। তেখেতসকলৰ চাৰ্ভিচ আমি ল'ব পাৰো। তেখেতসকলে বহুত কাম কৰে। আমি তেখেতসকলক কেই টকা দি আছো। বেনিফিচাৰী যেতিয়া বনাই ভালেই পাঁও। আশা কৰ্মীসকলক ১০ হাজাৰ কৰি দিয়াৰ কাৰণে এই বাজেটত কোনো পুঁজি ধাৰ্য্য কৰা নাই। কিন্তু এনেকুৱা ধৰণৰ হিতাধিকাৰী বাজেটত থাকিলে আমি ভাল পালোহেঁতেন। অংগনবাড়ী কেন্দ্ৰৰ যি সকল কৰ্ম্মী আৰু সহায়ক আছে এতিয়া এই নিউ এডুকেশ্যনৰ অধীনত এই অংগনবাড়ী কেন্দ্ৰবোৰ আহিব। প্ৰাইমাৰী স্কুলবোৰ আপ টপ পঞ্চম মান শ্ৰেণীলৈ থাকিব আৰু তিনি বছৰীয়া শিক্ষা হয়তো তেওঁলোকে দিব লাগিব প্ৰথম শ্ৰেণীৰ পৰা আৰু হয়তো তাৰ বাবে আৰু শিক্ষক নিযুক্তি দিব লাগিব। এই অতিৰিক্ত নিযুক্তি হয় নে নহয় তাৰ বাবে এই বাজেটত কোনো স্পষ্টীকৰণ নাই। গতিকে এই অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়কসকলে

যিহেতু প্ৰাইমাৰী স্কুলত শিক্ষক হিচাপে পাঠদান কৰিব লাগিব ফলত তেওঁলোকে সময় বেছি দিব লাগিব আৰু দায়িত্ববোৰো বেছি কৈ ল'ব লাগিব। এতিয়া আৰু সেই ৪-৫ হাজাৰ টকাতো অলপ বঢ়াই দি, এইটো হিতাধিকাৰী হিচাপে অতি কমেও কৰ্মীসকলক ১৫ হাজাৰ আৰু সহায়ক সকলক ১০ হাজাৰ টকাকৈ দিলে আৰু এনেকুৱা ধৰণৰ হিতাধিকাৰী সৃষ্টি কৰিলে শিক্ষাৰ কাৰণে ভাল হ'ব আৰু সময় সংস্কাৰৰ কাৰণে ভাল হ'ব। হাইস্কুলবোৰক আপ টু ডেট কৰি আমি হাইয়াৰ চেকেণ্ডাৰী কৰিলো, কিন্তু এজনো শিক্ষক নিযুক্তি নিদিলো। পুৰণি হাইস্কুলবোৰত ১ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ ৫-৬ জন শিক্ষক আছে। পঞ্চায়ত বিভাগ হওক বা কৃষি বিভাগ হওক বা শিক্ষা বিভাগ হওক আদি বিভাগ সমূহত হাজাৰ হাজাৰ পদ খালী থকা স্বত্বেও চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে ২০২২ চনৰ ১০ মে' ৰ ভিতৰত ১ লাখ চাকৰি নিযুক্তি দিব। এইটো এইকাৰণে ই কৈছিল যে বিভিন্ন বিভাগত ১ লাখ খালী পদ আছিল। কিন্তু সেইখিনি দিব নোৱাৰিলে মাত্ৰ ৪০-৪১ হাজাৰ চাকৰি দিলে। যদিও ২ বছৰ পাৰ হৈ গ'ল আৰু বাকীখিনি তৃতীয় বৰ্ষত দিব। প্ৰতিটো বছৰত ১০ হাজাৰ চাকৰি পদ খালী হয়। আকৌ ৩০ হাজাৰ পদ খালী হ'ব আৰু তিনি বছৰত যেতিয়া এইখিনি দিব তেতিয়া আকৌ ৩০ হাজাৰ পদ খালী হ'ব। মুঠৰ ওপৰত পদ খালীয়েই থাকি যাব। গতিকে ইয়াৰ কাৰণে এই বাজেটত কোনো টকা ধাৰ্য্য কৰা নাই। উৎসৱ-পৰ্ব আমি অসমীয়া সমাজে ভাল পাওঁ। এই উৎসৱ-পৰ্বৰোৰত কিছুমান আবেগিক সম্পৰ্ক জড়িত হৈ থাকে। আমাৰ জনসাধাৰণ ইমান স্বচ্ছল নহয় নে অসমীয়া জনসাধাৰণে নিজৰ মছজিদ, মন্দিৰ, গুৰুদ্বাৰ, সত্ৰ, বিহু আদি আমি পাতিব নোৱাৰো নে? এইখিনিত অনুদান দি এই অনুষ্ঠানবোৰ ঠিকঠাক কৰি লোৱাৰ দায়িত্ব আমাৰ নাইনে? মানুহে এইবোৰ নকৰি চৰকাৰে গোটেই বোৰৰ দায়িত্ব লৈ লয়, শিক্ষাক বাদ দি শিক্ষক নিযুক্তি নকৰি স্কুল বোৰৰ আন্তঃগাঁথনি উন্নয়ন নকৰি হয় এতিয়া কৈছে যে ৫০০ খন স্কুলৰ বিল্ডিং বনাব। এতিয়া কথাটো ক'বলৈ বেয়া লাগে যে ইয়াত মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানী আছে। ইয়াৰ আগতে বহুবাৰ যেতিয়া এই বিধান সভাত এই কথাটো আহিছিল যে কিছুমান সমষ্টিত ২ আৰু কিছুমান সমষ্টিত ১২-১৬ টা এই প্ৰথাটো যাতে পৰৱৰ্ত্তী সময়ত নহয়। বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক মই অনুৰোধ কৰিম যে আপুনি যিহেতু বিভিন্ন পুঁজি ধাৰ্য্য কৰি বিভিন্ন বিভাগক দিছে এই পুঁজিবোৰ সমানে ভাগ বিতৰণ হৈছে নে নাই এইটোৰ প্ৰতি আপুনি লক্ষ্য ৰাখিব। ১০ বা ২০ শতাংশ ইফাল সিফাল হোৱাতো স্বাভাৱিক কথা। কিন্তু ১০ আৰু ৯০ শতাংশ যাতে ইফাল সিফাল নহয়। মই মহোদয়ক অনুৰোধ কৰিম যে এই ক্ষেত্ৰত যাতে দৃষ্টি ৰাখে। ইয়াৰ আগতে মই অংগনবাড়ী কেন্দ্ৰৰ সৰু এটা বস্তুক লৈ মাননীয় মন্ত্ৰী ডাঙৰীয়াক বাৰে বাৰে প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰিছিলো। মোৰ ধাৰণা তেখেতৰ হয়তো বেয়া লাগিছে কিয়নো উত্তৰ দিব পৰা নাছিল। ঘটনাটো হৈ গৈছে। ক'ৰবাত ১০ টা বা ক'ৰবাত ১৮ টা। এইবাৰ যি ৫০০ খন স্কুল হ'ব আৰু প্ৰতিখন স্কুলৰ কোনোবাই ১ কোটিকৈ পাব বা কোনোবাই ৫ কোটি কৈ পাব। এনেকুৱা ধৰণৰ খেলিমেলি যাতে কোনো অঞ্চলতেই নহয় তাৰ বাবে সমগ্ৰ অসমত যাতে সমান দৃষ্টিৰে চায়। বৰঞ্চ চাহ জনগোষ্ঠী বা চৰ-চাপৰি আদি মাইনৰিটি যিসকল পিছপৰা সেইবোৰ অঞ্চললৈ যাতে এই পুঁজিৰ ধন বেছিকৈ যায়। আমাৰ পাহাৰীয়া অঞ্চল আছে, কাৰ্বি আংলং আছে, ডিমা হাচাও আছে, বড়ো লেণ্ড আছে, চাহ বাগান আছে, মাইন'ৰিটি অঞ্চল আছে। এইবোৰ অঞ্চল তুলনামূলক ভাৱে পিছপৰা। এই অঞ্চবোৰৰ উন্নয়ণৰ কাৰণে এই পুঁজিৰ ধন বেছিকৈ যায় তাৰ বাবে মই অনুৰোধ কৰিলো। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ হজ হাউচ আছে। অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ তত্বাৱধানত আমাৰ যি সকল পিলিগ্ৰিমচ হজত যায় তেওঁলোকৰ কাৰণে অসমত এটা হজ হাউচ

নাই। কংগ্ৰেছৰ সময়ত জালুকবাৰী ৰাস্তাৰ কাষত এটা হজ হাউচ পাতিছিল। সেইটো একেবাৰে হাইৱেৰ লগত আহি গ'ল। হজ যাত্ৰাৰ সময়ত আমাৰ হাজাৰ হাজাৰ মানুহ একত্ৰিত হয়। আমাৰ ইয়াৰ পৰা কেইবা শ হজ যাত্ৰী যায়। তেখেত সকলৰ ঘৰৰ মানুহ আহি বিদায় দিয়ে। সেইখিনিৰ কাৰণে সেই ঠাইখিনি উপযুক্ত নহয়। মই অনুৰোধ কৰিম যে হজ হাউচৰ কাৰণে অতি কমেও ৫ বিঘা মাটি অনুমোদন কৰে আৰু টকাৰ ক্ষেত্ৰত যদি অনুমোদন নিদিয়ে তেতিয়াহ'লে আমিয়েই অনুদান কৰিম। কেৱল আমাক ৫,৭ বা ১০ বিঘা মাটি অনুমোদন দিয়ক। তেনেকুৱা ধৰণৰ এটা ব্যৱস্থা যদি চৰকাৰৰ তত্বাৱধানত হয়, তাৰ এটা ব্যৱস্থা কৰিব লাগে। হজ প্ৰপাৰটিৰ ওপৰত আজি উচ্ছেদৰ কথা কোৱা হৈছে। উচ্ছেদ কৰিব যি সকল ভূমিহীন মানুহ তেওঁলোকক উঠাই উচ্ছেদ কৰিব। হজৰ প্ৰপাৰটি যিসকলে হজ কৰি গৈছিল সমাজৰ কাৰণে সেইবোৰ মাটি বেদখল হৈ গ'ল। কোটি কোটি সম্পত্তিৰ হজৰ প্ৰপাৰটি সেইবোৰ বেদখল হৈ গ'ল। ইয়াৰ কাৰণে বহুবাৰ এই বিষয়টো উপস্থাপন কৰা হৈছে। কিন্তু চৰকাৰৰ কোনো পলিচি নাই যে সেই সম্পত্তিখিনি পুনৰ উদ্ধাৰ কৰিববলৈ, যি উদেদ্দশ্যেৰে ভূমি দাতাই এই মাটিবোৰ দান কৰি গৈছিল সেই উদ্দেশ্যে কাৰ্য্যকৰী কৰিববলৈ চৰকাৰে কোনো দিন সদিচ্ছা নেদেখুৱালে। খালী তেনেকুৱা কোনো কথা নাই, মই অনুৰোধ কৰিম যে waqf property বিলাক, যেনেকৈ এভিকচন চৰকাৰী মাটি চৰকাৰে খালী কৰে, তেনেকুৱা waqf property খিনি খালী কৰি সমিতিৰ হাতত দি এইটো society ৰ কাৰণে, গোটেই অসমৰ মানুহৰ কাৰণে এটা ডাঙৰ সম্পদ গুৱাহাটীৰ পৰা আৰম্ভ কৰি বিভিন্ন চহৰত, তেজপুৰ বা শিলচৰত যি waqf property আছে,সেইখিনি খালী কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এভিকচন কৰাৰ আগত মানুহখিনিৰ rehabilation কৰি, তেখেতসকল ভুমি, ঘৰ বনাই দিয়া, যিসকল নদী খহনীয়াত জাহ গৈছে, সেই সকল আৰু যিসকল landless মানুহ, before election উচ্ছেদ কৰাৰ আগত, তেওঁলোকক rehabilation কোনো ব্যৱস্থা বাজেটত নাই। খালী উচ্ছেদৰ কথা কোৱা হৈছে, উচ্ছেদ কৰি চৰকাৰী মাটি খালী কৰিব। য'ত এইটো চৰকাৰৰ দায়িত্ব তাত চৰকাৰৰ এইটোও দায়িত্ব আছে যে landless মানুহক সংস্থাপনৰ ব্যৱস্থা কৰে। এই কথাখিনি যাতে সন্নিবিষ্ট হয়, ইয়াৰ পিছত Supplementary Budget ত যাতে তেনেকুৱা পইচা আনি, সেই সকল মানুহৰ কাৰণে চিন্তা চৰ্চা কৰে, এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰীভুৱন পেগু।

**শ্ৰীভুৱন পেগু, (জোনাই)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰৰ যি বাজেট বিত্তীয় মন্ত্ৰী ডাঙৰিয়নীয়ে দাখিল কৰিছে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত। এই বাজেট অধ্যায়ন কৰাৰ পিছত এটা অনুভৱ হৈছে, এতিয়া সময় অসমৰ ৰাইজৰ সময়। এই সময় অসমখনক নতুন দৃষ্টিভঙ্গীৰে নিৰ্মাণ কৰাৰ সময়।

মাননীয় উপাধ্যক্ষ মহোদয়, খুব ভাল লাগে, যোৱা দুই তিনিমাহ ধৰি দিল্লীলৈ অহা যোৱা কৰিছো, দিল্লীত যাকে লগ পাওঁ, সোধে কৰা পৰা আহিছে বুলি, তেতিয়া কওঁ অসমৰ পৰা অহা বুলি। অ' বীৰ লাচিতৰ দেশৰ মানুহ আহিছে বুলি উল্লেখ কৰে। এতিয়া ভাৰতবৰ্ষৰ ৰাইজক আৰু বিশ্বক বীৰ লাচিতৰ গাঁথাবোৰ সোমোৱাৰ সময়। মাননীয় উপাধ্যক্ষ মহোদয়, ভাল লাগে গিনিজ বুক ৰেকৰ্ডত যেতিয়া ৪৩ লাখ online Photo album সৃষ্টি হৈছে আৰু আমি ৰেকৰ্ড কৰিছো ৪৩ লাখ মানুহে যে বীৰ লাচিত গাঁথাটো বিশ্বৰ দৰবাত নিয়াৰ কাৰণে দৌৰি ফুলিছে, আমি গৌৰৱ এটা অসমীয়া বুলি নিজকে পৰিচয় দিয়া বুলি নতুন এটা দৃষ্টিভঙ্গী দেখিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ গড় অসম গঢ়া স্বৰ্গদেউ সকলৰ ময়দামক যেতিয়া Unesco nominated হৈছে, এই খৱৰে কিন্তু মই ভাৱোঁ অহা দিনবোৰত অসম সম্পৰ্কে বিশ্বৰ চকুত নতুন এটা দৃষ্টিভঙ্গীয়ে দাঙি ধৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, আমি অপেক্ষাৰে বাট চাই আছোঁ ১৪ এপ্ৰিল তাৰিখে ১০ হাজাৰ নাচনি ১ হাজাৰ ঢুলীয়াই যেতিয়া একেলগে বিহু নাচি দেখুৱাব, বিশ্বত যেতিয়া ৰেকৰ্ড কৰিব, বিশ্বৰ মানুহে অসমক নতুন দৃষ্টিভঙ্গীৰে চোৱা আৰম্ভ কৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমখনক বিশ্বৰ দৃষ্টিভঙ্গীত এটা নতুন অসম নতুন দৃষ্টিভঙ্গীৰে চোৱাৰ এটা সময়। এতিয়াৰ সময় অসম নিৰ্মাণ কৰাৰ সময়। অহা দিনবোৰ আপোনালোকে লক্ষ্য কৰিব, ৩০ লাখ মহিলাই এতিয়াই আৰম্ভনিত ১ হাজাৰ তাৰ পিছত ১০ হাজাৰ টকাৰ হাতিয়াৰ এটা লৈ অসমক  গ্ৰাম্য অঞ্চল, গ্ৰাম্য অৰ্থনীতি নিৰ্মাণ কৰাৰ কাৰণে আগুৱাই যাব।

মাননীয় উপাধ্যক্ষ মহোদয়, দৰিদ্ৰতাৰ বিৰুদ্ধে যি যুজ আৰম্ভ কৰিছে, এইখন চৰকাৰে। কেইদিনমান পিছত দৰিদ্ৰ মানুহক বিচাৰি নাপাব। যুৱ সমাজ এতিয়া অসম নিৰ্মাণ কৰাত আগুৱাই আহিছে। এতিয়া ১ লাখ যুৱকে নিষ্ঠাৰে সতাতা নিজৰ যোৰত এটকাও খৰছ নকৰাকৈ যোগ্যতাৰে চাকৰি পাম বুলি অধ্যায়ন কৰি কৰি এতিয়া সাধনাত লিপ্ত হোৱাৰ সময়।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া অসম নিৰ্মাণ কৰাৰ সময়, আমাৰ যুৱ সমাজে এতিয়া ওলাই আহিছে, ১ লাখ যুৱকে এতিয়া ২ লাখ টকাকৈ নিজৰ পুঁজি এটা হাতত লৈ সৰু সৰু উদ্দ্যোগত হাত দিছে। গ্ৰাম্য অঞ্চলৰ অৰ্থনীতি আগুৱাই যাব, আমাৰ মহিলাসকল আগুৱাই যাব। কৃষকসকলে এতিয়া নতুনকৈ নিয়োজিত হ'ব খেতিত। ২০৪০ টকা MSP পাই আছে ধানত, এতিয়া মলেটত পাব, সৰিহস তেলত পাব, ইয়াৰ পিছত নতুনকৈ অসম নিৰ্মাণ কৰা কৃষকসকলেও গোটেই গাওঁত এতিয়া লাগি আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াতে যিমানখিনি আঁচনি উল্লেখ কৰা আছে, গোটেইখিনি আঁচনিৰ কথা মই নকওঁ। মই এইটোৱে কব বিচাৰিছো যেতিয়া ৩০ লাখ মহিলাই গাওঁত ১০ হাজাৰ টকালৈ ঘৰতে থাকি অৰ্থনীতি গঢ়াৰ কাৰণে চেষ্টা কৰিব, যুৱসকলে চাকৰিৰ কাৰণে যেতিয়া দিনে ৰাতি কষ্ট কৰি যোগ্যতাৰ ভিত্তিত চাকৰি পোৱাৰ আশাত যেতিয়া আগুৱাই আহিব। যুৱক সকলে যেতিয়া ২ লাখ লৈ অসম নিৰ্মাণ কৰাৰ কাৰণে, গ্ৰাম্য অৰ্থনীতি নিৰ্মাণ কৰাৰ কাৰণে লাগিব, মাননীয় উপাধ্যক্ষ মহোদয়, এনে পৰিস্থিতিৰ মাজত বিৰোধীয়ে হতাশ হোৱাতে স্বাভাৱিক। বিৰোধীয়ে কেনেকুৱা অসম এখন বিচাৰে, কেনেকুৱা এখন অসমৰ প্ৰতিচ্ছৰি বিচাৰে। টায়াৰ জ্বলোৱা, ধৰ্ণাৰ পৰিবেশ অসমত সৃষ্টি কৰা, সচিবালয়ৰ সন্মুখত ধৰ্ণা দিয়াৰ পৰিবেশ সৃষ্টি কৰা, আমাৰ কলাক্ষেত্ৰৰ সন্মুখত গৈ শৰাই ভঙাৰ এটা পৰিবেশ সৃষ্টি কৰাটো বিচাৰে। লাজৰ কথা মাননীয় উপাধ্যক্ষ মহোদয়, সেই দিনা আমি গৌৰৱৰে লাচিত বৰফুকনৰ যেতিয়া গিনিজ বুকত ৰেকৰ্ড হৈছে, আমি গৌৰৱন্বিত অসমীয়া বুলি নিজকে পৰিচয় দিছো। সেই সয়মত কেইজন বিৰোধীয়ে তাচল্য সুৰেৰে তাচল্য কৰিছে। এইটো কিবা গিনিজ বুকৰ ৰেকৰ্ড নেকি বুলি। লাচিত বৰফুকনৰ বীৰ গাঁঠা ৪২ লাখ মানুহে যেতিয়া online দাঙি ধৰিছে, সেইটো লৈ তাচল্য কৰিছে, লাজৰ বিষয়। মাননীয় উপাধ্যক্ষ মহোদয়, বীৰ লাচিতৰ গাঁথা পৃথিৰীত যেতিয়া জনাব বিচাৰিছে, সেইটোক লৈ তাচল্য কৰে।

এতিয়া আমাৰ স্বাভিমান বিহু, ১০ হাজাৰ নাচনি আৰু ১ হাজাৰ ঢুলীয়াই যেতিয়া সৰুসজাই খেলপথাৰত একেলগে নাচিব আৰু ঢোল বজাব, সকলো অসমৰ অসমীয়াই নহয়, বিশ্বত বসবাস কৰা প্ৰত্যেকজন অসমীয়াই গৌৰৱৰে কব আমি অসমীয়া বুলি, জয় আই অসম বুলি। এইবোৰক লৈ তাচল্য কৰে। হয়, আপোনালোকে তাচল্য কৰিব, কিয়নো আপোনালোকে হজম কৰিব পৰা নাই

নতুন অসমৰ নিৰ্মাণ। এটা নতুন অসম আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যি নিৰ্মাণ হব গৈ আছে, আপোনালোকৰ হজম হোৱা নাই।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য please address the Chair.

**শ্ৰী ভৰত চন্দ্ৰ নহৰ, (নাওবৈচা)**ঃ বাজেটৰ ওপৰত কওঁক।

**শ্ৰীভুবন পেগু, (জোনাই)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ কথাই কৈ আছো। বাজেটে কৈছে, দৰিদ্ৰতাৰ বিৰোদ্ধে যুজক। আমাৰ মহিলাই ১০ হাজাৰ টকা হাতত লৈ ওলাই আহিব। আমাৰ ১ লাখ যুৱকে যুদ্ধ কৰি আছে, বিনা পইচাত চাকৰি লোৱাৰ কাৰণে। আমাৰ যুৱকে ২ লাখ পূঁজি লৈ অসম নিৰ্মাণ কৰাৰ কাৰণে ওলাই আহিছে,সেইটোৱে হয় বাজেট। কেইটামান অংক দেখুৱাই বাজেট নহয়। GSDP ৰ অংক দেখুৱাব বিচাৰিছে। ৫ লাখ কোটি টকা খৰচ কৰা GSDP কেতিয়া, কোনটো চৰকাৰৰ দিনত দেখিছে। আপোনালোকে ১ লাখ খৰছ কৰা কোনখন চৰকাৰ দিনত দেখিছে। এইবাৰ এখন চৰকাৰে অহা দিনত ১.২৫ লাখ টকা নতুনকৈ খৰছ কৰাৰ কাৰণে অনুমোদন বিচাৰিছে, এই বাজেটত। এই বাজেট অসমক নিৰ্মাণ কৰাৰ বাজেট।

মাননীয় উপাধ্যক্ষ মহোদয়, মই বিৰোধীক ধিক্কাৰ দিছো, এই নতুন অসম হজম হোৱা নাই। বেয়া লাগে, কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে উনিফৰ্ম পিন্ধি যেতিয়া জনতা ভৱনত আহে, কিবা এটা পৰীক্ষা পতাকলৈ ধৰ্ণা দিবলৈ, সিহতঁক বিৰোধী সকলে গৈ উচতাই আছে যে ধৰ্ণা দিয়ক। আপোনালোকক ধৰ্ণা দিয়া অসম লাগে, এইখন বাজেট যেতিয়া implement কৰা হ'ব, এক বছৰ পিছত আপোনালোকে ধৰ্ণা দিয়া এজনো যুৱকক বিচাৰি নাপাব। আৰু এজনীও মহিলা ওলাই নাহিব আপোনালোকৰ পক্ষত ধৰ্ণা দিবলৈ, কাৰণ এখেতসকলে অসম নিৰ্মাণ লাগিব। এখেতসকলে অসমৰ অৰ্থনীতিৰ উন্নয়নৰ কথা ভাবিৰ। এখেতেসকলে এক নতুন অসম গঢ়িবৰ কাৰণে ওলাই আহিব।

মাননীয় উপাধ্যক্ষ মহোদয়, শেষত মোৰ সময় প্ৰায়ভাগ শেষেই। মই কেৱল বিৰোধী সদস্যসকলক এইটোৱে অনুৰোধ জনাম সেই সময় নাই এতিয়া। টিভিত বাৰে বাৰে টায়াৰ জ্বলোৱা আমাৰ যুৱকসকলক নেদেখুৱাব, টিভিত জুমুঠী জ্বলোৱা যুৱকসকলক নেদেখুৱাব। স্কুলীয়া ছাত্ৰ-ছাত্ৰীক ইউনিৰ্ফম পিন্ধা, স্কুলীয়া ছাত্ৰ-ছাত্ৰীক ৰ'দত নমাই আনি ধৰ্ণাত নমোৱা, এইটো নেদেখুৱাব। আহক, সকলোৱে মিলি নতুন এখন অসম নিৰ্মাণ কৰো। বিশ্বৰ দৰবাৰত, বিশ্বৰ বুকুত এটা নতুন দৃষ্টিৰে অসমক যেন চাই, অসমীয়া জাতিক যেন চাই আৰু শেষত ১৪ এপ্ৰিললৈ বাট চাই আছো আৰু লক্ষ্য কৰিব বিৰোধীৰ এই অসমখনক অস্থিৰ অসম সৃষ্টি কৰাৰ সপোনবোৰ ধংশ হ'ব ১৪ এপ্ৰিলত। ১৪ এপ্ৰিলত যেতিয়া ১১ হেজাৰ ঢুলীয়া আৰু নাচনীয়ে বিশ্বৰ দৰবাৰত আমাৰ স্বাভিমান বিহু, আমাৰ আবেগ বিহুক যেতিয়া প্ৰতিষ্ঠা কৰিব, মই ভাবো বিৰোধীৰ এই অসমত আৰু বিৰোধীৰ যিটো ৰাজনীতি, এই ৰাজনীতি নাইকীয়া হ'ব। আকাশে বতাহে ঢোল আৰু বিহুত চাপৰেৰে বিশ্বক অসমীয়াই জয় কৰিব আৰু আহক এনে এক অসম নিৰ্মাণ কৰাৰ কাৰণে বিৰোধীৰ যিসকলে এতিয়াও নিজৰ গাত অসমীয়া তেজ আছে বুলি ভাৱে, বীৰ লাচিতৰ বংশধৰৰ তেজ আছে বুলি এতিয়াও যিসকলে কম আহক এই চৰকাৰৰ পক্ষত থিয় দিয়ক আৰু নতুন অসম নিৰ্মাণ কৰো। সঁচা অৰ্থত কথা এটা কওঁ, অসমীয়া হলেই সকলো যে বীৰ লাচিতৰ বংশৰ মানুহ হ'ব এই কথা নহয়। বদন বৰফুকনো আছে অসমত আৰু যিসকলে বীৰ লাচিতৰ কথা বিশ্বৰ দৰবাৰলৈ লৈ যাবলৈ বিচাৰোত Griness Book of Records থাকোতে তাচ্ছিল্য কৰিছে তেওঁলোকে বদন বৰফুকনৰ সন্তান হয়। এখেতসকলৰ যদি DNA Test কৰে, বদন বৰফুকনৰ DNA ওলাব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ। চাৰে তিনিমিনিট আছে

আপোনালোকৰ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় উপাধ্যক্ষ, AIUDF য়ে দিছে ৫ মিনিট আৰু মোৰ নিজৰ ৫ মিনিট সময় দিব। মই প্ৰথম এটা কথাৰে আৰম্ভ কৰিব খুজিছো। এই সদনত দেখিছো লোণ সম্পৰ্কে যথেষ্ট প্ৰতিক্ৰিয়া, বিশেষকৈ আমাৰ বিৰোধী সকলৰ মাজত। এই ক্ষেত্ৰত মই মোৰ নিজৰ স্থিতি স্পষ্ট কৰিব খুজিছো। I don't have an iota of objection in borrowing money provide a the borrowing is spend as prescrioptions of the FRBM. ২০ হাজাৰ কোটি লৈছে। ৫০ হাজাৰ কোটি টকা ল'লেও মই welcome কৰিম যদিহে FRBM Act ত দিয়া চৰ্ত খিনি মানি চলা হয়। মাননীয় উপাধ্যক্ষ মহোদয়, লোণ নহ'লে আমাৰ capital expenditure নহ'ব। কিন্তু সেই লোণৰ টকা আমি কিহত খৰছ কৰো। FRBM Act ৰ এটা অন্যতম চৰ্ত হ'ল যে whatever borrowing is done by the state government should be spend for capital expenditure only and not a single trend should be spend for revenue deficit. মাননীয় উপাধ্যক্ষ মহোদয়, এইয়া FRBM Act মতে। মই বেছি সংখ্যালৈ নাযাওঁ। FRBM Act মতে আমাৰ ৩১ মাৰ্চ ২০১০ আৰু পৰৱৰ্তী পৰ্য্যয়িত ২০১১-১২ ৰ ভিতৰত Revenue deficit zero হ'ব লাগিছিল। Revenue Surplus ৰ দ্বাৰা capital expenditure কৰিব লাগিছিল। Total plan outlet maximum one third revenue expenditure হ'ব লাগিছিল। এইবোৰ হ'ল FRBM ৰ চৰ্ত। আমাৰ প্ৰত্যেকবাৰ বাজেট submit কৰোতে খুব এটা rosy picture দিয়া হয়, ২০২২-২৩ বৰ্ষত আমাক কোৱা হ'ল budget present কৰোঁতে যে there will be a revenue surplus of rupees three thousand two hundred ninety five crore which is about point six eight percent of the GSDP. যেতিয়াই এই বছৰ revised estimate দিলে তেতিয়া দেখা গ'ল there is a revenue deficit of point four eight percent of the GSDP. Now, where from the revenue deficit will be made. যেতিয়া actual figure আহিব, এই point four eight revenue deficit go will be multiplied by many times. এই revenue deficit যদি borrowing ৰ দ্বাৰা বঢ়োৱা হয়, then we are leading to no where but to a disastrous situation. মাননীয় উপাধ্যক্ষ মহোদয়, fiscal deficit, যেতিয়া budget submit কৰা হয় দেখুৱা হয় fiscal deficit it is within the FRBM limit. এতিয়া কেন্দ্ৰীয় চৰকাৰে electrical reforms 3.5%. এইবছৰ budget submit কৰোতে দিয়া হৈছিল 3.7% fiscal deficit হ'ব। It is higher then the prescribed limit. কিন্তু this will go further higher ২০২২-২৩ ত যেতিয়া বাজেট দিয়া হৈছিলে, তেতিয়া দেখুৱা হৈছিলে 3.2% হে fiscal deficit হ'ব। এইবাৰ যেতিয়া revised estimate দিছে তেতিয়া দেখা গৈছে 8.2% it is much higher then the FRBM prescription. কিন্তু উপাধ্যক্ষ মহোদয়, কি কৰিব? ইমানতো টো কৰিব নোৱাৰিব। এইবাৰ borrowing কৰিব নোৱাৰিব। এইবাৰ চাব, budget there will be lot of this budget cut আৰু ultimately 3% ৰ ভিতৰত থাকিব। So, one presenting the budget we are presented with a very rosy picture. But the end of the picture become totally different. উপাধ্যক্ষ মহোদয়, দুই তিনিটামান কথা বিশেষকৈ মুখ্যমন্ত্ৰীয়ে

যেতিয়া ভাষণ দিয়ে ইমান ভাল লাগে ভাষণটো শুনি, কিন্তু পিছত যি কৰ্মপদ্ধতি চৰকাৰৰ, দেখিলে কিন্তু মনটো বিষাই যায়। আজি চাওঁক চাৰ। বাল্যবিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত সিদিনা মাননীয় মুখ্যমন্ত্ৰীয়ে যেনেদৰে আমাৰ ছোৱালীবোৰৰ প্ৰতি ভণ্টীবোৰৰ প্ৰতি মৰম দেখুৱালে, আমিও ভাল পাইছো। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, সেই ছোৱালীবোৰ, আমাৰ ভণ্টীবোৰ, আমাৰ যুৱক ভাতৃসকলৰ শিক্ষাৰ কোনো বিশেষ ব্যৱস্থা নাই। চাহ জনগোষ্ঠীৰ কাৰণে ১১৯ খন বিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লৈছে, এইবছৰ আকৌ ১০০ খন। আমি খুব ভাল পাইছো। Welcome কৰিছো। আমাৰ চাহ জনগোষ্ঠীয় ভাতৃসকল, শিক্ষা-দীক্ষাত সামাজিকভাৱে অৰ্থনৈতিকভাৱে যথেষ্ট পিছপৰা খুৱ welcome atitute. কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, এই যোৱা দুটা বাজেট ভাষণ গ'ল, মই জনসংখ্যা নিয়ন্ত্ৰণ বিল অনাৰ দিনাখন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ভাষণ ইমান ধুনীয়া আছিল। দুটা বাজেট ভাষণ গ'ল, সেই minority অঞ্চলত কিন্তু আজি কোনো শিক্ষাৰ ক্ষেত্ৰত পদক্ষেপ লোৱা দেখা নগ'ল। আজি চাহ জনগোষ্ঠীকে আজি ১০০ খনকৈ কৰিছে আৰু ১০০ খনকৈ কৰক, আমি ভাল পাম। কিন্তু মাইনৰিটিৰ কাৰণে যদি তেনেকৈ ১০০ খনকৈ বা ৫০ খন মান স্কুল, ১০ খন মান কলেজ ঘোষণা কৰিলেহেঁতেন, বোধহয় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যি সপোন বেছি সাৰ্থক হ'লহেঁতেন। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয় নাই, তেখেতে নিশ্চয় জানিব আজি যিটো picture দিয়া হয় যে বৰপেটা জিলাত PT ratio 24:1, দেখাত বৰ ভাল। 24:1 is a very good ratio. কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, field level ত কি হৈছে, টাউন চহৰত ওচৰত থকা স্কুলবোৰত গ্ৰেড 10., 1:10, কিন্তু ভিতৰুৱা অঞ্চলবোৰৰ স্কুলবোৰত ratio 70 up to 100. মই কেৱল দুটা উদাহৰণ দিব বিচাৰিছো। বৰপেটা জিলাৰ PT ratio 24:1, কিন্তু মোৰ পশ্চিম ছয়চি এল.পিস্কুল ১১২ জন ছাত্ৰ, শিক্ষক মাত্ৰ এজন। ১৪ শ ৩ নম্বৰ মাজৰচৰ শিশু এল. পি স্কুল ছাত্ৰ ২৫৪, শিক্ষক মাত্ৰ ৪ জন। Ratio 1:63, কদমতলা এল. পি স্কুল শিক্ষাৰ্থী ২২৩, শিক্ষক মাত্ৰ ৩ জন। অৰ্থাৎ the ratio is 1:74, আজি শিক্ষামন্ত্ৰী মহোদয়ে কৈছে, জিলা বিষয়াসকলক দায়িত্ব দিছে।কিয় সেইখিনি rationalise কৰা হোৱা নাই। কিয় আজি আমি ১১২ জন ছাত্ৰৰ বিপৰীতে মাত্ৰ এজন শিক্ষক দেখিবলৈ পাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই মাত্ৰ আৰু এখন স্কুলৰ উদাহৰণ দিম। পশ্চিম মইনবাৰী higher secondary school। বহুবাৰ মই এই সদনত কৈছো, সেই Higher Secondary ৰ subject teacher sanction post english ৰ দুটা। দুয়োটাই vacant. Assamese ৰ দুটা চেংশ্যন পোষ্ট এটা vacant, Political Science এটা sanction post vacant, Econimics এটা sanction post vacant, Arabic ৰ এটা sanction post vacant, Geography ৰ এটা sanction post vacant, Physics ৰ এটা sanction post vacant, Chemistry ৰ এটা sanction post vacant, Geology এটা sanction post vacant, Botany এটা sanction post এটাই vacant. এটা Higher Secondary ত যদি এইদৰে ১২-১৪ টা পোষ্ট subject teacher ৰ পোষ্ট, তলৰ লেভেল নক'লোৱেই, কেনেকৈ Higher Secondary চলিব? কেনেকৈ আমি অসমৰ বিকাশৰ কথা চিন্তা কৰো? কেনেকৈ আমি সপোন দেখো অসমখনক আগুৱাই লৈ যোৱাত। মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু দুটামান কথা কৈ শেষ কৰিব খুজিছো। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ভাষণ শুনিলে ইমান ভাল লাগে যেন -We are going to a different world. আজি

মাননীয় উপাধ্যক্ষ মহোদয় বেলেগ কথা নকওঁ। মই মাত্ৰ ২০২১-২২ বৰ্ষৰ মাইন'ৰিটী ডেভলপমেণ্টৰ টকা ক'ত ক'ত খৰচ হ'ল তাৰ কেইটামান উদাহৰণ দিব খুজিছো। মাইন'ৰিটী ডেভলপমেণ্ট বোৰ্ডৰ টকাৰে নিৰ্মাণ কৰা হ'ল-শান্তি আশ্ৰম শ্ৰী শ্ৰী হৰি মন্দিৰ, কামপুৰ বাৰোৱাৰী পূজাবাৰী, বেঙ্গলী পূজাবাৰী আৰু নাট্য মন্দিৰ সমিতি, বাৰোৱাৰী পূজা দূৰ্গা মণ্ডপ, পূজাবাৰী দূৰ্গা মণ্ডপ। এইয়াই যদি আমাৰ কপটীয়া স্বভাৱ হয়, মুখত এটা বাহিৰত এটা। ইফালে কওঁ আমি এক শান্তিৰ অসম, প্ৰগতিৰ অসম বিচাৰো, আনফালে যি মাইন'ৰিটী শিক্ষা-দীক্ষাত পিছ পৰি আছে, যি মাইন'ৰিটী অঞ্চলত হয় মই স্বীকাৰ কৰো বাল্য বিবাহৰ প্ৰদুৰ্ভাৱ বেছি। সেই মাইন'ৰিটী অঞ্চলত সেই ল'ৰা-ছোৱালীবোৰক অকল এৰেষ্ট কৰিলে নহ'ব। লগতে অল্টাৰনেটিভ পথ দেখুৱাব লাগিব। আজি মানুহৰ আটাইতকৈ প্ৰয়োজনীয় হৈছে Food, Clothing and Shelter আমি তাৰ বাবে Opportunity create কৰিব লাগিব। মাজত যিমান ডাঙৰ বাধা নাথাকক কিয় যদি আমি Opportunity create নকৰো পানী ওলাই যাবই। নদীক আমি ভেটা দি ৰাখিব নোৱাৰো। আন্তৰিকতাৰে কাম কৰিব লাগিব। এই চৰকাৰ খনৰ কিন্তু যোৱা দুটা বছৰত সেই আন্তৰিকতাৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। মই আৰু দুটা বিষয় দুই লাইন দুই লাইনকৈ কম। পি এণ্ড আৰ ডি বিভাগৰ মন্ত্ৰী মহোদয় ইমান সময় আছিল। তেওঁ নিশ্চয় শুনিব। ২০০১-০২ চনৰ পৰা বাঘবৰৰ হাটখনৰ টেণ্ডাৰ দিয়া হোৱা নাই। চৰকাৰী ৰাজহৰ লোকচান হৈ আছে। মই এই বিষয়ে কেইবাৰো উত্থাপন কৰিছো। ২০০১-০২ চনত যি বাঘবৰ হাটত এঘাৰ লাখ পঁয়সত্তৰ হাজাৰ টকাৰ ৰেভিনিউ আহিছিল, সেই হাটখনক যোৱা ২৩ টা বছৰে আবণ্টন দিয়া নহ'ল। যোৱা বছৰ আঞ্চলিক পঞ্চায়তে নতুনকৈ মাটি কিনি আৰম্ভ কৰিলে। কিন্তু সেই কোটি কোটি টকাৰ যে লোকচান হ'ল সেই বাঘবৰ হাটৰ মাটি পাৰ্মিশ্যনেই দিয়া নহ'ল। মাটি কিনিলে কিন্তু পাৰ্মিশ্যন দিয়া নহ'ল। দ্বিতীয়তে, চৰকাৰী হাটখনৰ ক্ষতি কৰি প্ৰাইভেট বজাৰ খনক কোন মনিষীয়ে কেট্‌ল মাৰ্কেট খুলিবলৈ লাইচেঞ্চদিলে। তাৰ এটা তদন্ত হোৱা উচিত। কোনবোৰ মনিষীয়ে অসমৰ এনেকুৱা কোটি কোটি টকাৰ ৰাজহ হেৰুৱাই কিছুমান প্ৰাইভেট মানুহক সহায় কৰিব বিচাৰে এই বিষয়ে মাননীয় গ্ৰামোন্নয়ন মন্ত্ৰীয়ে অতি সোনকালে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সিদ্ধাৰ্থ ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অব অৰ্ডাৰ আছে।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া পইণ্ট অব অৰ্ডাৰ নাহে। আপুনি ডিবেট শেষ হোৱাৰ পিছত পইণ্ট অব অৰ্ডাৰ ক'ব। আপুনি ৰোল চাব কেতিয়া পইণ্ট অব অৰ্ডাৰ আনিব পাৰে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, (পূব গুৱাহাটী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই ২০২৩-২৪ চনৰ বাবে বাজেট উত্থাপন কৰিছে। সেই বাজেটৰ সমৰ্থনত মই দুই-আষাৰ ক'বলৈ বিচাৰিছো। অলপ আগতে কোৱা হ'ল যে এই বাজেটখন হেনো বিভ্ৰান্তিমূলক। যি গৰাকীয়ে বিভ্ৰান্তিমূলক বুলি কৈছে তেখেতেও হয়তো এইটো কথা জানে যে সময় পৰিস্থিতি সলনি হয় আৰু সময় পৰিস্থিতিৰ লগে লগে এখন চৰকাৰে তেওঁলোকৰ কাম-কাজ আগুৱাই লৈ যাবলৈ বিভিন্ন পৰিকল্পনা হাতত লয়। আজি যি বাজেটৰ সম্পৰ্কে চৰ্চা কৰিছো মই ভাবো এখন ব্যৱহাৰিক, প্ৰেক্টিকেল আৰু বাস্তৱমুখী বাজেট। আমি পাহৰি যোৱা উচিত নহ'ব যে কৰ'ণাই বিধ্বস্ত কৰা অসমৰ অৰ্থনীতি পুনৰবাৰ আকৌ এটা গতিপথ দিবলৈ এই বাজেটখনক বাস্তৱমুখী চিন্তা-ধাৰাৰ প্ৰয়োজন আছিল, এটা গঠন মূলক আঁচনি লোৱাৰ প্ৰয়োজন আছিল আৰু তাৰ লগতে আমি আমাৰ

ৰাজ্যক বিশেষকৈ আমাৰ জনসাধাৰণক যিসকল এতিয়াও দৰিদ্ৰ সীমা ৰেখাৰ তলত আছে, তেখেত সকলক জীৱনত আগবাঢ়ি যোৱাৰ এটা সমল দিয়াৰ অৱকাশ। অলপ আগতে এগৰাকী জ্যেষ্ঠ বিৰোধী সদস্যই কৈছে যে আপোনালোকে বাজেটৰ ওপৰত কওঁক। বাজেট কি? বাজেট হৈছে- যিটো ৰাজনৈতিক দলে চৰকাৰ গঠন কৰে, সেই ৰাজনৈতিক দলৰ যি অৰ্থনৈতিক চিন্তাধাৰা, সেই অৰ্থনৈতিক চিন্তাধাৰাৰ প্ৰতিফলন আৰু সেইটোৱেই যদি হয়, তেতিয়হে'লে মই ভাৱো এই বাজেটত বিভিন্ন শিতানত যিবোৰ বিষয় ৰখা হৈছে আৰু যিবোৰ ৰূপায়িত কৰাৰ বাবে চৰকাৰখনে প্ৰযত্ন কৰিছে সেইটো এটা সঠিক দিশত গতি কৰিছে। শাসকীয় দল ভাৰতীয় জনতা পাৰ্টীৰ অৰ্থনৈতিক চিন্তাধাৰাটো মূলতঃ অন্ত্যোঃদয়া চিন্তা ধাৰাৰে পৰিচালিত। অন্ত্যোঃদয়া হৈছে সমাজৰ একেবাৰে শেষ পন্তীত থকা শেষজন ব্যক্তিৰ উৎথান। তেখেতকো সমাজৰ সকলো ব্যক্তিৰ লগত সমমৰ্যদা দিবলৈ সমস্থানলৈ লৈ আহিবলৈ কৰা প্ৰচেষ্টা। সেই অন্ত্যোঃদয় চিন্তাৰে পৰিচালিত হৈ এই বাজেটখন প্ৰস্তুত কৰা হৈছে আৰু তাৰ বাবে মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই শলাগ লৈছো আৰু ইয়াৰ বাবে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। সময় তেনেই তাকৰ। তথাপিতো দুটা-চাৰিটা কথা কোৱাটো মই ভাৱো উচিত হ'ব। অসমৰ ১২৬ টা সমষ্টিৰ ভিতৰত দুৰ্ভাগ্যক্ৰমে হওঁক বা সৌভাগ্য ক্ৰমে মোৰ সমষ্টিত কোনো গ্ৰামাঞ্চল নাই। মোৰ সম্পূৰ্ণ এশ শতাংশই নগৰীয়া অঞ্চল। কেতিয়াবা যেতিয়া মই বিভিন্ন পক্ষৰ পৰা শুনো যে জলজীৱন লাগে, গ্ৰাম্য পথৰ আঁচনি লাগে তেতিয়া মই ভাৱো যে মোৰ ভাগত এইবোৰ একো আহি নপৰে। কিন্তু এইবাৰৰ যেতিয়া মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে উত্থাপন কৰি আছিল, মোৰ সাতটা বছৰৰ অভিজ্ঞতাৰ পিছত মই সিদিনাখন উপলবদ্ধি কৰিছো যে মোৰ সমষ্টিৰ প্ৰতিও সদিচ্ছা আহিছে। আমাৰ গুৱাহাটী চহৰৰ উন্নয়নৰ বাবে যথেষ্ট পদক্ষেপ লোৱা হৈছে আৰু যথেষ্ট পদক্ষেপ লোৱা হ'ব। আমি সকলোৱে গুৱাহাটীত থাকো আৰু গুৱাহাটীৰ যান-জঁটৰ বিষয়ে মই বিশেষকৈ আৰু কাকো ক'ব নালাগে। সদায় বিধান সভালৈ আহোতে সকলোৱে সেই যান-জঁটৰ সমস্যাৰ সন্মুখীন হয়। এইবাৰ বাজেটত যিটো ৰিং ৰোডৰ কথা কোৱা হৈছে আৰু যিটো ৰূপায়ন কৰিবলৈ লোৱা হ'ব মই ভাৱো যে এইটোৱেই আমাৰ গুৱাহাটী চহৰ বুলি নহয় গোটেই অসমৰ বাবে এটা ডাঙৰ আৰ্শীবাদ হ'ব। কিয়নো ধুবুৰীৰ পৰা কোনো এজন মানুহ যদি গুৱাহাটীৰ মাজেৰে উজনি অসমলৈ যাব লাগে এই যান-জঁটৰ মাজত তেখেতে সময়ৰ লগতে আৰু ইন্ধন অবাবতে খৰচ কৰিবলগীয়া হয়। এই ৰিং ৰোড হ'লে হয়তো আমি এই ক্ষতিটো হয়তো কৰিবলগীয়া নহ'ব। তাতোকৈ ডাঙৰ কথাটো হ'ল যে আমাৰ ইয়াত প্ৰদূষণৰ যি এক ডাঙৰ সমস্যাই দেখা দিছে, সেই প্ৰদূষণৰ সমস্যাটো নোহোৱা হ'ব। গতিকে মই বিত্তমন্ত্ৰী মহোদয়াক ধন্যবাদ জনাম যে তেখেতে যি এটা জ্বলন্ত সমস্যা সেই জ্বলন্ত সমস্যা সম্পৰ্কে চিন্তা কৰিছে। সময় তাকৰ বাবে মই দীঘলীয়া তালিকাখন গাই নিদিওঁ। কিন্তু আমাৰ বাজেট ভাষণৰ ছয়ত্ৰিশ নম্বৰ পাতত যিখিনি আমাৰ নিৰ্ম্মাণ কৰিবলগীয়া প্ৰস্তাৱিত গুৰুত্বপূৰ্ণ উৰণীয়া সেঁতুৰ কথা দিয়া হৈছে, মই ভাৱো যে যিখিনি আমাৰ এনেকুৱা ধৰণৰ পদক্ষেপ সেই পদক্ষেপে গুৱাহাটীখনক যাক আমি দক্ষিণ-পূৰ এছিয়াৰ আমি ডাৰ্ট ভূমি বুলি কওঁ, এই চহৰখনক আমি সুন্দৰ চহৰ হিচাবে গঢ়ি তুলিব পাৰিম আৰু এইটোৱেই আমাৰ চহৰখনক এটা উন্নত পৰ্য্যায়লৈ লৈ যাব পাৰিব। ইয়াৰ উপৰি আন্তঃগাঁথনি সম্পৰ্কে বিভিন্ন শিতানত যথেষ্ট বিষয় লোৱা হৈছে। মই বিতং ভাৱে নাযাওঁ। গোটেই বাজেট খন যেতিয়া মই এইবাৰ অধ্যয়ণ কৰিছো বাজেট খন অধ্যয়ণ কৰোতে মই এজন বিধায়ক হিচাবে নহয়, অৰ্থনীতিৰ ছাত্ৰ হিচাবে মন কৰিছো যে আমাৰ আন্তঃগাঁথনিৰ মূল দিশ আমাৰ পথ।

আপোনালোকে যদি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইতিহাস, বিশেষকৈ অৰ্থনৈতিক উত্থানৰ ইতিহাস পঢ়ে,

সকলোৱে জানে যে তেওঁলোকে যি Highway, Railwayৰ ব্যৱস্থা কৰিছিল, সেই Highway আৰু Railwayৰ কাৰণে, বিশেষকৈ পথ নিৰ্মাণৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পশ্চিমাংশত কি ধৰণে উন্নয়ন হৈছিল। এইবাৰ আমাৰ উন্নয়নৰ ক্ষেত্ৰত, যিবোৰ পথৰ ব্যৱস্থা কৰা হৈছে, বিশেষকৈ, আমি জানো যে সদায় মূল পথ বিলাকৰ ওপৰতে সকলোৰে চকু থাকে, সেইখিনিয়েদি VIP movement হয়, সেইখিনিয়েদি আমাৰ বিধায়কসকল অহা-যোৱা কৰে, আমাৰ সমাজৰ সচেতন ব্যক্তিসকলেও সেইবিলাক লৈ যথেষ্ট সৰৱ হৈ থাকে। কিন্তু, এইবাৰ এটা কথা দেখি মোৰ খুব ভাল লাগিছে আৰু যিটো মই ভাৱো যে অসমৰ আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত সেইটোৱে এটা ডাঙৰ ভূমিকা পালন কৰিব, সেইটো হৈছে- Assam Secondary Road Network Improvement Project. অসমৰ যিকোনো ঠাইত যি খাদ্য-সামগ্ৰী উৎপাদিত হয়, সেই খাদ্য-সামগ্ৰী কিমান কম সময়ৰ ভিতৰত উপভোক্তাসকললৈ লৈ আহিব পৰা যায়, বহুতো সময়ত বহুতো ঠাইত একমাত্ৰ যাতায়তৰ সুবিধা নথকা বাবে উৎপাদিত সামগ্ৰীৰ কৃষকে সঠিক মূল্য নাপায়, আজি আমাৰ Secondary Road Network ৰ যি কথা ভৰা হৈছে, সেইটোৱে অসমৰ সকলো অংশৰ লগতে সুন্দৰভাৱে জুৰিব আৰু তেতিয়া হ'লে মই ভাৱো আমাৰ অৰ্থনীতিটোৰ যথেষ্ট উন্নয়ন হ'ব। আমি এতিয়াও কৃষি প্ৰধান ৰাজ্য হৈ আছো, গতিকে, কৃষি খণ্ডৰ ক্ষেত্ৰতো আমি যদি চাওঁ, এটা যুগান্তকাৰী সিদ্ধান্ত আমাৰ লোৱা হৈছে। আগতে, অসমত যেতিয়া ধান উৎপাদন কৰা হয়, সেই ধান বিক্ৰী কৰিবলৈ তেনেকুৱা কোনো এখন বজাৰ নাথাকে। FCI য়ে আমাৰ ইয়াৰ ধানৰ আদ্ৰতা অধিক বুলি আগতে তেওঁলোকেও এই ধান ক্ৰয় নকৰিছিল। আজি এই ধান অসম চৰকাৰৰ যোগান বিভাগৰ মাধ্যমেৰে ক্ৰয় কৰাৰ যি ব্যৱস্থা কৰিছে, তাৰ ফলত, আজি ইয়াত দিয়া তথ্য মতে ৪৩,৯৭৮ জন কৃষক উপকৃত হৈছে আৰু তেখেতসকলে ১,০৯৭ কোটি টকা উপাৰ্জন কৰিছে। মই ভাৱো, এইটো আমাৰ কৃষি খণ্ডৰ বাবে এটা যুগান্তকাৰী স্বৰূপ আৰু ইয়াৰ বাবে মই আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ শলাগ লৈছো, কৃতজ্ঞতা জ্ঞাপন কৰিছো। অলপ আগতে কোৱা হৈছিল যে, আমি হেনো ২০১৬ চনত কৈছিলো হিতাধিকাৰী নিৰ্মাণ সমাজৰ বাবে এটা ক্ষতিকাৰী ব্যৱস্থা। অলপ আগতে আমাৰ জ্যেষ্ঠ বিধায়ক এগৰাকীয়েও উদাহৰণ দি কৈছিল যে কোনোবাই যদি বেংকৰ পৰা ধন ধাৰত লৈ তেখেতৰ ল'ৰা-ছোৱালীক ফুৰাবলৈ লৈ যায় আৰু পৰৱৰ্তী সময়ত তেখেতৰ সেই ধনৰ ঋণৰ বোজা ল'ৰা-ছোৱালীয়ে ভৰিবলগীয়া হয়, তেতিয়া হ'লে সেই ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক গালি পাৰিব। সেই একে কথাই ২০১৬ চনত আমাৰ চৰকাৰে কৰিছিল। কিয়নো, যি ধন ঋণত লোৱা হৈছিল, সেই ধন কিন্তু, অলপ আগতে শ্বেৰমান ডাঙৰীয়াই কৈছে যে FRBM ত যি পদ্ধতি আছে, সেইমতে Capital Expenditure ৰ কাৰণেহে ঋণ ল'ব পাৰে, কিন্তু তেখেতসকলে Capital Expenditureৰ কাৰণে ঋণ নলৈ অন্যান্য শিতানতএই ধনবোৰ ব্যৱহাৰ কৰিছিল আৰু সেইবাবে ২০১৬ চনৰ যিখন বাজেট আছিল, তাত এই কথাখিনি প্ৰতিফলন কৰা হৈছিল যে আপোনালোকে ধন লৈছিল, ধন লৈ কোনো Capital Expenditure ত খৰচ কৰা নাছিল, আপোনালোকে এটা সম্পূৰ্ণ বেলেগ শিতানত কৰিছিল যাৰ বাবে এই ধন পৰিশোধ কৰিবলৈ পৰৱৰ্তী চৰকাৰৰ ওপৰত বোজা আহি পৰিছিল। ২০১৬ চনৰ পৰা ২০২৩ চনলৈ সময় বহুত বাগৰিছে...interruptions.....

**মাননীয় উপাধ্যক্ষঃ** চমুৱাই দিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য,(পূৰ গুৱাহাটী)ঃ** আপোনালোকে যদি চায়, ২০২১-২২ চনত আমাৰ

GSDP আছিল ৩.৯৩ লাখ কোটি আৰু এইবাৰ ৫.৫ লাখ কোটি লোৱা হৈছে। আপোনালোকে দেখিছে, আমাৰ GSDP বৃদ্ধি হৈছে। আমি ঘৰ বনাবলৈ ঋণ লওঁ, ঘৰটো ভাড়া দি যদি সেই ভাড়াৰে মই মোৰ ঋণ মাৰিব পাৰো, তেন্তে তাত কি অসুবিধা আছে? এনেকুৱা সকলোৱে কৰে। চৰকাৰ এখন ৰাইজৰ মাজৰ মানুহেই সৃষ্টি কৰে। যেতিয়া এটা তুলনা দিয়া হয়, সেই তুলনাটো কিমান প্ৰযোজ্য হয়, সেই কথাটোও চাব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, মোক বৰ বেছি সময় দিয়া নাই, যিখিনি সময় মোক দিছে সেইখিনি মই প্ৰায় পাৰ কৰিছোৱেই। মই এই চৰকাৰখনক আৰু এটা বিশেষ কাৰণত ধন্যবাদ জনাব বিচাৰিছো যে অৰুণোদয় আঁচনিৰ মাধ্যমেৰে যি ব্যৱস্থা কৰিছে, ইয়াক স্বচ্ছতাৰে কৰা হৈছে, এই স্বচ্ছ আৰু যথেষ্ট সহানুভূতিমূলক ব্যৱস্থাই আমাৰ সমাজৰ বহুতো মহিলাক জীৱনত জীয়াই থকাৰ প্ৰেৰণা দিছে। তাৰ বাবে মই বিত্ত মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ সমন্বিতে চৰকাৰখনৰ সকলোকে ধন্যবাদ জনাই মোৰ দু-আষাৰ ইয়াতে সমাপ্ত কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এটি ঘোষণা আছে। আমাৰ বাজেটৰ ওপৰত যি আলোচনা, সেইটো continue হ'ব। Lunch break নহয়। Debate ৰ পিছতে মাননীয় বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে reply দিব। Lunch ৰ ব্যৱস্থা কৰা আছে। কাৰোবাৰ যদি বেছিকৈ ভোক লাগিছে গৈ খাই আহিব পাৰে। কিন্তু, Assembly will continue. এতিয়া মাননীয় সদস্য জিতু গোস্বামী।

**শ্ৰী জিতু গোস্বামী, (বড়মপুৰ) ঃ**মাননীয় উপাধ্যক্ষ মহোদয়, আজি বাজেট বিষয়ৰ আলোচনাত ২০২৩-২৪ বৰ্ষৰ যিখন বাজেট, সেইখন সদনত দাখিল কৰা হৈছে। উক্ত বাজেটখনত যোৱা দুটা দিন ধৰি আমি বিভিন্নজনে বিভিন্ন কথা কোৱা পৰিলক্ষিত হৈছে। এই বাজেটখনৰ ক্ষেত্ৰত মই অনুভৱ কৰিছো যে এইখন বাজেট দৰিদ্ৰজন, নিবনুৱা যুৱক, উদ্যোমী যুৱকজন, নিম্ন মধ্যবিত্ত পৰিয়ালৰ পৰা আধুনিক জগতত বসবাস কৰা উচ্চ মধ্যবিত্ত আৰু উদ্যোগীজনলৈকে সকলোকে সংযোগী কৰি দিয়া এক সুন্দৰ বাজেট। এই বাজেটখনত মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে দুখীয়া দৰিদ্ৰজনৰ অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰীৰ আয়ুষ্মান আঁচনি, মুখ্যমন্ত্ৰীৰ আৱাস যোজনাৰ পৰা ৰেচন কাৰ্ডলৈকে সাঙুৰি লোৱা ইয়াত পৰিলক্ষিত হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীসকলে কৈ থকা দুটা কথা পৰিলক্ষিত হৈছে। তেওঁলোকে হিতাধিকাৰী সৃষ্টিৰ বাজেট বুলি কৈছে। ভাৰতবৰ্ষত হিতাধিকাৰী সৃষ্টিৰ ব্যৱস্থাটো কেতিয়া হৈছিল? ২০১৪ চনত প্ৰধানমন্ত্ৰী ডাঙৰীয়াই যেতিয়া শাসন ভাৰ লৈছিল, তাৰ পিছত হিতাধিকাৰীসকলে directly benefit পোৱা আৰম্ভ হৈছিল। তাৰ আগতো এই ব্যৱস্থা আছিল। কিন্তু হিতাধিকাৰীসকলক directly পইচা দিয়াৰ অভাৱটো তেতিয়া নাছিলে। আজি যদি আপুনি গেছৰ চাবচিডি চায়, সেই চাবচিজি direct একাউন্টত অহাৰ ব্যৱস্থা হৈছে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই শাসনভাৰ লোৱাৰ পাছত। এই direct বেনিফিট হিতাধিকাৰীৰ একাউন্টত যোৱাৰ যিটো ব্যৱস্থা হৈছে, অৰুণোদয় আঁচনি ৰ পইচা অসমত direct হিতাধিকাৰীৰ একাউন্টত সোমাইছে। এই লোকসকল হিতাধিকাৰী নহয়, তেওঁলোক দুখীয়া দৰিদ্ৰ, তেওঁলোক অৰ্থনৈতিকভাৱে স্বাৱলম্বী নহয়, তেওঁলোকক সহায় কৰাৰ কাৰণে চৰকাৰে দিয়া এই আঁচনি। এই আঁচনিটোক কোনো বাই Election Oriented আঁচনি বুলি ক'ব পাৰে বা কোনোবাই ক'ব পাৰে যে হিতাধিকাৰী সৃষ্টি কৰিছে। আচলতে ভাৰতত ২০১৪ চনৰ পাছত direct benificiary transfer হোৱাৰ পাছত যেতিয়াৰ পৰা হিতাধিকাৰীসকলে তেখেতসকলৰ হিতৰ অধিকাৰ পাইছে তেতিয়াৰ পৰা ভাৰতৰ লোকসকলে গম পাইছে যে চৰকাৰী আঁচনি বুলি কিবা এটা বস্তু আছে যাৰকাৰণে প্ৰতিটো নিৰ্বাচনতে জনসাধাৰণে

মোডী ডাঙৰীয়াক জিকাই আহিছে। এই আঁচনিখনে হ'ল ৰাইজৰ মাজত হোৱা লাভালাভৰ এক প্রতিফলিত অৱস্থা।

মাননীয় উপাধ্যক্ষ মহোদয়, দুটা কথাত মই আজি আচৰ্য্য প্রকাশ কৰিছো যে বিৰোধী দলৰ যিসকল মাননীয় সদস্যই ৰাজহুৱা উদ্যোগ ব্যৱস্থাৰ ওপৰত কৈছে, কেৰেলাত ৰাজহুৱা উদ্যোগ সফল হৈছে সেইকাৰণে অসমেও ৰাজহুৱা উদ্যোগ কৰিব লাগে। তাৰ কিবা মানে আছে নেকি? ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত ৰাজহুৱা উদ্যোগ সমূহ বন্ধ হোৱা অৱস্থা হৈছে, কাৰণ profit দিব নোৱাৰে যিহেতু চৰকাৰী চাকৰিয়াল সমূহে এই সমূহ উদ্যোগ মেনেজ কৰে। ব্যক্তিগত উদ্যোগ খণ্ড অসমত বাঢ়ক। তেতিয়াহে আমাৰ নিৰনুৱা সকল তাত সংস্থাপিত হ'ব।

Agriculture growth ৰ কথা কৈছে, পাঞ্জাৱত irrigation ৰ কথা কৈছে, মাননীয় বিৰোধী দলপতি ডাঙৰীয়াই ইয়াত উত্থাপন কৰিছিলে যে পাঞ্জাৱৰ Agriculture growth বেছি কাৰণ তাত ৯৮ শতাংশ land irrigated আৰু অসমত ১০ শতাংশও irrigated নহয়। মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ যিসমূহ বাজেট মই দেখা পাইছো সেই সমূহত কিছুমান short term vision থাকে বা কিছুমানৰ long term vision থাকে। হ্ৰস্বম্যাদী বাজেট আৰু দীৰ্ঘম্যাদী বাজেটৰ ওপৰত অসমে আজিলৈকে এনেকুৱা plan আগতেও কৰা নাছিল, another 10 to 15 years down the line, এইখিনি ৰাইজৰ কামত আহিব। পাঞ্জাৱে irrigation ৰ ক্ষেত্ৰত বহুদিনৰ পৰা কাম কৰি আহিছিলে সেইকাৰণে আজি তেওঁলোকৰ ৯৮ শতাংশ land irrigated হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই বাজেটখনত সদায় সমালোচনামুখী কৰি থৈছে, আমি চিন্তা কৰিব লাগিব যে capital expenditure যিহেতু এইখন বাজেটত বঢ়াইছে, কি কাৰণে বঢ়াইছে? আজি অসমত police modernization ৰ নামত খৰছ হোৱা নাই বুলি কৈছে। যোৱাবছৰ বাজেটত police modernization ৰ নামত পইচা ধৰিছিলে, সেইকাৰণে এইবাৰ Police Infrastructure ত পইচা ধৰা হৈছে। এইবিলাক capital expenditure.

আমি power sector ত স্বাধীনতাৰ পাছত অসমে কিমান power generate কৰিছিলে? আমাৰ চৰকাৰখন অহাৰ পাছত আজি Green Power ৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে। আজি ১৩০ মেগাৱাট Green Power ৰ কাৰণে এইখন চৰকাৰে পইচা দিছে। আজি ৩০০০ মেগাৱাট Green Power ২০২৬ ৰ ভিতৰত কৰিবলৈ এইখন চৰকাৰে পইচা দিছে। ইয়াতকৈ এখন সুন্দৰ বাজেট কিবা হ'ব পাৰে নেকি?

মাননীয় উপাধ্যক্ষ মহোদয়, Education Infrastructure ৰ ওপৰত যিমানখিনি গুৰুত্ব দিয়া হৈছে, আজি অসমত BSc Nursing College নতুনকৈ ৬ খন কৰা হৈছে। নগাঁও জিলাতো আমি এখন Nursing College পাইছো। পইচা যেতিয়া invest কৰিব লাগিব, এটা কথা বিৰোধী পক্ষৰ প্রতিজন সদস্যই জানে যে Infrastructure ত capital expenditure এবাৰ হ'লে চৰকাৰখনে বাৰে বাৰে সেইটো বাজেটত ধৰিব নালাগে। যোৱাবাৰ Infrastructure ত capital expenditure হৈছে। অসমত লোণ লবই লাগিব, এইটো ব্যক্তিগত লোণ নহয়। চৰকাৰে capital expenditure ৰ কাৰণে লোণ লৈছে। আজি Education Infrastructure ত খৰছ কৰিবৰ কাৰণে লৈছে, Health,Transport Infrastructure ত খৰছ কৰিবৰ কাৰণে loan লৈছে। আজি Road Infrastructure হ'লে GDP ত কিদৰে প্ৰভাৱ পৰে সকলোৱে জানে। ৰাস্তাটো ধুনীয়া হ'লে ৰাস্তাদি চলি থকা গাড়ীখন

যেতিয়া ভালদৰে যাব তেতিয়া তেল কমকৈ পুৰিব। কড়িয়াই অনা সামগ্ৰীৰ যেতিয়া দাম কমিব indirectly সেইটো GDP ত প্ৰভাৱিত হয়, ultimate GDP যিমানেই বাঢ়িব সেইটোৱে আমাৰ ডাঙৰ বেনিফিট। আমি আহিবলগীয়া দিনত অসমে যিমান Infrastructure কৰিবলৈ গৈ আছে, সেই Infrastructure খিনি প্ৰতি বছৰে আমাৰ নিজৰ revenue source টো বাঢ়ি গৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ own revenue source টো আমি বেলেগ কিছুমান আঁচনিত খৰছ কৰিব পাৰো। এইখিনিকে কৈ বাজেটৰ ওপৰত সম্পূৰ্ণ সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ১৬ মাৰ্চ ২০২৩ তাৰিখে আমাৰ অসমৰ মাননীয়া বিত্ত মন্ত্ৰীয়ে যিখন বাজেট বিধানসভাত উপস্থাপন কৰিছে, এই বাজেটখন এখন সৰ্বাঙ্গসুন্দৰ বাজেট বুলি মই অভিহিত কৰিছো আৰু এই বাজেটখনে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আশা-আকাঙ্খা পূৰণত এটা মাইলৰ খুটি হিচাপে পৰিগণিত কৰিছে আৰু বিশেষভাৱে মই ধন্যবাদ দিছো যে এইখন বাজেটত অসমৰ জনসাধাৰণক কৰৰ বোজা দিয়া হোৱা নাই। কৰৰ বোজা বিহীন এখন বাজেট উপস্থাপন কৰিছে আৰু এইখন বাজেট ২০২৩-২৪ চনৰ ৯৩৫.২৩ কোটি টকাৰ ঘাটি বাজেট হিচাপে এই বাজেটখন উপস্থাপন কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে আমাৰ ৰাজ্যত বিত্তীয় অৱস্থাৰ এক উল্লেখযোগ্যভাৱে উন্নতি ঘটিছে। কাৰণ ৰাজ্য চৰকাৰে বিগত দিনসমূহত যিদৰে অবিৰাম গতিত কাম কৰিছে, যিধৰণে প্ৰচেষ্টা হাতত লৈছে এই প্ৰচেষ্টাৰ ফলস্বৰূপে আজি আমি আমাৰ ৰাজ্যখনৰ উন্নয়ণৰ মুখ দেখিছো আৰু এই বাজেটত আমাৰ যি GSDP অৰ্থাৎ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন আমাৰ এই বছৰ ৫.৫০ লাখ কোটি টকাৰ অতিক্ৰম কৰিছে। যদি আমি ২০২১-২২ চনত চাঁও, তেতিয়াহ'লে ইয়াৰ GSDP ৰ পৰিমাণ আছিল ৩.৯৩ লাখ কোটি টকা। গতিকে যেতিয়া GSDP ৰ পৰিমাণ বাঢ়িব তেতিয়া মই জানো যে আমাৰ ৰাজ্যৰ জনমুৰি আয়ো নিশ্চয় বৃদ্ধি হ'ব আৰু সেইকাৰণে আমি বিশেষভাৱে দেখিছো যে ২০২৩-২৪ চনত আমাৰ GSDP ৰ ৰাজ্যিক ঘৰুৱা উৎপাদনে এক নতুন ইতিহাস ৰচনা কৰিবৰ কাৰণে সক্ষম হ'ব। আমি লক্ষ্য কৰিছো যে ব্যয়ৰ ক্ষেত্ৰতো আমাৰ এই বছৰ অৰ্থ্যাৎ- ২০২২ - ২০২৩ চনত ১ .২০ লাখ কোটি টকা ইতিমধ্যে সীমা অতিক্ৰম কৰিছে । যোৱা বছৰ যদি চাওঁ তেনেহ'লে যোৱা বছৰত আমাৰ এক লাখ কোটিতকৈ অধিক টকা অতিক্ৰম কৰিছিল । গতিকে আজি আমি ব্যয়ৰ ক্ষেত্ৰতো দেখিছো যে এইখন চৰকাৰে আজি বিভিন্ন বিভাগত যি ধৰণে বাজেটত টকা ধাৰ্য্য কৰিছিল আজি বিভাগসমূহে ভালকৈ কাম কৰাৰ বাবে আমাৰ ৰাজ্যখন উন্নয়ণৰ দিশলৈ আগবাঢ়িছে । পাৰ কেপিটা ইনকাম যদি আমি ভাৰত আৰু অসমৰ মাজত তুলনা কৰি চাওঁ কংগ্ৰেছ চৰকাৰৰ দিনত ২০১১-১২ চনত আমাৰ পাৰ কেপিটা ইনকাম আছিল ৪১,১৪২ আৰু ভাৰতবৰ্ষৰ আছিল - ৬৩,৪৬২ ঠিক সেইধৰনে ২০১৫ -১৬ চনত চাওঁ পাৰ কেপিটা ইনকাম ৬০,৮১৭ আছিল অসমত আছিল আৰু ইণ্ডিয়াত আছিল -৯৪,৭৯৭ আৰু ২০২১-২২ চনত চাও অসমত - ১,০২,৯৬৫ আৰু ইণ্ডিয়াত আছিল-১,০৫,০০৭ ২০২২ - ২৩ চনত এই বছৰটোত চাও ১,১৮,৫০৪ আমাৰ অসমৰ পাৰ্ব্বকপিটা ইনকাম আৰু ভাৰতৰ -১,৭০,৬২০ গতিকে আমি তথ্য পাইছো ইয়াৰ পৰা প্ৰতিপন্ন হৈছে অসমৰ যিটো জনমুৰি আয় এই যতেষ্ঠ বৃদ্ধি পাইছে । জনমুৰি আয় , জিএচ ডিপি যদি বৃদ্ধি পায় তেনেহ'লে সেইখন ৰাজ্য কেতিয়াও পিছপৰি থাকিব নোৱাৰে। কিন্তু কোনোবাই

ক'লা চোচ্‌মা পিন্ধিলে ক'লাই দেখা পাব ভালটো দেখা নাপায়। গতিকে মই আহ্বান জনাইছো বগা চোচ্‌মা পিন্ধক তেতিয়া বগা দেখা পাব, ভালটো দেখা পাব । বাজেটখন ভালকৈ পঢ়ি চাওক । হয়তো বাজেটখন ভালকৈ পঢ়ি নোচোৱাৰ কাৰণে ইয়াত বিসংগতিপূৰ্ণ কথা কৈছে । আমি যদি তথ্যখিনি জুকিয়াই চাওঁ দেখা পাম মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত আৰু মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ দক্ষতাৰে এই বাজেটখন প্ৰস্তুত কৰা হৈছে । আমাৰ চৰকাৰে আমাৰ অসমখন নতুনকৈ নিৰ্মাণৰ প্ৰয়াস কৰিছে । ইয়াত শাসকীয়- বিৰোধীৰ কাৰো মতানৈক্য থাকিব নালাগে । আমি সকলোৱে বিচাৰো যে অসমখন ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত এখন হওঁক । যদি এখন শ্ৰেষ্ঠ ৰাজ্য হ'ব লাগে তেন্তে আমাৰ আন্তঃগাথঁনি উন্নয়ন কৰাৰ লগতে আমাৰ দৰিদ্ৰতা নিৰ্মূল কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব লাগিব। এই বাজেটখন চাই মই দেখিলো এইখন চৰকাৰে অসমৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ ক্ষেত্ৰত আৰু দৰিদ্ৰতা নিৰ্মূল কৰাৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে । দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ যাওঁতে আমাৰ উদ্দেশ্য সৎ হ'ব লাগিব, মহৎ হ'ব লাগিব । কিন্তু দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ যাওঁতে যদি আমাৰ কমিশ্যনৰ কথা থাকে তেন্তে আমাৰ উদ্দেশ্য কেতিয়াও সফল নহয় । এই কাৰণে কৈছে যে- কংগ্ৰেছৰ চৰকাৰৰ দিনত হিতাধিকাৰী আঁচনি লৈছিল কিন্তু কোনবিলাক আঁচনি লৈছিল প্ৰতি টো পৰিয়ালত কম্বল দিয়া আৰু ৪ মুঠি মান সুতা দিয়া । গতিকে এখন কম্বল বা অলপ সুতাৰে এটা পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা উন্নত হ'ব নোৱাৰে । সেই কাৰণে সেই সময়ত হিতাধিকাৰীক যিটো আঁচনি দিছিল সেইটো সফল নহ'ল কাৰণ তাত কমিশ্যনৰ কথাটো সন্নিবিষ্ট আছিল । কিন্তু চৰকাৰে এতিয়া দৰিদ্ৰতা নিৰ্মূল কৰাৰ বাবে যিকেইটা আঁচনি লৈছে - তাৰে ভিতৰত যিটো অৰুণোদয় আঁচনি তাৰ যোগেদি - বিগত দিনত ১৭ লাখক হিতাধিকাৰী সমৰি লোৱা হৈছিল । আৰু এইবাৰ দহ লাখতকৈও অধিক লোকক সামৰি লোৱা হৈছে । তাৰ মানে সোতৰ লাখ পঞ্চাশ হাজাৰ হিতাধিকাৰীক ইয়াত সন্নিবিষ্ট কৰা হৈছে । আগতে এই অৰুণোদয়ৰ টকা এক হাজাৰকৈ দিছিল- এতিয়া বাৰশ পঞ্চাশ টকাকৈ দিয়া ব্যৱস্থা লৈছে । ইয়াৰ পৰৱৰ্ত্তী সময়ত চৌধ্যশকৈ টকা দিয়াৰ সিদ্ধান্ত লোৱা হৈছে । এই টকাটো হিতাধিকাৰীৰ নিজৰ বেংক একাউন্টত ডাইৰেক্ট জমা দিয়া হৈছে । এইটো এটা ভাল পদক্ষেপ আৰু আমি ভাবো এই ব্যৱস্থাটো দৰিদ্ৰতা নিমূলকৰণত যথেষ্ঠ সহায়ক হ'ব । গতিকে আমাৰ চৰকাৰে এনেধৰনৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে । ঠিক তেনেকৈ অসম গৌৰৱ বীৰ লাচিত বৰফুকণ, চৰাইদেউ মৈদাম , অসমীয়াৰ জাতীয় উৎসৱ- বিহুটোক বিশ্ব দৰবাৰলৈ নিয়াৰ বাবে ভাৰতৰ স্বাধীনতাৰ পিচত পোন প্ৰথম বাৰৰ বাবে আমাৰ এই চৰকাৰে ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে । মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় তথা চৰকাৰক তাৰ বাবে আন্তৰিক ধন্যবাদ আৰু অভিনন্দন জনাইছো । আমাৰ বীৰ লাচিতক বিশ্বৰ বুকুত চিনাকী কৰাই দিবৰ বাবে মহাবীৰ গৰাকীৰ চাৰিশ বছৰীয়া জন্মজয়ন্তী মহাসমাৰোহেৰে ৰাজধানী দিল্লীৰ লগতে সমগ্ৰ ৰাজ্যত উদ্‌যাপন কৰা হৈছিল। সেই সমাৰোহত আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়া , কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানী উপস্থিত হৈ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিছিল। সেই সমাৰোহত আমাৰ বীৰ লাচিত বৰফুকনক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে পদক্ষেপ লোৱাৰ উপৰিও বীৰ গৰাকীৰ জীৱনী আৰু কাৰ্য্যৱলী হাতে লিখা ৰচনা লিখি অনলাইন পোৰ্টেলত আপলোড কৰিবলৈ আহ্বান জনাইছিল প্ৰায় বিয়াল্লিছ লাখতকৈও অধিক ৰচনা এই পোৰ্টেলত অসমৰ ছাত্ৰ-ছাত্ৰী আৰু জনতাই অংশ গ্ৰহণ কৰি আপলোড কৰিছিল যিটো এটা ঐতিহাসিক গিনিজ বুক ৰেকৰ্ড হৈছে। চৰাই দেউত থকা আহোম স্বৰ্গদেউ সকলৰ মৈ দাম ইউনেস্কো স্বীকৃত হেৰিটেজ

চাইট কৰাৰ বাবে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে অনুমোদন জনাইছে । গতিকে আমি আশা ৰাখিছো যে অতি সোনকালে আমাৰ চৰাইদেউ যিখন মৈদাম আছে এই মৈদামখনে UNESCOত অন্তৰ্ভূক্ত হোৱাৰ সম্ভাৱনা আছে। তাৰ বাবে আমি নিশ্চয় গৌৰৱ অনুভৱ কৰিব পাৰো। ঠিক তেনেকৈ অহা ১৪ এপ্ৰিলত অসমৰ জাতীয় উৎসৱ বিহুক লৈ ইতিমধ্যে ১১ হাজাৰ শিল্পীক লৈ বিহু নৃত্য পৰিৱেশন কৰাৰ কাৰণে এটা সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা মই ভাৱো যে বিহুনৃত্যও ইতিমধ্যে গ্ৰীনিচ বুকত অন্তৰ্ভূক্ত কৰাৰ কাৰণে প্ৰয়াস কৰিছে আৰু গ্ৰীনিচ বুকত অন্তৰ্ভূক্ত হোৱাৰ লগে লগে বিশ্বৰ দৰবাৰত আমাৰ বিহুতো যে প্ৰতিষ্ঠা হ'ব সেয়া নিশ্চিত। গতিকে মই বিশেষভাৱে এনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছোঁ। আজি নিবনুৱা যুৱকৰ ক্ষেত্ৰতো বিশেষ ব্যৱস্থা এইখন চৰকাৰে লৈছে। আজি এইখন চৰকাৰে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত তেওঁলোকে প্ৰতিশ্ৰুতি দিছিল যে এক লাখ নিবনুৱাক কৰ্মসংস্থাপিত কৰা হ'ব। সেই কাৰণে ইতিমধ্যে প্ৰায় ৪২হাজাৰ নিবনুৱাক কৰ্মসংস্থাপন দিলে, ৪০ হাজাৰক পুনৰ নিযুক্তি দিয়াৰ ক্ষেত্ৰত অহা ১০ মে'ৰ পৰা ২০ মে'ৰ ভিতৰত এই ৪০ হাজাৰকো নিযুক্তি দিয়াৰ ক্ষেত্ৰত ইতিমধ্যে সিদ্ধান্ত লৈছে আৰু পৰৱৰ্তী সময়ত ১৮ হাজাৰকো পুনৰ নিযুক্তি দিয়াৰ কাৰণে ইতিমধ্যে প্ৰচেষ্টা হাতত লৈছে। এই নিযুক্তি প্ৰক্ৰিয়া যিটো কৰা হৈছে সেইটো সম্পূৰ্ণ স্বচ্ছ আৰু নিকাৰে নিযুক্তি দিয়া হৈছে। গতিকে মই আশা কৰিছো যে এইখন চৰকাৰে যি স্বচ্ছতা যি নিকা, এই স্বচ্ছ আৰু নিকা বজাই ৰখাত নিশ্চয় গুৰুত্ব আৰোপ কৰিছে আৰু তেনেধৰণে ৰাইজে এইটো স্বীকাৰ কৰিছে যে এইখন চৰকাৰে স্বচ্ছ আৰু নিকাৰে নিযুক্তি দিছে। ইতিমধ্যে আমাৰ এটা ডাঙৰ সমস্যা হৈছে ভূমি সমস্যা। এই ভূমিৰ অধিকাৰ দিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বসুন্ধৰা আঁচনিৰ জৰিয়তে আমাৰ অসমৰ খিলঞ্জীয়া মানুহৰ ভূমি পট্টা দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। সেই কাৰণে বসুন্ধৰা একত ইতিমধ্যে প্ৰায় ৮১৩৯৮১ জনে আবেদন কৰিছিল আৰু নিৰ্দ্ধাৰিত সময়তে যোৱা ২০২২ চনৰ ১০ মে' ৰ ভিতৰত এই যিখিনি ৮১৩৯৮১ আবেদন আছিল সেই আবেদনখনো ইতিমধ্যে নিষ্পত্তি কৰিছে। পৰৱৰ্তী সময়ত ২০২ ইতিমধ্যে প্ৰায় আমাৰ ৭৪৩৬৯০ আবেদন কৰিছে, সেইখিনিও ইতিমধ্যে নিৰ্দ্ধাৰিত সময়ত সেইখিনিও এতিয়া দিয়াৰ কাৰণে এই খন চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ মাজতে মই এটা কথা কব বিচাৰিছোঁ যে আমাৰ গুৱাহাটী মহানগৰীত পাহাৰ অঞ্চল আছে, সেই পাহাৰ অঞ্চলতো বহু মানুহে প্ৰায় ২ লাখ মানুহে বসতি স্থাপন কৰিছে। গতিকে মই অনুৰোধ জনাব বিচাৰিছোঁ যে যি সকলে আজি ৪০-৫০ বছৰ ধৰি পাহাৰ অঞ্চলত বসতি কৰি আছে সেই সকলৰ ক্ষেত্ৰতো যাতে বসুন্ধৰা ৩ ৰে কেনেদৰে তেখেত সকলকো ভূমিৰ পট্টা দিব পৰা যায়। মাননীয় ৰাজহ মন্ত্ৰীয়ে যাতে এই ক্ষেত্ৰত এটা সিদ্ধান্ত গ্ৰহণ কৰে, তাৰ বাবে অনুৰোধ ৰাখিলোঁ আৰু এইটো গুৰুত্ব সহকাৰে ল'ব বুলি আশা ৰাখিলোঁ। ঠিক সেইদৰে নিবনুৱা সমস্যাৰ সমাধানৰ ক্ষেত্ৰতো এই খন চৰকাৰে নিৰ্দিষ্ট পদক্ষেপ গ্ৰহণ কৰিছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ এক মিনিট আছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** আমি জানো যে ইতিমধ্যে এক লাখ চাকৰিৰ আমাৰ চৰকাৰী বিভাগ বিলাকত দিয়াৰ ব্যৱস্থা লৈছে, তাৰোপৰি আমাৰ ক্ষুদ্ৰ উদ্যোগ বিলাকৰ ক্ষেত্ৰতো ৰাজ সাহায্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে, ঠিক তেনেকৈ MSME ৰ জৰিয়তেও প্ৰায় ২ লাখ নিবনুৱাক তেনেকৈ ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে, মই আশা ৰাখিছো এনেধৰণে যাতে নিবনুৱা সমস্যা, যি সমস্যা বৰ্তমান এটা জটিল সমস্যা হিচাপে পৰিগণিত হৈছে। গতিকে সেই সমস্যাটো যাতে এনেধৰণে সমধান কৰাৰ ক্ষেত্ৰত সাহায্য ব্যৱস্থা গ্ৰহণ কৰে, তাৰ বাবে আপোনাৰ জৰিয়তে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক অনুৰোধ জনালো।

**माननीय উপাধ্যক্ষ ঃ** Thank you, আপোনাৰ সময় শেষ হৈছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** ছাৰ, এটা জলন্ত সমস্যাৰ কথা কৈছো। যে আমাৰ যিটো জলবায়ু পৰিবৰ্তনৰ কথা। আজি গোটেই অসমতে এই যে এটা ভয়ংকৰ ৰূপ ধাৰণ কৰিছে, আমাৰ চৰকাৰে অৱশ্যে গুৰুত্ব আৰোপ কৰিছে। আমি দেখিছো যে আমাৰ Air Quality Index (AQI) থাকিব লাগে ০ ৰ পৰা ৫০ লৈ। ইয়াত কিন্তু ৩০০ ৰো অধিক হৈছে। গতিকে য'ত শূণ্য থাকিব লাগে তাত ৩০০ ৰো অধিক হৈছে এই ক্ষেত্ৰত মই ভাবো ৰাজ্য চৰকাৰ আৰু serious হ'ব লাগিব। ঠিক সেই ধৰণে লোক সভাত....

**माननীয় উপাধ্যক্ষ ঃ** এই বিষয়টোত আপুনি প্ৰশ্ন আনিছিল, please conclude.

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** এক চেকেণ্ড ছাৰ, লোকসভাত জলবায়ু পৰিবৰ্তন কেন্দ্ৰীয় মন্ত্ৰীয়ে এটা উত্তৰত কৈছে যে গোটেই ভাৰতত ৪৪ খন নদী আছে, ইয়াতে অসমত ১৬ খন আছে। ভৰলু আছেই। তাত ৩ মি.গ্ৰামৰ তলত BOD Biological Oxygen Demand যিমান থাকিব লাগে তাত আছে 38. গতিকে কিমান বৃদ্ধি পাইছে এই কথাটো কিন্তু হৃদয়ংগম কৰা উচিত। মই ভাৱো যে জলবায়ু পৰিবৰ্তনৰ ক্ষেত্ৰত অৱশ্যে মই জলবায়ু পৰিবৰ্তন মন্ত্ৰীক ধন্যবাদ দিছো , তেওঁ যথেষ্ট ব্যৱস্থা লৈছে আৰু হয়তো সচেতন হ'ব লাগিব আৰু awareness সৃষ্টি কৰিব লাগিব। যাতে আমি জলবায়ু পৰিবৰ্তনৰ ক্ষেত্ৰত, আজি অকল অসমতে নহয় ভাৰততে নহয় গোটেই পৃথিৱীতে এইটো প্ৰধান সমস্যা হিচাপে গণ্য কৰিছে । গতিকে এই প্ৰধান সমস্যাটো আমি অসমত কি দৰে জলবায়ু পৰিবৰ্তনৰ ক্ষেত্ৰ ত ব্যৱস্থা ল'ব পাৰো, সেই ক্ষেত্ৰত ব্যৱস্থা ল'ব বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**माननীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীকৃষ্ণ কমল তাঁতী।

**শ্ৰীকৃষ্ণ কমল তাঁতী, (তেজপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ যি বাজেট প্ৰস্তুত কৰিলে, তাৰ বাবে বিশেষ ভাৱে মই অসমৰ মুখ্যমন্ত্ৰী আৰু মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে গান্ধীজীৰ তালিচমেনৰ উদ্ধৃতি দি উল্লেখ কৰিছে, মই অকমান পাঠ কৰিব বিচাৰিছো "Whenever you are in doubt, then recall the faces of the poorest and the weakest man whom you may have seen and ask yourself, if the step you contemplate is going to be of any use to him, will he gain by it? Will it restore him to a control over his own life and destiny" আমি দেখিবলৈ পালো যে আজি দৰিদ্ৰ সকলৰ দৰিদ্ৰতা দূৰ কৰিবৰ কাৰণে আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে পদক্ষেপ গ্ৰহণ কৰিছে। অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰী আৱাস যোজনা, ৰেচন কাৰ্ডৰ প্ৰৱৰ্তন, এই বোৰ দৰিদ্ৰ নিৰ্মূল কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। বিৰোধীয়ে কৈছে যে আমাৰ চৰকাৰ খনে হেনো হিতাধীকাৰী প্ৰস্তুত কৰিছে। আৰু আমি election বা নিৰ্বাচন কেন্দ্ৰীক আমি আঁচনিবোৰ লৈছো। কিন্তু আমি যদি চাওঁ Directive Principles of State Policy enshrine in part IV of the Indian Constitution has declared India is a welfare state এখন welfare stateৰ ধৰ্ম হৈছে যে নাগৰিক সকলৰ যি সকল সামজিক ভাৱে পিছ পৰি আছে অৰ্থনৈতিকভাৱে পিছ পৰি আছে, সেই সকলক আগুৱাই নিয়া।

মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত দেখিছো যে, বিৰোধীয়ে কৈছে যে, আমাৰ বাজেটখন সৰ্বস্পৰ্শী বাজেট নহয়। আমি কওঁ এইখন সৰ্বস্পৰ্শী বাজেট, এইখন দূৰদৰ্শী বাজেট। আমাৰ GSDP 15%

বৃদ্ধি হৈছে। আমাৰ শিক্ষাৰ ক্ষেত্ৰত দেখা যায় যে, আমাৰ বাজেট Estimate ত দেখিব যে, ৬৮ শতাংশ। বেলেগ ৰাজ্যৰ যদি গড় চাওঁ ১৪.৮ শতাংশ মাত্ৰ। পুলিচৰ ক্ষেত্ৰত আমাৰ বাজেট Estimate ৫.৮ শতাংশ। বেলেগ ৰাজ্যৰ যদি গড় চাওঁ ৪.৩ শতাংশ। আমি ৰাস্তা বা দলংৰ ৰ ক্ষেত্ৰত Estimate ৯.৩ শতাংশ। বহুতে পাঞ্জাৱ, ৰাজস্থানৰ কথা কয়। কিন্তু আমি যদি চাওঁ আটাইতকৈ খাৰুৱা ৰাজ্য যদি চাওঁ ভাৰতবৰ্ষৰ পাঞ্জাব, ধৰুৱা ৰাজ্য হৈছে আটাইতকৈ ধৰুৱা ৰাজ্য। সেই কাৰণে কৈছো ঋণ ল'বই লাগিব। আমি ভাৰতবৰ্ষত আটাইতকৈ ধৰুৱা ৰাজ্য আমি নহওঁ। আমাৰ Old pension Scheme ৰ কথাটো ইয়াত কোৱা হৈছে, বিৰোধী সকলে কৈছে, মই ভাবো অসমক যদি কোনোৱাই ভাল পায়, কেতিয়াও Old pension Scheme প্ৰৱৰ্তন কৰিবলৈ নক'ব। আমি যদি চাওঁ পাঞ্জাৱৰ অৱস্থা দেখিবলৈ পাইছো যে, Old pension Scheme নীতিটো প্ৰৱৰ্তন কৰি পেলাই কি অৱস্থা হৈছে। আজি পাঞ্জাৱত ৪৭.৬ শতাংশ, RBI Survey মতে লক্ষ্য কৰা হৈছে যে, ২০২৬-২৭ চনলৈকে তেখেত সকলে ৫০ শতাংশ GSDP বৃদ্ধি পাব। আমি Old pension Scheme ৰ এটা চেকশ্যনক আমি সহায় কৰিব পাৰিম। ৰাজস্থান আৰু পাঞ্জাৱ আদি ৰাজ্য এদিন নহয় এদিন NPS লৈ ঘূৰি আহিবই লাগিব। ২০০ বছৰীয়া চাহ বাগিচাৰ জন্ম জয়ন্তী উদ্‌যাপন কৰিবলৈ লৈছো। আমি ১১৯ খল মডেল স্কুল পালো আৰু ১০০ খন পাবলৈ সক্ষম হৈছো। ৫০০ খন মহাপুৰুষৰ জগন্নাথৰ স্কীল ডেভলমেন্ট চেন্টাৰ পাবলৈ আমি সক্ষম হৈছো। তাতকৈ ডাঙৰ কথাটো হ'ল যে, আমাৰ চৰকাৰখনে এটা ব্যৱস্থা গ্ৰহণ কৰিছে, OBC ৰ পৰা আমাক এটা পৃথক শ্ৰেণী আখ্যা দি তাৰ পৰা ৩ শতাংশ সংৰক্ষণ দি চাকৰিৰ ক্ষেত্ৰত ব্যৱস্থা কৰিবলৈ লৈছে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখন বাজেট আমাৰ এইবাৰ আমাৰ সন্মুখত উত্থাপন কৰা হৈছে আৰু বহুত আশাও দেখুওৱা হৈছে যে, আমাৰ ৰাজ্যখন সাংঘাটিক ধৰণে আগবাঢ়ি গৈছে। কিন্তু ৰাজ্যখন আগবাঢ়ি যাবলৈ স্বাভাৱিকতাৰে বিচাৰো আমাৰ ৰাজ্যখনৰ যি ভেটি কৃষি, উদ্যোগৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব লাগিব। কিন্তু তাৰ কাৰণে যি পুঁজি তাত ধাৰ্য্য কৰা হৈছে বুলি মই নিশ্চিত ভাবে নাভাবো। মই কথা এটা লক্ষ্য কৰিছো আমাৰ বাজেটত যিটো Revised Estimate হৈছিল, তাত কিন্তু এইবাৰ এলোকেশ্যন যথেষ্ট পৰিমাণে কমিছে। ৰাজহ শিতানটো ৫২৯৮ কোটি টকা আমাৰ কম হৈছে। আমাৰ মূলধনী ব্যয়, হৈছে বুলি মই নিশ্চিত ভাবে নাভাবো। মই কথা এটা লক্ষ্য কৰিছো আমাৰ বাজেটত যিটো Revised Estimate ত যিটো পাইছিলো ২৯৮৯০.১৩ কোটি টকা। এইবাৰ আমাৰ বাজেটত প্ৰস্তাৱ কৰা হৈছে, ২৮৪১৮ কোটি টকা। ১৪৭১ টকা আমাৰ Revised Estimate এই মূলধনী ক্ষেত্ৰত আমাৰ হৈছে। আমাৰ GSDP ৰ কথা যিখিনি কোৱা হৈছে, এই ক্ষেত্ৰত মোৰ অলপ শংকা আছে। বাজেট ভাষণ অনুসৰি আমাৰ ৩.৯৩ লাখ কোটি টকাৰ আগতে আছিল। আমাক যিখন Economic Survey দিয়া হৈছে, Economic Survey মতে GSDP ৪ লাখ ১২ হাজাৰ ৬১২ কোটি টকা। ৩.৯৩ লাখ কোটি টকা ইয়াত এটা বিসংগতি আছে। Economic Survey অনুসৰি অসমৰ GSDP হ'ল দেশৰ GDP ৰ মাত্ৰ ১.৭৫ শতাংশ অৰ্থাৎ অসমৰ অৰ্থনীতিৰ যিটো আকাৰ সেইটো যথেষ্ট পৰিমাণে সৰু। দেশৰ জনসংখ্যা ২.৫৮ শতাংশ। এই ক্ষেত্ৰত GSDP বৃদ্ধিটো কিমান দূৰ বিশ্বাসযোগ্য বা কি ধৰণে ব্যাখ্যা কৰা যায় সেইটো আমাৰ বাবে কঠিন সাথৰ। আমি MSME ৰ ক্ষেত্ৰত ২ লাখ যুৱক-যুৱতীক সাহায্য কৰিম। চৰকাৰী তথ্যই এটা বিপৰীত

কথা কৈছে। চৰকাৰী তথ্য মতে ৬৭ হাজাৰ টা MSME আছে। তাৰে ৮৮ শতাংশ অতি ক্ষুদ্ৰ। ১১.৫১ শতাংশ হৈছে, মজলীয়া। বাস্তৱত মাত্ৰ ২৬৬০ টা কাৰ্য্যক্ষম হৈ আছে। আমি আমাৰ ৰাজ্যখন যদি আগবঢ়াই লৈ যাবলৈ খোজো PSU ক্ষেত্ৰত হৈ আছে এই কথাটোৰ চিন্তা ভাৱনা এই বাজেটত নাই। আমাৰ চৰকাৰী পক্ষৰ বিধায়কে কৈছে, আমি চৰকাৰী খণ্ডত উদ্যোগক গুৰুত্ব আৰোপ নকৰো। আমাৰ যি ৫১ টা আছিল তাৰে কাৰ্য্যক্ষম হৈ আছে, ৩৫ ইউনিট। এই ৩৫ ইউনিটৰ ভিতৰত ৩ টা ASTC, Assam Petro-chemical & Assam Tea Corporation. Assam Petro-chemical ডুবি গৈছে। এতিয়া ভয়ানক আলোচনাত গৈ আছে। নামৰূপ কাৰাখানা আগৰ উদ্যোগ মন্ত্ৰীয়ে একেবাৰে কৈ দিছিল জাগিৰোড কাগজকল কাছাৰৰ কাগজ কল পুনৰজ্জীৱিত কৰিব। এই বিলাক ব্যৰ্থতা আমি দেখিছো। কৃষি বিভাগৰ ক্ষেত্ৰত আমি আয় দুগুন কৰিম বুলি কৈছিলো। তাত আমি ১০১৬ কোটি টকা আমি কম বাজেট ধাৰ্য্য কৰিছো। শিক্ষা বিভাগত ১০ শতাংশ কম ধাৰ্য্য কৰিছো পূৰ্বতকৈ। স্বাস্থ্য বিভাগত ১০ শতাংশ কম ধাৰ্য্য কৰিছো। ট্ৰাইবেল এফেয়াৰছ তাক লৈ আমি বিভিন্ন সময়ত বিভিন্ন কথা পাতিছো ৩৮ শতাংশ কম ধাৰ্য্য কৰিছো। ভূমি সংৰক্ষণৰ ক্ষেত্ৰত আমি বাজেট ৭.৩ শতাংশ কম কৰিছো। নাৰী আৰু শিশু কল্যাণ যি আমাৰ বিত্ত মন্ত্ৰীৰ দায়িত্বত আছে, সেই দায়িত্বত থকা বিভাগটোত পুঁজি কৰ্তন কৰা হৈছে। মই এটা কথা উল্লেখ কৰিব বিচাৰিছো ৰাজ্যখনত অংগনবাদী কৰ্মী সহায়ক আছে ২১ হাজাৰ, ৰন্ধন কৰ্মী আছে ১ লাখ ১৭ হাজাৰ, আশা কৰ্মী ৩৩ হাজাৰ সৰ্বমুঠ ২০৭১ হাজাৰ। কিন্তু এই ২ লক্ষ্য ৭১ হাজাৰ স্কীম ৱৰ্কাৰ সকলে কি অপৰাধ কৰিছে? তেওঁলোকৰ মাননি দি আছে, মঞ্জুৰি দাবী কৰি আছে তেওঁলোকে, তেওঁলোক ৰাস্তাত আছে। মঞ্জুৰিটো দিব পৰা নাই কিন্তু তেওঁলোকৰ মাননি সন্মানজনক ভাবে বৃদ্ধি কৰাৰ কাৰণে কোনো বাজেটত কিয়, প্ৰস্তাৱ উত্থাপন কৰা হোৱা নাই, এই ক্ষেত্ৰত স্বাভাৱিকতে চৰকাৰ পক্ষই । আজি মই বিত্ত মন্ত্ৰী মহোদয়াক কৈছো, আপোনাৰ নিজৰ বিভাগত এই যে ২ লাখ ৭১ হাজাৰ স্কীম ৱৰ্কাৰ আছে, তেওঁলোকৰ মাননি বৃদ্ধি কৰি তেওঁলোকৰ জীৱনৰ মান উন্নত কৰক। তেওঁলোকৰ ঘৰত পোহৰ বিয়পাই দিয়ক কাৰণ তেওঁলোক সমাজৰ আটাইতকৈ নীচ অংশৰ পৰা আহিছে। তেওঁলোক যথেষ্ট গৰীব। তেওঁলোকৰ মুখত হাঁহিঁ উজলোৱাৰ কথাটো ক'ব নোৱাৰি যদি আমি অন্যান্য বহু কথাত বিৰাট গৰ্ব কৰি থাকো, সেইটো দ্বাৰাই স্বাভাৱিকতে আমাৰ ৰাজ্যখন আগবাঢ়ি নাযাব। এইখিনি ক্ষেত্ৰত প্ৰসংগক্ৰমে আলোচনা বিলোচনা কৰিছো। মই সেই কথাটোলৈ নাযাওঁ। কিন্তু আমাৰ এজন বক্তাই বিৰোধী পক্ষৰ পৰা উত্থাপন কৰিছিল, আমি বিৰাট জনহিতকৰ আঁচনিৰ কথা কৈছো। কিন্তু এনে দুৰ্ভাগ্যজনক পৰিস্থিতিত আমাৰ ৰাজ্যখন আহিছে, যে আমাৰ শিক্ষক সকলক আমি আনি টিউটৰ কৰি থৈছো, ৮হাজাৰ ১০ হাজাৰ টকাকৈ দি। তেওঁলোকৰ জীৱনৰ মান উন্নত কৰা তেওঁলোকৰ সন্মুখলৈকে এটা উজ্বল ভৱিষ্যৎ কঢ়িয়াই অনাৰ কাৰণে তেওঁলোকক শিক্ষকৰ মৰ্য্যদা দি তেওঁলোকৰ মজুৰি বৃদ্ধি কৰা তেওঁলোকৰ দৰমহা বৃদ্ধি কৰা ব্যৱস্থা এই বাজেটত আছেনে ? এই বাজেটত নাই, বাকী অন্যান্য কিছু কথা কৈ সাংঘাতিক ভাবে আমি আমাৰ ৰাজ্যখনক আগবঢ়াই লৈ যাম এই যদি আশা কোনোবাই কৰিছে, মই নিশ্চিত ভাৱে যোৱা বছৰৰ বাজেটটো এই কথাটোৰে লক্ষ্য কৰিছিলো, revised estimate কৰি আমি যেতিয়া বাজেট ধাৰ্য্য কম কৰো, শেষত গৈ আকৌ চাপ্লিমেন্টৰী আনি revised estimate আমি গ্ৰহণ কৰো, তাতকৈ আমি পূৰ্বৰ পৰাই চিন্তা কৰিব লাগে। আমাৰ capital expenditure যাতে বাঢ়ে। capital expenditure ৫ হাজাৰ কোটি টকা বঢ়া বুলি গৰ্ব আমি কৰিছো। কিন্তু আমাৰ revised estimate কৈ capital expenditure

বঢ়া নাই। ৰাজ্যখন আগবাঢ়ি যাব লাগিলে, উদ্যোগৰ ক্ষেত্ৰত, কৃষিৰ ক্ষেত্ৰত আৰু বেছি capital expenditure ধাৰ্য্য কৰি আগবাঢ়ি গলেহে আমি আমাৰ ৰাজ্যখনক বচাব পাৰিম। বানপানীৰ দৰে সমস্যা কেনেদৰে সমাধান কৰিব? এই সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত কোনো আশাৰ ৰেঙনি আনিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়,এই খিনি কথা মই আজি বিত্ত মন্ত্ৰী মহোদয়াৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মিহিৰ কান্তি সোম।

**শ্ৰী মিহিৰ কান্তি সোম, (উধাৰবন্দ)**ঃ- মাননীয় অধ্যক্ষ মহোদয়, গত ১৬ মার্চ ,২০২৩ তারিখে ২০২৩-২৪ অর্থবর্ষীয় বাজেট উত্থাপন করেছেন বিত্তমন্ত্রী অজন্তা নিয়োগ মহোদয়া। এটি একটি অত্যন্ত সুন্দর বাজেট। এজন্য মুখ্যমন্ত্রীকে ধন্যবাদ জানাচ্ছি। অনেকগুলো যোজনা রয়েছে যেগুলো দেখা যাচ্ছে গরীবের হিতের জন্য এই যোজনাগুলো রাখা হয়েছে। প্রকৃত অর্থে দরিদ্র নারায়নের সেবার জন্য এই যোজনাগুলো। পণ্ডিত দীনদয়াল উপাধ্যায়ের চিন্তাধারাকে বাস্তব রূপ দেওয়ার জন্য এই যোজনাগুলো আনা হয়েছে। রেশন কার্ডই বলুন, চা শ্রমিকদের কথাই বলুন। অত্যন্ত দুঃখী মানুষদের উন্নয়নের কথা চিন্তা করে, সেই চিন্তাধারা নিয়ে মাননীয়া বিত্তমন্ত্রী এই বাজেট পেশ করেছেন। এজন্য উনাকে ধন্যবাদ জানাচ্ছি।

বিরোধীরা অনেক কথাই বলেছে। আমরা যদি লক্ষ্য করি, বিগত সরকারের আমলে কি ধরনের দূর্ণীতি হয়েছিল। গরীবের শুধু নামই বলা হত যে গরীবী হটাও। প্রকৃতে অর্থে গরীবী হটায়নি। তাদের মূল চিন্তাধারায় গরীবদের নিয়ে কোন চিন্তা বিগত সরকার করেনি। আজকের দিনে যে অরুণোদয় যোজনা, সেইসময় কংগ্রেসের আমলে ছিল কল্পতরু। কল্পতরু নাম শুনেছি যে সর্গের মধ্যে একটি গাছ আছে যে গাছ নাড়ালে মহোর পরত। সেই কল্পতরু পকেটে নিয়ে নেতারা বন্টন করতেন আর নাম কামাতেন। আজকের দিনে মাননীয় প্রধানমন্ত্রীর কল্যাণে প্রত্যেকের অ্যাকাউন্টে টাকা যাচ্ছে স্বচ্ছতার দ্বরে। কোন দালাল নেই, মিডিল ম্যান নেই। আজ স্বচ্ছতা নিয়েই সরকার কাজ করে যাচ্ছেন। বিরোধীরা কথা বলার কোন জায়গা পাচ্ছেনা।

আমরা যদি লক্ষ্য করি ২০১৬ র আগে কি পরিস্থিতি ছিল রাজ্যে। অগ্নিগর্ভ পরিস্থিতি ছিল। চারিদিকে ছিল উগ্রপন্থী। উগ্রপন্থীরা হাতে অস্ত্র নিয়েছিল।বেকার যুবকরা হাতে অস্ত্র নিয়ে লুটপাট চালিয়েছিল। চা বাগানের শ্রমিকদের জান ক্ষত্রা ছিল। কত চা শ্রমিকের নিজের জীবন বিপন্ন হয়েছিল। গাড়ী যখন হুন্ডি দিয়ে যাচ্ছে সেখানে আমার এলাকাতে শ্রমিকদেরকে গুলিবিদ্ধ হতে হয়েছে। একজন লোক ড্রাইভার ছিল সজল শুক্লবৈদ্য নামে চা বাগানের শ্রমিক তাকে গুলিবিদ্ধ হয়ে মারা গিয়েছিল। বিধু দাস বলে এক ব্যক্তি বাগানে কালেকশন করে দিতে হত উগ্রপন্থীকে। সেই সময় ডি এস ডি, উল্ফা, মার্র টেররিস্ট পার্টি,কুকি লিবারেশন ফ্রণ্ট সমস্ত সক্রিয় ছিল। দিন দুপুরে এসে ডাকাতি করত। মানুষদের ঘরে এসে জবরদস্তি টাকা নিত। এই পরিস্থিতি ছিল সমগ্র আসামে। সমগ্র নর্থ-ইষ্টে। আজকের দিনে বললে গর্ব হয়। এখন ডিজেস্টার মেনেজমেন্টে এককালীন টাকা দেয়। মৃত ব্যক্তি যে টাকা পায় আমরা আগে জানতাম না। আমাদের ভারতীয় জনতা পার্টি সরকার আসার পর ২০১৬সাল থেকে আমরা দেখতে পাচ্ছি মানুষের অ্যাকাউন্টে টাকা যাচ্ছে। সেই টাকা ৪ লক্ষ টাকা। ২০১৯ সালে এক সংখ্যালঘু পরিবারে মাটির ধ্বস পরে ৭ জন মানুষ জীবন্ত সমাধি ঘটেছিল। মাননীয় মুখ্যমন্ত্রী তখন সর্বনন্দ সনোয়াল ছিলেন। ২৪ ঘন্টার মধ্যে আরটিজিএস এর মাধ্যমে ২৮ লক্ষ টাকা পৌছে দেওয়া হয়েছে সেই মাইনোরিটি পরিবারে। এই ছিল সবকা সাথ, সবকা বিকাষ। সরকারের এই মূল মন্ত্র কার্যকরী হয়েছিল।

মাননীয় অধ্যক্ষ মহোদয়, আমরা বিভিন্ন ক্ষেত্রে উন্নয়ন দেখছি। কোথাও রাস্তাঘাট ছিল না। চা বাগানগুলো রাস্তার দুরবস্থা ছিল। আমাদের সমষ্টি সেই সময় কেন, কোন রাস্তাই ভালো ছিল না।২০১৬ সাল থেকে আমরা রাস্তার সেংশন এনে মাননীয় মুখ্যমন্ত্রী আমাদের PWD মিনিস্টার ছিলেন। তখন থেকে দফায় দফায় টাকা নিয়ে আজ রাস্তাগুলো পরিপূর্ণ হতে যাচ্ছে। তাই এই সরকারের যতগুলো স্কিম আছে প্রত্যেকটি গরীবের কল্যাণের জন্য কাজ করে যাচ্ছে। আর সেইসময় আমরা দেখেছি মানুষ বেটারি কাঁধে নিয়ে টিভি দেখত। কারন ঘরে বাতি জ্বালানোর কোন ব্যবস্থা ছিল না। এই সরকার আসার পর ঘরে ঘরে বাতি জ্বলছে। প্রত্যন্ত এলাকায়, পাহাড়ি অঞ্চলে, ট্রাইবেল এরিয়াতে, পুঞ্জিগুলোতে ইলেকট্রিক বাতি জ্বলিছে। কিন্তু সেই সময় আমরা দেখেছি যারা ধনী লোক তাদের ঘরে বাতি জ্বলত। গরীবের ঘরে বিদ্যুৎ ব্যবস্থা ছিল না। ঘরে জলের ব্যবস্থা ছিল না। আজ জেজেএম এর মাধ্যমে মানুষের ঘরে ঘরে জল পাচ্ছে। এক টাকা খরচ করতে হয়নি। সেই সময় ১৫ শতাংশ লোকের ঘরে জল ছিল না। এই সরকার আসার পর আজ উন্নয়নের জোয়ার বইছে। প্রধানমন্ত্রী আভাষ; কংগ্রেসের আমলে ১০টি, ১৫টি ২০টি শোনা যেত। কিন্তু আজকের দিনে শ'শ জিপিতে ৮০০, ৯০০ এভাবে আসছে। এটাই হচ্ছে পরিবর্তনগামী সরকার। মাননীয় মোদিজীর নেতৃত্বে সমস্ত বিকাশ হচ্ছে। দীনদয়ালের যে স্বপ্ন ড° শ্যামাপ্রসাদ মুখার্জীর স্বপ্ন সেটাই বাস্তব রূপ নিচ্ছে। গরীবের অ্যাকাউন্টে টাকা ঢুকছে। জিএমসিতে গিয়ে দেখুন শিলচর মেডিক্যাল কলেজে গিয়ে দেখনু লাইন ধরে মানুষ কার্ডের ব্যবহার করছে। আর আজ বলছে সংখ্যালঘু উন্নয়ন কিছু হয়নি। মাইনোরিটি মানুষের ঘরে গিয়ে দেখুন সবার ঘরে অটল অমৃত অভিযান, আয়ুসমান ভারত কার্ড আছে। তারা তাতে উপকৃত হচ্ছে। প্রধানমন্ত্রী আবাসও তাদের বাড়িতে ঢুকছে। কোন গ্রাম আগামী দিনে পাওয়া যাবেনা। মাননীয় অধ্যক্ষ মহোদয়, আপনি সময় দিয়েছেন এজন্য আপনাকে ধন্যবাদ জানাচ্ছি।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, আমাৰ কংগ্ৰেছৰ সময় ৬ মিনিট বাকী আছে, কিন্তু এতিয়াও তিনিজন বক্তা আছে, এতিয়া আবুল কালাম ৰশিদ আলম । খুব কম সময়ৰ ভিতৰত শেষ কৰিব।

**শ্ৰীআবুল কালাম ৰশিদ আলম, (গোৱালপাৰা পূব)** ঃ অধ্যক্ষ মহোদয়, এই বাজেটখনে কেতিয়াও ভাৰতৰ ৫ খন উন্নত ৰাজ্যত সোমাব নোৱাৰে। আমাৰ এজন শাসক দলৰ বিধায়কে খুব গৌৰৱেৰে কৈছে, আমিও গৌৰেৱেৰে কওঁ, যে দিল্লীত গলে শুনা যায়, আমাক প্ৰশংসা কৰে ৰাইজে যে আমি লাচিতৰ দেশৰ মানুহ। ঠিক তেনেকুৱাকৈ আমি যদি মহাৰাষ্ট্ৰত যাওঁ, কলিকতাত যাওঁ, চট্টিশগড়ত যাওঁ, তেতিয়া আকৌ ইতিকিং কৰে। আমি এনেকুৱা এখন ৰাজ্যৰ মানুহ য'ত কুকুৰৰ মাংস খাওঁ, আৰু কোৱা হৈছে যে বিধান সভাত এই কুকুৰৰ মাংস লৈ আলোচনা কৰিব নালাগে। আমি মেডিকেল কলেজৰ কথা ক'ব লাগে। ঠিক তেনেকুৱাকৈ মই কৈছো। আমাক মেডিকেল কলেজ লাগে। আজি চাৰি বছৰ আগত গোৱালপাৰাত এখন মেডিকেল কলেজ বাজেটত আনিলে। আজিলৈকে আৰম্ভ নহ'ল। প্ৰশ্ন কাকত আউট হোৱা কথা আমি ক'ব নালাগে। আমি ইউনিৰ্ভাচিটিৰ কথা ক'ব লাগে। আমি ইউনিভাচিটিৰ কথাকে কৈ আছো। বিভিন্ন ঠাইত বিশ্ববিদ্যালয়ৰ কথা কোৱা হৈছে কিন্তু আজি গোৱালপাৰাত বিশ্ববিদ্যালয়ৰ কথা বাজেটত কোৱা নহ'ল। ছয়গাঁৱৰ পৰা আৰম্ভ কৰি মানকাছাৰৰ লৈকে ইমান ডাঙৰ এৰিয়া, ইমান কেইটা সমষ্টি য'ত নেকি গোৱালপাৰা কেন্দ্ৰ কিন্তু বিশ্ববিদ্যালয়ৰ কথা কোৱা নহ'ল। মাননীয় অধ্যক্ষ মহোদয়, আমি ডাঙৰ ডাঙৰ পি ডব্লিউ ডিৰ ৰাস্তা কৰিছো, হয় কিছু কিছু হৈছে। কিন্তু এই ডাঙৰ ডাঙৰ ৰাস্তা যোৱা বানপানীত বিচ্ছিন্ন হৈ

আছে। সময়ত ইঞ্জিনিয়াৰ, চাৰ্কোল অফিচাৰ, মণ্ডল সকলো জড়িত হৈ লিষ্ট কৰিলে। মোৰ সমষ্টিতে ৪০ টা ৰাস্তা এনেকুৱা গণ বিচ্ছিন্ন হৈ আছে। তাৰ মাজত এনেকুৱাটো ৰাস্তা আছে যি ৰাস্তাই দি আমাৰ মাননীয় মুখ্যমন্ত্ৰী দ্বাৰকা গোসাইদোৱা বিৰুৱালা বাইদেউৰ ঘৰলৈ গৈছিল। সেইটো এতিয়া বিচ্ছিন্ন হৈ আছে। এতিয়া শুনা পাই আছো এইবিলাক ৰাস্তা আৰু মেৰামতি নহ'ব। এচ ডি আৰ এফৰ অধীনত যিখিনি প্ৰপোজেল আমি বিভিন্ন জিলাৰ পৰা সকলো বিধায়ক মিলি পঠাইছিলো ডি ডি মে ৰ অধীনত আজি সেইবিলাক মেৰামতি যদি নহয় তেনেহ'লে মোৰ সমষ্টিৰ নিচিনা কিজানি সকলো বিধায়কৰ সমষ্টিতে আছে। জলেশ্বৰতে কওক বা আমাৰ গোৱালপাৰা সমষ্টিত যিমান আছে এইবিলাক বন্ধ হৈ গ'ল। মাননীয় অধ্যক্ষ মহোদয়, আমি কৃষকৰ কথা কও সঁচাকৈয়ে এটা ভাল স্কীম লোৱা হৈছে। ধান কিনা স্কীমটো। কিন্তু এই স্কীমত আচল কৃষকে কিন্তু এতিয়ালৈ সুবিধা পোৱা নাই। ইয়াৰ কিছু কাৰণ আছে। ধান কিনাৰ পিছত দিয়ে এফ. চি আইক। এফ চি আই ৰ পিছত আকৌ মিলিং কৰিবৰ বাবে মিলত দিয়ে তাৰ পিছত চাপ্লাই বিভাগক সেইটো এলটমেণ্ট কৰিব দিয়ে। গতিকে মই ক'ব বিচাৰিছো মাজৰ যিটো এফ চি আই আছে, এইটো উঠাই দিব লাগে। এই ধানটো ক্ৰয় কৰি ডাইৰেক্ট মিলত দিব লাগে। মিলৰ পৰা আনি আকৌ আমাৰ চাপ্লাই বিভাগত দিব লাগে। আমি যদি সঁচাকৈয়ে দেশৰ উন্নতি কৰিব খোজো, ৰাজ্যৰ উন্নতি কৰিব খোজো আমাৰ ৰেভিনিউ বঢ়াব লাগিব। আমাৰ ৰেভিনিউ বিভিন্ন বিভাগৰ পৰা, ফৰেষ্ট বিভাগৰ পৰা হিউজ ৰেভিনিউ আহে। এই ৰেভিনিউটো চৰকাৰী ৰেভিনিউ হৈ থকা নাই, প্ৰাইভেট ৰেভিনিউহে উঠি আছে। মই এটা উদাহৰণ দিছো দুধনৈ নদী, জলেশ্বৰত বালিৰ মহল আছে। এটা এৰিয়া দিয়া থাকে। সেই এৰিয়া নহয় গোটেই নদীখন লিজত লৈ যায়। গোটেই নদীৰ পৰা বালি উঠায়। কোটি কোটি টকাৰ ৰেভিনিউ লোকচান হৈ আছে। এই ৰেভিনিউ ক'ত গৈ আছে। প্ৰাইভেট ৰেভিনিউ উঠি আছে। ফৰেষ্ট বিভাগৰ বিষয়া সকলৰ পকেটত গৈ আছে। কিজানি কোনোবা মন্ত্ৰী, বিধায়কো জড়িত হৈ থাকিব পাৰে। গতিকে এই বিলাক বন্ধ কৰিব লাগিব। তাত কমেও ১০ টা বালিৰ মহল হ'ব। ১ টা বালিৰ মহলৰ নামত ১০ টাকৈ বালিৰ মহল চলি আছে। গতিকে আমি ৰেভিনিউ যদি বঢ়াব খুজিছো আমাৰ পাহাৰৰ যিখিনি শিলৰ কুৱেৰী আছে, সেই শিলৰ কুৱেৰী বন্ধ কৰি দিয়া হ'ল। যোৱা চৰকাৰৰ দিনত ভূটানৰ পৰা পাথৰ আমি আনিব লগীয়া হ'ল। এনেকুৱা এটা চিণ্ডিকেট চক্ৰই আমাৰ যিমান শিলৰ কুৱেৰী আছিল সকলো বন্ধ কৰি দিয়া হ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা অনুৰোধ কৰিম সঁচাকৈয়ে যদি আমি উন্নতি কৰিব বিচাৰিছো আজি আমি ২০২২-২৩ বৰ্ষৰ এম এল এ ফাণ্ডটো আমি ২০২৩ ত পাইছো। এনেকুৱা কৈ উন্নতি হ'ব। আমাৰ এম এল এ ফাণ্ডটোৰে সময় মতে দিব পৰা নাই। কেনেকৈ আমি উন্নতিৰ কথা চিন্তা কৰিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহেদয়, বাজেটৰ ওপৰত বহুত দেৰী আলোচনা হৈছে, বহুত বেলেগ বেলেগ কথা আলোচনা হৈছে বিশেষকৈ স্কীম বিলাকৰ কথা যথেষ্ট আলোচনা হৈছে। মোৰ এটা কথা মনত পৰিছে আমাৰ গাঁৱৰে এজন মানুহ আছিল, মানুহজনে কাৰো একো ভাল নেদেখে। সকলো কথা সদায় বেয়ায়ে দেখে। এবাৰ ধনী মানুহ এজনে এহাল ম'হ কিনি আনিলে। ম'হকেইটা খুব ধুনীয়া। একেবাৰে নিপোটল, একো খুট নাই। তেওঁ গৈ ম'হকেইটা চালেগৈ। চাই যেতিয়া দেখিলে যে একো খুট উলিয়াব নোৱাৰে, বহুত দেৰী চাই-মেলি শেষত এটা মন্তব্য কৰিলে যে ইমান ভালো কিন্তু মানুহৰ ভালৰ কাৰণে নহয়, ক'ৰবাত এটা খুট থাকে। এই কথাটো মই কিয় কৈছো আপোনালোক সকলোৰে বুজি পাইছে। কাৰণ খুট বিচাৰি ফুৰিব যেতিয়া

যাওঁ আমি ক'ৰবাত নহয় ক'ৰবাত খুট পামেই আৰু খুট বিচৰাতকৈ আমি যেতিয়া ৰাইজৰ ভালৰ কাৰণে চিন্তা কৰিম বাজেটখন পঢ়োতে আমি কিছুমান লাইন বাদ দি আগবাঢ়ি যাওঁ য'ত প্ৰগতিৰ কথা লিখা থাকে, তেতিয়া হ'লে বাজেটখন আমি অন্ধ হস্তী দৰ্শনৰ বাহিৰে একো নহ'ব। আমি এটা কথা কৈ থকা শুনিছো যে বহু টকা লোণ লোৱা হৈছে, ঋণত পোত গৈছে। ৩৮ হাজাৰ টকা এজন জন্ম হোৱা শিশুৰ মূৰত ঋণৰ বোজা। এইটো এটা খুব আলোচনা হৈ থকা বিষয়, এইটো খুব আলোচনা হৈ থকা দেখিছো। মাননীয় অধ্যক্ষ মহোদয়, মই যদি কওঁ আমাৰ বিধান সভাত কাৰ কিমান লোণ আছে। জি এচ ডি পি ত কৈ যিটো ৰেচিঅ' তাতকৈ কিন্তু আমাৰ বিধান সভাৰ বিধায়কৰ উপাৰ্জনতকৈ, সম্পত্তিতকৈ ঋণৰ পৰিমাণ বেছি থকা বিধায়ক বহুত আছে। আমাৰ ইয়াত এনে এজনো বিধায়ক নাই যাৰ ঋণ নাই। কাৰণ আমাৰ সম্পত্তিৰ তালিকাখন এফিডএফিডৰ সময়ত ৰাজহুৱা কৰি দিছো। মোৰ কিমান সম্পত্তি আছে, মোৰ কিমান ঋণ, লাইবিলিটি আছে আমি বিধান সভাৰ নিৰ্বাচনৰ সময় দি দিছো।

দি দিওঁতে দেখিছো যে যিসকল ব্যক্তিয়ে জেলৰ পৰা নিৰ্বাচন খেলিছে তেওঁলোকৰ পৰিয়ালৰ ৩০-৩২ লাখ টকাৰ ঋণ আছে। মাননীয় অধ্যক্ষ মহোদয়, নিজেই যেতিয়া ঋণ ল'ম ভাল, চৰকাৰে যেতিয়া জনসাধাৰণৰ হিতৰ কাৰণে ঋণ ল'ব তেতিয়া বেয়া। ইয়াত কাৰ ঋণ নাই। কোনোবাই ক'ব পাৰিব? মই আপোনালোকক কওঁ চাওঁক আমি আজি আমাৰ পাবলিক ডকুমেণ্ট আমাৰ এফিড এফিডখন। আমাৰ কাৰ ঋণ নাই। ৮-১০ কোটি টকালৈকে আমাৰ ঋণ আছে। অৱশ্যে এনেকুৱা মানুহো আছে যি বেংকৰ পৰা লোৱা নাই। কাৰোবাৰ পৰা পৰিয়ালৰ লাইবিলিটি দেখুওৱা আছে। কিন্তু সেইটো এটা ঋণৰ নামান্তৰ। গতিকে ঋণ লোৱাতো কেতিয়াও বেয়া হ'ব নোৱাৰে। সামগ্ৰিক বিকাশৰ কাৰণে ঋণ লোৱা হৈছে। আপোনালোকে নিজক এবাৰ সোধক বিশেষকৈ বিৰোধী সদস্য সকলে যে আপোনালোকৰ কাৰ ঋণ নাই কওক আৰু কাৰ ঋণ আছে মই তথ্যৰ ভিত্তিত আপোনালোকক আজি বিধান সভাৰ মঞ্চত ক'ব পাৰিম। গতিকে আজি এই যিখন বাজেট লৈ আলোচনা হৈছে, এই বাজেটখনৰ জৰিয়তে অসমৰ ভৱিষ্যতৰ সোপান ৰচনা কৰা হৈছে। এই বাজেটখনত সমাজৰ সৰ্বাঙ্গীন স্তৰক স্পৰ্শ কৰা হৈছে। আজি কৃষক, ছাত্ৰ-ছাত্ৰী, গৃহিনী, আত্ম-সহায়ক গোট, প্ৰত্যেকটো ক্ষেত্ৰত। আজি ইণ্ডাষ্ট্ৰীৰ ক্ষেত্ৰত কোনোবা কোনোবাই কৈছে, কিন্তু অসম চৰকাৰে যি ইণ্ডাষ্ট্ৰীয়েল পলিচি নিজে পাবলিচ কৰিছে, যি ইণ্ডাষ্ট্ৰী পলিচি হাতত লৈছে সেই ইণ্ডাষ্ট্ৰীয়েল পলিচিত ২৫০ শতাংশলৈকে আমাৰ জি এচ টি ৰিৰ্টাণৰ যি ১৫ বছৰলৈকে প্ৰভিজন আছে, সেইখিনি কেনেকৈ ইণ্ডাষ্ট্ৰীয়েলাইজেশ্যনৰ ক্ষেত্ৰত আটাইতকৈ আকৰ্ষণীয় ঠাই হিচাপে অসমক চিহ্নিত কৰিছে সেই কথাখিনি অধ্যক্ষ মহোদয় আমি চাব লাগিব। আমি কেৱল চৰকাৰক দোষ দি আগবাঢ়ি গলেই নহ'ব। আজি আয়ুষ্মান কাৰ্ডৰ কথা আলোচনা কৰা হৈছে। আয়ুষ্মান কাৰ্ডৰ জৰিয়তে একো একোটা দুখীয়া পৰিয়ালক, একো একোজন দুখীয়া ব্যক্তিক ইনডিভিজুৱেলী ৫ লাখ টকালৈকে চিকিৎসাৰ সুবিধা দিয়া হৈছে। আজি নতুনকৈ যেতিয়া ৰেচন কাৰ্ড দিয়া হৈছে বেলেগৰ কথা নকওঁ মই মোৰ সমষ্টিৰ কথা ক'ম। মোৰ সমষ্টিত যিমানখিনি লোকক ৰেচন কাৰ্ড দিয়া হৈছিল বা বিচৰা হৈছিল যিমান আবেদনৰ কাৰণে মুকলি কৰি দিয়া হৈছিল তাৰ পৰা ১০০০০ তকৈ অধিক ফৰ্ম থাকি গ'ল। থাকি এই কাৰণেই গ'ল যে মোৰ সমষ্টিত দুখীয়া-দৰিদ্ৰ লোকৰ সংখ্যা হ্ৰাস পাইছে। চৰকাৰৰ পৰা যিমান ফৰ্ম এয়াৰ মাৰ্ক কৰি দিছিল তাতকৈ দহ হাজাৰ ফৰ্ম বেছি গৈ গ'ল। এইখিনি ফৰ্ম কোনেও আবেদন নকৰিলে। সেইখিনি ফৰ্ম থাকি গ'ল। অৰ্থাৎ আমাৰ অৰ্থনৈতিক অৱস্থাটো লাহে লাহে উন্নীত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই বৰ বেছি কথা ক'ব

নিবিচাৰো। আমি যেতিয়া ব্যক্তিগত ভাৱে ঋণ লৈ ভাল বুলি ক'ম, ব্যক্তিগতভাৱে ঋণ লৈ এটা ঘৰ বনালে ভাল, চৰকাৰে ঋণ লৈ ৰাস্তা বনালে বেয়া। এনেকুৱা দুমুখীয়া নীতিৰ জৰিয়তে ৰাইজক বিপথে পৰিচালিত কৰিব নালাগে আৰু যি উন্নয়নৰ ধাৰা এই চৰকাৰখনে হাতত লৈছে, যি উন্নয়ণৰ ধাৰা অসমক আহি থকা দিনবোৰত ভাৰত বৰ্ষৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হিচাপে প্ৰতিষ্ঠিত কৰিব কেৱল ৰাজনৈতিক স্বাৰ্থ সন্মুখত ৰাখি, ৰাজনৈতিক সুৰক্ষাৰ কথা চিন্তা কৰি আমি জনসাধাৰণৰ প্ৰতি অন্যায় কৰিব নালাগে। বিশেষকৈ বিৰোধী সদস্য সকলে। মই এইখিনিকে কৈ এই বাজেটৰ ভাল দিশসমূহ চোৱাৰ কাৰণে নতুনকৈ আকৌ এবাৰ বাজেট অধ্যায়ন কৰিবলৈ আহ্বান জনাই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী লৰেন্স ইছলাৰী।

**শ্ৰী লৰেন্স ইছলাৰী (পূৰ কোকৰাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী আৰু সন্মানীয় বিত্তমন্ত্ৰী ডাঙৰিয়নীক মই পোন প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছোঁ। সময় উপযোগী আৰু সকলোকে চুই যোৱা এখন বাজেট দাখিল কৰিলে। গাঁও, নগৰ, চহৰ, শিক্ষাৰ পৰা খেল জগতলৈ বিভিন্ন দিশ চুই গৈছে, এই বাজেটে। মই পোন প্ৰথমে বাজেটটো সমৰ্থন কৰিছোঁ।

মোৰ কোৱাৰ সময় যিহেতু কম, সেই কাৰণে মই বিশেষ কেইটামান কথা উনুকিয়াব বিচাৰিছোঁ। আমি সকলোৱে জানো যে ভাৰতৰ কিছুমান ৰাজ্য, যি ৰাজ্য বিলাকে পৰ্য্যাটনৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয় আৰু সেই ৰাজ্য সমূহৰ অৰ্থনীতি পৰ্য্যাটনৰ ওপৰত নিৰ্ভৰ কৰে। যেনেকৈ আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য চিকিম, বিশেষকৈ সেই ৰাজ্যখনে পৰ্যটনৰ ওপৰত বা পৰ্য্যাটনৰ দ্বাৰা ৰাজ্যৰ অৰ্থনীতি যথেষ্ট নিৰ্ভৰ কৰে।

আমি দেখিবলৈ পাইছো যে এই বাজেটত নতুন পৰ্য্যাটন নীতি, ২০২২ প্ৰস্তুষ্ট কৰা হৈছে। য'ত কাজিৰঙা, মানাহ, ইত্যাদি ব্যক্তিগত বিনিয়োগক প্ৰহাৰ কৰিবলৈ চৰকাৰে বৃহৎ হস্পিতালিটি প্ৰকল্পৰ বাবে প্ৰধান হস্পিতালিটি গোট সমূহৰ চুক্তি স্বাক্ষৰ কৰিবলৈ সন্মত হৈছে। আমি জানো যে যিহেতু এতিয়া অসম শান্তিপ্ৰিয় এখন ৰাজ্য। দেশ বিদেশৰ পৰ্য্যাটন বিলাক কাজিৰঙৰাৰ বাদেও অন্য ঠাই বিলাকলৈ আহে, আজি বিটিআৰত থকা মানাহত দেশ বিদেশৰ পৰ্য্যাটন বিলাক আহি আছে আৰু দিনক দিনে বৃদ্ধি হৈ আছে। যোৱা বছৰ বিটিআৰত অঞ্চলত এটা discovery কৰা হ'ল ৰাইমনা নেচনেল পাৰ্ক। এই ৰাইমনা নেচলে পাৰ্কতো দেশ বিদেশৰ পৰ্য্যাটক আহিবলৈ আৰম্ভ কৰিছে। ৰাইমনা নেচনেল পাৰ্ক বিটিআৰ অঞ্চলৰ কোকৰাঝাৰ জিলাৰ ভিতৰত পৰে, কি ধৰণৰ আছিল। কিন্তু এটা শান্তি চুক্তি হোৱাৰ পিছত যোৱা বছৰ চৰকাৰে ৰাইমনা নেচনেল পাৰ্কত ঘোষণা কৰাৰ পিছৰ পৰাই দেশী বিদেশীৰ পৰ্য্যাটক আহিবলৈ আৰম্ভ কৰিছে। Discover হৈ আছে, আৰু কৰিব লগীয়া বহুত আছে, মই ভাৱো এই নতুন পৰ্য্যাটন যি নীতি, ইয়াৰ জৰিয়তে বিভিন্ন discover হ'ব লগীয়া যিবিলাক পৰ্য্যাটন স্থলী আছে, নিশ্চয় এইবিলাক কৰা হ'ব। মোৰ সমষ্টিতে Holtugaon Forest Division ৰ under উলোটাপানী ৰেঞ্জত বিভিন্ন জাতিৰ বহু পখীলা পোৱা যায়। তাত যিসকলে research কৰে তেওঁলোকে আহে, আৰু কবলৈ আৰম্ভ কৰিছে যে এনেকুৱা ঠাই নাই, য'ত ১০০ টাতকৈও বেছি প্ৰজাতিৰ পখীলা পোৱা যায়। মোৰ সমষ্টিতে সোণালী বান্দৰ, যিটো এতিয়া বিলুপ্ত অৱস্থাত। গতিকে এনেকুৱা অসমত বহুত আছে, যিবিলাক নতুন পৰ্য্যাটন নীতিৰ ভিতৰত নিশ্চয় আহিব আৰু ইয়াৰ দ্বাৰা অসমৰ অৰ্থনীতি ক্ষেত্ৰত ভাল হ'ব। নিৰনুৱা যুৱক-যুৱতি সকলে আজি জীয়াই থকাৰ এটা পথ পাব। অলপ আগতে সদনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে প্ৰাচীন যি ধৰ্ম অনুষ্ঠান বিলাক আছে, এইবিলাক পৰ্য্যাটন স্থলীৰ নিচিনা কৰা হ'ব। ঠিক

তেনেকৈ পৰ্য্যাটনৰ সম্ভৱনা আছে আমাৰ ৰাজ্যখনত, নতুন পৰ্য্যাটন নীতিৰ অধীনত এইবিলাক আহিব। আৰু লাহে লাহেকৈ আমাৰ যি নিৱনূৱা যুৱক-যুৱতিসকল আছে, তেওঁলোকে কোনোবাই হোটেল, ৰেষ্টুৰেন্ট, গাড়ী চলাব, তেনেকুৱা ধৰণে directly, indirectly তেওঁলোকে লাভৱান হ'ব। এইটো আমি এই বাজেটৰ জৰিয়তে দেখিবলৈ পাইছোঁ।

এই বাজেটত সাংস্কৃতিক পৰিচয়ৰ সন্ধান। হয়, আগতে কৰা হৈছিল, হয়তো এক, দুই বছৰ কৰিব পৰা নাছিল, বিভিন্ন কাৰণ। কিন্তু এইবাৰ আকৌ আমি দেখিবলৈ পাইছো অসম দৰ্শণ আচঁনিৰ অধীনত প্ৰাচীন ধৰ্ম অনুষ্ঠান, যিবিলাক ১০০ বছৰতকৈ অধিক পুৰণি, যেনে- নামঘৰ, মন্দিৰ, মহজিদ, গীৰ্জা আদি, প্ৰতিলৈ ১৫ লাখ টকা প্ৰদান কৰা হ'ব। টকাতো ডাঙৰ কথা নহয়, কথাটো হ'ল কি ভাৰত এখন ধৰ্ম নিৰপেক্ষ দেশ। ইয়াত সকলো ধৰ্মৰ সমান অধিকাৰ আছে, সকলোৱে নিজৰ ধৰ্ম practice কৰিব পাৰে, প্ৰচাৰ আৰু প্ৰসাৰ কৰিব পাৰে। গতিকে এনেকুৱা সময়ত আমাৰ অসমত প্ৰাচীন ধৰ্মৰ যিবিলাক অনুষ্ঠান আছে, নামঘৰ, মন্দিৰ, মহজিদ, গীৰ্জা আদি, তেওঁলোকক ৫০ লাখ টকা দিয়াৰ সিদ্ধান্ত লৈছে। সমদৃষ্টি আৰু সকলো ধৰ্মৰ প্ৰতি উদাৰতা মনোভাৱ আছে, এইটো ইয়াতে reflect হৈছে যে অসম চৰকাৰে কোনো বাচ বিচাৰ নকৰাকৈ যিবিলাক ১০০ বছৰ পুৰণি ধৰ্মীয় অনুষ্ঠান আছে, এইবিলাক আৰ্থিকভাৱে সাহায্য দিব। এই কথাটো বাজেটত আমি দেখিবলৈ পাইছোঁ। এই প্ৰাচীন ধৰ্মৰ যিবিলাক পুৰণি অনুষ্ঠান আছে, এইবিলাকো দেশ বিদেশৰ পৰ্য্যাটকে চাবলৈ আহিব, ইয়াৰ দ্বাৰাও directly, indirectly আমাৰ মানুহবিলাকৰ লাভ হ'ব।

আমাৰ গাঁও আমাৰ গৌৰৱ। ৰাজ্যখনত প্ৰায় ২৬ হাজাৰ খন গাওঁ আছে। এই গাওঁসমূহক লৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সপোন দেখিছে গাওঁ প্ৰতিষ্ঠা দিৱস পালন কৰিব, তাৰ বাবে ৫ হাজাৰ টকাকৈ দিয়া হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আমি গম পোৱা নাছিলো যে আমাৰ গাঁওখন কেতিয়া প্ৰতিষ্ঠা হৈছিল। কিন্তু এইবাৰৰ পৰা চৰকাৰে কৈছে গাঁও প্ৰতিষ্ঠা দিৱস পালন কৰিব লাগে। আমাৰ গাওঁত প্ৰাথমিক বিদ্যালয় আছে, বিদ্যালয়টো কেনেকুৱা, কি আছে, কি নাই, এইসমূহ এতিয়া গাওঁ প্ৰতিষ্ঠা দিৱস পালন কৰিম যে ইয়াৰ পৰা আমাৰ মাজত এতিয়া আলোচনা হ'ব, গাওঁ এৰি কোনোবাই বাহিৰত থাকে, ইত্যাদি ঠাই সমূহত থাকে, কিন্তু আমি যেতিয়া গাঁৱৰ প্ৰতিষ্ঠা দিৱস পালন কৰিম, তেতিয়া দূৰত থকা মানুহখিনিয়েও আহিব। তেওঁলোকেও কব যে আমাৰ গাঁৱত প্ৰতিষ্ঠা দিৱস হৈছে। আমি বাহিৰত থাকো, গাওঁৰ কাৰণে কিবা এটা contribute কৰিব পাৰো নেকি? সহায় কৰিব পাৰো নেকি? এই এটা মনোভাৱ আহিব, যিটো আমি এই বাজেটত দেখিবলৈ পাইছোঁ।

মই সেইকাৰণে কৈছো এই বাজেট গাওঁ, নগৰ, চহৰ, শিক্ষাৰ পৰা খেল জগতলৈ বিভিন্ন দিশত চুই গৈছে তাৰ কাৰণে মই সম্পুৰ্ণভাৱে এই বাজেটখনক সমৰ্থন কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া দৰসিং ৰংহাং।

**শ্ৰী দৰসিং ৰংহাং(ডিফু)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আৰু বিত্তমন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়নি প্ৰচেষ্টাত ২০২৩-২৪ বিত্তীয় বৰ্ষত অসমৰ ৰাইজৰ কাৰণে নতুনকৈ কৰ আৰোপ নকৰাকৈ যি বাজেট প্ৰস্তুষ্ট কৰিছে, ই এক জনমুখী বাজেট। মই ইয়াৰ ওপৰত সম্পূৰ্ণ সমৰ্থন আৰু আস্থা ৰাখি কিছু বক্তব্য ৰাখিব বিচাৰিছোঁ। কিছু পাহাৰৰ এলেকাৰ কথা মই বক্তব্য ৰাখিব বিচাৰিছো। যিহেতুকে মই কেৱল পাহাৰৰ কথাবোৰ উত্থাপন ৰাখি মই এই বাজেট সম্পৰ্কত বক্তব্য সমাপ্ত কৰিম। ভাল লাগিছে hills area কাৰ্বি আংলং আৰু ডিমাহাচাও এলেকাৰ ২০২৩ আৰু ২০২৪ যিটো বাজেটৰ কাৰণে ২৯৬৭. ৬৭কোটি টকা যি ধাৰ্য্য কৰিছে,

ইয়াৰ যোগেদি অকল কাবি আংলঙে SOPD ত আৰু Economic Package লৈ পাঁচশ ষাঠি কোটি টকা আমি উন্নয়নৰ কাৰণে খৰছ কৰিব পাম। গতিকে বিত্ত মন্ত্ৰী আৰু লগতে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছো। এই যিবোৰ টকা ধাৰ্য্য কৰি দিছে, তাতকৈ অধিক আমি ধন্যবাদ জ্ঞাপন কৰিব লাগিব বিশেষকৈ কাৰ্বি আংলংৰ এলেকাত আজি শান্তি স্থাপন হৈছে। শান্তি স্থাপন হৈছে একমাত্ৰ বিজেপি চৰকাৰৰ নেতৃত্বত, ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যি শান্তি চুক্তি হৈছে, সেই শান্তি চুক্তিৰ যোগেদি আজি কাৰ্বি আংলংত বিভিন্ন ধৰণৰ কামকাজ বহুত দ্ৰুতগতিত আমি কাম-কাজ কৰি যাব পাৰিছো আৰু ভাল লাগিছে EAP যিখন আচঁনিৰ অসম দুৰ্যোগ সহনশীল পাৰ্বত্য এলেকাৰ ওপৰত উন্নয়ন প্ৰকল্পৰ যোগেদি NC hills ত যি ৩৮৭৫ কোটি টকা যি প্ৰকল্পৰ যোগেদি দুৰ্যোগৰ সন্মুখীন হ'বৰ কাৰণে সোনকালে সেইটো এলকাৰ উদ্ধাৰৰ কাৰণে যি পদক্ষেপ চৰকাৰে হাতত লৈছে, ই এক প্ৰশংসনীয় আৰু ভাল লাগিছে, এইবাৰ বিত্তীয় বছৰত বিশেষকৈ পুলিচ প্ৰশাসনৰ ওপৰত ইয়াত যথেষ্ট সংস্কাৰ আৰু ইয়াৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত বহুতো ইয়াত আচঁনি ধৰা হৈছে। ইয়াত নতুন নতুনকৈ outpost আৰু নতুন নতুন যি police station গঠনৰ কাৰণে ইয়াত আচঁনি লৈছে, যাৰ যোগেদি পাহাৰৰ এলেকাত বিশেষকৈ inter state border আৰু মেঘালয় আৰু কাৰ্বি আংলং, নাগালেণ্ড আৰু কাৰ্বি আংলং যিটো inter state border সেইটো border এলেকাত আমি নতুন নতুনকৈ police outpost লগতে police station গঠন কৰি সেই border ৰ এলেকাত থকা ৰাইজ সকলৰ কাৰণে মনোবল আমি দিব পাৰিম। লগতে যি কিছুমান কামাণ্ডো বেটেলিয়ান যি গঠনৰ যোগেদি আমি প্ৰস্তাৱ দিছিলো যে নাগালেণ্ড আৰু কাৰ্বি আংলং inter state border, সেই border ৰ এলেকাত কামাণ্ডো এটা কোম্পানী গঠনৰ যোগেদি দীৰ্ঘদিনীয়া যি আমাৰ inter state border ৰ সমস্যা, এই এলেকাত থকা ৰাইজ সকলৰ কাৰণে যাতে সুৰক্ষিত হয়, সেই আচঁনিৰ যোগেদি আমি যথেষ্ট লাভান্বিত হম বুলি আশা কৰিছো। কাৰ্বি আংলংৰ কাৰণে ডিফু চহৰত যি ফ্লাইঅভাৰ গঠনৰ কাৰণে পুঁজি ধাৰ্য্য কৰা হৈছে আৰু লগতে rice procrument যি আচঁনি FCI ৰ লগত অসম চৰকাৰৰ পৰা সমান্তৰালভাৱে rice procurement ৰ যোগেদি কাৰ্বি আংলংত বসবাস কৰা খেতিয়ক সকলৰ ধানখেতি, কৃষকসকলৰ কাৰণে যাতে তেওঁলোকক উৎসাহ দিব পাৰিছো। গতিকে চৰকাৰক আমি ধন্যবাদ জ্ঞাপন কৰিছো। আগৰ কংগ্ৰেছৰ চৰকাৰৰ সময়ত বিশেষকৈ যি সকল কাৰ্বি আংলংৰ পৰা বিধায়ক হৈ আহে তেওঁলোকে কাৰ্বি আংলংত অসমৰ State SOPD ৰ যোগেদি আমি তাত আচঁনিবিলাক ৰূপায়ণ কৰিব পৰা নাছিল। কিন্তু আজি ভাল লাগিছে, বিধায়ক সকলেও অসমৰ ১২৬ সমষ্টিৰ যেনেধৰণে State SOPD ৰ যোগেদি আমি আচঁনি বিলাক ৰূপায়ন কৰিববলৈ আমি কাৰ্বি আংলং, Karbi Anglong Autonomous Council CM সকল, EM সকলৰ লগত MLA ৰ যিটো State SOPD ৰ যোগেদি আমি যাতে কিছু উন্নয়নৰ কাম-কাজ সহযোগ কৰাৰ কাৰণে আমি চৰকাৰক বহুত ধন্যবাদ জ্ঞাপন কৰিছো। যোৱাবাৰ বিত্তমন্ত্ৰীয়ে Karbi Anlong Autonomous Council ৰ কাৰণে নিজস্ব হিচাপে বাজেট প্ৰস্তুত কৰাৰ কাৰণে যি সা-সুবিধা দিলে আৰু আশাবাদী যে আমি আহিবলগীয়া দিনবোৰত কাৰ্বি আংলং ৰাইজৰ যি সাংবিধানিক প্ৰাপ্য, যি অসমৰ ৰাইজৰ সাংবিধানিক প্ৰাপ্য সেই প্ৰাপ্য, ভাৰতৰ সংবিধানত লিপিবদ্ধ হৈ থকা ২৯৪ যিটো ধাৰা ৰূপায়নৰ যিটো কাৰ্য্য, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰু বি জে পি চৰকাৰৰ নেতৃত্বত আমি কাৰ্য্যকৰী কৰিববলৈ সক্ষম হম। এইখিনি আশা কৰি মই বাজেটৰ ওপৰত পূৰ্ণ সমৰ্থন পুনৰবাৰ জনাই মোৰ বক্তব্য

সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, চৰকাৰী পক্ষই এই বাজেট খনক সৰ্বশ্ৰেষ্ঠ বাজেট বুলি কৈছে। জনমুখি বাজেট বুলি কৈছে আৰু বিৰোধী দল বিলাকে কৈছে যে এইবাজেটখন গতানুগতিক আৰু নিৰ্বাচন কেন্দ্ৰীক বাজেট। মোৰ মতে এই বাজেটখন মুখ্যমন্ত্ৰীময় বাজেট। গোটেই বাজেটখনত কেৱল মুখ্যমন্ত্ৰী, মুখ্যমন্ত্ৰী। এই আচঁনি বিলাক চাওঁক, মুখ্যমন্ত্ৰীৰ স্ব-নিয়োজন আভিযান, মুখ্যমন্ত্ৰীৰ আয়ুস্মান অসম যোজনা, মুখ্যমন্ত্ৰীৰ আৱাস যোজনা, মুখ্যমন্ত্ৰীৰ নগৰীয়া পথ-পকীকৰণ, মুখ্যমন্ত্ৰীৰ লোকসেৱা আৰোগ্য আঁচনি, মুখ্যমন্ত্ৰীৰ গোটেই বাজেটখন কেৱল মুখ্যমন্ত্ৰী, মুখ্যমন্ত্ৰী, মুখ্যমন্ত্ৰী। বাজেটখনত ১২ খন আঁচনি মুখ্যমন্ত্ৰীৰ নামত কোৱা হৈছে আৰু এই বাজেট ভাষণত ৩৬ বাৰ মুখ্যমন্ত্ৰীৰ নাম লৈছে। শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, আজি গোটেই দেশৰ মানুহৰ গণতান্ত্ৰিক ব্যৱস্থাটোৰ ওপৰত সন্দেহ ব্যক্ত হৈছে। আজি বি.জে.পি আৰু *....* ৰ চৰকাৰে গোটেই দেশত স্বৈৰাতন্ত্ৰ আনিছে বুলি সন্দেহ প্ৰকাশ কৰিছে।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ ঃ** এইটো Expunge কৰা হ'ব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মানে বুজি নাপালো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো সংঘৰ নাম লৈছে, সেইটো Expunge হৈ যাব।

(সদনত হুলস্থুল)

**শ্ৰী কৌশিক ৰায়, (লক্ষীপুৰ)ঃ** RSS শব্দটো উঠাই ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কৈ থাকক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিজেপি দলৰ আদৰ্শবিলাক অন্তোদয়া। সমাজৰ একেবাৰে শেষৰজন মানুহৰ কল্যাণ সাধনে তেওঁলোকৰ জীৱনৰ ব্ৰত। অথচ গোটেই বাজেটখনত কেৱল হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী, মুখ্যমন্ত্ৰী এই বক্তব্য প্ৰদান কৰা হৈছে।

*...* Expunged by the Chair.

গতিকে মাননীয় অধ্যক্ষ মহোদয়, বিজেপি দলটো, বিজিপিৰ পৰা লাহে লাহে হিমন্ত বাহিনীলৈ পৰিণত হৈছে নেকি? এইটো দেখা গৈছে।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** Silence please Ho'ble Member. তেখেতৰ নাম লৈ আছে।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰীটো হৈছে সাংবিধানিক পদ। তেখেতো হ'ব খুজি থাকে, হ'ব নোৱাৰে কেতিয়াও। হ'লেতো আপোনাৰ নামতো হ'ল হয় মুখ্যমন্ত্ৰী আয়ুষ্মান ভাৰত৷ এইটো মুখ্যমন্ত্ৰীৰ সাংবিধানিক অধিকাৰ, সাংবিধানিক পদ। তাৰ ওপৰত controversy হ'ব নোৱাৰে। আপুনি এটা অন্ততঃ ধন্যবাদ দিব লাগে। এটা পৰিয়ালৰ নাম বা কেইজনমান ব্যক্তি বিশেষৰ নাম নিদি আমি যে মুখ্যমন্ত্ৰীৰ সাংবিধানিক নামটো দিছো, সেইটো ধন্যবাদ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বিতৰ্কলৈ যাব নালাগে। আপুনি কৈ থাকক।

**শ্ৰীঅখিল গগৈ, ( শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোকো এনেকৈ মাজে মাজে বক্তৃতা দিবলৈ দিব লাগিব।..........interruption..........মই এতিয়া ক'ব পাৰিম নে?

**মাননীয় অধ্যক্ষ ঃ** আপুনি কৈ থাকক। আপোনাৰ সময় শেষ হৈছে। কিন্তু মই আপোনাক আৰু

দুই  মিনিট সময় দিছো। আপুনি বিতৰ্কলৈ  যাব নালাগে।

**শ্ৰীঅখিল গগৈ, ( শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিতৰ্কলৈ যোৱা নাই। মই মোৰ বক্তব্য প্ৰকাশ কৰি আছো। এইখন অসমৰ ইতিহাসৰ সৰ্ববৃহৎ বাজেট বুলি কোৱা হৈছে। কিন্তু ইয়াত আমি দেখিছো যে ডাঙৰ ডাঙৰ চুৰিয়াৰ ফেৰ আছে। আমি দেখিছো যে বাহিৰত বৰ চুৰিয়াৰ ফেৰ, ঘৰত কিন্তু ঢকুৱাৰ বেৰ। কাৰণ আমি দেখিবলৈ পাইছো ইয়াত দৰমহা, পেঞ্চন আৰু ঋণৰ সুদৰ বাবদ ৫৮ শতাংশ ধন খৰচ কৰা হৈছে। দৰমহা, পেঞ্চনক বাদ দি ইয়াত মাত্ৰ ৬৯ হাজাৰ ২শ ৮৪ কোটি টকা ধাৰ্য্য কৰা হৈছে। তাৰে আকৌ বেছিভাগ টকা  চেণ্ট্ৰেলি স্পনচ্ৰ স্কীমত ৩১ হাজাৰ কোটি টকাৰ, তাৰে সাত হাজাৰ  আঠ শ উনত্ৰিশ কোটি টকা অৰুণোদয় আদিকে ধৰি হিতাধিকাৰীসকলৰ বাবে। মুঠতে দেখা গৈছে যে উন্নয়নমূলক কামৰ বাবে ইয়াত ধন নাই।. .........interruption..........বাজেটৰ ধনৰ যিটো উৎস, সেই ধনৰ উৎসত দেখা গৈছে যে অসমৰ নিজৰ যিটো ধনৰ উৎস, সেই ধনৰ উৎস একেবাৰে কম। আমাৰ নিজৰ ধনৰ উৎস কেৱল ২৭ শতাংশ, লোনৰ উৎস ১৮ৰ শতাংশ আৰু চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ উৎস ৫৫ শতাংশ। গতিকে দেখা গৈছে যে নিজৰ একেবাৰে ধন নাই আৰু আমি বেলেগৰ ওপৰত নিৰ্ভৰ কৰি বিশেষকৈ লোনৰ ওপৰত নিৰ্ভৰ কৰি আমি চৰকাৰখন চলাবলৈ গৈছো। এইটো দেখিবলৈ পোৱা গৈছে যে বাহিৰত কেৱল ফেৰ মৰা হৈছে। চুৰিয়াৰ ফেৰ নম্বৰ-তিনিত আমি দেখিছো যে এই ৰাজ্যখনৰ নিজা আয় ৩৭হাজাৰ ৩২০ কোটি টকা মাত্ৰ। ইয়াৰ  পৰা কৰ্মচাৰীৰ দৰমহাৰ বাবে ৪১হাজাৰ ৪০ কোটি টকা যাব আৰু কৰ্মচাৰীৰ পেঞ্চনৰ বাবে ১৬ যোল্ল হাজাৰ ২০৯ কোটি টকা যাব। অৰ্থাৎ এই গোটেই বিলাকৰ পৰা চৰকাৰৰ নিজৰ আয়ৰ পৰা চৰকাৰী কৰ্মচাৰীৰ আঠ মাহৰ দৰমহা আৰু পেঞ্চন দিব পৰা যাব। অথচ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে যে আমি নিজৰ দৰমহা সম্পূৰ্ণকৈ নিজে দিব পাৰিম সেইটো একেবাৰে মিছা। ..........interruption..........আমাৰ কোৱা হৈছে যে  ৫.৫ লাখ কোটি টকা আমাৰ জি ডি পি হ'ব। কিন্তু আমি দেখিবলৈ পাইছো যে সেই হিচাব একেবাৰে ভুল একেবাৰে মিছা। অসমৰ জনমূৰি আয়ৰ ফালৰ পৰা অসম ভাৰতবৰ্ষৰ তলৰ ফালৰ পৰা ৫ নম্বৰত আছে। আমি দেখিবলৈ পাইছো ....(সংস্কৃতত শ্লোক এটা গাই দিয়ে)....প্ৰয়াত তৰুণ গগৈদেৱৰ  চৰকাৰৰ দিনত সৰ্বমুঠ ধাৰ হৈছিল-৪১ হাজাৰ কোটি টকা, সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনৰ ধাৰ হৈছিল-৪৮ হাজাৰ কোটি টকা আৰু বৰ্তমান হিমন্ত বিশ্ব দেৱৰ চৰকাৰৰ দিনত দুবছৰৰ ভিতৰত ধাৰ হৈছে-৪০হাজাৰ কোটি টকা।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ ।আপোনাৰ সময় পাৰ হৈছে। ..........interruption..........অখিল গগৈ ডাঙৰীয়াৰ কথা আৰু ৰেকৰ্ড কৰা নহ'ব। এতিয়া ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে আপোনাক এই বাজেটত অংশ গ্ৰহণ কিৰব দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো আৰু লগতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্তমন্ত্ৰী মহোদয়াক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। অসমৰ প্ৰত্যেক জাতি-জনগোষ্ঠীক সাঙুৰি এই বাজেটখন আগবঢ়োৱাৰ বাবে মই পুনৰবাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্তমন্ত্ৰী মহোদয়াক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। আমি অসমৰ সকলোৱে জানো আমাৰ জাতীয় সঙ্গীত আছে। এই জাতীয় সঙ্গীত আৰম্ভ হৈছে-অ' মোৰ আপোনাৰ দেশ, অ' মোৰ চিকুনি দেশ, এনেখন শুৱলা, এনেখন সুফলা, এনেখন মৰমৰ দেশ। এই জাতীয় সঙ্গীতটো আমাৰ আগৰ চৰকাৰে, ৰাজনৈতিক দলসমূহে কেৱল গাব লাগিছিল কাৰণে গাইছিল নেকি? সঁচা অৰ্থাৎ অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে হৃদয়ৰ পৰা অনুভৱ কৰি এই জাতীয়

সঙ্গীতৰ সৈতে অসম খনক আগুৱাই লৈ যোৱাত এই বাজেটৰ জৰিয়তে পদক্ষেপ গ্ৰহণ কৰিছে। আজি যদি আমি চাওঁ এখন ৰাজ্যই উন্নয়ন আৰু শান্তি বিচাৰে। আজি প্ৰায় পঁচিশ খন জিলাৰ পৰা AFSPA আইন খন উঠাই লোৱাৰ ব্যৱস্থা কৰা হ'ল। আজি বড়ো শান্তি চুক্তি, কাৰ্বি শান্তি চুক্তিৰ লগতে আদিবাসী শান্তি চুক্তি হৈছে। আমি দেখা পালো আমাৰ আদিবাসী চাহ জনগোষ্ঠীৰ লোকসকলে বন্দুক তুলি লৈছিল। আজি এইখন চৰকাৰৰ প্ৰতি আস্থা ৰাখি আদিবাসী সংগঠন সমূহে মাননীয় হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ ওচৰলৈ শান্তি আলোচনা কৰিবলৈ আগবাঢ়ি আহিছে আৰু আদিবাসী শান্তি চুক্তি হৈছে। ৰাজ্যখন আগুৱাই যাবলৈ শান্তি লাগিব আৰু লগতে অসম আই মাতৃৰ নাম উজলি থাকক। এইখন অসমৰে বীৰ সকল আছিল আৰু এই বীৰ সকলৰ নাম লৈ কোনোবা ৰাজনৈতিক দলে বৈতৰণী পাৰ কৰিছিল নেকি? এইখন চৰকাৰে সেই বীৰসকলক সন্মান জনাই সেই বীৰৰ ৪০০ বছৰীয়া জন্মজয়ন্তী পালন কৰিছে। এই বিষয়ে সন্মানীয় বিধায়ক সকলে কৈছে। মই আকৌ দুনাই ক'ব বিচৰা নাই। এইখন চৰকাৰে নজিৰ ৰচিছে আৰু সঁচা অৰ্থত বীৰক সন্মান জনোৱাৰ বাবে উদাহৰণ দেখুৱালে, গিনীজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডত স্থান লাভ কৰা। আজি ইউনেস্কোত মৈদাম অন্তৰ্ভূক্ত হ'ব। আমি যদি আজি জি এচ টি চাওঁ ৫.৫০ লাখৰ পৰা বৃদ্ধি হৈছে। বেঙ্কৰ ট্ৰেনজেকশ্যন ৫০.৭ ৰ পৰা ৫৭.৫ শতাংশ বৃদ্ধি হৈছে। মই বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্মীৰ কৃষকক লগ পাইছো। আজি সংখ্যালঘু কৃষক সকলে আমাক ধন্যবাদ জনাইছে যে এই চৰকাৰখনে প্ৰকৃতাৰ্থত সংখ্যালঘু লোকসকলৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এক কুইণ্টল ধানৰ বাবদ২,০৪০ হাজাৰ টকা পাব বুলি কোনো কৃষকে সপোনত ভবা নাছিল আৰু এইখন চৰকাৰে আজি দিয়াৰ ব্যৱস্থা কৰিছে। মিশ্যন সদ্‌ভাৱনাৰ জৰিয়তে এইখন চৰকাৰে কোনো জাতি-জনগোষ্ঠীৰ মাজত কোনো বিভেদ কৰা নাই। সংখ্যলঘু লোকসকলে আমাক ধন্যবাদ জনালে যে তেওঁলোকে মিশ্যন সদ্‌ভাৱনাৰ যোগেদি দিছপুৰলৈ নোযোৱাকৈ অনলাইনযোগে বহু চাৰি-পাঁচ বছৰ পুৰণি সমস্যা সমাধান কৰাৰ সুযোগ লাভ কৰিছে। অনলাইনৰ ব্যৱস্থা কৰি মিশ্যন সদ্‌ভাৱনা, ভূমি পুত্ৰৰ জৰিয়তে কাষ্ট চাৰ্টিফিকেট উলিওৱা মিশ্যন বসুন্ধৰাৰ জৰিয়তে আজি ভাৰতৰ স্বাধীনতাৰ হোৱাৰ সময়ৰ পৰা মাটিৰ সমস্যাসমূহ সমাধান হৈছে। দহ-পোন্ধৰ শতাংশ অন্য চিন্তা-ধাৰাৰ লোকে সমালোচনা কৰিলে একো লাভ নহ'ব। কাৰণ এইখন চৰকাৰৰ বৰ্তমানৰ বিত্তমন্ত্ৰীগৰাকী অসমৰ প্ৰথম মহিলা বিত্তমন্ত্ৰীক পাইছো। মাননীয়া অজন্তা নেওগ ডাঙৰীয়ানীয়ে দায়িত্ব লৈছে। অসম আগুৱাই যাব ইয়াত কোনো সন্দেহ নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি যদি গুৱাহাটীত নতুন দলং নিৰ্মাণ হৈছে, নতুন দলং ব্ৰহ্মপুত্ৰতো নিৰ্মাণ হৈছে ....interruptions..

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। হ'ব ধন্যবাদ।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** আজি মোৰ ক'বলৈ মন আছিল। আৰু চাগে ....interruptions..

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, সময় নাই আৰু। Reply দিব লাগে.....interruptions......

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** আৰু এক মিনিটমান কৈ দিওঁ।

**মাননীয় অধ্যক্ষঃ** হ'ব। ১ মিনিটত কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** আাজি যদি চায়, চহৰাঞ্চলত স্বচ্ছ জিলা পুৰস্কাৰ, অসম গৌৰৱ, অসম ভৈৰৱ, বিভিন্ন ধৰণৰ উদগনিমূলক পুৰস্কাৰ প্ৰদানৰ ব্যৱস্থা আছে। আজি যদি নতুন পৰ্যটন নীতি লৈছে, আনহাতে চাহ-বাগানৰ ২০০ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰাৰ ব্যৱস্থা কৰা হৈছে। চাহ-বাগানৰ শ্ৰমিকসকলৰ বাবে ৩% OBC Category ত reservation ৰে নিযুক্তি

প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। অসম চাহ-নিগমৰ শ্ৰমিকসকলৰ যিটো বকেয়া ধন, সেই ধন নিষ্পত্তি কৰাৰ বাবে ১০০ কোটি টকাৰ ব্যৱস্থা কৰিছে। মোৰ কৈ চাগে শেষ নহ'ব। জাতীয় সংগীতৰ প্ৰকৃত অৰ্থত এইখন চৰকাৰে সন্মান জনাই কাম কৰিছে। মাননীয় মুখ্যমন্ত্ৰী, মাননীয় বিত্ত মন্ত্ৰী মহোদয়াক মই পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী জাকিৰ হুছেইন সিকদাৰ। আপোনাৰ ১৫ ছেকেণ্ড সময় আছে। ৩-৪ মিনিটত শেষ কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিধায়িনী দলৰ সময় মাত্ৰ ১৫ ছেকেণ্ড আছিল, তাৰ পিছতো আপুনি আন্তৰিকতাৰে সময় বঢ়াই দিয়াৰ বাবে আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছো। ২০২৩-২৪ বৰ্ষৰ বাজেট উপস্থাপন কৰিবলৈ গৈ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে দুজন ব্যক্তিৰ সংজ্ঞা আৰু এজন ব্যক্তিৰ বাণী বাজেটত উপস্থাপন কৰিছে। প্ৰথমে মই বিখ্যাত অৰ্থনীতিবিদ Dudley Seers ৰ সংজ্ঞাটো মই এবাৰ আপোনাৰ জৰিয়তে মাননীয় সদনক আকৌ এবাৰ অৱগত কৰিব বিচাৰিছো। সংজ্ঞাটো হ'ল- 'উন্নয়ন হৈছে এইটোৱেই, যেতিয়া দৰিদ্ৰতা, অসমতা আৰু নিবনুৱা সমস্যা নাইকিয়া হয় বা নিম্নগামী হ'বলৈ আৰম্ভ কৰে।' দ্বিতীয়তে, জাতিৰ পিতা মহাত্মা গান্ধীৰ বাণী বাজেটত প্ৰতিফলিত কৰিছে, যিটো হ'ল- 'যেতিয়া তুমি দ্বিধাত থাকা, আটাইতকৈ দুখীয়া আৰু দুৰ্বল ব্যক্তিজনলৈ মনত পেলোৱা আৰু নিজকে সোধা যে তুমি লোৱা প্ৰচেষ্টাই ব্যক্তিজনৰ জীৱনৰ ভাগ্য সলনি কৰিব পাৰিব নে?' অৰ্থাৎ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে আৰু ৰাজ্য চৰকাৰে বাজেট প্ৰস্তুত কৰোতে দুজন মহান ব্যক্তিৰ কথা যেতিয়া মনত কৰিছে, তাৰ পিছত এই বাজেটৰ ভিতৰত ৰাজ্যৰ কল্যাণৰ কাৰণে, উন্নয়নৰ কাৰণে, ৰাজ্যৰ জনতাৰ বাবে বহুত কিবাকিবি আমি আশা কৰি আছিলো। বাজেটৰ প্ৰথম পৃষ্ঠাত বিখ্যাত অৰ্থনীতিবিদ ডাঙৰীয়াৰ সংজ্ঞা উঠাইছিল বা পঢ়ি দিছিল, তেতিয়া আমি বাজেটৰ ভিতৰত কিছু কথা থাকিব বুলি আশা আৰু অনুমান কৰিছিলো। কিন্তু, সেইয়া আমি বাজেটত দেখা নাপালো। ভেঞ্চাৰ শিক্ষকসকল, যিসকলে ওৰেটো জীৱন শিক্ষাৰ লগত জড়িত হৈ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিয়ে, এতিয়াও তেনে বহু ভেঞ্চাৰ শিক্ষক তথা শিক্ষানুষ্ঠান আছে যিসকলক চৰকাৰীকৰণৰ পৰা বঞ্চিত কৰি ৰাখিছে। অংগনবাদী কৰ্মী আৰু সহায়িকা যিসকল আছে তেওঁলোকে দিনৰ পিছত দিন ধৰি অংগনবাদী কেন্দ্ৰত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিয়াৰ লগতে চৰকাৰে বিভিন্ন কামত নিয়োজিত কৰে। বিভিন্ন সময়ত তেওঁলোকে দৰমহা বৃদ্ধিৰ বাবে প্ৰতিবাদ কৰি আহিছে। কিন্তু, বাজেটত অংগনবাদী কৰ্মী আৰু সহায়িকাৰ দৰমহা বৃদ্ধিৰ কোনো বিষয় উল্লেখ নাই। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আহাৰ যোগানৰ বাবে যিসকল ৰান্ধনী নিয়োগ কৰা হৈছে, সেই ৰান্ধনীসকলে বছৰ বছৰ ধৰি দৰমহা বৃদ্ধিৰ বাবে চৰকাৰৰ ওচৰত আবেদন জনাই আছে, কান্দি-কাটি চৰকাৰক অনুনয় বিনুনয় কৰি আছে। কিন্তু, বাজেটত ৰান্ধনীসকলৰ দৰমহা বৃদ্ধিৰ কোনো কথাই উল্লেখ নাই। অন্যহাতে, যিসকল শিক্ষকক ইতিমধ্যে চৰকাৰীকৰণ কৰি Tutor ৰ মৰ্য্যাদা দিয়া হৈছিল, তেওঁলোকৰ যি দৰমহা, সেই দৰমহাত কোনো এটা পৰিয়াল চলিব নোৱাৰে। তেওঁলোকে দৰমহা বৃদ্ধিৰ দাবী জনাইছিল কিন্তু, এই ক্ষেত্ৰত কোনো কথাই ইয়াত উল্লেখ নাই। বাজেটত বাইদেউয়ে কৈছে যে আমাৰ ৰাজ্যখনৰ অৰ্থনীতিৰ মেৰুদণ্ড হৈছে কৃষি খণ্ড। কিন্তু, কৃষি খণ্ডৰ বাবে বাজেটত যিখিনি টকা উল্লেখ কৰিছে, যিখিনি টকা কৃষিখণ্ডৰ বাবে ৰাখিছে, সেইখিনি টকাৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি সবল কৰা, শক্তিশালী কৰা কৃষকসকলক উপযুক্ত ভাৱে সহায় কৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, যোৱা বানপানীৰ কথা যদি আমি উল্লেখ কৰোঁ তেন্তে কৃষকসকলৰ খেতি-পথাৰ

বানপানীয়ে থান-বান কৰি গৈছিল। কিন্তু, বানপানীত ক্ষতিগ্ৰস্ত কৃষকসকলৰ বাবে কিবা ব্যৱস্থা কৰা বুলি এই বাজেটত উল্লেখ নাই। গতিকে, কৃষকসকলৰ যদি উন্নয়ন সাধিব নোৱাৰে তেন্তে ৰাজ্যৰ কেতিয়াও উন্নয়ন নহয়। ৰাজ্যৰ অৰ্থনৈতিক ভেটি কেতিয়াও সবল নহয়। এই বাজেটত পশুধনৰ উপযুক্ত ব্যৱহাৰ বুলি কৈছে। আমি সকলোৱে জানো যে কণী, গাখীৰ, মাংসৰ বাবে আমি বেলেগ ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। কিন্তু, অসমৰ অৰ্থনৈতিক ভেটি সবল কৰাৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ ওপৰত উপযুক্ত ভাৱে যদি চৰকাৰখনে আন্তৰিকতা দেখায়, তেন্তে এই অসমত আমাক যিমান কণী, গাখীৰ, মাংস লাগে নিশ্চিতভাৱে উৎপাদন কৰিব পাৰিব। কিন্তু, বাজেটে যিখিনি কথা উল্লেখ কৰিছে তাত এই কথাবোৰৰ ওপৰত একো নাই। মাছৰ ক্ষেত্ৰত এতিয়াও আমি বেলেগ ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। বেলেগ ৰাজ্যৰ পৰা মাছ ইয়াত আহে আৰু তাৰ পিছতহে আমি খাব পাৰো। কিন্তু, বাজেটত মীন বিভাগৰ বাবে যিখিনি টকা ধাৰ্য্য কৰিছে, সেই ধনেৰে অসমৰ মীন বিভাগক শক্তিশালী কৰিব নোৱাৰি। আমাৰ অসমত মীনৰ লগত জড়িত বহুত মানুহ আছে যিয়ে মাছৰ ব্যৱসায়, মাছৰ উৎপাদন, মাছৰ খেতি, মাছৰ পোহ-পাল কৰে, তেওঁলোকক যদি আমি সহায় কৰোঁ তেন্তে আমি নিশ্চিতভাৱে বাহিৰৰ মাছৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া নহয়। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ নামত 'মুখ্যমন্ত্ৰী আৱাস যোজনা' কৰিছে, ধান পোৱাৰ ব্যৱস্থা কৰিছে, তাৰ বাবে ধন্যবাদ জনাইছো। আহি থকা সময়ত মাননীয় বিত্ত মন্ত্ৰীয়ে বাজেট বিতৰ্কৰ ওপৰত যেতিয়া ৰিপ্লাই দিব নিশ্চিতভাৱে কৃষক, শিক্ষক, শিক্ষা, অংগনবাদীকেন্দ্ৰৰ কৰ্মী, ৰান্ধনী, মীন বিভাগৰ ক্ষেত্ৰত কিছু আন্তৰিকতা দেখাব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী দ্বিপায়ন চক্ৰৱৰ্তী। তিনি মিনিটত কৈ দিব।

**শ্ৰী দীপায়ন চক্রবর্তী, (শিলচর সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, গত ১৬ মার্চ ২০২৩ তারিখে মাননীয় বিত্তমন্ত্রী মহোদয়া যে বাজেট পেশ করেছেন সেটা জনকল্যাণমূখী ও সর্বস্পর্ষী বাজেট। সেজন্য আমার বিধানসভা সমষ্টির প্রত্যেক নাগকিরকের পক্ষ থেকে আমি অজন্তা নিয়োগ মহোদয়াকে অসংখ্য ধন্যবাদ জ্ঞাপন করছি।

আজ বিধানসভার এই পবিত্র সদনে দাড়িয়ে আমি আন্তরিক ভাবে কৃতজ্ঞতা জ্ঞাপন করছি আসামের জনপ্রিয় এবং শ্রেষ্ঠ মুখ্যমন্ত্রী এবং অর্থমন্ত্রী অজন্তা নিয়োগ মহোদয়াকে। কারন ২০২৩-২৪ অর্থবর্ষে তাদের নেতৃত্বে ইতিহাস গড়তে যাচ্চে আসাম রাজ্য। কি করে ইতিহাস ? মাননীয় অধ্যক্ষ মহোদয়, ২০২১-২২ অর্থবর্ষে জিএসডিপি ৩.৯৩ লক্ষ কোটি টাকা বৃদ্ধি হয়ে ২০২৩-২৪ অর্থ বর্ষে ৫.৫ লক্ষ কোটি হয়েছে। সেটা রাজ্যের অর্থনীতির বিকাশের একটি নজির সৃষ্টি করবে। আর আমরাও তার সাক্ষী হয়ে থাকব। মাননীয় অধ্যক্ষ মহোদয়, ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বাধীন সর্বস্পর্ষী রাজ্য সরকারের সর্বস্তরের জনগণের কথা চিন্তা করে এই বাজেট তৈরি করেছেন। যা রাজ্যবাসীকে এগিয়ে নিয়ে যাওয়ার এক যুগান্তকারী প্রচেষ্টা বললে ভুল হবেনা আমি মনে করি।

মাননীয় অধ্যক্ষ মহোদয়, ২০২১ ইংরাজিতে সরকার গঠন হওয়ার পর এখন পর্যন্ত ৭৯টি কেবিন্যাট মিটিংএর মধ্যে আসাম রাজ্যের রাজধানী দিশপুরের বাইরে অনুষ্ঠিত হওয়া ১০টি বিভিন্ন যায়গায় এই কেবিন্যাট মিটিং হয়েছে। তার মধ্যে অন্যতম একটি কেবিন্যাট মিটিং গত ২৯ নভেম্বর হয়েছিল। প্রথম বারের মত এই কেবিন্যাট মিটিং নিয়ে আমাদের বরাক উপত্যকার মানুষের মধ্যে অনেক আশা আকাঙ্খা ছিল । এই আশা আকাঙ্খাকে গুরুত্ব দিয়ে আমাদের মুখ্যমন্ত্রী ড০ হিমন্ত

বিশ্ব শর্মা মহাশয় বিভিন্ন গুরুত্বপূর্ণ সিদ্ধান্ত নিয়েছিলেন। যার জন্য আমজনতার মন উনি সেদিন জয় করতে সক্ষম হয়েছিলেন। সরকারের বিশেষ উপলব্ধির কথা যদি পর্যলোচনা করি তাহলে লক্ষ্য করা যাবে যে ৪২ হাজার যুবক যুবতীর নিযুক্তি প্রক্রিয়া ইতিমধ্যে সম্পূর্ণ করেছেন আমাদের আসাম রাজ্য সরকার। এছাড়াও ২০২৩ ইংরেজির মে মাসের মধ্যে আরও ৪০ হাজার যুবক যুবতীর নিযুক্তি প্রক্রিয়া সম্পূর্ণ করার পদক্ষেপ নিয়েছে আমাদের রাজ্য সরকার। এছাড়াও ১৮ হাজার যুবক যুবতীর নিযুক্তি প্রক্রিয়া বিভিন্ন পর্যায়ে রয়েছে যা শীঘ্রই সম্পূর্ণ হওয়ার প্রয়োজনীয় পদক্ষেপ নিয়েছে এই সরকার।

মাননীয় অধ্যক্ষ মহোদয়, আমাকে নির্ধারিত সময় দেওয়ার জন্য আমি আমার বিধানসভা সমষ্টির কিছু কথা উল্লেখ করে আমার বক্তব্য শেষ করব। এই সদনে বসা প্রত্যেক সদস্য সদস্যাদের মনে আছে যে ২০১৬ ইংরেজিতে ভারতীয় জনতা পার্টি আসাম রাজ্য সরকার আসার আগে আসামের অবস্থা যদি দেখি, বিশেষ করে বরাক উপত্যকায় প্রায়ই ধর্ণা, বন্ধ, আন্দোলন ইত্যাদি হত। আর এই আন্দোলন আজকের দিনে হঠাৎ করে স্তব্ধ হয়ে গিয়েছে। আমরা লক্ষ্য করেছি, ২০১৬ ইংরেজির সরকার আসার পর বিশেষ করে ২০২১ ইংরেজিতে ড০ হিমন্ত বিশ্ব শমার্র সরকার আসার পর জনহিতকর উন্নয়নমূলক কাজ সাধারণ মানুষের মন জয় করতে সক্ষম হয়েছে বলেই আজ এই আন্দোলন কিংবা বন্ধ , ধর্ণা ইত্যাদি অতীতের চিরাচরিত দৃশ্য আমাদের নজরে একরকম নেই বললে ভুল হবে না। মাননীয় অধক্ষ মহোদয়, আমারা লক্ষ্য করেছি যে বরাক উরত্যকায় ২০১৬ ইংরেজিতে সরকার আসার আগে শুধু বরাক উপত্যকা নয় গোটা রাজ্যে রাস্তাঘাটের কি কংকালসার অবস্থা ছিল। আর আমাদের সরকার আসার পর ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বাধীন সরকার বলুন আর সর্বানন্দ সনোয়াল নেতৃতাধীন সরকার বলুন,তাদের নেতৃত্বে আজ বরাকের সম্পূর্ণ রাস্তাঘাট পাল্টে গিয়েছে। আমরা লক্ষ্য করেছি অঙ্গনওয়াড়ি কেন্দ্রের জন্য সরকার যে উদ্দ্যোগ নিয়েছে, মডেল অঙ্গনওয়াড়ি কেন্দ্র আমার বিধান সভা সমষ্টিতে ১১ টি হয়েছে।

ইতিমধ্যে আমরা লক্ষ্য করেছি আমাদের বরাকের বিশেষ করে শিলচরে যে জমাজলের সমস্যা ছিল তার উপর নজর দিয়ে রাঙ্গিরখাড়ি এলাকায় গার্ডওয়াল তৈরি করে দিচ্ছে সরকার। তার জন্য ৪২ কোটি টাকা ইতিমধ্যে সরকার সেংশন করে দিয়েছেন আর আশা করি আরও ১১ কি.মি. ইতিমধ্যে সেংশন হবে। আমরা লক্ষ্য করেছি এলিভেটেড কোরিডোর বিষয়ে। শিববাড়িতে যে বাঁধের টাকা বিগত দিনের সরকার লুটপাট করে খেয়েছে সেকথা মাথায় রেখে পার্মানেন্ট সলিউশন এর জন্য মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা মহাশয় এখানে এলিভেটেড কোরিডোর অবস্থা দেখে এখানে উড়াল পুলের ব্যবস্থা করে দিয়েছেন। তারজন্য অত্যন্ত ধন্যবাদ জ্ঞাপন করছি। জিসি কলেজকে আপডেট করে ইউনিভার্সিটি করা হয়েছে। আমাদের সরকারের প্রিয় অসম সরকারের মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহোদয় করেছেন। এয়ার সার্ভিসের ক্ষেত্রে আমরা দেখেছি এয়ার সার্ভিসের ব্যবস্থা করে দিতে উনি সক্ষম হয়েছেন। বিভিন্নভাবে বরাক উপত্যকাকে গুরুত্ব দিয়ে ভূপেন সঙ্গীত ইত্যাদি দিয়ে উনি প্রতিযোগীতা সৃষ্টি করেছেন। বরাকের বাঙালিদের গুরুত্ব দিয়ে উনি এই কাজ করেছেন। কেবিন্যাট ডিসিশনে আপনারা দেখেছেন যে ২০২১ ইংরেজির ৭৯ কেবিন্যাটের মধ্যে ১৪৭টি ডিসিশন হয়েছে এবং তার মধ্যে ৮৪টি ডিসিশনের ইমিপ্লিমেন্ট হয়েছে। এই হল ভারতীয় জনতা পার্টির রাজ্য সরকার। তার জন্য আজ এহৈ বাজেটকে সম্পূর্ণ সমর্থন করে আমাদের অর্থমন্ত্রী মাননীয় অজন্তা নিয়োগ মহোদয়াকে ও আমাদরে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহাশয়কে অসংখ্য ধন্যবাদ জানিয়ে বিরোধীদের আমি অনুরোধ করছি যে আপনারা

আসামকে এগিয়ে নিয়ে যাওয়ার জন্য ৫টি রাজ্যের মধ্যে ঢোকার জন্য আপনারা সবাই এই সরকারকে সমর্থন করুন। ধন্যবাদ।

**माননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম। আপোনাৰ সময়টো আগতে বেলেগে লৈ ল'লে। তথাপিও আপোনাক ৫ মিনিট সময় দিয়া হৈছে।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ,মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬ মাৰ্চত যি বাজেট উত্থাপন কৰা হৈছে সেই বাজেট ওপৰৰ পৰা চালে এইখন সকলোৱে অত্যন্ত ভাল বাজেট বুলি ক'ব। কিন্তু যদি আমি ইয়াৰ গভীৰতালৈ সোমাঁও আৰু গোটেইখিনি এটা introspection কৰো যে আচলতে কি হৈছে, আমি দেখিম যে মূল মূল বিষয় Education, P&RD, Health ত বাজেট বিলাকৰ ধন কৰ্তন কৰা কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ আগতে ঋণৰ ওপৰত House ত concept place কৰিছে যে ঋণ আমি ল'ব পাৰো, ঋণ লোৱাৰ capacity আমাৰ আছে। কিন্তু যিটো ঋণ লোৱা হৈছে, সেই টকাৰে আমি কি কাম কৰিম? মোৰ যদি income ২০,০০০ টকা হয় আৰু সেই টকা মেকআপ কৰিবৰ কাৰণে যদি মই ঋণ বেছিকৈ লৈ লওঁ কিন্তু তাৰ পৰিৱৰ্তে যদি আমাৰ ঘৰুৱা উৎপাদনটো বৃদ্ধি নহয়, তেতিয়া কি হ'ব? মধ্যবিত্ত পৰিয়াল এটা চলিব কাৰণে যদি ২০,০০০ টকা লাগে বা তেখেতৰ আয় ২০,০০০ টকা হয় আৰু বিভিন্ন কাৰণত সেই পৰিয়ালটোৱে যদি ঋণ ল'বলগীয়া হয়, তেওঁলোকৰ সেই ঋণ পৰিশোধ কৰা পৰিকল্পনা কি থাকিব লাগিব? সেই ঋণ পৰিশোধ কৰা পৰিকল্পনা যদি হাতত নাথাকে আৰু তেওঁৰ income ত কৈ যদি ঋণ বেছি হৈ যায় তেতিয়া তাৰ দীৰ্ঘম্যাদী পৰিকল্পনা টো কি হ'ব আৰু ৰাজ্যৰ ভৱিষ্যতটো কি হ'ব? তেখেতে হয়তো ঘৰুৱা উৎপাদন বঢ়াবলৈ লৰাটোৰ পঢ়াশুনা বাদ দি কামত লগাব লাগিব নহ'লে আন ব্যৱস্থা কৰিব লাগিব। তেনেদৰে বাজেটত ঘৰুৱা উৎপাদন বঢ়াবলৈ কোনো ফৰ্মূলা মই দেখা নাই। বিগত দিনত per capita income ৰ লগে লগে জনমূৰি ঋণৰ যিটো বোজা, সেই বোজাটো অহা ৫ বছৰৰ পিছত হ'ব ৪৫,৭৭০। তাৰমানে এইবাৰ বাজেটৰ শেষত প্ৰায় ৮০০০ টকাৰ ঋণ বাঢ়িব। ঘৰুৱা উৎপাদন বঢ়াবৰ কাৰণে আমি কি কি নতুন asset create কৰি আছো, যাৰ জৰিয়তে আগৰ ঋণৰ পইচা মাফ কৰিব বা আমাৰ interest ৰ পইচা দি নতুনকৈ পইচা উৎপাদন হ'ব। আমি কৈ থাকো যে মদ খাব নালাগে কিন্তু মদৰ ওপৰত কৰ বঢ়াই দি গাৱেঁ-ভূঞে মদৰ দোকান বঢ়াই দিয়াৰ ব্যৱস্থা লৈছে। চৰকাৰৰ এনেধৰণৰ সিদ্ধান্তবোৰ বুজি নাপাঁও। মদ জানো Health hazardous নহয়? ৰাজহ আহে বুলিয়ে সেইটো জনহিতকাৰী বুলি আমি ক'ব পাৰিম নেকি? বাৰে বাৰে মই গুজৰাট মডেলৰ কথা কৈ থাকো , যদি এইটোৱে গুজৰাট মডেল হয়, তেতিয়াহ'লে আমাৰ এই ৰাজ্যখন Dry State কিয় নহয়?ঋণৰ লগত সংগতি ৰাখি আমি কিমান asset create কৰি আছো, কিমানখিনি GSDP improve কৰিব পাৰিম? আজি প্ৰতিটো ব্লকত Skill University খুলিছে, সেইটো মই welcome কৰিছো। একেটা অৱস্থাত যদি আমি উদাহৰণ ল'ব পাৰো যে আজি বাংলাদেশৰ GDP কিমান grow কৰিছে? তেওঁলোকৰ চাৰিভাগৰ এভাগ মানুহ আজি বিদেশত থাকে। গোটেই পৃথিৱীৰ পৰা হাজাৰ হাজাৰ কোটি টকা আহিব। আপোনালোকে এডভান্টেজ অসমৰ কথা কৈছিলে । সেই আশা আজি ক'ত ? কথাটো হৈছে বিভিন্ন মাল্টি নেশ্যনেল কোম্পানি বিলাকে - বি আৰ চিটি গ্ৰুপে- আমাৰ কাছাৰ পেপাৰ মিল, জাগিৰোড পোপাৰ মিল লোৱাৰ কথা কৈছিলে কিন্তু তেওলোকে ৰিচেন্টলী না কৰি দিলে । ক'লে যে আমি এই সময়ত অসমত ইনভেষ্ট নকৰো । কিহৰ কাৰণে এই এজেন্সীয়ে ৰিজেক্ট কৰিলে? আমাৰ যিটো লেণ্ড পলিচি সেইমতে খিলঞ্জীয়াৰ বাহিৰে কাকো মাটি

দিয়া নহয় যিহেতু বি আৰ চি টি গ্ৰুপ - খিলঞ্জীয়া নহয় , গতিকে বাহিৰা কোম্পানী মাটি ল'বলৈ ভয় কৰিছে কাৰণ কিছু ক্ষেত্ৰত মাটি উচ্ছেদ হোৱা দেখা পাই কোনটো উদ্যোগে ইয়া ইনভেষ্ট কৰিব। ২০১৮ চনত মেঘা গ্ল'বেল বুলি ভাৰতৰ প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই ইনভেষ্টমেন্ট প্ৰগ্ৰেম এটা অপেনিঙ কৰিছিল । অসমত সেই মুহুৰ্ত্তত ইনভেষ্ট আসাম বুলি এটো এজেন্সি বনোৱা হৈছিল । বাৰখন ৰাজ্যৰ ডাঙৰ ডাঙৰ বিষয়াক লৈ এই এজেন্সী বনোৱা হৈছিল যে কেনেকৈ অসমত আমি ইনভেষ্ট কিৰব পাৰো আৰু কেনেকৈ ঘৰুৱা উৎপাদন কৰিব পাৰো । কিন্তু আজি এইটো ইনএক্টিভেট হৈ আছে । গতিকে আমাকৰ ঘৰুৱা উত্পাদন কেনেকৈ বাঢ়িব ? টকা পইচা সৃষ্টিৰ প্লেনিঙটো কি , মই কোনো বেনেফিচিয়াৰীৰ কথা ক'বলৈ নাযাও । কিন্তু দহ বছৰ পিচত আমাৰ ভবিষ্যত কি হ'ব ? আজি কৈ আছে যে যিবিলাক ৰাজ্যৰ চিভিল ভাল তাকহে ঋণ দিয়া হ'ব । যদি এইটোৱে হয় তেতিয়া হ'লে চীনে যেতিয়া শ্ৰীলংকাক ঋণ দিছিল তেতিয়া কি শ্ৰীলংকাৰ চিভিলভাল আছিল নেকি ? আজি পাকিস্তানৰ অৱস্থা বেয়া হৈ আছে য'ত বাহিৰা য'ত বাহিৰা দেশে ইনভেষ্ট কৰিছে , কথাটো হ'ল ঋণৰ ওপৰত যদি আমি চলিব বিচাৰো তেন্তে কোনো এজন মানুহ, কোনো এখন ৰাজ্য বা কোনো এখন দেশ কেৱল ঋণৰ ওপৰতে ডিপেণ্ডেন্ট হ'ব নোৱাৰে গতিকে এইটোৰ প্ৰতি অলপ ভাল মনোভাব ল'ব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** থেংক ইউ অনাৰেবল ফাইনেন্স মিনিষ্টাৰ ।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বাজেট বক্তব্যত অংশ গ্ৰহণ কৰা মাননীয় বিৰোধী দলৰ দলপতি, সৰ্ব্বশ্ৰী দেবব্ৰত শইকীয়া , ভবেশ কলিতা, উৎপল বৰা, ৰুপেশ গোৱালা , ভৰত নৰহ ডাঙৰীয়া, দিগন্ত কলিতা , আমিনুল ইছলাম , অজয় ৰয় , পৃথ্বীৰাজ ৰাভা ,ধৰ্মেশ্বৰ কোঁৱৰ , জিৰণ বসুমতাৰী , আব্দুৰ ৰহিম আহমদে, ফনী তালুকদাৰ , আশ্ৰাফুল হুচেইন , বিজয় মালাকাৰ, আব্দুল বাতিন খন্দকাৰ , জলেন দৈমাৰী , চক্ৰধৰ গগৈ , কমালাক্ষ দে পুৰকায়স্থ , শিবামনি বৰা, দুৰ্গাদাস বড়ো , ৰামকৃষ্ণ ঘোষ, ৰকিবুল হুচেইন , শিবু মিশ্ৰ , ৰকিবুল ইছলাম , ভূ বন পেগু , শ্বেৰমান আলী আহমেদ, সিদ্ধাৰ্থ ভট্টাচাৰ্য্য , জিতু গোস্বামী , ৰমেন্দ্ৰ নাৰায়ণ কলিতা , কৃষ্ণ কমল তাতী, মনোৰঞ্জন তালুকদাৰ , মিহিৰ কান্তি সোম , আবুল কালাম ৰছিদ আলম , লৰেন্স ইছলাৰী , দৰছিং ৰংহাং অখিল গগৈ , ৰুপজ্যোতি কুৰ্মী, জাকিৰ হুচেইন শিকদাৰ , দ্বিপায়ণ চক্ৰৱৰ্ত্তী আৰু আমিনুল ইছলাম । মাননীয় বিধায়ক প্ৰায় ৪২ গৰাকীয়ে এই বাজেট বক্তব্যত অংশ গ্ৰহণ কৰা সকলো মাননীয় সদস্য সদস্যালৈকে মোৰ আন্তৰিকতা জ্ঞাপন কৰিছো । আমাৰ শাসকীয় পক্ষৰ যিসকল সদস্যই এই বাজেটখনক আদৰি লৈছে বিভিন্ন দিশত তেওঁলোকে বক্তব্য দাঙি ধৰিছে । তেওঁলোকৰ বক্তব্যসমূহ মই আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিছো । ইয়াক কাৰ্য্যকৰী কৰণৰ বাবে আমি যিমান পাৰো আন্তৰিকতাৰে চেষ্টা কৰিম । দ্বিতীয়তে দলপতিসহ যিসকল সদস্যই বক্তব্য ৰাখিছে আৰু পৰামৰ্শ আগবঢ়াইছে তেখেতসকলৰ পৰামৰ্শৰ বাবেও মই ধন্যবাদ জ্ঞাপন কৰিছো । এইখন মোৰ তৃতীয় বাজেট। অধ্যক্ষ মহোদয়, বাজেট দাখিল কৰাটো যথেষ্টখিনি কষ্টকৰ কাম । বিধায়কসকলে বিভিন্ন ধৰনৰ প্ৰশ্ন সুধিছে । মই এইটোয়ে ক'ম যে আমি সম্পূৰ্ণ সৎ ইচ্ছাৰে এই বাজেটখন প্ৰস্তুত কৰিছো । ইয়াত যাতে অসমৰ আশা আকাংখ্যা অৰ্ন্তভূক্ত কৰিব পাৰো বিভিন্ন বিভাগৰ যি দাবী আছে সেইবিলাক যাতে ইয়াত অৰ্ন্তভূক্ত কৰিব পাৰো এখন কল্যাণকামী ৰাজ্যৰ বাবে প্ৰয়োজনীয় বিষয় সমূহত গুৰুত্ব দি আমি বাজেচখন প্ৰস্তুত কৰিছো। এই বাজেটখনত আমি তিনিটা লক্ষ্য লৈছিলো । সেই উদ্দেশ্য কেইটা হৈছে দৰিদ্ৰতা দুৰীকৰণ , নিবনুৱাসকলক স্বনিৰ্ভশীল কৰি গঢ়ি তোলা আৰু আমাৰ অসমতা সেইটো দুৰ কৰা । এই বিধান সভাত বহু জ্যেষ্ঠ সদস্য

আছে । মইও বহুদিন ধৰি এই বিধান সভাত আছো। আমাৰ বিধান সভাত কনিষ্ঠসকলো আহিছে । এই বিধান সভা খনত প্ৰথমবাৰৰ বাবে আমি নিবনুৱা সমস্যা সমাধানৰ বাবে এটা ডাঙৰ প্ৰকল্প হাতত ৰাখিছো । গতিকে মই প্ৰথমে আমাৰ দলপতি ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো । অধ্যক্ষ মহোদয় আমাৰ ৰাজ্যখনক আগুৱাই নিবলৈ আমি সকলোৰে একমত । অধ্যক্ষ মহোদয় , মই এইটো ক'বলৈ ভাল পাইছো যে, প্ৰথমবাৰৰ বাবে আমাৰ দলপতি ডাঙৰীয়াই আমাৰ ৰাজ্যখনক ভাৰতৰ শ্ৰেষ্ঠ পাঁচখনৰ ভিতৰত এখন ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছে আজিলৈকে চৰকাৰখনৰ দৃঢ়তা কিন্তু আমি দেখা নাই । প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰত অসমৰ নাম প্ৰতিষ্ঠা হৈছে ভাৰতবৰ্ষত কিছুমান ৰাজ্যত বিভিন্ন আঁচনিত অসমৰ নাম উল্লেখ কৰা দেখা গৈছে অধ্যক্ষ মহোদয়। আজি গৌৰৱেৰে কৈছো - স্বাধীনতাৰ পইষত্তৰ বছৰ পাৰ হৈছে । আমি অমৃত কালত উপনীত হৈছো । এই অমৃতকালত আমাৰ ৰাজ্যখনৰ জয়যাত্ৰা আৰম্ভ হৈছে । সকলোকে আহ্বান জনাইছো যে, আমি পাঁচটা বছৰৰ ৰূপ ৰেখা তৈয়াৰ কৰিছিলো আৰু সেই ৰূপ ৰেখাৰ পিছে পিছে আমি আগুৱাই গৈছিলো । ইয়াত কোনোধৰণৰ দ্বিধাবোধ নাই । আমাৰ লক্ষ্য আছে , উদ্দেশ্য আছে আমি সফল হ'মেই । আমাৰ দলপতিয়ে যথেষ্ঠ কাম কৰিছে আমি তেখেতক ফলো কৰিছো । তেখেতে যি লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে তাত বহুতো প্ৰত্যাহ্বান আছে কিন্তু আমি এইবিলাক সমাধান কৰিবলৈ চেষ্টা কৰিব লাগিব। সেই কাৰণে মই চাচটেইনেবল ডেভল'পমেন্টৰ যিবিলাক গোল আছে আমাৰ তাত সোমোৱাই লৈছো । আজি দৰিদ্ৰতা নিবাৰণৰ মূল লক্ষ্যটো হ'ল - আমি দৰিদ্ৰসকলক আধাপেটীয়া কৰি ৰাখিলে নহ'ব, পেট ভৰাই খাব দিব লগিব। দৰিদ্ৰসকলক আমি দৰিদ্ৰ বুলি কৈ থাকিলেই নহ'ব তেওঁলোকক আমাৰ লগতে আগুৱাই নিব লাগিব । কেৱল হিতাধিকাৰীৰ তালিকাভূক্ত কৰিলেই নহ'ব । তেখেতসকলৰ কাৰণে আমি কি কৰিব খুজিছো সেইটো চাব লাগিব । আজি ৰকিবুল হুছেইন ডাঙৰীয়াই যিখিনি কথা কৈছে সেইটোৰ বিতৰ্কত মই যাব নুখোজো । তেখেতৰ লগত মোৰ মতান্তৰ থাকিব পাৰে কিন্তু মনান্তৰ নাই । আমি ১২৬ গৰাকী সকলোৰে বিধায়ক । নিজৰ নিজৰ সমষ্টিৰ প্ৰতিনিধি । আমি সকলোৰে নিজৰ সমষ্টিক আগুৱাই নি অসমখনক আগুৱাই নিব লাগিব। গতিকে অসমত আজি হিতাধিকাৰীৰ যিখিনি কথা কোৱা হৈছে আপোনালোকে জানিব ওচৰ চুবুৰীয়া যিবোৰ আগবঢ়া ৰাজ্য আছে তাত চোচিয়েল চিকিউৰিটি স্কীম বুলি স্কীম আছে । ইতিমধ্যে আমাৰ ইছলাম ডাঙৰীয়াই কৈছে যে, সামাজিক সুৰক্ষা আঁচনি - হিতাধিকাৰীসকল সমাজৰ অংগ নহয় নেকি ? তেওঁলোলোকক আমি আগুৱাই লৈ যাব নালাগেনে ? ৫০ টকাত এটা দৰিদ্ৰ পৰিয়ালে চলিব পাৰে? এইখন সদনতে বহুবাৰ আলোচনা হৈছে। আমি কৈছোঁ। ইতিমধ্যে সন্মান সহকাৰে সেই লোকসকলক যাতে আগুৱাই লৈ যাব পাৰো, সেইটোৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰথম বীজ ৰোপন কৰিছিল এইখন বিধান সভাত যেতিয়া তেখেত বিত্তমন্ত্ৰী আছিল। তেখেতে কি আঁচনি দিছিল অৰুণোদয় আঁচনি। সূৰ্য্য উদয় হৈছে, অসমত। সেই কাৰণে তেখেতে এনেকুৱা এখন আঁচনি দিছিল অসমৰ ২০ লাখ দৰিদ্ৰ পৰিয়াল তাত অন্তৰ্ভূক্ত হ'ব লাগে। ইয়াৰ আগতে এনেকুৱা বলিষ্ঠ সিদ্ধান্ত ল'বই পৰা নাছিল। বাজেট এখন বনালে নহ'ব পুঁজি থাকিব লাগিব। তেতিয়া মানুহক সেই লক্ষৰে আগুৱাই লৈ যাব পাৰিম। কিমান সাহসী সিদ্ধান্ত। সেইখিনি সময়ত আমি ভাবিছিলো যে ইমান টকা আহিবনে? পিছৰ পৰ্য্যায়ত আমি আহি আহি আজি এইবাৰ বাজেটত ৩ হাজাৰ কোটি ৰাখিছো আৰু ইয়াৰ পুঁজি বৃদ্ধি হ'ব। সেইখিনি সততা এই চৰকাৰখনৰ আছে মই আজি বিত্তমন্ত্ৰী হিচাপে কৈছোঁ। আজি যি আঁচনি ৰাখিছো আমি কৰিম বুলি, আমি কেতিয়াও সদনক বিপথে চলি যোৱাটো কৰা নাই আৰু অসমৰ ৰাইজ যি সকলৰ আশীৰ্বাদত আজি ইয়াত উপনিত

হৈছো, তেওঁলোকৰ চৰণ চুই সদায় তেওঁলোকৰ কাম কৰাৰ যি প্ৰতিশ্ৰুতি দিছো আমি এতিয়াও কৰিম, ভৱিষ্যতেও কৰি যাম। আজি দৰিদ্ৰ লোক সকলৰ কাৰণে যি আঁচনি ৰখা হৈছে আমাৰ উদ্দেশ্যটো কি যে আমি এক ভাৰত এক ৰাষ্ট্ৰ যিটো আমাৰ নীতি, প্ৰত্যেকটো পৰিয়াল এটা সপোন দেখাৰ সুবিধা পাব লাগে। সেই কাৰণে এই আঁচনিখন ঠিক কৰিলো ৮৩০ টকাৰ পৰা আজি ১২৫০ টকা হৈছে, আৰু ১৫০ টকা দিলে ১৪০০ টকা হ'ব। ভৱিষ্যতে এই আঁচনি হয়তো আৰু আগুৱাই যাব। তাৰো পৰিকল্পনা আমাৰ আছে। যি সকলে নিজৰ পেটটোৰ কাৰণে চিন্তা কৰিব লাগে সেইসকল লোকেতো বেলেগ চিন্তা কৰিবৰ সময়ে নাই, তেনেকুৰা লোকক আমি এককালীন সাহাৰ্য্য দিবই লাগিব। তেওঁলোকক আগবঢ়াই নিয়াৰ কাৰণে আমি সকলোৱে সমাজ খন পিছত থাকিব লাগিব আৰু আমাৰ চৰকাৰখনৰ বিশ্বাস আছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটোও চিন্তা কৰিছে যে এই দৰিদ্ৰ লোক সকলে এটা সময়ত অৰ্থনৈতিক ভাৱে যাতে আৰু নিজকে সবল হব পাৰে, তাৰ বাবে অন্য আঁচনি বিলাকো সংলগ্ন কৰা হ'ব। সেইটো আমাৰ উদ্দেশ্য। অৰুণোদয় আঁচনি কেৱল এখন আঁচনিৰ অন্তৰ্ভূক্ত নহয়, ই সামাজিক ভাৱে এখন বলিষ্ঠ আঁচনি হ'ব। ইয়াৰ আঁচনিৰ লগত যি সকল পৰিয়াল আছে তেওঁলোক সচা অৰ্থত যে লাভালাভ লৈ নিজকে প্ৰতিষ্ঠিত কৰিব, তাৰ কাৰণে আমাৰ এটা ভৰিষ্যৎ লক্ষ্য আছে। গতিকে ইয়াত হিতাধীকাৰী বুলি কৈ সেই সকল লোকৰ যিটো আত্মসন্মান সেই আত্মসন্মানত আঘাট হানিব নালাগে, মই সেইটো কথা বিনম্ৰভাৱে কলো। সেই কাৰণে আমি কি কৰিছো, আজি আমি পেঞ্চন পাওঁ, এজন চৰকাৰী চাকৰিয়ালে পেঞ্চন পাই, এক তাৰিখে দৰমহা পায়। এই লোক সকলে যাতে কোনো ধৰণৰ আঘাট নাপায়, গতিকে পোৱা প্ৰাপ্যখিনি যাতে ১০ তাৰিখৰ ভিতৰত পোৱাৰ ব্যৱস্থা কৰা হৈছে। আজি চৰকাৰৰ হাতত প্ৰত্যেক মাহতে বৰ্তমান Vridha Pension in India খিনি আমি তাত চাবজিম কৰিছোঁ। এতিয়া আমি ৩৩০ টকা প্ৰত্যেক মাহে এই লোক সকলক দিওঁ। এই হৈছে আমাৰ চৰকাৰৰ সমাজত অৱহেলিত পিছপৰা লোকসকল যাক আমি অন্তিমদয়া বুলি কৈছো, সেই সকলৰ ওপৰত আমাৰ যিটো সেৱা, সেইখিনিক হিতাধীকাৰী বুলি কয়, আমাক হিতাধীকাৰী নালাগে অন্তৰ্প্ৰাপ্তী আছে। এইটো এটা কথা কৈছো inclusive development. আমাৰ ইছলাম ডাঙৰীয়া হাউচত নাই, থকা হলে ভাল পালোহেঁতেনঙ্গ তেখেতে কথাখিনি কৈ হাউচত নাথাকে। আজি কোনে আমাক inclusive development শিকাই থৈ গৈছে? আজি জগত গুৰু যাৰ নামত আমি সেৱা জনাই আহো, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৫৫০ বছৰ আগত inclusive development কি সেইটো আমাক শিকাই থৈ গৈছে। তেখেতৰ জন্ম নগাঁৱতে, বৰদোৱা থান সকলোৱে দেখিছে। সেই বৰদোৱাৰ স্থানৰ অৱস্থা কি আছিল এটা সময়ত, সেই বৰদোৱা স্থানৰ এই বছৰৰ পৰা আৰম্ভণি কৰা হ'ব, সেইটো মই বাজেটত উল্লেখ কৰিছোঁ। নাৰায়ণপুৰত মাধৱগুৰু যি প্ৰকল্প সেইটোও inauguration কৰা হ'ব, সেইটোও মই উল্লেখ কৰিছোঁ। ইয়াৰ দ্বাৰা কি সূচাইছে যে গুৰুজনাৰ ৫৫০ বছৰ আগত যি আমাক inclusive development ৰ কথা শিকাই থৈ গৈছিল, তাৰ প্ৰতি প্ৰকৃত সন্মান জনোৱা। আজি গুৰুজনাৰ নামত গুৰুজনাক আগবঢ়াই লৈ যাবৰ কাৰণে আমি তেওঁৰ যি বিলাক চৰ্চা আছে, সেইবিলাক বিভিন্ন ধৰণে ছাত্ৰ-ছাত্ৰী সকলে যাতে অধ্যয়ন কৰিব পাৰে তাৰ কাৰণে দিল্লী বিশ্ববিদ্যালয়ত আসন আমি লোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছোঁ। ইয়াৰ দ্বাৰাই কি সূচাইছে যে অসমীয়া জাতি, নিজৰ জাতিটোৱে আজি আত্মপ্ৰতিষ্ঠা কৰিবৰ কাৰণে আমি আগুৱাই গৈছোঁ। তাৰ কাৰণে অসমবাসী ৰাইজে আমাক আশীৰ্বাদ দিছে। আৰু সেই আশীৰ্বাদ লৈ অসমীয়া জাতি আমি প্ৰতিষ্ঠা কৰিমেই, এইটো আমাৰ উদ্দেশ্য আৰু লক্ষ্য। আজি অসমীয়া জাতি পিছুৱাই নাথাকোঁ, আজি অসমখন পিছুৱাই নাথাকে আৰু সেই কাৰণে

আমি এই যাত্ৰা খৰতকীয়াকৈ কৰিব বিচাৰিছোঁ। ঋণৰ কথা কৈছে, আজি এজন কৰ্মচাৰীয়ে যি চৰকাৰী দৰমহা পাই সেই টকাৰে তেওঁ ঘপককৈ তেওঁৰ সপোনৰ ঘৰখন বনাব নোৱাৰে। আজি বিধায়ক বিশ্বজিৎ ফুকন ডাঙৰীয়াই কৈছে যে মই কৰ্মচাৰী কৰিলো মোৰ যি কেইটা সাঁচতীয়া ধন, সেই ধনেৰে মোৰ ঘৰখন বনাব নোৱাৰো, মই বেংকত ঋণ ল'বই লাগিব। চৰকাৰ খনেও আজি কি কাম কৰিছো যিটো কামে আমি অসমৰ মানুহৰৰ মূৰৰ ওপৰত কৰৰ বোজা নোবোজাই চৰকাৰে আন্তগাঁঠনি সুস্থ কৰাই GSTP যাতে কৰিব পাৰো, আমি যাতে আমাৰ economy growthত যাতে contribute কৰো, সেই কাৰণে আমি লোণ লৈছো। ইয়াত কোনো ধৰণৰ দ্বিভাৱ নাই, মই পুনৰ বাৰ কৈছোঁ। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে আৰু এইবাৰৰ বাজেট আপোনালোকে চাব যিটো revenue আমাৰ দলপতি ডাঙৰীয়াই কৈছে যে revenue capital expenditureৰ যিটো ratio এইবাৰ আমাৰ capital expenditure ত নিৰ্দ্ধাৰীত পইচা বেছিকৈ ৰাখিছোঁ। এইবাৰ বাজেটত ২৩ শতাংশ capital expenditure ত ৰাখিছোঁ। আৰু ৰেভিনিউ শিতানত ৰাখিছো ১৫ শতাংশ। কওঁকচোন revenue আৰু capital expenditureত মই সামঞ্জস্য ৰাখিছো নে নাই? এইবাৰ বিভিন্ন বিধায়ক সকলেযে কৈ আছে পুঁজি অমূকত কাতিছে, তমূকত কাতিছে, কৰপৰা পাইছে সেই দাতাখিনি মই নাজানো। মোৰ বাজেট খন লাষ্ট বছৰৰ বাজেটতকৈ ১৭ শতাংশ বঢ়াইছোঁ। মোৰ হাতত তথ্য আছে, কাৰণ বাজেটখন আমিহে প্ৰস্তুত কৰিছোঁ। আৰু ই এদিনীয়া প্ৰচেষ্ঠা নহয়, আমি নৰেশ্বৰ মাহৰ পৰা বাজেট বনাই আছোঁ। আপোনালোকক আগদিনাখন কোন বিষয়াই দিলে নাজানো কিন্তু সম্পূৰ্ণ তথ্য মোৰ হাতত আছে। আমি বনাই আছে। কৃষি বিভাগ, কোনোবাই কৈছে সেইদিনাখন কৃষি বিভাগত পুঁজি কমাই দিয়া বুলি। এইবাৰ কৃষি বিভাগত মূল বাজেটত ১৯ শতাংশ enhance দিছে। শিক্ষা বিভাগ, এই সভাত আমি বহু বছৰ আছোঁ। আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া বহুত বছৰ আছে, যে আমি কেতিয়াবা ৫০০ খন বিদ্যালয়ৰ কাৰণে আঢ়ৈ হাজাৰ কোটি টকাৰ পুঁজি দেখিছিলোনে, শুনিছিলোনেঙ্গ শিক্ষা, আজি অসমতা যিটো বেলেঞ্চ সেইটো কোনে নাইকিয়া কৰিব শিক্ষাই। আজি কোনোবাই সংখ্যালঘুৰ কথা কৈছে। শ্বেৰমান আলী ডাঙৰীয়াই সদায় সংখ্যালঘুৰ কথা কৈ থাকে। এইখন বিধান সভাত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডঙৰীয়াই কৈছে আমি সংখ্যালঘুৰ বুলি কৈছোঁ, কথা হ'ল যে আমাৰ মাজৰ barrier কোনে নাইকিয়া কৰিব বুলি কৈছো, সেইটো এইখন চৰকাৰে ভালকৈ বুজি পায় আৰু মৰ্মে মৰ্মে উপলব্ধি কৰে। সেই কাৰণে এইবাৰ মোৰ বাজেটত ২৫০০ টকা ৰখাৰ লগে লগে আজি কিমান পুঁজি বৃদ্ধি হ'ল। ইয়াত এই শিতানত শিক্ষাৰ শিতানত মই ২৫০০ টকা ৰখা নাই, কাৰণ শিক্ষা বিভাগে infrastructure তৈয়াৰ কৰিবৰ কাৰণে তেওঁলোকৰ কোনো এজেন্সি নাই। সেই কাৰণে মই গড়কাপ্তানি বিভাগৰ বাজেটত এই ২৫০০ কোটি টকা ৰাখিছো আৰু যাৰ জৰিয়তে আপোনালোকে চাব যে শিক্ষা বিভাগৰ যি খন বাজেট Public Works Building & NH ত কিমান শতাংশ বৃদ্ধি হৈছে, 54% Education Department পুঁজি বৃদ্ধি হৈছে। মই সেইদিনা বাজেট বক্তৃতাত কৈ দিছিলো, যে আগতকৈ বেছি টকা, তাৰমানে this is the highest allocation ever. স্বাধীনতাৰ ৭৫ বছৰ পিছত আমি ইয়াত ইমান পুঁজি এইকাৰণে বঢ়ালো যে, আমাৰ আন্তগাঠনি নিৰ্মাণ কৰিব লগীয়া আছে। আন্তগাঠনি নিৰ্মাণৰ লগত অসমৰ GSTP Growth জড়িত হৈ আছে। আজি কোনোবাই কৈছে, মই নাম নকওঁ, ১২ খন মেডিকেল কলেজ কৰিলে কি হ'ব? আমি চিন্তা কৰিছো যে প্ৰত্যেকখন জিলাত এখন মেডিকেল কলেজ হ'ব লাগে। এই কাৰণে হ'ব লাগে আমাৰ যিটো money drain হয়, আমাৰ ৰাজ্যখনত স্বাস্থ্যৰ নামত দৰিদ্ৰ লোক সকলে কিমান টকা খৰচ কৰিব, মাটিবাৰী বিক্ৰী কৰি ঘৰৰ গহনা সকলো

বিক্ৰী কৰি বেমাৰত খৰচ কৰিবলৈ ৰাজ্যৰ বাহিৰলৈ লৈ যাওঁ, কলিকতালৈ লৈ যাওঁ, মুম্বাইলৈ যাওঁ গোটেই পইচা অযথা হৈছে। সেয়া নষ্টও বন্ধ হ'ব। আজি ৭ খন কেন্সাৰ হস্পিতালতৰ শুভাৰম্ভণি কৰি গৈছে। ডিব্ৰুগড় কেঞ্চাৰ হস্পিতাল শুভাৰম্ভণি হৈছে, চুপাৰস্পেচিয়েলিটি হস্পিতাল খোলা হৈছে গুৱাহাটীত। নতুন নতুন মেডিকেল কলেজ আমি ল'ব লাগিব। ১৫০০ ডাক্তৰ আমি পাইছো। এইটো পুনৰ উজ্জীৱিত অসমৰ আৰম্ভণি। স্বাস্থ্যখণ্ডত আমি অধিক গুৰুত্ব দিছো। লগতে শুনি ভাল পাব যে, বিৰোধী দলপতি ডাঙৰীয়াই ক'লে যে, বাজেটখনত কোনো নতুনত্ব দেখা নাই। আয়ুষ্মান ভাৰত এয়া নতুনত্ব নাই নেকি অধ্যক্ষ মহোদয়। য'ত দৰিদ্ৰ জনসাধৰণে ৫ লাখ টকালৈকে স্বাস্থ্য সাহাৰ্য্য পাব। অৰুণোদয় Cashless আমি কাৰো মুখলৈ চোৱা নাই। আমি যিসকল উজনী অসমৰ বিধায়ক আছো, যেতিয়া চাহ উদ্যোগৰ ২০০ বছৰীয়া জয়ন্তীৰ বাবে মই আঁচনি বিলাক গ্ৰহণ কৰিছো, মোলৈ বহুতৰে ফোন আহিছিল আৰু তেখেত সকলে কৈছে যে, যিখিনি আঁচনি আপোনাৰ মুখেৰে শুনিছো আমি কেনেধৰণে উৎফল্লিত হৈছো আপোনাক ক'ব নোৱাৰো। মই যোৱাবাৰো কৈছো যে, নুমলীগড় শোধানাগৰ আমাৰ সকলোৰে আবেগ অনুভূতি। নুমলীগড় শোধানগৰৰ আমাৰ যিটো চেয়াৰ সেইটো ২৬ শতাংশলৈ বৃদ্ধি কৰা হ'ল। যাৰ জৰিয়তে আমি ২৬০০ কোটি টকা আমি তাত invest কৰিছো। অসমৰ নিচিনা এখন মজলিয়া ৰাজ্যই ১ লাখৰ ওপৰত খৰচ কৰিছো। গতিকে এই ১৫ টা দিন আছে মাৰ্চৰ শেষলৈকে, মাৰ্চৰ শেষলৈকে আমি কোৱা প্ৰতিশ্ৰুতি বিলাক পূৰণ কৰিব পাৰিম। public investment অসম চৰকাৰৰ সৰ্বপ্ৰথম ২৬ শতাংশ। বিভিন্ন বিধায়কে কৈছে যে, উদ্যোগৰ অৱস্থা কেনেকুৱা, দেউলীয়া হৈছে কাগজকল। কাগজকলৰ কৰ্মচাৰী সকলৰ সন্তানে খাবলৈ নাপাই পঢ়িবলৈ নাপাই যেতিয়া কান্দে তেতিয়া হাউচত চকু পানী তুকিলে নহ'ব। আমি দুমুখীয়া কথা কৈ লাভ নাই। ১২০০ কোটি টকা আমি মোকলাই দিলো। তেওঁলোকৰ পৰিয়ালৰ সংস্থাপনৰ বাবেও চৰকাৰী চাকৰি দিয়াৰ ব্যৱস্থা কৰিলো। আমি শংকৰদেৱ কলাক্ষেত্ৰত সভা পাতিছিলো পৰিয়ালৰ লোক সকলে আমাক গামোচা পিন্ধাইছে। যিমান পাৰো সিমান সোনাকলে এই বিলাক কৰিবলৈ চেষ্টা কৰি আছো। পলিচিৰ বহুত আগতে প্ৰয়োজন আছিল। এইবাৰ আমি খাদী বোৰ্ডক আমি যি মূল বিভাগ আছে তাৰ লগতো সংযোজন কৰিম। আমি পলিচি ল'ম আৰু তাৰ কাৰণে আমি আগুৱাই যাম। গোটেই চৰকাৰখনৰ আয়, ব্যয়ৰ সামঞ্জস্য ৰাখিবলৈ চেষ্টা কৰিছো। Revenue collection আমি ফৰেষ্টত Revenue collection কৰিব পৰা চোৰ্চ আছে। আমাৰ ফৰেষ্ট মন্ত্ৰী ডাঙৰীয়াই জানে যে, সংশোধন অনাৰ পিছত Forest Royalty বৃদ্ধি হ'ব বুলি আমি আশা কৰো। লিকেজ বিলাক নাইকিয়া হ'ব অধ্যক্ষ মহোদয়। এইবাৰ মই ২০২২-২৩ বৰ্ষত যোৱাবাৰ আমাৰ State Revenue ৩৩ শতাংশ বৃদ্ধি পাইছে। এইবাৰ বাজেটখনক বহুতে কয় অবস্তৱ বাজেট। আমিটো এদিনতে লক্ষ্যত উপনীত হ'ব নোৱাৰিম। মই এইবাৰ ২৪ শতাংশ পাম বুলি হে মোৰ বাজেটখন কৰিছো। আজি কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ সহযোগিতা ৰাজ্য চৰকাৰক দিছে। আগতে যি বিলাক কেন্দ্ৰীয় চৰকাৰৰ পৰা আঁচনি আহে ৯০-১০ সেই বিলাক ১০ শতাংশ পুঁজি দি আনিব নোৱাৰো। কাৰণ আমাৰ যি ১০০ শতাংশ আঁচনি পাওঁ সেইটো বেলেগ কথা। যিবিলাক ৯০-১০ সেই বিলাক আঁচনিৰ ধনো আনিব নোৱাৰো কাৰণ Central Share টো আনিবই নোৱাৰো। আমি আমাৰ প্ৰাপ্য ধন ১০০ শতাংশই আনিম। সেই কাৰণে যোৱা বাজেটত ১০০ শতাংশ Central Share release কৰিছো। বিৰোধী দলপতিয়ে কৈছিল যে, কেন্দ্ৰীয় চৰকাৰে এখন পত্ৰ দিছে, পুঁজি ঘূৰাই দিবৰ বাবে। আমাৰ যিটো Capital incentive যিটো প্ৰজেক্ট কেন্দ্ৰীয় চৰকাৰে দিছে। তাত গাইডলাইনেই আছে।

আমি যদি UC নিদিও ১০০ শতাংশ তেতিয়া হ'লে আমি Second instllment নাপাও, ভৱিষ্যতে পুঁজিও নাপাওঁ। আজিৰ তাৰিখত আমি কেন্দ্ৰীয় চৰকাৰক সকলো CSR Fund ৰ ১০০ শতাংশ Utlization Certificate আমি দাখিল কৰিছো। আমি নিৰ্দিষ্ট গতিৰে গৈ আছো অধ্যক্ষ মহোদয়। আমাৰ সিদ্ধান্তত বিভ্ৰান্তি হোৱা নাই। ২০১৬ চনৰ পৰা যি সিদ্ধান্তত আছো, আজিও সেই সিদ্ধান্তত মইয়ে নহয় সকলোৰে অটল হৈ আছো। এইখিনি কথা মই দৃঢ় ভাবে কলো। কাৰণ অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজৰ সিদ্ধান্তত অটল। নিৰ্বাচনৰ আগত যিটো প্ৰতিশ্ৰুতি দিয়ে, বাস্তৱত ৰূপায়িত কৰে। সেয়ে হৈছে, আমাৰ চৰকাৰখনৰ লক্ষ্য আৰু উদ্দেশ্য. ৰাইজে আমাক আৰ্শীবাদ দিছে। ১ লাখ যুৱক যুৱতীক , সদায় কোৱা হৈছে, যে আজি আমি বীজ ৰোপন কৰিছো, আজি স্বাধীনতাৰ ৭৫ বছৰ পাৰ হোৱাৰ পিছত আমি কেতিয়াবা ১ লাখ যুৱক যুৱতীক একে লগে চাকৰি দিম বুলি কেতিয়াবা সপোন দেখিছিলোনে ? কেতিয়াবা কিছুমান সপোন আমি দেখিবও নোৱাৰো অধ্যক্ষ মহোদয়, দিবাস্বপ্ন নফলে। আমি এটা দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছো, অধ্যক্ষ মহোদয়, এইবাৰ আমাৰ লিডাৰ ডাঙৰীয়াই এটা কথা কৈছে, যোৱাবাৰ আপোনালোকে BE আৰু RE ৰ কথা কৈছে, আমি সদায় যেতিয়া বাজেটখন বনাওঁ Budget estimation টো কৰো । যোৱাবাৰ আপোনালোকে জানে যে ১ লাখ ১৯ হাজাৰ Budget estimation কৰিছো। তাৰ মতে যদি খৰচ হয়, ১০০ শতাংশই খৰচ হ'ব। কিন্তু তাৰ কাৰণে আমি আনুসংগিকভাবে আমি SD কিয় ল'ব লগা হ'ল? SD আমি এই কাৰণেই ল'ব লগা হয়, যে আমাৰ emergency situation arise কৰিলে। আমি এনেয়ে SD নলওঁ। কিন্তু কেতিয়াবা কেন্দ্ৰীয় চৰকাৰে বহুটো আঁচনি আমাক হঠাৎ এৰি দিয়ে। আমাৰ এইবাৰ মন্ত্ৰী ডাঙৰীয়া আছে P&RD ৰ তেখেতকো ধন্যবাদ দিব লাগিব যে প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাৰ অধীনত আমাৰ কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্য চৰকাৰলৈ যোৱা বছৰ হঠাৎ ৫ হাজাৰ কোটি টকা তেওঁলোকে এৰি দিলে। এইবাৰ সিদিনাখন মই SD ল'ব লগা হ'ল, মোৰ বাজেট নাই। মই ভবাই নাছিলো যে মোক P&RD বিভাগে আৰু পইচা দিব। তেখেত সকলে আকৌ চাৰে পাঁচ হাজাৰ কোটি টকা দি দিলে। তেতিয়া মই লগে লগে addendum এখন দিলো। addendum এখন দি মই আকৌ ২হাজাৰ ৪ শ কোটি টকা বিচাৰিলো। these are urgency . urgency ত পইচাটো আহি যায়, মই SD দিব লগা হয়, তেতিয়া মোৰ বাজেটখন বাঢ়ি যায়। এইটো কথাওঁ মই মাননীয় সদস্য সকলক কৈছো, তাৰ কাৰণে আমাৰ কোনো fiscal deficit হোৱা নাই। fiscal deficit কেতিয়া হ'ব, ৩১ মাৰ্চত যেতিয়া আমি সম্পুৰ্ণকৈ আমাৰ জমাখৰচ close কৰিম। closing ৰ পিছত যদি আমাৰ এই পিৰিয়ডটোত যদি FRBM ৰ যিটো নিৰ্দিষ্ট পাৰচেন্ট আছে সেইটো যদি ভায়লেশ্যন হয়, সেইটো ভায়লেশ্যন ।কিন্তু অধ্যক্ষ মহোদয়, এই হাউচত মই কৈছো, যোৱা দুবছৰত আমি কোনো FRBM Act ৰ ভায়লেশ্যন কৰা নাই। আমি সদায় আমাৰ নিজৰ লিমিটত আছো অধ্যক্ষ মহোদয়। কিন্তু মই এইটোও কওঁ যে we are within the limit. আৰু এই বছৰ অধ্যক্ষ মহোদয়, আমাৰ লিমিট fix কৰিছো। চৰকাৰ সজাগ যে আমাৰ FRBM ৰ লিমিট কিমান আছে, আমাৰ ঋণ লোৱাৰ লিমিট কিমান আছে। আজি ঋণৰ কথা সকলোৰে কৈ থাকে সকলোৰে মোক কৈছে, পঞ্জাৱৰ কথা কৈছে, পঞ্জাৱ কৃষি ক্ষেত্ৰত আগবঢ়া হয়, আজিৰ নহয়, বহুত দিন আগৰ পৰা আগবঢ়া। কিন্তু অসমত আজি অধ্যক্ষ মহোদয় কৃষিৰ ক্ষেত্ৰত এটা মোৰ ভাল লগা কথা হৈছে, যে আজি কিন্তু আমাৰ ৰাজ্যখনৰ যুৱক যুৱতী সকলে কৃষি কৰ্মৰ কাৰণে আগুৱাই আহিছে। সেইটোৰে সকলোতকৈ ভাল লগা কথা। যেতিয়া যুৱক যুৱতী সকলে কৃষি কৰ্ম কৰাৰ কাৰণে আগবাঢ়ি আহে, তেতিয়াহে জাতিটো কৰ্মমুখী আৰু কৰ্মঠ জাতিলৈ ৰূপান্তৰিত হয় আৰু সেই কাৰণেই আজি export বাঢ়িছে।

আমি  তেজপুৰলৈ গৈছিলো, তাত কমলা বাহিৰলৈ ৰপ্তানি হৈছে। আজি মিলেট মিশ্যন কৰিবৰ কাৰণে ৰাজ্যখনৰ ‑ কৃষক সকল  আগবাঢ়ি আহিছে, আজি আপোনালোকে কৈছে যে সেইটোও আমি ল'ব লাগে, আমি ধানৰ ক্রয় কৰিছো লাহে লাহে, এটা সময়ত ধানৰ উচিত মুল্য নোপোৱাৰ কাৰণে উজনি অসমত মই নিজেই দেখা কথা ধানৰ প্রতি অনিহা আহিছিল। এতিয়া লাহে লাহে তেওঁলোক আগবাঢ়ি গৈছে। এতিয়া আপোনালোকে কওঁক আমি যিমান ৩৮ হাজাৰ মানুহৰ পৰা ললো, সকলোবোৰ আমি কি মধ্যভোগীৰ পৰা ললো নেকি? এই বিলাক কথা কলে কৃষক সকলে দুখ পাব। মই বহুটো ধান ক্রয় কৰা ঠাই বিলাকত গৈছো। তাত শ শ কৃষকে আমাক আহি কৈছে, চৰকাৰে এইখন ভাল আঁচনি লৈছে। যাৰ জৰিয়তে আমি ধন্যবাদ জ্ঞাপন কৰিছো। অসমত প্রথমবাৰৰ কাৰণে ধান ক্রয় আঁচনি হৈছে। মানুহৰ মনত সজাগতা হৈছে কিন্তু আৰু সজাগ কৰিব লাগিব। সৰিয়হৰ কথাও কৈছো, অধ্যক্ষ মহোদয় আজি কৃষিৰ ক্ষেত্রত আমাৰ কাৰণে ভাল এটা পৰিবেশ আহিছে। ৰাজ্যখনৰ কাৰণে নিশ্চিতভাৱে ই এটা শুভ লক্ষণ। এই বাজেটখন মই কাৰ কাৰণে উচৰ্গা কৰিছো, অধ্যক্ষ মহোদয় আমাৰ যুৱক যুৱতী সকলৰ কাৰণে। এই সদনৰ পৰা বিনম্রতাৰে কৈছো, আমাৰ লক্ষ্যটো কি, কোনোবাই কয় যে ২ লাখ চাকৰি, ৩ লাখ চাকৰি, সেইটো নহয় আমি কিমান যুৱক যুৱতীক তেওঁলোকে যাতে নিজে উৎপাদন কৰি যাতে নিজে তেওঁলোকে self employed হ'ব পাৰে,  আৰু নিজৰ লগতে আৰু কিছু লোকক নিয়োগ কৰিব পাৰে এইটোৱে সকলোতকৈ ডাঙৰ কথা। এতিয়া MSME ৰ কথা কওঁ। আমি এইখন হাউচৰ সদস্য সকলে সকলোৱে জানো এই MSME ৰ কথা। কিন্তু প্রথম বাৰৰ কাৰণে MSME ৰ যে চৰকাৰে প্রথম বাৰৰ কাৰণে অধ্যক্ষ মহোদয়, interest subvention  কৰি দিছো। আমি অধ্যয়ন কৰিছো অধ্যক্ষ মহোদয় আমাৰ দলৰ সভাপতি  ভৱেশ কলিতা ডাঙৰীয়া নাই মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিম যে MSME ৰ কাৰণে তেখেতে যুঁজি আছে। MSME ত অসমৰ বাহিৰত যদি প্রতিযোগিতা কৰিব লাগে, এই প্রতিযোগিতাত আমি যাবই লাগিব আজি ডাঙৰ ডাঙৰ ল'ৰা ছোৱালী বিলাকক বৃহৎ উদ্যোগ কৰিব কলে, কৰিবটো নোৱাৰিম।  অন্ততঃ ক্ষুদ্র, মজলীয়া উদ্যোগটো আমি অসমত কৰিব পাৰো। তাৰ কাৰণে আমাৰ সপোন আছে আমাৰ ৰাজ্যখনত কিন্তু ৰাস্তাটো দেখুৱাই দিব লাগিব। সেই কাৰণে এইবাৰ প্রথমবাৰৰ কাৰণে আমি MSME ৰ খণ্ডত লঘু উদ্যোগৰ এটা আমি মুখ্যমন্ত্রীৰ নামত , মুখ্যমন্ত্রী যিজনে ৰাজ্যখনৰ ৰাজনৈতিক ভাৱে নেতৃত্ব দিছে, সেই সকলৰ নামতহে আমি আঁচনিটো দিছো অধ্যক্ষ মহোদয়। চকীখনত কোন বহিব সেইটো ডাঙৰ কথা নহয় অধ্যক্ষ মহোদয়, এইটোৱে মেচেজ দিব বিচাৰিছো, যে উদ্যোগ কৰিবৰ কাৰণে বাণিজ্য কৰিবৰ কাৰণে আমাৰ যুৱক যুৱতী সকল আগুৱাই আহক। আজি আমাৰ যিখন আইন আছে অধ্যক্ষ মহোদয় উদ্যোগ বিভাগৰ তাত interest subvention কথা কোৱা হৈছে, যে এটা উদ্যোগ যদি গঠন কৰে,  তাত ১৫০ শতাংশ SGST reimbursement পাব। কিন্তু বহুতো মানুহে নাজানে সেই কাৰণে মই এইবাৰ অন্তৰ্গত কৰিছো, যে এইবাৰ আমাৰ বাজেটত প্রায় ৩ শ কোটি টকা মই উদ্যোগ বিভাগত SGST reimbursement ৰ কাৰণে ৰাখিছো। আজি মোৰ বাজেটখনত  পাতে পাতে উন্নয়নৰ কথা লিখা আছে অসমৰ। এইখন মই গোটেইখিনি সামৰি ল'ব পৰা নাই গতিকে ভুৰুকাত মই হাতী ভৰাইছো। এই বিষয়ত আপোনালোক গভীৰতালৈ যাব, উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে জানিব, তেওঁক ধন্যবাদ দিছো, এইবাৰ customize যিখন পলিচি, যোৱাবাৰ কৈছিলো, তেওঁ customize পলিচি আনিছে। এনেকুৱা ধৰণৰ নতুন নতুন চিন্তা চৰ্চা UFAB পৰ্টেল, পৰিবেশ সৃষ্টি হৈছে, এনেকুৱা ধৰণৰ পৰিবেশ গঢ়িবৰ কাৰণে অসমত চিন্তা চৰ্চা কৰিছো অধ্যক্ষ মহোদয়, আপোনালোকে যেনেকৈ কওঁক, কোনোবাই গতানুগতিক কৈছে। কিন্তু নতুন এখন অসম,

পুনৰুজ্জীৱিত অসম কৰিবৰ কাৰণে আমি চেষ্টাৰ কাৰ্পন্য কৰা নাই, অধ্যক্ষ মহোদয় সেইখিনি আপোনালোকক কলো। গতিকে মই expenditure ৰ কথাওঁ কৈছো। ১ লাখ ৬ হাজাৰ কোটি টকা আমি মাৰ্চ মাহৰ ৩১ লৈকে খৰচ কৰিছিলো। এইবাৰ আজি ১৫ মাৰ্চত ১ লাখ ৮ হাজাৰ কোটি টকা খৰচ হৈছে। ১৫ দিন আৰু আছে, এইখিনি চিলিং ফ্ৰি কৰিলে, হয়তো আমি লক্ষ্যত উপনীত হ'ব পাৰিম। capital expenditure ৰ কথা কৈছো। এইবাৰ আমি আমাৰ যোৱা বিত্তীয় বৰ্ষত আমি আটাইতকৈ বেছি capital expenditure কৰিছিলো। আৰু এইবাৰো আমি প্ৰায় ২৮ হাজাৰ কোটি টকা capital expenditure ৰ লক্ষ্য ৰাখিছো। কিন্তু ইয়াৰ আৰু বেছি additional হ'ব কাৰণ EAP ৰ যিখিনি পইচা আছে, আৰু নিডাৰ যিখিনি পইচা আছে সেই পইচাখিনি অফ বাজেট। ৬ হাজাৰ কোটি টকা অফ বাজেট হ'ব। সেইখিনি আমি ইয়াত ৰখা নাই, তথাপিও সেই খিনি capital expenditure ৰত যোগ হ'ব। কিন্তু আগতে অধ্যক্ষ মহোদয় ৪, ৫ শতাংশ মানহে টকা ইয়াত capital expenditure ৰ বাবে খৰচ কৰিছিলো। এতিয়া অধ্যক্ষ মহোদয়, মই বেছি কথা ক'ব খোজা নাই, যিমান পাৰিছো কথাখিনি ইয়াত সুমুৱাবলৈ চেষ্টা কৰিছো। বিশেষভাবে ১৮ টা যি flagship programme আছিল, নৰহ ডাঙৰীয়াই কৈছিল, যে দুটাহে মাত্ৰ flagship programme শেষ কৰা দেখা পাইছে বুলি তেখেতে কৈছিল। তেখেতক এই গোটেইখিনি কথা জনাব খুজিছো যে আমি গোটেই প্ৰজেক্ট বিলাকত আৰম্ভণি কৰিছো। হয়তো আমি সম্পুৰ্ণ ভাবে শেষ কৰিব পৰা নাই। এইটোও মই আৰম্ভনিতে কৈছো যে যিবিলাক flagship programme দেখিছো, acceptance ও আছে। ভৰিষ্যতে কৰিব লগা আছে সেই বিলাক আমি ৰাখিছো, আৰু নতুন যথেষ্টখিনি flagship programme আমি তাত অৰ্ন্তভুক্ত কৰিছো। এতিয়া অধ্যক্ষ মহোদয়, cabinet outreach programme আমি এটা ৰাখিছিলো, মাননীয় বিধায়ক সকলে কিছু কথা কৈছে অধ্যক্ষ মহোদয়, আমি কেবিনেট সভা কেপিটেলৰ বাহিৰত পতাৰ কাৰণে সমালোচনা কৰিছে, অধ্যক্ষ মহোদয় আজি ইমান দিনে দেখিছো, যে আমাৰ কেপিটেলৰ বাহিৰত আমি কেবিনেট মিটিং বিলাক কিয় পাতিছো? তাৰ বিষয়ে কিছু প্ৰশ্ন আহিছে, এতিয়া অধ্যক্ষ মহোদয়, বহুতে কৈছে মন্ত্ৰী সকলে ভোজভাত খাইছে। আমাৰ কিছু সদস্যই কৈছে যে ৰজাৰ মানসিকতাৰে আমি কামখিনি কৰিছো। মই অধ্যক্ষ মহোদয় এইখন সদনত মই সম্পুৰ্ণ আন্তৰিকতাৰে আপোনাক কৈছো, যে আমাৰ গোটেই চৰকাৰখনে আজি ৰাইজৰ ওচৰলৈ যায় সেইকাৰণে আমি কেবিনেটবোৰ বাহিৰত পাতিছো। মই ইন এগ্ৰিলৰ কথা কৈছো, ডিচপ্ৰাইৰিটিৰ কথা কৈছো, জিঅ'গ্ৰাফিকেল বেৰিয়াৰৰ কথা কৈছো, আমাৰ কাছাৰৰ বিধায়ক গৰাকীয়েকৈছে আজি মানুহে সেইবোৰ কথা কিয় কয়। যদি এইবোৰ আমি আগতেই কৰিলোহেঁতেন তেতিয়া কিন্তু মানুহে এইবিলাক কথা কোৱা বন্ধ কৰিলে হেঁতেন। আজি কাৰ্বি আংলঙৰ বিধায়ক গৰাকীয়ে কৈছে, এন চি হিলচ্ ৰ বিধায়কে কৈছে, বৰাক ভেলীৰ বিধায়কে কৈছে। এইবোৰ কথা কিয় কৈছে। আমাৰ যিটো সংযোগ সেই সংযোগটো আমি কেৱল ইয়াতে দিশপুৰ কেন্দ্ৰীক কৰিছো। ৰজাৰ মানসিকতা কি, যেতিয়া সদায় কেন্দ্ৰীভূত কৰে। আমি আমাৰ চৰকাৰখনে সেই কেন্দ্ৰীভূত মানসিকতা ত্যাগ কৰি আমি প্ৰকৃতাৰ্থত ৰাইজৰ ওচৰলৈ যাব বিচাৰিছো। তেওঁলোকৰ মনৰ বেদনা বুজিবলৈ চেষ্টা কৰিছো। সেই কাৰণে অধ্যক্ষ মহোদয়, সেই অঞ্চলবোৰত নতুন পৰিবেশৰ সৃষ্টি হৈছে। আমি ধেমাজিলৈ গৈছিলো আৰু তাৰ কেবিনেটত বিভিন্ন আঁচনি সমূহ ঘোষণা কৰিছিলো। তেতিয়াও বহুতো কাম চলি আছিল। তাত আমি দেখিছিলো ডি চি কোৰ্টৰ অৱস্থা অতি বেয়া। তাত দেখিলো স্পৰ্টচ কমপ্লেক্স নাই। তাত হয়তো এখন ফ্লাই অভাৰো নাই। বিভিন্ন ধৰণৰ বিষয়বোৰৰ আন্তঃগাঁথনি কম। সেইবোৰ আমি পিছৰ পৰ্যায়ত নিৰ্মাণ কৰিছো। তাত আমি কিছুমান প্ৰতিশ্ৰুতি

দিছিলো। যোৰহাটত আমি কেবিনেট অনুষ্ঠিত কৰিলো। বিধায়ক শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালীয়ে জানে যে যোৰহাটত মানুহ থাকিব পৰা এটা ভাল চাৰ্কিট হাউচ নাই। আমি যুদ্ধ গতিৰে যেতিয়া তাত কেবিনেট মিটিং অনুষ্ঠিত কৰিলো তেতিয়া আমি সকলোৰে যাব লগীয়া হ'ল। চৰকাৰী বিষয়া-কৰ্মচাৰী সকলেও যাব লগীয়া হ'ল। তাত থাকিবলৈ নিজৰ চৰকাৰী ভৱন এটা নাই। তেতিয়া আমি তাত কিছু চৰকাৰী পুঁজি দিলো আৰু সেইখিনি পুঁজিৰে আঁচলতে আমাক ডি চি সকলে কেবিনেটৰ খৰছ বুলি দেখুৱাইছে। প্ৰত্যেকটো পুঁজিয়ে আমি আঁচলতে প্ৰডাক্টিভিটিৰ কামত খৰছ কৰিছো। খাবলৈ হয়তো কোনোবাই আমাক এসাজ ভাত দিছে। তাতো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে সাধাৰণ ভাৱে খাবলগীয়া যিখিনি থাকে সেইখিনিয়ে খাব লাগে। গতিকে আমি কিমান নিষ্ঠাৰে এই প্ৰগ্ৰেমটো অনুষ্ঠিত কৰিছিলো। ইয়াত আমি ৫০০ কোটি টকা ধৰিছো যে ইয়াৰ লিষ্টখন বহুত দীঘলীয়া আছিল। বিভাগৰ যিবোৰ ব্ৰাঞ্চ আছে সেই ব্ৰাঞ্চবোৰ আমি লিষ্টৰ লগত সামৰি লৈছো। গড়কাপ্তানী বিভাগৰ যদি কিবা পুঁজি ধৰিব লাগে তেতিয়াহ'লে তাক আমি ইণ্টিগ্ৰেট কৰি দিছো। আৰবান ডেভেলপমেণ্টত যদি কিবা দিব লাগে, যোৰহাটত বজাৰ বিচাৰিছে। তাত আমি আৰবান ডেভেলপমেণ্টক ইণ্টিগ্ৰেট কৰা হৈছে। সামগ্ৰিকভাৱে আমি আমাৰ সদিচ্ছাটো প্ৰকাশ কৰিছো। পুঁজিখিনি হয়তো মই ইয়াত দিব পৰা নাই। মই ইয়াত কিছু পুঁজি পি ডব্লিউ ডি ৰ গোৱেল হেডত ৰাখিছো বা অন্যান্য বিভাগৰ যিমানবোৰ ব্ৰাঞ্চ আছে সেই ব্ৰাঞ্চবোৰত আমি পুঁজিবোৰ ৰাখিছো। সেইবোৰ অসমৰ সামগ্ৰিক উন্নয়ণৰ কাৰণে কৰা হৈছে। It is inclusive growth. বহুতে কয় যে বাজেটখন বোলে গুৱাহাটী কেন্দ্ৰীক হৈছে। আজি গুৱাহাটী মহা নগৰৰ মাননীয় শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য দেৱ ইয়াত বহি আছে। আমাৰ গুৱাহাটী খন নৰ্থ-ইষ্টৰ গেট ৱে। আমাৰ গুৱাহাটীৰ যান যঁটৰ যিটো সমস্যা সেইখিনি মুক্ত কৰিবৰ কাৰণে আমি লক্ষ্য স্থিৰ কৰি লৈছো। লগতে সামগ্ৰিকভাৱে আমাৰ বিকাশ ডি-চেণ্ট্ৰেলাইজ হয় আমি জিলা ভিত্তিত কৰিবৰ বাবে আৰম্ভ কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজৰ সচিবালয় এটা ডিব্ৰুগড়ত প্ৰতিষ্ঠা কৰিবলৈ প্ৰস্তাৱ ৰাখিছে। এই .বাজেটত মই আনিছো। এইটোৱে কথা অধ্যক্ষ মহোদয়। গতিকে আমাৰ উদ্দেশ্য হৈছে আমি বিকেন্দ্ৰীকৃত ক্ষমতাৰ এটা পৰিবেশ সৃষ্টি কৰিব বিচাৰিছো য'ত মানুহে আমাৰ যিটো অসমতা সেই অসমতটো মানুহে ফিল নকৰে এইটোৰ কাৰণে আঁচলতে এই পৰ্য্যায়বোৰ মই ৰাখিছো। ইয়াত সকলো বিধায়কে তেওঁলোকৰ মনৰ কথাবিলাক কৈছে মই অতি গুৰুত্ব সহকাৰে কৈছো, ইয়াত মই লিপিবদ্ধ কৰিছো ইয়াৰ পিছত আপোনালোক বিধায়ক বিলাকে যিবিলাক মোক দিছে সেইখিনি মই লিপিবদ্ধ কৰি লৈছো। মই বিভাগ বিলাকক সেই গোটেইখিনি কথা ক'ম। সামগ্ৰিকভাৱে মই এইখিনি কথায়ে কলো যে এই বাজেটখনত আমি যিমান পাৰিছো এখন উজ্জীৱিত অসমৰ লক্ষ্য লৈ এই বাজেটখন মই লৈ গৈছো। আশা কৰিছো যে অসমৰ যুৱক-যুৱতী সকলে এই বাজেটত অংশগ্ৰহণ কৰিব, অসমৰ নাগৰিক সকলে ইয়াত অংশগ্ৰহণ কৰিব। তেওঁলোকেহে আচলতে বাজেটখনক আগবঢ়াই লৈ যোৱাৰ হোতা। গতিকে অসমৰ যুৱক-যুৱতীক আহ্বান জনাইছো যিখিনি পুঁজি আমি ৰাখিলো সেইখিনি যাতে তেওঁলোকে ভৱিষ্যতে গ্ৰহণ কৰি অসমখনক স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তোলক, দৰিদ্ৰতা নিবাৰণৰ কাৰণে যিখিনি পুঁজি মই ৰাখিছো সেই পুঁজিৰ যাতে সৎ ব্যৱহাৰ হওক। সামগ্ৰিকভাৱে অসমখনে এখন আমাৰ এখন শ্ৰেষ্ঠ ৰাজ্যৰ যি সপোন সেই লক্ষ্যত আমি আগুৱাই যাওঁ এইখিনি কৈ মই সকলোকে পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰি বাজেটৰ ওপৰত মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

সদন ২১-০৩-২০২৩ তাৰিখৰ ৰাতিপুৱা ০৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।